# এই সংখ্যাত


# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্র মাহেকীয়া
আলোচনী

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ দীপিকা কচ্চল
জ্যেষ্ঠ সম্পাদক ঃ অনুপমা দাস

**PAYOBHARA**
**VOL. - 47 No. 11**
সপ্তচত্বাৰিংশ বৰ্ষ ঃ একাদশ সংখ্যা
জানুৱাৰী ঃ ২০১৭

শিক্ষক, ছাত্র-ছাত্রী, শিক্ষা
প্রতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে



| | | |
|---|---|---|
| ছেন্দাই উদ্যোগৰ পৰৱৰ্তী ভাৰত আৰু অগ্রগতিৰ পথ | কিৰেণ ৰিজিজু | ৩ |
| ভাৰতত বহনক্ষম উন্নয়নৰ কাৰণে দুৰ্যোগ ব্যৱস্থাপনাৰ বিপদ শংকা | পি জি ধৰ চক্রৱৰ্তী | ৬ |
| দুৰ্যোগ ব্যৱস্থাপনা ঃ প্রশিক্ষণ আৰু সামৰ্থ্য বৃদ্ধি | আৰ কে জৈন<br>ভি থীৰুফুগজ | ৯ |
| ৰাসায়নিক দুৰ্যোগ ঃ ইয়াৰ প্রধান কাৰক, প্রতিৰোধী ব্যৱস্থা আৰু সঁহাৰি | এম সুৰিয়ানাৰায়ণন | ১৩ |
| তৎকালীন সংকটাপন্ন স্থিতিত ল'ব লগা যতনৰ ভূমিকা আৰু গুৰুত্বপূৰ্ণ বিষয় | অমিত গুপ্তা<br>মহেশ চি মিশ্র | ১৬ |
| বিকাশ আৰু দুৰ্যোগ আশংকা প্রশমণ ঃ ছেন্দাই চুক্তি | সন্তোষ কুমাৰ | ২১ |
| দুৰ্যোগ আশংকা প্রশমন ব্যৱস্থা ঃ আন্তৰ্জাতিক প্রেক্ষাপট | কমল কিশোৰ | ২৬ |
| দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্রত উপযুক্ত যোগাযোগৰ ভূমিকা আৰু গুৰুত্ব | চি কে নায়ক | ৩১ |
| খৰতকীয়া দুৰ্যোগ সঁহাৰি ঃ এটা বিশেষত্বমূলক কাৰ্য | | ৩৪ |
| মনস্তাত্ত্বিক প্রাথমিক চিকিৎসা ঃ দুৰ্যোগ কালত চাপমুক্তকৰণৰ উপায় | ড° হৰিহৰণ<br>আমব্রিন খান | ৩৮ |
| জৈৱিক দুৰ্যোগ ঃ কাৰণ আৰু পৰিণতি | ড° অৰ্চনা সূদ | ৪০ |
| দুৰ্যোগ, ব্যৱস্থাপনা আৰু কিছু কথা | অমৃত কুমাৰ ঠাকুৰ | ৪৫ |
| ভূমিকম্প ঃ উত্তৰ-পূৰ্বাঞ্চলত উৎপত্তিৰ সম্ভাৱনীয়তা | অৰ্পণ দত্ত | ৪৮ |
| ঘূৰ্ণী বতাহ | প্রদীপ কুমাৰ দাস | ৫২ |
| কলৰ খেতিৰে স্বাৱলম্বন— ১২০ বিঘা মাটিত কলপুলি ৰোপণ | খগেন্দ্র ৰাভা | ৫৫ |



পয়োভৰাত প্রকাশিত
প্রবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব



পয়োভৰাৰ বছৰেকীয়া গ্রাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্রাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্রাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্রকাশক ঃ অতিৰিক্ত সঞ্চালক প্রধান (ভাৰপ্রাপ্ত), প্রকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্রক ঃ ডি কে গ্রাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

## এই সংখ্যাৰ প্ৰসংগত

# দুৰ্যোগ প্ৰত্যাহ্বান পৰিচালনা

দুৰ্যোগ প্ৰাকৃতিকেই হওক বা মানৱ সৃষ্টই হওক প্ৰাচীন কালৰ পৰাই মানৱৰ ক্ৰমবিৱৰ্তনৰ এটা অংশস্বৰূপ হৈ আহিছে। এই পৃথিৱীত মানৱৰ আৱিৰ্ভাব হোৱাৰ পূৰ্বে ডাইনছৰ, মেম্থ, ছাইবেৰিয়ান বাঘ আদি কিছুমান প্ৰাণীয়ে বিচৰণ কৰিছিল বুলি তাত্ত্বিকভাৱে বিশ্বাস কৰি অহা হৈছে আৰু এইবোৰ পৃথিৱীত হোৱা কিছুমান প্ৰাকৃতিক দুৰ্যোগ— জলবায়ু পৰিৱৰ্তন, বাসস্থানৰ ক্ষতি আৰু আনকি উল্কাপাত আদি ঘটনাৰ বাবে নিঃশেষ হৈ যোৱা বুলি ধাৰণা কৰা হৈছে। সিন্ধু উপত্যকাৰ সভ্যতাৰ ৰহস্যজনক অন্তৰ্ধানৰ কাৰণ এখন নদীৰ সোঁত সলনি, খৰাং বা মহামাৰী বুলি ইতিহাসবিদসকলে ক'ব খোজে। প্ৰাকৃতিক দুৰ্যোগ— বানপানীৰ পৰা প্ৰজাতিসমূহক ৰক্ষা কৰিবৰ বাবে ন'ৱাৰ আক্ অৰ্থাৎ জাহাজখন নিৰ্মাণ কৰা হৈছিল।

বিশ্বৰ অতি দুৰ্যোগপ্ৰৱণ অঞ্চলৰ ভিতৰত ভাৰত উপমহাদেশো আছে। দেশৰ বৰ্তমান ভূমিকম্প মণ্ডলৰ মানচিত্ৰত ভাৰতৰ ৫৯ শতাংশতকৈয়ো অধিক অঞ্চল মজলীয়াৰ পৰা বৃহৎ ভূকম্প বিপদৰ তালিকাত আছে। মুঠ ৩২৯ নিযুত হেক্টৰ (এম এইছ এ) ভৌগোলিক অঞ্চলৰ ভিতৰত ৪০ নিযুত হেক্টৰতকৈয়ো অধিক বানপানীপ্ৰৱণ অঞ্চল। প্ৰতিবছৰে গড়ে ৭৫ লাখ হেক্টৰ ভূমি বান আক্ৰান্ত হয়, ১৬০০ প্ৰাণহানিৰ ঘটনা ঘটে আৰু শস্য, গৃহ, ৰাজহুৱা ব্যৱহাৰ্য সামগ্ৰীৰ লোকচানৰ পৰিমাণ হয় ১৮০৫ কোটি টকা।

দুৰ্যোগ সেয়েহে মানৱ জাতিৰ বাবে অচিনাকি নহয়। খৰাং, বান, দুৰ্ভিক্ষ, ৰোগ, ভূমিকম্প আদি সকলোবোৰ মানৱ জাতিয়ে প্ৰত্যক্ষ কৰিছে আৰু এতিয়াও জীয়াই আছে। এইটো হ'ল মানৱ অস্তিত্বৰ অলৌকিক পৰিস্থিতিৰ লগত খাপ খুৱাই চলাৰ আৰু সংকট অৱস্থা অতিক্ৰম কৰাৰ সামৰ্থ্য। এই কথা চেন্নাইত অলপ দিনৰ আগতে হোৱা বানপানীৰ সময়ত ভালদৰে প্ৰমাণিত হৈছে— য'ত মানৱতাৰ সুন্দৰ প্ৰচেষ্টাৰে ইজনে সিজনলৈ সহায়ৰ হাত প্ৰসাৰিত কৰিছিল। সি যি কি নহওক, দুৰ্যোগ ব্যৱস্থাপনা কেৱল মানৱৰ প্ৰচেষ্টা হ'বলৈ এৰি দিব নোৱাৰি। চৰকাৰ আৰু সমূহীয়া দুয়ো দিশৰ পৰাই দুৰ্যোগ পৰিচালনা কৰিবলৈ প্ৰস্তুতিৰ কিছুমান উপাদান আৰু পৰিকল্পনাৰ দৰ্কাৰ কাৰণ দুৰ্যোগে যেতিয়া জোকাৰি যায়, প্ৰস্তুতিৰ সময় তেতিয়া নাথাকে। যত্ন জৰুৰীকালীন কোঠাৰ পৰা আৰম্ভ কৰা উচিত নহয়। দুৰ্যোগ ব্যৱস্থাপনাৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আদি সংগঠনসমূহক প্ৰাক্-দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে।

বিগত বছৰসমূহত নগৰীকৰণ, জনসংখ্যা বৃদ্ধি, পৰিৱেশৰ অৱনমন বৃদ্ধি আদি কাৰণত সমগ্ৰ পৃথিৱীতে দুৰ্যোগ কালত জন-ধন হানিৰ বৃদ্ধিৰ ধাৰা পৰিলক্ষিত হৈছে। ১৯৮৪ চনত ভূপাল গেছ ট্ৰেজেদি, ২০১৩ চনৰ উত্তৰাখণ্ডৰ বানপানী, ২০১১ চনৰ ফুকুশ্বিমা ডাইছি পাৰমাণৱিক দুৰ্যোগৰ ফলত হোৱা প্ৰাণহানি আৰু ধ্বংসাৱশেষ আছিল মানৱ সৃষ্ট— যিবোৰ এৰাই চলিব পৰা গ'লহেঁতেন।

প্ৰাকৃতিক দুৰ্যোগ কেতিয়াবা আগজাননী নিদিয়াকৈয়ে আহে— যেনে ছুনামি, যিটোৱে ভাৰত মহাসাগৰক আক্ৰান্ত কৰিছিল। ইয়াৰ ফলত বহু মৃত্যু আৰু ধ্বংসলীলা সংঘটিত হৈছিল। সেইবোৰ আছিল প্ৰকৃতিয়ে নিজস্ব ধৰণেৰে মানৱ জাতিৰ প্ৰতি প্ৰদৰ্শন কৰা ক্ষমতা। এইবোৰ পৰিচালনা কৰিব লাগিব। সেয়েহে দুৰ্যোগৰ পৰৱৰ্তী প্ৰতিক্ৰিয়াৰ দৰকাৰ। দুৰ্যোগ সংঘটিত হোৱাৰ পাছত যিকোনো জৰুৰী অৱস্থাৰ প্ৰয়োজনত উপযুক্তভাৱে প্ৰস্তুত হৈ তৎক্ষণাৎ দুৰ্যোগ সংঘটিত স্থানত দুৰ্যোগ ব্যৱস্থাপনাৰ গোট উপস্থিত হোৱাটো জৰুৰী প্ৰয়োজন। খহি পৰা দেৱালৰ তলৰ পৰা সহায়ৰ বাবে কান্দোন বা মাটিৰে পোত যোৱা অৱস্থাৰ প্ৰতি লগে লগে মনোযোগ দিব লাগে। চিকিৎসাজনিত জৰুৰী অৱস্থাৰ বাবে চিকিৎসকৰ দল তৎক্ষণাৎ উপস্থিত হোৱা উচিত। ঘটনা সংঘটিত হোৱাৰ পাছৰ সময়ছোৱাৰ যত্ন অতি দৰকাৰ কাৰণ সেই পৰ্যায়ত জীৱন আৰু মৃত্যুৰ পাৰ্থক্যৰ অৰ্থ বুজায়। দুৰ্যোগ সংঘটিত স্থানত আত্মীয়-স্বজনক বিচাৰি পোৱাটো আন এটা উদ্বেগৰ বিষয়। ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰতিক্ৰিয়া বাহিনীক এই প্ৰধান আৱশ্যকতাটো পূৰ কৰাৰ বাবে গঠন কৰা হৈছিল।

জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টি কৰাটোও সমানে গুৰুত্বপূৰ্ণ কাৰণ সামান্য জ্ঞানেও দুৰ্যোগৰ বেয়া পৰিস্থিতিৰ সমাধান কৰাত বহুত সহায় কৰে। বিশেষকৈ দুৰ্যোগপ্ৰৱণ অঞ্চলৰ লোকক দুৰ্যোগ সংঘটিত হোৱা সময়ত সহায় আগবঢ়াব পৰাকৈ প্ৰশিক্ষণ দিব পাৰি। সফল যোগাযোগ হ'ল ইয়াৰ প্ৰধান কথা। ওড়িছাৰ শেহতীয়া বান হ'ল সুন্দৰভাৱে পৰিকল্পিত যোগাযোগ কৌশলে দুৰ্যোগ ব্যৱস্থাপনাত কেনেদৰে সহায় কৰিব পাৰে তাৰ এটা উৎকৃষ্ট উদাহৰণ।

কিন্তু পৰিশেষত ক'ব লাগিব— দুৰ্যোগ আহিব পাৰে। আমি দুৰ্যোগ অহাটো বন্ধ কৰিব নোৱাৰো কিন্তু হ্ৰাস কৰিব পাৰো আৰু জ্ঞানেৰে নিজক সুৰক্ষিত কৰিব পাৰো যাতে অধিক প্ৰাণহানিৰ ঘটনা নঘটে। বেঞ্জামিন ফ্ৰেংকলিনে ক'বৰ দৰে 'এক আউন্স প্ৰতিৰোধ এক পাউণ্ড নিৰাময়ৰ মূল্যৰ সমান।'

# ছেন্দাই উদ্যোগৰ পৰৱৰ্তী ভাৰত আৰু অগ্ৰগতিৰ পথ

**কিৰেণ ৰিজিজু***

২০১৫ চনৰ মাৰ্চৰ ১৮ তাৰিখটো এটা ঐতিহাসিক দিন আছিল, কাৰণ এই দিনটোতে ভাৰতকে ধৰি ৰাষ্ট্ৰসংঘৰ ১৮৮ খন সদস্য ৰাষ্ট্ৰই এখন ১৫ বছৰীয়া আঁচনি গ্ৰহণ কৰিছিল। ২০১৫ চনৰ জাপানৰ মহানগৰ ছেন্দাইত অনুষ্ঠিত দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণ সম্পৰ্কীয় ৰাষ্ট্ৰসংঘৰ তৃতীয় বিশ্ব সন্মিলনক 'ছেন্দাই চুক্তি' হিচাপে অভিহিত কৰা হৈছে। তাৎপৰ্যপূৰ্ণভাৱে ২০৩০ চনৰ ভিথৰত উপনীত হ'ব পৰাকৈ চাৰিটা অগ্ৰাধিকাৰ ক্ষেত্ৰ আৰু সাতটা নিৰ্দ্ধাৰিত লক্ষ্যৰে সমষ্টি ২০১৫ চনৰ এই উন্নয়নমূলক সূচী হ'ল ২০১৫ চনত স্বাক্ষৰিত হোৱা ৰাষ্ট্ৰসংঘৰ প্ৰথম প্ৰধান চুক্তি। এই গাঁথনিৰ প্ৰত্যাশিত ফল হ'ল নতুন দুৰ্যোগ শংকাৰ সৃষ্টিত বাধা দিয়া আৰু দুৰ্যোগ বিপদ শংকা বুজন পৰিমাণে হ্ৰাস কৰা। ছেন্দাই চুক্তিত অন্তৰ্ভুক্ত কৰা চাৰিটা অগ্ৰাধিকাৰ ক্ষেত্ৰ হ'ল— (১) বিপদ শংকাৰ বিষয়ে উপলব্ধি কৰা, (২) বিপদ শংকা প্ৰশাসন শক্তিশালীকৰণ, (৩) বিপদ শংকা স্থিতিস্থাপকতাত বিনিয়োগ আৰু (৪) দুৰ্যোগৰ প্ৰতিক্ৰিয়াৰ বাবে সামৰ্থ্য উন্নীতকৰণৰ লগতে দুৰ্যোগৰ পাছত পুনৰ ভালকৈ নিৰ্মাণ কৰা। ছেন্দাই চুক্তিয়ে দুৰ্যোগত হোৱা মৃত্যুৰ সংখ্যা বুজন পৰিমাণৰ হ্ৰাসকৰণ, দুৰ্যোগত আক্ৰান্ত লোকৰ সংখ্যা, অৰ্থনৈতিক ক্ষতি আৰু আন্তঃগাঁথনিৰ ক্ষতিৰ হ্ৰাসকৰণ সম্পৰ্কত লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। একে সময়তে, ই ৰাষ্ট্ৰীয় আৰু স্থানীয় কৌশলৰ জৰিয়তে সামৰ্থ্য বৃদ্ধি আৰু আগতীয়া আগজাননীৰ বাবে আন্তৰ্জাতিক সহযোগিতাৰ সহজ প্ৰৱেশ বৃদ্ধিৰ বাবে আহ্বান জনাইছে।

ইয়াৰ পূৰ্বৱৰ্তী ২০০৫ চনত কাৰ্যৰ বাবে হিউগো গাঁথনি গ্ৰহণ কৰাৰ এটা দশকৰ পাছত এই নতুন গাঁথনিয়ে দুৰ্যোগৰ ক্ষতিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে এই লক্ষ্য নিৰ্দ্ধাৰণ কৰি প্ৰগতিৰ নিশ্চিত পৰিমাপকৰ বাবে আহ্বান জনাইছে। ছেন্দাইৰ চুক্তি কাৰ্যৰ বাবে হিউগো গাঁথনিৰ (এইছ এফ এ) অধীনত ৰাজ্য আৰু আন দাবীদাৰসকলে কৰি থকা কামৰ ধাৰাবাহিকতা নিশ্চিত কৰিব পৰা উপাদানৰ ওপৰত ভিত্তি কৰি গ্ৰহণ কৰা হৈছে আৰু যথেষ্ট সংখ্যক অভিযোজনা প্ৰৱৰ্তন কৰা হৈছে। ভাৰতৰ ক্ষেত্ৰত, গাঁথনিসমূহ হ'ল দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণৰ জোৰা মাৰিবলৈ অঙ্গীকাৰবদ্ধতা আৰু দুৰ্যোগ ৰোধৰ ববে ক্ষমতা গঠনৰ জৰুৰী প্ৰয়োজনীয়তা বোধৰ পুনৰ নিশ্চিতকৰণ।

ছেন্দাই চুক্তিৰ প্ৰতি অঙ্গীকাৰ-বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ছেন্দাই ঘোষণাৰ পাছত সাতোটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰিছে। প্ৰথমটো হ'ল ছেন্দাই সন্মিলনত দিয়া প্ৰতিশ্ৰুতি অনুযায়ী ভাৰতে ২০১৬ চনৰ নবেম্বৰ মাহত দুৰ্যোগ হ্ৰাসকৰণ সম্পৰ্কীয় এছিয়ান মিনিষ্ট্ৰিয়েল (এ এম চি ডি আৰ আৰ) সফলভাৱে অনুষ্ঠিত কৰে আৰু 'নতুন দিল্লী ঘোষণা' আৰু 'ছেন্দাই চুক্তি ৰূপায়ণৰ বাবে আঞ্চলিক কাৰ্যকৰী আঁচনি' গ্ৰহণ কৰিছে। ছেন্দাই চুক্তিত অন্তৰ্ভুক্ত কৰা দুৰ্যোগ বিপদ শংকা প্ৰশমনৰ কাৰণে সকলো সামাজিক প্ৰচেষ্টাৰ লগতে এছিয়ান মিনিষ্ট্ৰিয়েল কন্‌ফাৰেঞ্চ অন্ ডিযাছ্টৰ ৰিকাডশ্বন-এ বহু বিশিষ্ট ব্যৱসায়ীসকলৰ বাবে এছিয়া আৰু প্ৰশান্ত সাগৰীয় অঞ্চলত ছেন্দাই চুক্তি ৰূপায়ণৰ বাবে বিশেষ অঙ্গীকাৰবদ্ধ কৰিবৰ বাবে সুবিধা আগবঢ়াইছে। এছিয়ান মিনিষ্ট্ৰিয়েল কন্‌ফাৰেঞ্চ অন ডিযাছ্টৰ ৰিডাকশ্বন-এ এছিয়া আৰু প্ৰশান্ত সাগৰীয় অঞ্চলত ছেন্দাই চুক্তি ৰূপায়ণৰ বাবে দিক্ নিৰ্দেশনা আগবঢ়াব। আনহাতে, এই ফলাফলে এছিয়া আৰু প্ৰশান্ত সাগৰীয় অঞ্চলৰ বাবে ছেন্দাই চুক্তিৰ প্ৰাসংগিকতাত সহায় কৰিব আৰু এহাতে অঞ্চলত এইবোৰৰ ৰূপায়ণৰ ক্ষেত্ৰত জৰুৰীবোধক অনুপ্ৰাণিত কৰিব। এছিয়ান মিনিষ্ট্ৰিয়েল কন্‌ফাৰেঞ্চ অন্ ডিযাছ্টাৰ ৰিডাকশ্বন (এ এম চি ডি আৰ আৰ)ৰ ক্ষেত্ৰত অঞ্চলটোত নতুন শক্তিৰে দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণ প্ৰচেষ্টা কাৰ্যকৰীকৰণৰ বিষয়টোত অগ্ৰসৰ হ'বৰ কাৰণে প্ৰধান মন্ত্ৰীয়ে এখন দহদফীয়া সূচীৰে ৰূপৰেখা গ্ৰহণ কৰিছে। এই দহ দফীয়া সূচী বক্স 'এ'ত অন্তৰ্ভুক্ত কৰা হৈছে।

দ্বিতীয়তে, ভাৰত চৰকাৰে ছেন্দাই চুক্তি ২০১৫-২০৩০ৰ অগ্ৰাধিকাৰ আৰু নিৰ্দ্ধাৰিত লক্ষ্যৰ ওপৰত ভিত্তি কৰি

*কিৰেণ ৰিজিজু কেন্দ্ৰীয় গৃহ পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী আৰু ৰাষ্ট্ৰসংঘৰদ্বাৰা ডিযেছ্টাৰ ৰিস্ক ৰিডাকশ্বন চেম্‌পিঅন্ ফৰ্ এছিয়ান ৰীজনৰ বাবে মনোনীত।

সকলো ৰাজ্য চৰকাৰলৈ অগ্ৰাধিকাৰ কাৰ্যক্ৰমণিকাৰ এটা সংগ্ৰহ প্ৰেৰণ কৰিছে। এ এম চি ডি আৰ আৰ-ৰ সময়ছোৱাত ভাৰত চৰকাৰে এছিয়া অঞ্চলত দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণৰ ছেন্দাই চুক্তিৰ সফল ৰূপায়ণৰ বাবে ইউ এন আই এছ ডি আৰ-লৈ ১ নিযুত মাৰ্কিন ডলাৰ আগবঢ়াইছে।

তৃতীয়তে, ছেন্দাই অগ্ৰাধিকাৰ ৪ অনুযায়ী, ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰতিক্ৰিয়া বাহিনীক (এন ডি আৰ এফ) শক্তিশালী কৰা হৈছে আৰু বৃত্তিগত দুৰ্যোগ প্ৰতিক্ৰিয়া বাহিনী হিচাপে সবলীকৰণ কৰা হৈছে। তদুপৰি, ভাৰত চৰকাৰে ২৫০ কোটি টকাৰ আৱৰ্তিত পুঁজিৰ জৰিয়তে নেশ্বনেল ডিযেছ্টাৰ ৰেছ্‌পঞ্চ ফৰ্ছৰদ্বাৰা পৰিচালনা কৰিবলগীয়া নেশ্বনেল ডিযেছ্‌টাৰ ৰেছপঞ্চ ৰিজাৰ্ভ (এন ডি আৰ আৰ) গঠনৰ বাবে অনুমোদন জনাইছে। এই উৎসৰ্গিত পুঁজিয়ে এন ডি আৰ এফ-ক যিকোনো দুৰ্যোগ হৈ যোৱৰ পাছত তৎক্ষণাত প্ৰয়োজন হোৱা তম্বু, ঔষধ, খাদ্য সামগ্ৰী আদি জৰুৰী সামগ্ৰী আৰু সেৱা সাজু কৰি ৰখাৰ ক্ষেত্ৰত সমৰ্থ কৰিব।

চতুৰ্থতে, ভাৰত চৰকাৰে ২০১১ চনত জাপান আৰু ২০১৫ চনত নেপালত সংঘটিত ভূমিকম্পৰ পাছত আগবঢ়োৱা দুৰ্যোগ সাহায্যৰ দৰে আন দেশৰ ক্ষেত্ৰতো ইয়াৰ নৈপুণ্য আৰু সহায় বিনিময় কৰাৰ বাবে আগ্ৰহী। ভাৰত চৰকাৰে অঞ্চলটোত দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণৰ বাবে এছ এ এ আৰ চি (SAARC) দুৰ্যোগ ব্যৱস্থা কেন্দ্ৰৰ ব্যৱস্থা কৰি মাণ্ডলিক সহযোগিতা আৰু চাৰ্ক দেশসমূহৰ মাজত জ্ঞানৰ বিনিময়ৰ উৎকৰ্ষ সাধনৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আছে। দিল্লীত অনুষ্ঠিত হোৱা ছাৰ্ক দুৰ্যোগ ব্যৱস্থাপনা অনুশীলন (এছ এ এ ডি এম ই এক্স) ২০১৫ত চৰকাৰসমূহক দুৰ্যোগ প্ৰতিক্ৰিয়াৰ সম্পৰ্কত সদস্য ৰাষ্ট্ৰসমূহৰ মাজত ধাৰণা আৰু অভিজ্ঞতা আদান-প্ৰদান আৰু আঞ্চলিক সহযোগিতাৰ প্ৰতিষ্ঠানিক ব্যৱস্থাপনা সবল কৰাৰ অংগীকাৰ পুনৰ নিশ্চিতকৰণৰ বাবে এটা আদৰ্শ মঞ্চ প্ৰদান কৰিছে। একেদৰে, হায়দৰাবাদৰ নেশ্বনেল ছেণ্টাৰ ফৰ্ অ'শ্বন্ ইন্‌ফৰমেশ্বন ছাৰ্ভিছ-এ মাত্ৰ ভাৰতৰ ক্ষেত্ৰতে নহয় ভাৰত মহাসাগৰৰ পাৰ্শ্বৱৰ্তী ২৮ খন ৰাষ্ট্ৰলৈকো আগতীয়া সাৱধানবাণী আগবঢ়ায়।

পঞ্চমতে, দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত সামৰ্থ গঠনৰ বাবে ২০১৫ চনৰ আগষ্ট মাহত এন আই ডি এম-এ বহু শৃঙ্খলিত গাঁথনিৰ ভিতৰত উচ্চশিক্ষা আৰু গৱেষণাৰ উৎকৰ্ষৰ কাৰণে জৱাহৰলাল নেহৰু য়ুনিভাৰচিটিত দুৰ্যোগ গৱেষণা আৰু পূৰ্বৰ অৱস্থালৈ ঘূৰি অহাৰ ক্ষমতাৰ গঠনৰ এটা কেন্দ্ৰ স্থাপনৰ বাবে বিত্তীয় সহায় আৰু বিদ্যায়তনিক সহযোগিতাৰ কাৰণে জৱাহৰলাল নেহৰু য়ুনিভাৰচিটিৰ লগত এখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। তদুপৰি প্ৰতিষ্ঠানিক সবলীকৰণৰ অংশ হিচাপে ভাৰত চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনা আৰু প্ৰতিক্ৰিয়াৰ লগত জড়িত লোকসকলক প্ৰশিক্ষণ দিবৰ কাৰণে নাগপুৰৰ নেশ্বনেল ছিভিল ডিফেঞ্চ কলেজত নেশ্বনেল ডিযেছ্টাৰ ৰেচপন্‌ছ ফৰ্ছ অকাডেমি স্থাপন কৰে। চৰকাৰে ইয়াৰ উপৰি নেশ্বনেল ফায়াৰ ছেফ্‌টি কলেজ সবলীকৰণ আৰু উন্নীতকৰণৰ কাৰণে ২০৫ কোটি টকা আবণ্টন কৰিছে। ডি আৰ আৰক আন্তঃগাঁথনি উন্নয়নলৈ ঘাইসূতিকৰণৰ কাৰণে আন্তঃগাঁথনি উন্নয়ন সংস্থা— বিশেষকৈ দুৰ্যোগ ৰোধৰ বাবে মৌলিক বাস্তৱ দিশত পাহাৰীয়া ৰাজ্যসমূহত কৰ্মৰতসকলক প্ৰশিক্ষণ প্ৰদানৰ বাবে আৰ্হিৰ সম্পৰ্কত গভীৰভাৱে চিন্তা কৰা হৈছে।

তদুপৰি, চৰকাৰে চতুৰ্দশ বিত্তীয় আয়োগৰ পৰামৰ্শাৱলী ৰূপায়ণ কৰিছে আৰু ২০১৫-১৬ বিত্তীয় বৰ্ষৰ পৰা ২০১৯-২০ বিত্তীয় বৰ্ষৰ বাবে সকলো ৰাজ্যলৈকে ৰাজ্যিক দুৰ্যোগ প্ৰতিক্ৰিয়া পুঁজি (এছ ডি আৰ এফ)ৰ বাবে ৬১,২২০ কোটি টকা (৪৭,০২৯.৫০ কোটি কেন্দ্ৰীয় অংশ আৰু ১৪,৯০.৫০ কোটি টকা ৰাজ্যৰ অংশ হিচাপে) আবণ্টন দিছে, যিটো হ'ল ত্ৰয়োদশ বিত্তীয় আয়োগে ২০১১ৰ পৰা ২০১৪-১৫ বিত্তীয় বৰ্ষৰ বাবে ধাৰ্য কৰা ৩৩,৫৮০.৯৩ কোটি টকাতকৈ তাৎপৰ্যপূৰ্ণভাৱে অধিক। তদুপৰি ৰাজ্যিক দুৰ্যোগ প্ৰতিক্ৰিয়া পুঁজিৰ ব্যৱস্থাত ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰতিক্ৰিয়া বাহিনীৰ (এন ডি আৰ এফ) তৰফৰ পৰা গুৰুতৰ প্ৰাকৃতিক দুৰ্যোগৰ সময়ত প্ৰয়োজন অনুসৰি পুঁজি সমৰ্থন দিয়া হয়। ২০১৫-১৬ বিত্তীয় বৰ্ষত বিভিন্ন দুৰ্যোগৰ ব্যৱস্থাপনাৰ কাৰণে ৰাজ্য চৰকাৰসমূহলৈ ১৭,৭৪৯.১৮ কোটি টকা (ইয়াৰ ভিতৰত ৫,২৯৭.২২ কোটি টকা এন ডি আৰ এফ-এ মুকলি কৰি দিছিল) মুকলি কৰি দিয়া হয়।

সৰ্বশেষত, দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণৰ ক্ষেত্ৰত ৰাজ্যৰ প্ৰাথমিক ভূমিকাৰ বিষয়ে পুনৰ আলোচনা কৰাৰ সময়তে ছেন্দাই চুক্তিয়ে ব্যক্তিগত খণ্ডকে ধৰি আন দাবীদাৰসকলক দুৰ্যোগ প্ৰস্তুতি আৰু ইয়াৰ পৰা ৰক্ষা পৰাৰ বাবে আঁচনি লগতে সাহায্য আৰু উদ্ধাৰ অভিযান আদিত জড়িত হ'বৰ বাবে আন উদ্যোগীসকলৰ প্ৰতিও আহ্বান জনাইছে। দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণ অভিযানত

সামৰ্থ্য গঠনৰ বাবে নিৰ্ভৰযোগ্য আৰু বহনযোগ্য আধুনিক প্ৰযুক্তি বিজ্ঞান ব্যৱহাৰ কৰি দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণ শক্তিশালী কৰিবলৈ ৰাজহুৱা আৰু ব্যক্তিগত সকলো দিশৰ পৰাই সমন্বয়ৰ আৱশ্যক। বহনক্ষম আন্তঃগাঁথনিয়ে দ্ৰুত নগৰীকৰণৰ ফলত সৃষ্ট গৌণ বিপদকে ধৰি সকলো উপাদানকে বিবেচনাৰ অৰ্থে গ্ৰহণ কৰাটোত ভাৰত চৰকাৰে বিশ্বাস কৰে। ২০১৬ চনৰ নবেম্বৰত নতুন দিল্লীত অনুষ্ঠিত এছিয়ান মিনিষ্ট্ৰিয়েল কন্‌ফাৰেন্স অন্ ডিযেছ্‌টাৰ ৰিডাকশ্বন-ৰ ফল নথিপত্ৰসমূহ হ'ল অঞ্চলটোত ৰাজনৈতিক অংগীকাৰৰ পুনৰ নিশ্চিতি আৰু বিপদ শংকা, প্ৰত্যাহ্বান আৰু মহঙা সম্পদৰ সম বিতৰণ চিহ্নিতকৰণৰ লক্ষ্যত উপনীত হ'বলৈ বৰঙণি যোগোৱাৰ ভৱিষ্যৎ কৌশল উদ্ভাৱন কৰাত ই সহায় কৰিব আৰু সৰ্বশেষত বহনক্ষম উন্নয়ন লক্ষ্যত উপনীত হ'বলৈ বৰঙণি যোগাব।

**বক্স-এ**

এছিয়ান মিনিষ্ট্ৰিয়েল কনফাৰেন্স অন্ ডিযেছ্‌টাৰ ৰিডাকশ্বনত গ্ৰহণ কৰা দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণৰ ৰূপৰেখাত অন্তৰ্ভুক্ত প্ৰধান মন্ত্ৰীৰ ১০ দফীয়া সূচী—

১। বিমান বন্দৰ, পথ, বাট, চিকিৎসালয়, বিদ্যালয়, দলং আদি সকলো উন্নয়নমূলক প্ৰকল্প যথোপযুক্ত দুৰ্যোগ স্থিতিস্থাপকতা মান অনুসৰি নিৰ্মাণ হোৱাটো নিশ্চিতকৰণ আৰু সমূহে আগবঢ়াব বিচৰা সেৱাত ভাৰসাম্যলৈ বৰঙণি আগবঢ়োৱা। দুৰ্যোগ স্থিতিস্থাপকতা আন্তঃগাঁথনিলৈ সমৰ্থন যোগাবলৈ মৰ্চা গঠন কৰা।

২। বিপদ শংকাই সামৰি লোৱা দুখীয়া লোকৰ ঘৰকে ধৰি সৰু আৰু মজলীয়া উদ্যোগী তথা ৰাষ্ট্ৰীয় বহুজাতিক কোম্পানী সকলোৰে বাবে কাম কৰা।

৩। দুৰ্যোগ বিপদ শংকা ব্যৱস্থাপনাত মহিলাৰ গুৰুত্বপূৰ্ণ জড়িতকৰণ আৰু নেতৃত্বক উৎসাহিত কৰা।

৪। সকলো বিপদৰ বাবে গোলকীয় বিপদ শংকাৰ মানচিত্ৰকৰণত বিনিয়োগ।

৫। আমাৰ দুৰ্যোগ বিপদশংকা ব্যৱস্থাপনা প্ৰচেষ্টাত দক্ষতা বৃদ্ধিৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰ।

৬। দুৰ্যোগৰ বিষয়সমূহত কাম কৰাৰ বাবে বিশ্ববিদ্যালয়সমূহৰ মাজত নেটৱৰ্কৰ বিকাশ কৰা।

৭। সামাজিক মাধ্যম আৰু ম'বাইল প্ৰযুক্তিদ্বাৰা আগবঢ়োৱা সুবিধাৰ ব্যৱহাৰ।

৮। স্থানীয় সামৰ্থ্য আৰু উদ্যোগ গঠন।

৯। দুৰ্যোগৰ পৰা শিকাৰ সুবিধাৰ যাতে অপচয় নহয় সেইটো নিশ্চিত কৰা। দুৰ্যোগ সংঘটিত হোৱাৰ পাছত গৃহসমূহ পুনৰ নিৰ্মাণৰ বাবে কাৰিকৰী সমৰ্থনৰ বাবে সুবিধা স্থাপন।

১০। দুৰ্যোগসমূহৰ প্ৰতি আন্তৰ্জাতিক প্ৰতিক্ৰিয়াৰ বৃহৎ সুবিন্যস্তকৰণ অনা। ❐


**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

ফেব্ৰুৱাৰী ২০১৭ — **কম নগদ অৰ্থনীতি**

মাৰ্চ ২০১৭ — **কেন্দ্ৰীয় বাজেট ঃ ২০১৭-২০১৮**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ভাৰতত বহনক্ষম উন্নয়নৰ কাৰণে দুৰ্যোগৰ ব্যৱস্থাপনাৰ বিপদ শংকা


**পি জি ধৰ চক্ৰৱৰ্তী***

দুৰ্যোগ ব্যৱস্থাপনা দুৰ্যোগৰ ঘটনাক্ৰমৰ ব্যৱস্থাপনাৰ পৰা দুৰ্যোগৰ বিপদ শংকা ব্যৱস্থাপনালৈকে এটা দীৰ্ঘ পথত ক্ৰমবিকশিত হৈছে। দুৰ্যোগৰ প্ৰতি বিপদ শংকা ব্যৱস্থাপনা প্ৰৱেশৰ অৰ্থ হ'ল বিপদ আৰু স্পৰ্শকাতৰতা, প্ৰাকৃতিক আৰু নৃতাত্ত্বিক ভিত্তিক বিজ্ঞানসন্মত-ভাৱে মূল্যায়ন কৰা আৰু আৰম্ভণিৰে পৰা বিপদ সৃষ্টি প্ৰতিৰোধ কৰাৰ বাবে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰা। ইয়াৰ আন অৰ্থ হ'ল বিপদ শংকাৰ অংশীদাৰ হোৱা আৰু বিপদ শংকা বীমাৰ অভিযোজনা কৌশলকে ধৰি বিভিন্ন গাঁথনিগত আৰু অ-গাঁথনিগত সমন্বয়ৰে বৰ্তমানৰ বিপদ শংকা হ্ৰাসকৰণ। বাসভৱনৰ বিপদ শংকাৰ ৰোধো কৰিব নোৱাৰি, হ্ৰাসো কৰিব নোৱাৰি বা বীমাও কৰিব নেৱাৰি— আন বিকল্প নথকাৰ বাবে দুৰ্যোগৰ সন্মুখীন হ'বলৈ প্ৰস্তুত থাকিব লাগিব। দুৰ্যোগ প্ৰস্তুতি মানে যিকোনো সময়তে দুৰ্যোগে জোকাৰি গ'লে খালী কৰা, সন্ধান, উদ্ধাৰ অভিযান তথা আশ্ৰয় আৰু সাহায্যৰ দৰে মানৱীয় সহায়ৰ জৰিয়তে সম্ভৱপৰ অধিক ব্যৱস্থাৰ জৰিয়তে দুখ-কষ্ট লাঘৱ কৰাৰ বাবে প্ৰস্তুত হৈ থকা। তদুপৰি প্ৰস্তুতিৰ অৰ্থই নীতি, কৌশল আৰু দুৰ্যোগৰ সময়ত জীৱিকা, বাসগৃহ আৰু আন্তঃগাঁথনিৰ ধ্বংসস্তূপৰ ঠাইত ভালকৈ নিৰ্মাণ কৰাটো দুৰ্যোগৰ সময়ত এনেধৰণৰ ক্ষতি হ্ৰাস কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ সত্ত্বেও দুৰ্যোগ কালৰ ক্ষতি আৰু লোকচানৰ সৰ্পিল গতিৰ বাবে দুৰ্যোগ বিপদ শংকা ব্যৱস্থাপনাই বহনক্ষম বিকাশৰ বাবে নিৰ্ণায়ক গুৰুত্ব গ্ৰহণ কৰিছে। দুৰ্যোগ হ্ৰাসকৰণৰ কাৰণে ৰাষ্ট্ৰসংঘৰ কাৰ্যালয়ৰ (ইউ এন আই এছ ডি আৰ) এটা নিৰূপণ মতে বিগত দুটা দশকত দুৰ্যোগৰ ফলত ১.৩ নিযুত লোকৰ মৃত্যু, ৪০০.৪০ কোটি লোক আক্ৰান্ত হৈছে আৰু ২ ট্ৰিনিয়ন ডলাৰ লোকচান হৈছে।

ভাৰত এনে ক্ষতি আৰু লোকচানৰ অংশীদাৰ হৈছে। বিশ্ববেংকৰ নিৰূপণ অনুযায়ী '৯০ দশক আৰু এই শতিকাৰ আৰম্ভণিৰ দুৰ্যোগ কালত হোৱা অৰ্থনৈতিক ক্ষতি মুঠ ঘৰুৱা উৎপাদনৰ ২ শতাংশৰ ওচৰা-উচৰি আছিল। আনহাতে, দেশখনত অনুৰূপ পৰিমাণৰ পুঁজি জনস্বাস্থ্যৰ বাবে বিনিয়োগ কৰা হোৱা নাছিল।


**দুৰ্যোগ আৰু উন্নয়ন**

দুৰ্যোগসমূহ তিনিটা মাত্ৰাৰ যোগসূত্ৰৰ বিকাশৰ লগত আন্তঃভাৱে বিজড়িত হৈ আছে। প্ৰথমতে দুৰ্যোগে বছৰ বছৰ ধৰি কৰা বিকাশৰ কষ্টোপাৰ্জিত লাভ মষিমূৰ কৰে। দ্বিতীয়তে, উন্নয়নৰ অভাৱে স্পৰ্শকাতৰ সম্প্ৰদায়সমূহক দুৰ্যোগ বিপদ শংকালৈ ঠেলি দিয়ে। তৃতীয় আৰু আমোদজনকভাৱে বিপৰীত দিশত, বিকাশে দুৰ্যোগৰ নতুন বিপদ শংকাৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে উল্লেখনীয় বৈশিষ্ট্যপূৰ্ণ অঞ্চলত নিৰ্মাণ বিধি অবিহনে ভৱন আৰু আন্তঃগাঁথনি নিৰ্মাণৰ ফলত হোৱা স্পৰ্শকাতৰতা, খনন কাৰ্য আৰু উদ্যোগৰ ফলত পাৰিপাৰ্শ্বিকভাৱে স্পৰ্শকাতৰ মণ্ডলৰ প্ৰাকৃতিক ভাৰসাম্য নষ্ট কৰি মাতি অনা দুৰ্যোগ আৰু জীৱাশ্ম ইন্ধন ভিত্তিক উৎপাদন আৰু এইবোৰৰ উপভোগৰ ফলত বৃদ্ধি হোৱাৰ জলবায়ু বিষয়ক দুৰ্যোগ বিপদ শংকাৰ বিষয়ে উল্লেখ কৰিব পাৰি।




**আৰ্হি-১ ঃ দুৰ্যোগ ব্যৱস্থাপনাৰ পৰা দুৰ্যোগ বিপদ শংকা ব্যৱস্থাপনালৈ**


***পি জি ধৰ চক্ৰৱৰ্তী এন ডি এম এ (NDMA)ৰ সচিব; এন আই ডি এম (NIDM)ৰ কাৰ্যবাহী সঞ্চালক, ছাৰ্ক ডিযেছ্টাৰ মেনেজমেণ্টৰ ছেণ্টৰৰ প্ৰতিষ্ঠাপক সঞ্চালক আৰু ছেণ্ট্ৰেল ইমাৰজেন্সি ৰেছপন্স ফাণ্ড সম্পৰ্কীয় ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ উপদেষ্টা মণ্ডলীৰ সদস্য।**




**আৰ্হি-২ ঃ দুৰ্যোগৰ প্ৰভাৱ (১৯৯৫-২০১৫)**

**২০১৫ বেগ অৰ্জনৰ ক্ষমতা**

দুৰ্যোগ স্থিতিস্থাপকতা বহনক্ষম বিকাশৰ কাৰণে গোলকীয় উদ্বেগ বৃদ্ধিয়ে ২০১৫ চনত বেগ অৰ্জনৰ ক্ষমতাৰ এটা নতুন মাত্ৰা বিচাৰি পাইছে য'ত পৰৱৰ্তী আধা দশক আৰু তাৰ পাছলৈকে উন্নয়ন সূচী সংজ্ঞায়িত কৰিবলৈ তিনিটা সমান্তৰাল আন্তঃনিৰ্ভৰশীল প্ৰক্ৰিয়া একে দিশ অভিমুখে গতি কৰিছে। ইয়াৰে প্ৰথমটো হ'ল ২০১৫ চনৰ মাৰ্চ মাহত জাপানৰ ছেন্দাইত গ্ৰহণ কৰা দুৰ্যোগ বিপদ শংকা হ্ৰাস ২০১৫-২০৩০ৰ বাবে ছেন্দাই চুক্তি। ছেন্দাই চুক্তি হ'ল প্ৰথমবাৰৰ বাবে গ্ৰহণ কৰা সাতোটা ফল ভিত্তিক দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণৰ গোলকীয় নিৰ্দ্ধাৰিত লক্ষ্যৰ সমষ্টি। এইবোৰে দুৰ্যোগকালীন মৃত্যু, আক্ৰান্ত লোকৰ সংখ্যা আৰু পোনপটীয়া অৰ্থনৈতিক লোক, নিৰ্ণায়ক আন্তঃগাঁথনিৰ ক্ষতি আদিৰ পৰিমাণ হ্ৰাস কৰাৰ লগতে বহু বিপদৰ আগতীয়া জাননী লাভ কৰাটো আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত আন্তৰ্জাতিক সহযোগিতা বৃদ্ধি কৰে। ই স্থানীয় আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু গোলকীয় পৰ্যায়ত দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণৰ



**আৰ্হি-৩ ঃ দুৰ্যোগ বিকাশ যোগসূত্ৰৰ তিনিটা মাত্ৰা**

কাৰণে কাৰ্য গ্ৰহণৰ চাৰিটা অগ্ৰাধিকাৰ চিহ্নিত কৰে। এইবোৰ হ'ল— (ক) দুৰ্যোগ বিপদ শংকাৰ বিষয়ে বুজা, (খ) স্থিতিস্থাপকতাৰ বাবে দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণত বিনিয়োগ, (গ) বিপদ শংকা ব্যৱস্থাপনাৰ বাবে বিপদ শংকা প্ৰশাসন শক্তিশালী কৰা, (ঘ) সফল প্ৰতিক্ৰিয়া, উদ্ধাৰ, পুনৰ সংস্থাপন আৰু পুনৰ গঠনৰ বাবে প্ৰস্তুতি বৃদ্ধিকৰণ।

২০১৫ চনৰ ছেপ্তেম্বৰ মাহত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে বহনক্ষম উন্নয়নৰ বাবে ২০৩০ সূচী গ্ৰহণ কৰে। এই সূচীত বিকাশৰ বিভিন্ন খণ্ডত দুৰ্যোগ স্থিতিস্থাপকতা নিৰ্মাণৰ বিশেষ লক্ষ্য গ্ৰহণ কৰি ১৭ বহনক্ষম উন্নয়ন লক্ষ্যৰ (এছ ডি জি) ভিতৰত ৮টাত দুৰ্যোগ বিপদ শংকা ব্যৱস্থাপনা দৃঢ়ভাৱে সংলগ্ন কৰা হৈছে।

২০১৫ চনৰ ডিছেম্বৰ মাহত স্বাক্ষৰিত হোৱা জলবায়ু সম্পৰ্কীয় পেৰিছ চুক্তিত দুৰ্যোগ হ্ৰাসকৰণৰ বাবে 'বুজাপৰা, কাৰ্য আৰু সমৰ্থন' বৃদ্ধি কৰাৰ কাৰণে আঠটা বিশেষ কাৰ্যক্ষেত্ৰত ৰূপৰেখা দাঙি ধৰিছে। এইবোৰ হ'ল— (ক) আগতীয়া আগজাননী ব্যৱস্থা, (খ) জৰুৰীকালীন প্ৰস্তুতি, (গ) লেহেমীয়া আক্ৰমণাত্মক ঘটনা, (ঘ) স্থায়ী লোকচান আৰু ক্ষতিৰ লগত জড়িত থাকিব পৰা ঘটনাসমূহ, (ঙ) সামগ্ৰিক বিপদ শংকা মূল্যায়ন আৰু ব্যৱস্থাপনা, (চ) বিপদ শংকা বীমা সুবিধা, জলবায়ু বিপদ শংকা উমৈহতীয়া পুঁজি আৰু আন বীমা সমাধান, (ছ) অ-অৰ্থনৈতিক ক্ষতি আৰু (জ) সম্প্ৰদায়, জীৱিকা আৰু পৰিস্থিতি তন্ত্ৰৰ স্থিতিস্থাপকতা।

**ভাৰতৰ কাৰণে প্ৰত্যাহ্বান আৰু সুবিধাসমূহ**

২০১৫ চনৰ তিনিওখন গোলকীয় চুক্তিৰ চূড়ান্তকৰণত ভাৰতে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিল। বিশ্বৰ তৃতীয় বৃহৎ জনসংখ্যাৰ দেশ, ৬ নম্বৰ স্থানৰ অৰ্থনীতি আৰু দ্ৰুতগতিত বিকশিত প্ৰধান অৰ্থনীতিৰ দেশ ভাৰতত শোচনীয় দাৰিদ্ৰৰ বৃহৎ সংখ্যক লোক, অপৰিপুষ্টিত ভোগা শিশু, বিশ্বৰ ভিতৰতে বৃহৎ সংখ্যক নিৰক্ষৰ লোক আছে। ভাৰতে সেই বাবে বহনক্ষম উন্নয়ন আৰু দুৰ্যোগ স্থিতিস্থাপকতাৰ গোলকীয় লক্ষ্য আৰু নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ মনোযোগ কেন্দ্ৰীভূত কৰিছে।

অলপতে সংঘটিত ঘূৰ্ণীবতাহৰ দৰে বতৰজনিত দুৰ্যোগ (ছাইক্ল'ন ফেইলিন আৰু হুদহুদ) সমূহত জীৱন হানিৰ দৰে ঘটনাত স্পষ্টকৈ দৃষ্টিগোচৰ হোৱা প্ৰভাৱৰ ক্ষেত্ৰত ভাৰতে দুৰ্যোগ বিপদ শংকা ব্যৱস্থাপনাত বিভিন্ন পৰ্যায়ত বিজ্ঞানভিত্তিক আৰু প্ৰযুক্তিগত সামৰ্থ্যৰ বিধিসন্মত আৰু প্ৰতিষ্ঠানিক কৌশলত নিজৰ স্থান প্ৰতিষ্ঠা কৰিলে। সি যি কি হওক, এনেধৰণৰ ফলাফল বানপানী বা ডাৱৰ বিস্ফোৰণৰ দৰে জল সম্পৰ্কীয় দুৰ্যোগ (উত্তৰাখণ্ড, শ্ৰীনগৰ আৰু চেন্নাই) বা ভূমিস্খলনৰ দৰে (মালিন আৰু উত্তৰ ছিক্কিম) ভূ-সম্পৰ্কীয় দুৰ্যোগসমূহত প্ৰদৰ্শন কৰিব পৰা নাই। উদ্যোগ বা পথ দুৰ্ঘটনাৰ দৰে প্ৰযুক্তিগত দুৰ্যোগসমূহ সৰ্পিল গতিৰে অব্যাহত আছে; মহামাৰী আৰু দেশজোৰা মহামাৰীৰ দৰে জৈৱ দুৰ্যোগবোৰো ভয়ানকভাৱে বৃদ্ধি পাইছে। আনহাতে, জল-সম্পদ টুটি অহা আৰু নগৰ অঞ্চলত দ্ৰুত গতিৰে বৃদ্ধি হোৱা বায়ু প্ৰদূষণে অত্যন্ত উদ্বেগৰ সৃষ্টি কৰিছে। ভাৰতৰ ভূমিকম্পৰ বিপদ শংকা ব্যৱস্থাপনাৰ সামৰ্থ্য ২০০১ চনৰ দৰে ভূমিকম্পৰ পাছত প্ৰকৃততে পৰীক্ষা কৰা হোৱাই নাই বুলি ক'ব পাৰি আৰু বিশেষজ্ঞসকলে ঘন বসতিপূৰ্ণ নগৰ অঞ্চলৰ ওচৰৰ যিকোনো ঠাইতে হ'ব পৰা




ডাঙৰ ভূমিকম্পৰ প্ৰলয়ৰ প্ৰভাৱৰ বিষয়ে সাৱধানবাণী শুনাই আছে।

ভাৰতৰ দুৰ্যোগ বিপদ শংকাৰ বিষয়ত ভাল বিজ্ঞানভিত্তিক আৰু পৰম্পৰাগত জ্ঞানৰ লগতে প্ৰাকৃতিক আৰু নৃ-তাত্বিক প্ৰক্ৰিয়াৰ সম্যক জ্ঞান আছে। কিন্তু এইবোৰে সদায় সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন কাৰ্যসূচী ৰূপায়ণ, আৰ্হিকৰণৰ প্ৰক্ৰিয়া আদিত বৰঙণি যোগাব নোৱাৰে আৰু ফলত দুৰ্যোগ বিপদ শংকাৰ হ্ৰাসকৰণত এই প্ৰকল্পবোৰৰ লাভালাভ বৰ আশাব্যঞ্জক নহয় আৰু ইয়াৰ বিপৰীতে এই প্ৰকল্পবোৰে প্ৰত্যক্ষ বা পৰোক্ষভাৱে দুৰ্যোগৰ নতুন বিপদ শংকাৰহে সৃষ্টি কৰে।

ভাৰতে দ্ৰুত অৰ্থনৈতিক বৰ্দ্ধনৰ পথত আৰোহণ কৰিছে যিটো মেইক্ ইন্ ইণ্ডিয়া, দক্ষ ভাৰত, ডিজিটেল ইণ্ডিয়া, স্বচ্ছ ভাৰত অভিযান, স্মাৰ্ট ছিটি অভিযান আদি কিছুমান নতুন আঁচনিৰদ্বাৰা প্ৰণোদিত।

পৰৱৰ্তী ডেৰ দশকত ভাৰতে সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ বাবে ৰাজহুৱা আৰু ব্যক্তিগত বিনিয়োগে বিগত চাৰি বা পাঁচ দশকত হোৱা বিনিয়োগৰ পৰিমাণ অতিক্ৰম কৰিব বুলি ক'লে বোধহয় অতিৰঞ্জিত নহ'ব। ই বিভিন্ন খণ্ডত পৰিকল্পনা, আৰ্হিকৰণ আৰু উন্নয়ন প্ৰকল্প ৰূপায়ণত বিপদ শংকা সংযুক্ত নকৰে, বৰং দুৰ্যোগত বিপদ শংকা সমাধানৰ প্ৰক্ৰিয়াত বৰঙণি যোগাব।

উন্নয়নৰ প্ৰত্যেক দিশতে দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণৰ ঘাই সুঁতিকৰণ এটা নিৰ্দিষ্ট সময়লৈকে দুৰ্যোগ হ্ৰাসকৰণৰ সূচীত থাকিব কিন্তু এই দিশত বেছি অগ্ৰগতি হোৱা নাই। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে নিজৰ নিজৰ সংশ্লিষ্ট খণ্ডত দুৰ্যোগ স্থিতিস্থাপকতা নিৰ্মাণৰ বাবে সাকাৰ কাৰ্য আঁচনি বিকাশ কৰা নাই নতুবা ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণত ঘাই সুতিকৰণৰ বাবে কোনো সাধাৰণ বা বিশেষ নিৰ্দেশনা লৈ আগবাঢ়ি অহা নাই। বহনযোগ্য বিকাশ লক্ষ্যৰ লগত সংযোজিত কৰি ছেন্দাই চুক্তিৰ কাৰ্যকৰীকৰণ আৰু পেৰিছ জলবায়ু চুক্তি অদ্যাৱধি অৱহেলিত কিন্তু ভাৰতত দুৰ্যোগ বিপদ শংকাৰ ব্যৱস্থাপনাৰ প্ৰত্যাহ্বানজনক বিষয়সমূহৰ মুখামুখি হ'ব পৰাকৈ সুবিধা প্ৰদান কৰিছে। ❒

| বহনক্ষম উন্নয়ন লক্ষ্য | দুৰ্যোগ বিপদ শংকা স্থিতিস্থাপকতাৰ বিষয়ত নিৰ্দ্ধাৰিত লক্ষ্য |
|---|---|
| **লক্ষ্য-১ ঃ** দৰিদ্ৰতাৰ সকলো ৰূপৰেই অৱসান ঘটোৱা | **নিৰ্দ্ধাৰিত লক্ষ্য-১.৫ ঃ** দৰিদ্ৰসকলৰ ক্ষেত্ৰত জলবায় সম্পৰ্কীয় অত্যধিক ঘটনা আৰু দুৰ্যোগ হ্ৰাস কৰা |
| **লক্ষ্য-২ ঃ** ক্ষুধাৰ অৱসান, খাদ্য সুৰক্ষা লাভ আৰু বহনক্ষম কৃষিৰ উৎকৰ্ষ সাধন | **নিৰ্দ্ধাৰিত লক্ষ্য-২.৪ ঃ** জলবায়ু পৰিৱৰ্তন, অত্যধিক বতৰ, খৰাং, বানপানী আৰু আন দুৰ্যোগৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ বাবে সামৰ্থ্য শক্তিশালীকৰণ |
| **লক্ষ্য-৩ ঃ** সুস্থ জীৱনৰ নিশ্চিতি | **নিৰ্দ্ধাৰিত লক্ষ্য-৩.৬ ঃ** আগজাননীৰ বিকাশ কৰা আৰু স্বাস্থ্যজনিত দুৰ্যোগ বিপদ শংকা হ্ৰাস কৰা। |
| **লক্ষ্য-৪ ঃ** সামগ্ৰিক আৰু ন্যায়সংগত গুণগত শিক্ষা নিশ্চিতকৰণ | **নিৰ্দ্ধাৰিত লক্ষ্য-৪ ক ঃ** দুৰ্যোগৰ পৰা সুৰক্ষিত শৈক্ষিক সা-সুবিধা গঠন আৰু উন্নীতকৰণ |
| **লক্ষ্য-৯ ঃ** স্থিতিস্থাপক আন্তঃগাঁথনি নিৰ্মাণ | **নিৰ্দ্ধাৰিত লক্ষ্য-৯.১ ঃ** গুণগত আৰু নিৰ্ভৰযোগ্য আন্তঃগাঁথনি বিকাশ কৰা যিবোৰ হ'ব দুৰ্যোগৰ প্ৰতি স্থিতিস্থাপক |
| **লক্ষ্য-১১ ঃ** মাত্ৰ বসতিস্থল আৰু মহানগৰসমূহ নিৰাপদ, স্থিতিস্থাপক আৰু বহনক্ষম কৰি তোলা | **নিৰ্দ্ধাৰিত লক্ষ্য-১১.৫ ঃ** দুৰ্যোগৰ ফলত হোৱা মৃত্যু, আক্ৰান্তৰ সংখ্যা আৰু অৰ্থনৈতিক লোকচান তাৎপৰ্যপুৰ্ণভাৱে হ্ৰাস কৰা |
| **লক্ষ্য-১৩ ঃ** জলবায়ু পৰিৱৰ্তন আৰু ইয়াৰ প্ৰভাৱসমূহ প্ৰতিৰোধ কৰা | **নিৰ্দ্ধাৰিত লক্ষ্য-১৩.১ ঃ** জলবায়ু জড়িত বিপদ আৰু প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত স্থিতিস্থাপকতা আৰু গ্ৰহণ কৰা ব্যৱস্থাৰ সামৰ্থ্য শক্তিশালী কৰা |
| **লক্ষ্য-১৫ ঃ** ভূমিস্খলন ৰোধকৰণ | **নিৰ্দ্ধাৰিত লক্ষ্য-১৫.৩ ঃ** খৰাং আৰু বানত আক্ৰান্ত ভূমি পুনৰুদ্ধাৰ কৰা |

# দুৰ্যোগ ব্যৱস্থাপনা ঃ প্ৰশিক্ষণ আৰু সামৰ্থ্য বৃদ্ধি

**আৰ কে জৈন***
**ভি থীৰুফুগজ***

**পাতনি**

কোনো ব্যক্তি, সংগঠন, সাংগঠনিক গোট বা ব্যৱস্থাই কোনো কাম কাৰ্যকৰীভাৱে অবিৰাম সম্পন্ন কৰিব পৰা দক্ষতাকে সামৰ্থ্য বোলা হয়। কোনো ব্যক্তি, সংগঠন আৰু সমাজে নিজৰ উন্নয়নৰ লক্ষ্য নিৰ্ণয় আৰু সাধন কৰিবলৈ সবল কৰা আৰু অব্যাহত ৰখা যোগ্যতাৰ প্ৰক্ৰিয়াটোকে আন অৰ্থত সামৰ্থ্য বুলি কোৱা হয়। সহজ ভাষাত ক'বলৈ গ'লে সামৰ্থ্য যদি পৰিকল্পনা আৰু আহৰণ কৰাৰ উপায়, তেন্তে সামৰ্থ্য বৃদ্ধি হ'ল সেই উপায়ৰ পথ (ইউ এন ডি পি)। সামৰ্থ্য উন্নয়নে সংশ্লিষ্ট সকলোৰে সকলো স্তৰতে সংস্থাৰ সবলীকৰণ, কাৰ্যপ্ৰণালী আৰু সামৰ্থ্যক সামৰি লয়। 'ৰাষ্ট্ৰসংঘৰ দুৰ্যোগ প্ৰশমনৰ বাবে আন্তঃৰাষ্ট্ৰীয় কাৰ্যবিধি (ইউ এন আই এছ ডি আৰ)ৰ মতে দুৰ্যোগ প্ৰশমনৰ বাবে সামৰ্থ্যৰ বিকাশৰ সংজ্ঞা হ'ল—

'যি প্ৰক্ৰিয়াৰে জনগণ, সংগঠন আৰু সমাজে বৃহত্তৰ সামাজিক আৰু সাংস্কৃতিক পৰিৱেশত জ্ঞান, দক্ষতা, ব্যৱস্থা আৰু সংস্থা বা অনুষ্ঠানৰ উন্নতিৰ জৰিয়তে সামাজিক আৰু অৰ্থনৈতিক লক্ষ্য সাধন কৰিবলৈ পদ্ধতিগতভাৱে তেওঁলোকৰ সামৰ্থ্যক উদ্দীপিত আৰু বিকাশ কৰে সেয়াই সামৰ্থ্যৰ বিকাশ।' (ৰাষ্ট্ৰসংঘ, ২০০৯)।

সামৰ্থ্যৰ বিকাশ দুৰ্যোগ শংকা প্ৰশমনৰ বাবে গুৰুত্বপূৰ্ণ উপাদান। দুৰ্যোগ শংকা ব্যৱস্থাপনাৰ ক্ষেত্ৰখনত 'ছেণ্ডাই ফ্ৰেমৱৰ্ক'ৰ জৰিয়তে বিভিন্ন স্তৰত চিনাক্ত হোৱা বিপদশংকাৰ সৈতে মোকাবিলা কৰিবলৈ সংস্থা, চৰকাৰ আৰু সম্প্ৰদায়ৰ কাৰিকৰী, বিত্তীয় আৰু প্ৰশাসনিক সক্ষমতা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ আধাৰত বিপদশংকা প্ৰশমন পদক্ষেপ বলৱৎ আৰু কাৰ্যকৰী কৰিবলৈ সামৰ্থ্য দৃঢ়তৰ কৰাৰ বাবে আহ্বান জনোৱা হৈছে। সামৰ্থ্যৰ বিকাশ বুলিলে সাধাৰণতে এনে এটা প্ৰক্ৰিয়াক বুজায় যি ভিতৰি ভিতৰি অনুপ্ৰেৰিত হৈ প্ৰচলিত সামৰ্থ্য সম্বলৰ পৰা আৰম্ভ হয়। (ইউ এন ডি পি) 'ছেণ্ডাই ফ্ৰেমৱৰ্ক' অনুসৰি দুৰ্যোগ ব্যৱস্থাপনাত মহিলাৰ সামৰ্থ্য বিকাশৰ আৱশ্যকতা আৰু দুৰ্যোগ শংকা ব্যৱস্থাপনাত কাৰ্যকৰীভাৱে অংশগ্ৰহণ কৰিবলৈ তেওঁলোকৰ দক্ষতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বহনক্ষম উন্নয়ন লক্ষ্য (এছ জি ডি)ত উপনীত হ'বলৈ বিপদশংকা হ্ৰাসকৰণৰ বাবে সামৰ্থ্য বৃদ্ধি আৱশ্যকীয়।

**সামৰ্থ্য বৃদ্ধিৰ স্তৰ আৰু প্ৰকাৰ**

সামৰ্থ্য বৃদ্ধিৰ তিনিটা স্তৰ আছে ঃ ব্যক্তিগত, আনুষ্ঠানিক আৰু পৰিৱেশমুখী। পৰিৱেশমুখী স্তৰত সামৰ্থ্যৰ সৈতে জড়িত বিষয়সমূহ হ'ল— নীতি, বিধি প্ৰণয়ন, আনুষ্ঠানিক বিন্যাস, নেতৃত্ব, ৰাজনৈতিক প্ৰক্ৰিয়া, ক্ষমতা সম্পৰ্কীয় আৰু সামাজিক ৰীতি। সামৰ্থ্যৰ আনুষ্ঠানিক স্তৰৰ সৈতে জড়িত বিষয়সমূহ— আভ্যন্তৰীণ নীতি, ব্যৱস্থা আৰু কাৰ্যকৌশল, বিন্যাস, পদ্ধতি আৰু আধাৰনীতি। এইসমূহে এটা অনুষ্ঠান বা সংগঠনক ব্যক্তিগত সামৰ্থ্যৰ বিকাশ ঘটাই একেলগে কাম কৰি লক্ষ্য সাধন কৰিবলৈ সহায় কৰে। ব্যক্তিগত স্তৰৰ সামৰ্থ্য কৌশল আৰু জ্ঞানৰ সৈতে জড়িত যি জনগণৰ ওপৰত ন্যস্ত হয় আৰু ই ব্যক্তি, সম্প্ৰদায়, গোট আৰু দলক সামৰি লয়।

সামৰ্থ্য বৃদ্ধিৰ দুটা ধৰণ হ'ল ক্ৰিয়াত্মক আৰু কাৰিকৰী। ক্ৰিয়াত্মক সামৰ্থ্যৰ বাবে নীতি, কাৰ্যকৌশল, কাৰ্যসূচী আৰু প্ৰকল্প বিধিবদ্ধ, ৰূপায়ণ আৰু পুনৰীক্ষণ কৰা আৱশ্যকীয়। বিশেষভাৱে আৱশ্যকীয় আৰু নিৰ্দিষ্ট খণ্ডৰ প্ৰয়োজনৰ সৈতে কাৰিকৰী সামৰ্থ্য জড়িত।

মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰৰ লগতে বিপদশংকা হ্ৰাসকৰণৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু আনুষ্ঠানিক সামৰ্থ্য গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। সেয়েহে সামৰ্থ্য বিকাশ কেৱল ৰাষ্ট্ৰৰে দায়িত্ব হ'ব নোৱাৰে। 'ছেণ্ডাই ফ্ৰেমৱৰ্ক'ত সঠিকভাৱে কোৱা হৈছে আমাৰ প্ৰয়োজন সমাজৰ সকলোৰে পূৰ্ণ

***আৰ কে জৈন এন ডি এম এ (NDMA)ৰ সদস্য আৰু তেওঁ ভাৰত চৰকাৰৰ বিভিন্ন বিভাগত সচিব হিচাপে কাম কৰিছিল। ভি থীৰুফুগজ নেশ্বনেল ৰিকনষ্ট্ৰাকশ্বন অথ'ৰিটি-নেপালৰ য়ু এন ডি পি (UNDP)ৰ জ্যেষ্ঠ উপদেষ্টা।**

সহযোগিতা। থোৰতে, ৰাজ্যিক সংগঠনসমূহ, সম্প্ৰদায়, বৃত্তিধাৰী, বিশেষজ্ঞ, ব্যক্তিগত খণ্ড, বেচৰকাৰী সংস্থা আৰু অন্যান্য বেচৰকাৰী গোটৰ সামৰ্থ্য বিকাশ আৱশ্যকীয়।

দুৰ্যোগ শংকা প্ৰশমন (ডি আৰ আৰ) কৰিবলৈ সামৰ্থ্যৰ বিকাশৰ বাবে অংশগ্ৰহণকাৰী, বিশেষকৈ সম্প্ৰদায়ৰ সৈতে জড়িত হোৱাটো প্ৰয়োজনীয়। প্ৰচলিত সামৰ্থ্য, প্ৰয়োজন আৰু ব্যৱধান অনুধাৱন কৰিবলৈ এনেদৰে সংলগ্ন হোৱাটো দৰকাৰী। চমুকৈ ক'বলৈ হ'লে সামৰ্থ্যৰ বাবে আনুষ্ঠানিক বা অনানুষ্ঠানিকভাৱে জড়িত হৈ মূল্যায়ন কৰাটো জৰুৰী— উল্লিখিত কেউটা স্তৰৰ বাবেই এয়া অত্যাৱশ্যকীয়। সেয়েহে প্ৰয়োজন নিৰ্ভৰ মূল্যায়নৰ ওপৰত ভিত্তি কৰি সামৰ্থ্য বিকাশ কাৰ্যসূচী যুগুতোৱা উচিত। সংশ্লিষ্ট বিভিন্নজনৰ দুৰ্যোগ ব্যৱস্থাপনাত ভূমিকাৰ ওপৰত নিৰ্ভৰ কৰি সামৰ্থ্যৰ ব্যৱধান চিনাক্তকৰণেৰে প্ৰশিক্ষণ কাৰ্যসূচী হাতত ল'ব লাগে। শ্ৰেণীকোঠাৰ প্ৰশিক্ষণৰ উপৰি চাকৰিৰ কালছোৱাত প্ৰশিক্ষণ, দীক্ষা কাৰ্যসূচী আৰু পৰস্পৰ সংযোগী বিস্তৃত কাৰ্যসূচী, বিনিময় কাৰ্যসূচী, নিয়মীয়া শৈক্ষিক পাঠ্যক্ৰম, অন্য প্ৰতিষ্ঠানৰ সৈতে সংযোজন, কৃত্ৰিম অনুশীলন, যুটীয়া অনুশীলনৰ দৰে শৈক্ষিক উপায় প্ৰয়োজন অনুসৰি অৱলম্বন কৰিব পাৰি।

**সামৰ্থ্যৰ বিকাশৰ বাবে ৰাষ্ট্ৰীয় নীতি আৰু পৰিকল্পনা**

ভাৰতৰ দুৰ্যোগ ব্যৱস্থাপনাৰ ৰাষ্ট্ৰীয় নীতিত দুৰ্যোগ শংকা প্ৰশমনৰ বাবে সকলো সংশ্লিষ্ট লোক বা সংস্থাৰ সামৰ্থ্য বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। ৰাষ্ট্ৰীয় নীতি অনুসৰি, দুৰ্যোগ মোকাবিলা আৰু কাৰ্যকৰী প্ৰতিৰোধৰ বাবে যথোপযুক্ত আনুষ্ঠানিক কাৰ্যবিধি, ব্যৱস্থাপনা পদ্ধতি আৰু সম্পদ বিতৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ সামৰ্থ্যৰ বিকাশ প্ৰস্তুত হ'ব লাগিব। উল্লিখিত নীতি অনুসৰি ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনা (এন ডি এম পি)ই সামৰ্থ্য বিকাশৰ বাবে প্ৰসংগসমূহ তিনিটা ডাঙৰ ভাগত শ্ৰেণীবদ্ধ কৰিছে— বিপদশংকা হ্ৰাসকৰণৰ প্ৰতিৰোধ আৰু প্ৰশমন, ফলপ্ৰসূ সজাগতা আৰু সঁহাৰি আৰু স্বাভাৱিক অৱস্থালৈ ঘূৰি আহি পুনৰ্নিৰ্মাণ কৰা। তদুপৰি সামৰ্থ্য বিকাশৰ বাবে ভয়াৱহতা অনুসৰি প্ৰয়োজনীয়তা, সংশ্লিষ্টসকলৰ ভিতৰত যাৰ বাবে সামৰ্থ্য বিকাশ আৱশ্যকীয় আৰু সামৰ্থ্য বিকাশৰ বাবে যিকেইটা সংস্থা দায়বদ্ধ— এই সকলোবোৰ চিনাক্ত কৰিছে এন ডি এম পিয়ে।

**ভাৰতত সামৰ্থ্য বিকাশৰ বাবে আনুষ্ঠানিক ব্যৱস্থা**

দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰাথমিক দায়িত্ব ন্যস্ত থাকে ৰাজ্য চৰকাৰৰ ওপৰত। স্থানীয় প্ৰশাসনৰো প্ৰধান ভূমিকা লক্ষণীয়। কেন্দ্ৰীয় চৰকাৰৰ ভূমিকা সহযোগিতামূলক আৰু পৰিপূৰক।

ভাৰতৰ ৰাজ্য অনুসৰি দুৰ্যোগ ব্যৱস্থাপনা পদ্ধতিসমূহ সুকীয়া। প্ৰায় কেউখন ৰাজ্যতে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ স্থাপন কৰা হৈছে দুৰ্যোগৰ পৰৱৰ্তী সঁহাৰি আৰু সাহায্যৰ কামত ন্যস্ত থকা সাহায্য বিভাগৰ আয়ুক্তৰ ওপৰত। বহু ৰাজ্যত ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী গঠন কৰা হৈছে যদিও কেইখনমান ৰাজ্য এতিয়াও অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সঁহাৰি সেৱাৰ ওপৰতে বৰ্তি আছে। তদুপৰি, ৰাজ্যসমূহত অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সঁহাৰি সেৱাৰ ব্যৱস্থা ভিন্নধৰণৰ। অধিকসংখ্যক ৰাজ্যতে চৰকাৰৰ অধীনত অগ্নিনিৰ্বাপক সেৱা কেন্দ্ৰীভূত যদিও কেইখনমান ৰাজ্যত এই সেৱা চোৱা-চিতা কৰে পৌৰ প্ৰশাসনে। সাংগঠনিক আৰু প্ৰতিষ্ঠানিক বিন্যাসৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন ৰাজ্যত সামৰ্থ্যৰ বিকাশৰ বিন্যাস ভিন্নধৰণৰ পৰিলক্ষিত হয়। গুজৰাট আৰু ওড়িশাৰ দৰে ৰাজ্যত পূৰ্ণ পৰ্যায়ৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে অথবা এই প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ইয়াৰ বিপৰীতে অন্য ৰাজ্যকেইখন প্ৰশাসনীয় প্ৰতিষ্ঠানৰ ওপৰতে নিৰ্ভৰশীল।

ৰাজ্য চৰকাৰসমূহক সহযোগিতা আগবঢ়োৱাৰ উদ্দেশ্যে ভাৰত চৰকাৰে কেইবাটাও প্ৰতিষ্ঠান স্থাপন কৰিছে যিসমূহে সামৰ্থ্য বিকাশৰ বাবে বিস্তৃতধৰণৰ শিক্ষণ-প্ৰশিক্ষণ আগবঢ়ায়। দুৰ্যোগ ব্যৱস্থাপনাৰ সামগ্ৰিক সমন্বয়ৰ দায়িত্ব ন্যস্ত থাকে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ ওপৰত। দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত শীৰ্ষস্থানীয় সিদ্ধান্ত গ্ৰহণৰ বাবে মূল সমিতি হ'ল কেবিনেট নিৰাপত্তা সমিতি (চি চি এছ) আৰু ৰাষ্ট্ৰীয় সংকট ব্যৱস্থাপনা সমিতি (এন চি এম চি)।

ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (এন ডি এম এ) ভাৰতত দুৰ্যোগ ব্যৱস্থাপনাৰ কেন্দ্ৰীয় সংস্থাৰূপে ২০০৫ চনত স্থাপন কৰা হয়। ইয়াৰ অধ্যক্ষ হ'ল ভাৰতৰ প্ৰধানমন্ত্ৰী। দুৰ্যোগৰ প্ৰতি সময়োপযোগী আৰু ফলপ্ৰসূ সঁহাৰি আৰু দীৰ্ঘম্যাদী দুৰ্যোগ শংকা হ্ৰাসকৰণ নিশ্চিত কৰিবলৈ ই দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে নীতি, পৰিকল্পনা আৰু নিৰ্দেশনাৱলী প্ৰস্তুত কৰে। এই প্ৰাধিকৰণে সামৰ্থ্য বিকাশৰ দুটা প্ৰাথমিক বিষয়ক লৈ কাম কৰি আছে— সক্ষম

পৰিৱেশ সৃষ্টি কৰা আৰু সাংগঠনিক সামৰ্থ্য বৃদ্ধি কৰা। পৰিৱেশক অধিক সক্ষম কৰি তুলিবলৈ এন ডি এম এই বিভিন্ন আকস্মিক দুৰ্ঘটনা বা বিপদশংকা অনুসৰি নীতি-নিৰ্দেশনা আৰু প্ৰতিবেদন প্ৰস্তুত কৰিছে। এন ডি এম এই বহু বিপদশংকা অনুসৰি সামৰ্থ্য বিকাশৰ পদক্ষেপ চিনাক্ত কৰাৰ লগতে এইক্ষেত্ৰত পৰামৰ্শ প্ৰদান কৰিছ।

উল্লিখিত কাৰ্যাৱলীৰ উপৰি এন ডি এম এই বিভিন্ন প্ৰতিষ্ঠান আৰু সম্প্ৰদায়ৰ বাবে বিভিন্ন সামৰ্থ্য বিকাশৰ পদক্ষেপ পোনপটীয়াকৈ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰৰ সঁহাৰি সামৰ্থ্য উন্নত কৰিবলৈ এন ডি এম এই জিলা, ৰাজ্যিক আৰু স্থানীয় পৰ্যায়ত ভুৱা আখৰা আৰু কৃত্ৰিম পৰিৱেশৰ অনুশীলন চলায়। বৃহত্তম ঘূৰ্ণী শংকা প্ৰশমন প্ৰকল্প ৰাষ্ট্ৰীয় ঘূৰ্ণী শংকা প্ৰশমন প্ৰকল্পই চৰকাৰৰ লগতে সম্প্ৰদায়, বিশেষকৈ মহিলা সৱলীকৰণৰ লক্ষ্য স্থিৰ কৰিছে। এয়া দেশৰ ভিতৰতে সম্প্ৰদায়ৰ সামৰ্থ্য বিকাশৰ বৃহত্তম অনুশীলন। অন্য এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ল অধিক সক্ষমতাৰ বাবে ছাত্ৰ আৰু শিক্ষকৰ সামৰ্থ্য বৃদ্ধি কৰিবলৈ ৰূপায়ণ কৰা ৰাষ্ট্ৰীয় বিদ্যালয় সুৰক্ষা কাৰ্যসূচী। এন ডি এম এই অন্য মন্ত্ৰণালয়কো তেওঁলোকৰ দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনা যুগুত কৰিবলৈ পথ দেখুৱাই আহিছে।

এন ডি এম এই ঘাইকৈ সংগঠন-সমূহৰ সামৰ্থ্য বিকাশৰ বাবে কাম কৰি অহাৰ বিপৰীতে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানে (এন আই ডি এম) প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে ৰাষ্ট্ৰীয় স্তৰত তথ্য কেন্দ্ৰৰ উন্নয়নৰ বাবে গৱেষণা আৰু নথিবদ্ধ কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। ই অন্য জ্ঞান ভিত্তিক প্ৰতিষ্ঠানৰ সৈতে সংলগ্নতা অক্ষুণ্ণ ৰখাৰ উপৰি প্ৰশিক্ষক, দুৰ্যোগ ব্যৱস্থাপনাৰ বিষয়ববীয়া আৰু অন্যান্য অংশগ্ৰহণকাৰীৰ প্ৰশিক্ষণৰ আয়োজন কৰে। দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত এন আই ডি এমে উৎকৰ্ষতাৰ কেন্দ্ৰৰূপে পৰিগণিত হ'বলৈ অহোপুৰুষাৰ্থ কৰে। দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে ৰাষ্ট্ৰীয় প্ৰশিক্ষণৰ কৰ্ম পৰিকল্পনা ৰূপায়ণ সুচল আৰু উন্নত কৰিবলৈ ই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী (এন ডি আৰ এফ) হ'ল ৰাষ্ট্ৰীয় পৰ্যায়ৰ পেছাদাৰী সন্ধানকাৰী আৰু উদ্ধাৰকাৰী বাহিনী। প্ৰশিক্ষণ প্ৰদানৰ ক্ষেত্ৰত এই বাহিনীও নিযুক্ত হয়। এন ডি আৰ এফে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ লগতে সমূহীয়াভাৱেও অবিৰত প্ৰশিক্ষণ প্ৰদান কৰে। উল্লিখিত সংস্থাসমূহৰ বাহিৰেও দুৰ্যোগ ব্যৱস্থাপনাৰ বিভিন্ন দিশত লালবাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় প্ৰশাসন অকাডেমি, ভাৰতীয় পুলিচ অকাডেমি আৰু অন্যান্য ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিষ্ঠানসমূহে প্ৰশিক্ষণ আগবঢ়ায়।

পূৰ্বে উল্লেখ কৰাৰ দৰে ৰাজ্যিক পৰ্যায়ত বহুকেইটা প্ৰতিষ্ঠানে প্ৰশিক্ষণ আৰু সামৰ্থ্য বিকাশৰ হকে কাম কৰি আছে। দুৰ্যোগ ব্যৱস্থাপনা সম্বন্ধীয় বিষয়সমূহ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, পদাধিকাৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ দুৰ্যোগ ব্যৱস্থাপনা কোষসমূহ, পুলিচ অকাডেমি, গ্ৰামোন্নয়নৰ ৰাজ্যিক প্ৰতিষ্ঠান আৰু স্থানীয় প্ৰশাসনসমূহেও প্ৰশিক্ষণ প্ৰদান কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচীসমূহৰ অধীনত নিম্ন চৰকাৰী পৰ্যায়ত যেনে— জিলা, পৌৰসভা আৰু পঞ্চায়তৰ লগতে দুৰ্যোগ ব্যৱস্থাপনাৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰীৰ সামৰ্থ্য বিকাশ ঘটোৱা হয়।

**ভৱিষ্যতৰ দিশে**

দুৰ্যোগ ব্যৱস্থাপনা মানৰ জাতিৰ সমানেই পুৰণি। মানৱ জাতি দুৰ্যোগৰ মোকাবিলা কৰিবলৈ গৈ সফল বা ব্যৰ্থ হোৱা ইতিহাসেই মানৱ জাতিৰো ইতিহাস। ২০১৫ বৰ্ষটোতেই ৩৪৬টা দুৰ্যোগৰ খতিয়ান পোৱা গৈছে, ২২,৭৭৩গৰাকী ব্যক্তিৰ মৃত্যু হৈছে আৰু ৯৮.৬ নিযুত লোক পীড়িত হৈছে। দুৰ্যোগত মৃত্যু সংখ্যা হ্ৰাস পাইছে যদিও আৰ্থিক ক্ষতিৰ পৰিমাণ বাঢ়িছে। ইয়াৰ কাৰণ কেইবাটাও, যেনে— দ্ৰুত নগৰীকৰণ, দুৰ্যোগপ্ৰৱণ অঞ্চলত বসতি, প্ৰযুক্তি নিৰ্ভৰ জীৱন পৰোক্ষভাৱে দুৰ্যোগপীড়িত অঞ্চলত গৌণ আৰ্থিক ক্ষতি, জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ আৰু ক্ৰমবৰ্ধমান সংখ্যা। সেয়ে দুৰ্যোগ ব্যৱস্থাপনা, বিশেষকৈ দীৰ্ঘম্যাদী বিপদশংকা হ্ৰাসকৰণৰ সকলো দিশতে সংশ্লিষ্ট সকলোৰে সামৰ্থ্যৰ বিকাশৰ আৱশ্যকতা সময়ৰ আহ্বান। দুৰ্যোগ প্ৰশমন সদায় স্থানীয়ভাৱে হয়। ভূমিৰ ব্যৱহাৰ পৰিকল্পনা, নগৰ উন্নয়ন, গঢ়ি তোলা পৰিৱেশৰ সুৰক্ষা নিশ্চিতকৰণ আৰু নিৰ্মাণ নীতি বলৱৎকৰণ আদি সকলো দুৰ্যোগ প্ৰশমন আৰু প্ৰতিৰোধৰ সৈতে জড়িত প্ৰশাসনৰ প্ৰধান দিশ চোৱা-চিতা কৰে স্থানীয় স্বায়ত্ত প্ৰশাসনে। সংকট কালত ৰাজহুৱা অনুষ্ঠানৰ ভিতৰত তেওঁলোকেই পোনতে সঁহাৰি জনায়। তেওঁলোকৰ সামৰ্থ্য মানৱ সম্পদ, যন্ত্ৰপাতি আৰু প্ৰশিক্ষণক লৈ গঢ় লৈ উঠে। স্থানীয় স্বায়ত্ত প্ৰশাসনৰ সবলীকৰণৰ বাবেও সামৰ্থ্যৰ বিকাশ আৱশ্যকীয়। পঞ্চায়ত আৰু স্থানীয় নগৰ সমিতিৰ নিৰ্বাচিত নেতা আৰু বিষয়াসকলক দক্ষতাৰে বিভিন্ন সংকটৰ মোকাবিলা কৰিবলৈ, দুৰ্যোগ-সক্ষম হৈ থাকিবলৈ অৰিহণা আগবঢ়াবলৈ সতৰ্কবাণীৰ উপযুক্ত প্ৰয়োগ; সন্ধান, উদ্ধাৰ চিকিৎসা সাহায্য আদিৰ দৰে অভিযান চলাবলৈ আৰু ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰিবলৈ প্ৰশিক্ষণ

প্ৰদান কৰা উচিত। দুৰ্যোগৰ পিছত উপযুক্ত পুনৰ সংস্থাপনৰ আৱশ্যকতা সন্দৰ্ভত তেওঁলোকৰ ভাল জ্ঞান থকা উচিত। দুৰ্যোগ ব্যৱস্থাপনাৰ সকলো স্তৰতে স্থানীয় নেতৃত্বই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। দুৰ্যোগ ব্যৱস্থাপনাৰ সকলো দিশতে স্থানীয় প্ৰশাসনৰ দক্ষতা বৃদ্ধিৰ বাবে সামৰ্থ্য বিকাশৰ লক্ষ্য হ'ব লাগে।

ৰাষ্ট্ৰীয় পৰিকল্পনাত সমূহীয়া প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। দুৰ্যোগৰ প্ৰতি প্ৰথমে সম্প্ৰদায়ে সঁহাৰি জনায় বাবে তেওঁলোকৰ সামৰ্থ্য বৃদ্ধি কৰাটো সামৰ্থ্য বিকাশৰ প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ অংশ। 'ছেণ্ডাই ফ্ৰেমৱৰ্ক'ত দুৰ্যোগশংকা হ্ৰাসকৰণৰ বাবে নাগৰিক সমাজ, সম্প্ৰদায় আৰু স্বেচ্ছাসেৱকৰ জ্ঞান বৃদ্ধি কৰাটো প্ৰয়োজনীয় বুলি কোৱা হৈছে। ৰাষ্ট্ৰীয় পৰিকল্পনাতো আগতীয়া সতৰ্কবাণী বা আগজাননী, যোগাযোগ, জৰুৰী অভিযান কেন্দ্ৰ আৰু দুৰ্যোগ প্ৰশাসনৰ শক্তি বৃদ্ধিৰ দৰে কাৰ্যকলাপেৰে দুৰ্যোগ শংকা হ্ৰাসকৰণৰ বাবে ক্ষেত্ৰ আৰু সংস্থা চিনাক্ত কৰা হৈছে।

সকলোধৰণৰ আৰু স্তৰৰ দুৰ্যোগৰ সময়ত সন্ধান আৰু উদ্ধাৰ কাৰ্য চলোৱাৰ দক্ষতা বৃদ্ধিৰ বাবে চৰকাৰে স্বেচ্ছাসেৱকসকল আৰু নাগৰিক সমাজক স্বেচ্ছামূলক অগ্নিনিৰ্বাপক আৰু উদ্ধাৰ কেন্দ্ৰ স্থাপনৰ বাবে উৎসাহ প্ৰদান কৰিব পাৰে। পশ্চিমীয়া দেশসমূহত এনেধৰণৰ স্বেচ্ছামূলক অগ্নিনিৰ্বাপক কেন্দ্ৰ আছে। বহুকেইখন ৰাজ্য চৰকাৰে বানপানীৰ কালছোৱাত উদ্ধাৰ অভিযানৰ বাবে ইতিমধ্যে স্বেচ্ছাসেৱকসকলক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ আৰম্ভ কৰিছে। তদুপৰি ব্যক্তিগত খণ্ড যেনে— ব্যক্তিগত চিকিৎসক আৰু অভিযন্তাক ক্ৰমে চিকিৎসা আৰু দুৰ্যোগৰ সন্মুখীন হ'ব পৰা নিৰ্মাণ কাৰ্যৰ বাবে প্ৰশিক্ষণ প্ৰদানৰ আৱশ্যকতা আছে। ব্যক্তিগত সংগঠনসমূহৰ সামৰ্থ্যৰ বিকাশ কেৱল তেওঁলোকৰ নিজৰ প্ৰয়োজনৰ বাবেই নহয়, তেওঁলোকৰ চৌপাশে থকা সমাজখনৰ প্ৰয়োজন পূৰাবলৈ ঘটোৱা উচিত। বেচৰকাৰী সংস্থা আৰু নাগৰিক সমাজৰ সামৰ্থ্যৰ বিকাশ উন্নয়নমূলক প্ৰকল্পত জৰুৰীকালীন সঁহাৰি, সাহায্য আৰু মূল সুঁতিৰ দুৰ্যোগ ব্যৱস্থাপনাৰ বাবেও ঘটোৱা উচিত।

পৰ্যাপ্ত সামৰ্থ্য বিকাশৰ বাবে স্থানীয় স্বায়ত্তশাসিত প্ৰশাসন, অগ্নিনিৰ্বাপক আৰু উদ্ধাৰ সেৱালৈ মানৱ সম্পদ আৰু যন্ত্ৰপাতি, আহিলা আদিৰ যোগান ধৰা উচিত।

**সামৰণি**

সামৰ্থ্য বিকাশ এককালীন কাৰ্য নহয়। ই অবিৰত প্ৰক্ৰিয়া। বিপদশংকা গতিশীল, সেয়ে সামৰ্থ্য বিকাশ কাৰ্যসূচী পৰিৱৰ্তিত আৰু উদ্ভাৱনীমূলক হ'ব লাগিব। আগতে উল্লেখ কৰি অহাৰ দৰে ই সংশ্লিষ্ট সকলোৰে দায়িত্ব। সামৰ্থ্য বিকাশৰ সৈতে জড়িত দেশৰ ভিতৰ আৰু বাহিৰৰ বিভিন্ন প্ৰতিষ্ঠানৰ মাজত গঢ়ি উঠা সংলগ্নতাও আৱশ্যকীয়। সংশ্লিষ্ট সকলোৰে বহনক্ষম সামৰ্থ্য বিকাশৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা অত্যাৱশ্যকীয়। সামৰ্থ্য বিকাশৰ বাবে কাৰ্যসূচী, প্ৰকল্প আৰু প্ৰশিক্ষণ অবিৰতভাৱে মূল্যায়ন কৰা উচিত যাতে সেইবোৰ প্ৰাসংগিক আৰু খাপ খোৱা বিধৰ হয়। কাৰ্যসূচীসমূহৰ ফল নিৰ্ণয় আৰু নথিবদ্ধ কৰিব লাগে। ধাৰাবাহিক মান সুনিশ্চিত কৰিবলৈ লক্ষ্য স্থিৰ কৰিব লাগে বা অসংলগ্ন তথ্য সংগ্ৰহ আৰু বিশ্লেষণ কৰিব লাগে। লাভৱান হোৱাসকলৰ মাজত জ্ঞান, মনোবৃত্তি আৰু অভ্যাসৰ পৰিৱৰ্তনসমূহ সূচকৰ অন্তৰ্ভুক্ত হ'ব লাগে। (আই এফ আৰ চি আৰ চি এছ ২০১০)। ভৱিষ্যতে সামৰ্থ্য বিকাশৰ প্ৰচেষ্টা সম্প্ৰদায় আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰয়োজন সম্পৰ্কে জানি-বুজি আগবঢ়াব লাগে। এই প্ৰচেষ্টা বহনক্ষম বিপদশংকা হ্ৰাসকৰণ অৰ্জন কৰিবলৈ সহযোগিতামূলক আৰু সবলীকৰণৰ দিশে হোৱা উচিত। 'ছেণ্ডাই ফ্ৰেমৱৰ্ক' অনুসৰি দুৰ্যোগ-পীড়িত জনগণৰ সামৰ্থ্য বিকাশৰদ্বাৰা মহিলাৰ সামৰ্থ্য বিকাশ ঘটাই তেওঁলোকক সামাজিকভাৱে অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। এনেদৰে যথোপযুক্ত আৰু সময়োপযোগী সামৰ্থ্য বিকাশেৰে ভাৰতক পুনৰুদ্যমী কৰি গঢ়ি তুলিব পাৰে। ❐


*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# ৰাসায়নিক দুৰ্যোগ ঃ ইয়াৰ প্ৰধান কাৰক, প্ৰতিৰোধী ব্যৱস্থা আৰু সঁহাৰি

**এম সুৰিয়ানাৰায়ণন***

**পাতনি**

ভাৰতত ৰাসায়নিক উদ্যোগ ইয়াৰ কাৰ্যকাৰিতা আৰু সম্ভাৱনীয়তাৰ জৰিয়তে দেশৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি জি) লৈ ২.১১ শতাংশ অৱদান আগবঢ়াইছে। যোৱা পাঁচটা বছৰত ইয়াৰ প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ (এফ ডি আই) হ'ল ১০.৪৯ বিলিয়ন ডলাৰ। ২০২০ চনলৈ ভাৰতীয় ৰাসায়নিক উদ্যোগৰ বিকাশৰ হাৰ বছৰি ১১ শতাংশলৈ বৃদ্ধি হৈ ১৫৪ আমেৰিকান বিলিয়ন হ'বগৈ বুলি ধাৰণা কৰা হৈছে। অৱশ্যে বৃহৎ ৰাসায়নিক দুৰ্যোগৰ ফলত এই বিকাশ ব্যাহত হৈছে আৰু ইয়াক ৰোধ কৰিব পাৰি। প্ৰকল্প বা প্ৰক্ৰিয়াৰ যিকোনো স্তৰতে যেনে কাৰ্যাৰম্ভ, মজুতকৰণ, প্ৰস্তুতকৰণ, তত্বাৱধান বা মেৰামতি, নষ্ট বা পৰিত্যাগ কৰা আৰু পৰিবহণ আদি ক্ষেত্ৰত ৰাসায়নিক দুৰ্যোগ সংঘটনৰ আশংকা পৰিলক্ষিত হয়। বিপজ্জনক ৰাসায়নিক দ্ৰব্যৰ প্ৰদূষকসমূহ মুক্ত হ'লে অগ্নিকাণ্ড, বিস্ফোৰণ, বিষক্ৰিয়া বা আটাইকেইবিধ একেলগে ঘটিব পাৰে। জনসংখ্যাৰ ঘনত্ব বৃদ্ধি আৰু উদ্যোগসমূহৰ চৌপাশে আৱাসিক এলেকা বৃদ্ধিৰ লগে লগে ৰাসায়নিক প্ৰকল্পত সংঘটিত দুৰ্ঘটনাই জনসাধাৰণ আৰু পৰিৱেশৰ বাবে বিপৰ্যয় কঢ়িয়াই আনিব পাৰে অগ্নিকাণ্ড আৰু বিস্ফোৰণৰ দৰে অঘটনৰ উপৰি বিষাক্ত ৰাসায়নিক পদাৰ্থৰ নিৰ্গমনৰ ফলত অপূৰণীয় ক্ষতিৰ আশংকা পৰিলক্ষিত হয় যাৰ প্ৰভাৱ মানুহ আৰু পৰিৱেশৰ ওপৰত দীৰ্ঘদিনলৈ থাকি যায়।

পশ্চিমীয়া দেশসমূহৰ তুলনাত ভাৰতৰ এটা প্ৰধান অন্তৰায় হ'ল দুৰ্ঘটনা অনুসন্ধানকাৰী সংস্থা আৰু ৰাসায়নিক দুৰ্ঘটনাৰ আছুতীয়া তথ্য ভাণ্ডাৰৰ অভাৱ। এই তথ্য ভাণ্ডাৰৰ সহায়ত পূৰ্বৰ ঘটনাসমূহৰ পৰা শিক্ষা লাভ কৰাৰ লগতে দুৰ্ঘটনাসমূহৰ মূল কাৰণসমূহ অনুসন্ধান কৰি ইয়াৰ পুনৰাবৃত্তি ৰোধ কৰিব পাৰি। ৰাসায়নিক বিপৰ্যয় সাধাৰণতে বিভিন্ন অপৰিহাৰ্য কাৰকৰ ব্যৰ্থতাৰ ফলত সংঘটিত হোৱা দেখা যায়। কি কি ক্ৰান্তিকালীন বা শংকাজনক কাৰকৰ বাবে বিপৰ্যয় সংঘটিত হয় বা নহয় সেই বিষয়টো অনুধাৱন কৰাটো অত্যাৱশ্যকীয়।

ৰাসায়নিক দুৰ্যোগৰ ব্যৱস্থাপনাৰ বাবে সংশ্লিষ্ট কেন্দ্ৰীয় মন্ত্ৰণালয় হ'ল বন আৰু পৰিৱেশ মন্ত্ৰণালয়। ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে (এন ডি এম এ) দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনা প্ৰস্তুত কৰিবলৈ মন্ত্ৰণালয়, বিভাগ আৰু ৰাজ্যিক কৰ্তৃপক্ষক পৰিচালিত কৰিবলৈ নীতি-নিৰ্দেশনা প্ৰেৰণ কৰে। ১৯৮৪ চনৰ ভূপাল গেছ দুৰ্ঘটনাৰ পাছৰে পৰা উদ্যোগসমূহত ভাৰত চৰকাৰে নিদৰ্শনা-মূলক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিবলৈ লৈছে। পোনতে গ্ৰহণ কৰা প্ৰতিক্ৰিয়া-মূলক পদক্ষেপৰ বিপৰীতে সম্প্ৰতি চৰকাৰে প্ৰতিৰোধমূলক সুৰক্ষা ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰিছে। ৰাসায়নিক দুৰ্যোগৰ কাৰণ, প্ৰতিৰোধৰ উপায় আৰু দুৰ্যোগ সংঘটিত হোৱাৰ পাছত ল'বলগীয়া ব্যৱস্থাসমূহৰ বিষয়ে পাঠকক জনোৱাটোৱেই এই লেখাৰ উদ্দেশ্য।

**প্ৰধান কাৰকসমূহ ঃ**

উদ্যোগসমূহ বহু পুৰণি হৈ যোৱা আৰু ভাৰতীয় ৰাসায়নিক উদ্যোগসমূহত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ বাবে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে ৰাসায়নিক দুৰ্যোগৰ প্ৰৱণতা বৃদ্ধি হৈছে। অগ্নিকাণ্ড, বিস্ফোৰণ, বিষাক্ত দ্ৰব্যত নিৰ্গমন আৰু এই আটাইবোৰ একেলগে ঘটাৰ আশংকা পৰিবহণ, মজুতকৰণ আৰু প্ৰক্ৰিয়াকৰণৰ সময়ত পৰিলক্ষিত হয়। অঘটন ঘটাৰ কাৰণ বহুকেইটা, যেনে— নিৰ্ধাৰিত মাত্ৰাতকৈ অধিক উষ্ণতা আৰু চাপ (প্ৰস্তুতকৰণৰ সময়ত) প্ৰয়োগ, নিয়ন্ত্ৰণহীন বিক্ৰিয়া, বিসংগতিপূৰ্ণ দ্ৰব্যৰ মিশ্ৰণৰ উপৰি ৰিয়েক্টৰ, মজুতকৰণ পাত্ৰ, পাইপলাইন আদিৰ বিধ্বংসী বিস্ফোৰণ, নিঃসৰণ, মূল যন্ত্ৰাংশৰ বিজুতি বা নিষ্ক্ৰিয়তা, মিশ্ৰণৰ খেলিমেলি, মন্থন বা সঞ্চালনৰ বিজুতি, ৰিয়েক্টৰৰ চাপ নিৰ্গমনকাৰী পথৰ ভুল নক্সা, প্ৰস্তুতকৰণৰ সময়ত উদ্ভৱ হ'ব পৰা অঘটনৰ বিশ্লেষণৰ অভাৱ আদি। ৰাসায়নিক উদ্যোগত সংঘটিত অগ্নিকাণ্ড আৰু বিস্ফোৰণৰ

***এম সুৰিয়ানাৰায়ণন চি এছ আই আৰ- ছেণ্ট্ৰেল লীডৰ্ ৰিছৰ্হ ইন্সটিটিউটৰ ইণ্ড্ৰাষ্ট্ৰিয়েল ছেইফটি এণ্ড্‌ ৰিস্ক এনালাইছিছ ছেলৰ প্ৰধান বিজ্ঞানী।**

আটাইতকৈ সুলভ উৎস হ'ল জৈৱিক দ্ৰাৱক। অগ্নিকাণ্ড আৰু বিস্ফোৰণৰ মূল পাৰ্থক্য হ'ল শক্তি নিৰ্গমনৰ হাৰ। অগ্নিকাণ্ড বা জুয়ে ধীৰে ধীৰে শক্তি নিৰ্গত কৰে আৰু বিস্ফোৰণত প্ৰচণ্ড গতিত শক্তি নিৰ্গত কৰে—এই ব্যৱধান মাইক্ৰ' ছেকেণ্ডত হয়। বিস্ফোৰণৰ ফলত অগ্নিকাণ্ড আৰু অগ্নিকাণ্ডৰ ফলত বিস্ফোৰণ হ'ব পাৰে। বিস্ফোৰণৰ প্ৰাবল্য প্ৰচণ্ড খুন্দা বা গতিশীল চাপৰ ওপৰত নিৰ্ভৰশীল। বিস্ফোৰণক দুভাগত বিভক্ত কৰিব পাৰি—এবিধ বোমা বিস্ফোৰণৰ দৰে সশব্দ আৰু আনবিধ ভমককৈ প্ৰজ্বলিত ভয়াৱহ জুইৰ দৰে। আবদ্ধ বিস্ফোৰণৰ ফলত ভৱনৰ আৱাসীসকল আহত হোৱাৰ লগতে প্ৰচুৰ ক্ষতি হোৱাৰ আশংকা থাকে। সহজদাহ্য গেছ বা তৰল কিবা কাৰণত মুকলি হৈ বায়ুত মিহলি হোৱাৰ পাছত প্ৰজ্বলন উৎসৰ সংস্পৰ্শলৈ অহাৰ লগে লগে মুক্ত বিস্ফোৰণ সংঘটিত হ'ব পাৰে। ইয়াৰ ফলত বহু দূৰৈত থকা জীৱন-সম্পত্তি হানি হ'ব পাৰে আৰু ইয়াক অৱৰোধহীন বাষ্প মেঘ বিস্ফোৰণ (ইউ চি ভি ই) বুলি কোৱা হয়। কঠিন ৰাসায়নিক চূৰ্ণ বা গুৰি পদাৰ্থ, প্ৰজ্বলন উৎসৰ সংস্পৰ্শলৈ আহিলে ধূলি বা চূৰ্ণ বিস্ফোৰণ ঘটিব পাৰে আৰু ই বৃহৎ পৰিমাণৰ শক্তি নিৰ্গত কৰে। অগ্নিকাণ্ড আৰু বিস্ফোৰণৰ সৈতে পৰিৱেশলৈ বিষাক্ত দ্ৰব্য নিৰ্গমন হ'ব পাৰে। আবদ্ধ কৰিব নোৱাৰা অদাহ্য গেছ, তৰল আৰু চূৰ্ণৰ বাবে বায়ুমণ্ডলে বা চৌপাশৰ পৰিৱেশে বিষাক্ত দ্ৰব্যৰ বোজা বহন কৰিব লগা হ'ব পাৰে।

অধিকাংশ উদ্যোগিক দুৰ্ঘটনা মানৱীয় ভুলৰ বাবে ঘটে। কোম্পানীয়ে নিৰ্ধাৰণ কৰি দিয়া প্ৰামাণিক কাৰ্যসিদ্ধি প্ৰক্ৰিয়া (এছ অ' পি) মানি নচলা বা বলৰৎ নকৰাৰ ফলত দুৰ্ঘটনাসমূহ ঘটা দেখা যায়। 'পাইপাৰ আলফা' এনে এটা মানৱীয় ভুলৰ বাবে সংঘটিত দুৰ্ঘটনা, য'ত এজন শ্ৰমিকে মেৰামতি চলি থকা ছেফ্‌টি ভাল্‌ভহীন পাম্প এটা হঠাৎ চলাই দিয়া বাবে গেছ নিৰ্গমন হয় আৰু তাৰপাছত বিস্ফোৰণ ঘটে।

নক্সাৰ বিসংগতিৰ বাবেও ৰাসায়নিক দুৰ্যোগ ঘটিব পাৰে। প্ৰামাণিক কাৰ্যসিদ্ধি প্ৰক্ৰিয়া মানি নচলাৰ লগতে ৰাসায়নিক উদ্যোগটোৰ বিভিন্ন বিভাগৰ মাজত সমন্বয়হীনতাই বিপদ মাতি আনিব পাৰে। ইয়াৰ উপৰি সন্ত্ৰাসবাদী কাৰ্যকলাপ আৰু কূটাঘাতৰ বাবেও ৰাসায়নিক বিপৰ্যয়ৰ ভাবুকি আহিব পাৰে। বান আৰু ভূমিকম্পৰ দৰে প্ৰাকৃতিক বিপৰ্যয়ৰ ফলতো ৰাসায়নিক উদ্যোগত দুৰ্যোগ ঘটিব পাৰে।

ৰাসায়নিক দুৰ্যোগৰ আন এটা সাধাৰণ কাৰণ হ'ল যন্ত্ৰ বা আহিলাৰ ত্ৰুটিপূৰ্ণ তত্ত্বাৱধান। প্ৰস্তুতকৰ্তাৰ নিৰ্দেশনা অনুসৰি নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নিয়মীয়া মেৰামতি কৰাই থাকিলে যন্ত্ৰপাতিসমূহে সঠিকভাৱে আৰু নিৰাপদে কাম কৰে। কোনো আহিলা বা যন্ত্ৰ সঠিকভাৱে মেৰামতি কৰা নহ'লে ই ত্ৰুটি প্ৰদৰ্শন কৰি অচল হৈ পৰিব আৰু ইয়াৰ ফলত বিধ্বংসী বিস্ফোৰণ ঘটিব পাৰে। ইংলেণ্ডৰ ফ্লেক্সিব'ৰ'ৰ দুৰ্ঘটনা উপযুক্ত মেৰামতিৰ অভাৱতে ঘটিছিল আৰু ইয়াৰ পৰিণতিত ২৮জন লোকৰ মৃত্যু হোৱাৰ লগতে বহু লোক আহত হৈছিল।

বিপজ্জনক ৰাসায়নিক পদাৰ্থৰ পৰিবহণৰ সময়ত জৰুৰীকালীন সাহায্যকাৰী দলৰ নথকা বাবে সংঘটিত দুৰ্ঘটনাৰ কালছোৱাত প্ৰশমণৰ অভাৱত ভাৰতৰ বহু ঠাইত বৃহৎ দুৰ্যোগ ঘটাৰ উদাহৰণ আছে। বিপজ্জনক আৱৰ্জনা সংসাধন আৰু উপযুক্ত নিষ্কাষণৰ বায়ুমণ্ডলত আৰু বায়ুমণ্ডলত বিষাক্ত দ্ৰব্য বিয়পি পৰাৰ আশংকা থাকে।

**১। উদ্যোগৰ ভূমিকা ঃ**

ৰাসায়নিক দুৰ্ঘটনাৰ ক্ষেত্ৰত ৰাসায়নিক দুৰ্যোগৰ পাছত প্ৰতিক্ৰিয়া-মূলক বা উপশমকাৰী ব্যৱস্থাতকৈ প্ৰতিৰোধেই উৎকৃষ্ট সতৰ্কতামূলক ব্যৱস্থা। নিম্নোক্ত সংশ্লিষ্ট লোকসকলৰ প্ৰত্যেকৰে ভূমিকা আৰু দায়িত্ব আছে।

ক) বিপজ্জনক কাৰ্যকলাপ চিনাক্ত-কৰণৰ পদক্ষেপ ঃ

ঔদ্যোগিক কাৰ্যবিধিৰ সুৰক্ষামূলক দিশসমূহৰ জ্ঞানে দুৰ্ঘটনা প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণত সহায় কৰে।

দৈনন্দিন কাৰ্যকলাপৰ ফলত উদ্ভৱ হ'ব পৰা সংকট আৰু বিপদশংকাৰ মূল্যায়নৰ বাবে দক্ষ পেছাদাৰী লোকৰ বিশেষজ্ঞ আৰু নিষ্ঠাৱান দল থকাটো আৱশ্যকীয়। সংকট চিনাক্তকাৰী উপযুক্ত সঁজুলি যেনে—নিৰীক্ষণ তালিকা বিশ্লেষণ, সুৰক্ষাৰ খতিয়ান, HAZOP, FTA/ETA,FMEA আৰু LOPA আদিৰ সহায়ত সংকট মোচন বা উপশম কৰিব পৰা যায়।

উল্লিখিত অধ্যয়নৰ ওপৰত নিৰ্ভৰ কৰি বিপজ্জনক কাৰ্যকলাপ পৰিহাৰ কৰা, অধিক নিৰাপদ ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰা, বিপদশংকা থকা যিকোনো পদক্ষেপ ৰুদ্ধ কৰা আৰু অভিযান্ত্ৰিক নিয়ন্ত্ৰণ প্ৰদান কৰা আদিৰ দৰে সুৰক্ষামূলক ব্যৱস্থা উৰ্দ্ধতন কৰ্তৃপক্ষই গ্ৰহণ কৰি ৰাসায়নিক দুৰ্যোগ প্ৰতিৰোধ নিশ্চিত কৰিব পাৰে।

খ) প্ৰকল্পথলী আৰু যন্ত্ৰপাতিৰ ৰক্ষণাবেক্ষণ ঃ

* নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে সকলো সৰঞ্জাম আৰু যন্ত্ৰপাতিৰ উপযুক্ত মেৰামতি আৱশ্যকীয়।

* প্ৰকল্পথলীৰ সা-সুবিধাসমূহ নিৰাপদ হয় নে নহয় আৰু যন্ত্ৰপাতিবোৰে ঠিকমতে কাম কৰিছে নে নাই সেইকথা নিশ্চিত কৰিবলৈ নিয়মীয়াকৈ প্ৰকল্পথলী আৰু স্বাস্থ্য পৰিদৰ্শন কৰাটো বাঞ্ছনীয়।

গ) বাষ্প/গেছ নিৰ্গমন নিৰ্ণয় কাৰী যন্ত্ৰ স্থাপন ঃ

* বিপদ সংকেতসহ বাষ্প/গেছ নিৰ্গমন নিৰ্ণয়কাৰী যন্ত্ৰ স্থাপন। এই যন্ত্ৰই অতি সামান্য পৰিমাণৰ নিৰ্গমন ধৰা পেলাই বিহিত ব্যৱস্থা গ্ৰহণ নিশ্চিতকৰণত সহায় কৰে।

ঘ) প্ৰচলিত নীতি-নিয়ম পালন ঃ

* বহনক্ষম আৰু সুৰক্ষিত প্ৰক্ৰিয়াৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে নিৰ্ধাৰণ কৰা নীতি-নিয়ম বা বাধ্যবাধকতা কঠোৰভাৱে মানি চলা উচিত।

ঙ) মানৱসম্পদ ব্যৱস্থাপনাৰ উন্নয়ন ঃ

* মানৱ ব্যৱস্থাপনা জটিল আৰু ইয়াৰ বাবে প্ৰয়োজন অবিৰত নিৰীক্ষণ। আচৰণৰ ভিত্তিত সুৰক্ষামূলক কাৰ্যসূচী ৰূপায়ণ কৰা উচিত।

* ৰাসায়নিক উদ্যোগত সুৰক্ষা-মূলক ব্যৱস্থাসমূহ উন্নত কৰিবলৈ উদ্যোগ কৰ্তৃপক্ষই শীৰ্ষ বিষয়াসহ সুন্দৰ মানৱ সম্পদ ব্যৱস্থাপনা গঠন কৰিব লাগে।

* শীৰ্ষ কৰ্তৃপক্ষ আৰু কৰ্মচাৰী বা শ্ৰমিকসকলৰ মাজত বন্ধুত্বপূৰ্ণ ভাব বিনিময়েৰে সৌহাৰ্দ্যমূলক পৰিৱেশ সৃষ্টি কৰা বাঞ্ছনীয় যাতে প্ৰকল্পটোত চলি থকা নিম্ন মানৰ কাম-কাজ অথবা সংকটৰ বিষয়ে শ্ৰমিকসকলে উৰ্দ্ধতন মহলক তৎমুহূৰ্ততে জনাব পাৰে।

চ) জৰুৰীকালীন সৰ্ষ্টম অৱস্থা ঃ

* দুৰ্যোগৰ ভয়াৱহতা প্ৰশমিত কৰিবলৈ তৎমুহূৰ্ততে প্ৰতিব্যৱস্থা গ্ৰহণ কৰাৰ বাবে উদ্যোগত এটা কুশলী জৰুৰীকালীন কৰ্মীবাহিনী থকাটো বাধ্যতামূলক।

* জৰুৰীকালীন অৱস্থাৰ প্ৰতি সঁহাৰি জনাব পৰাকৈ জ্ঞান আহৰণৰ বাবে সঘন কৃত্ৰিম অনুশীলন (মক-ড্ৰিল) আৱশ্যকীয়।

২) **চৰকাৰৰ ভূমিকা ঃ**

(ক) **দুৰ্ঘটনা অনুসন্ধানকাৰী পৰিষদ গঠন আৰু ৰাসায়নিক দুৰ্ঘটনাৰ তথ্য ভাণ্ডাৰ স্থাপন ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰত থকাৰ দৰে ভাৰততো ৰাসায়নিক দুৰ্যোগ অনুসন্ধানৰ বাবে দুৰ্ঘটনা অনুসন্ধানকাৰী পৰিষদ গঠন কৰিব পাৰি। প্ৰত্যেক দুৰ্ঘটনাৰ পৰা লাভ কৰা শিকনিৰ ওপৰত নিৰ্ভৰ কৰি নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিলে ইয়াৰ পুনৰাবৃত্তি ৰোধ কৰিব পাৰি। দুৰ্ঘটনাৰ বিষয়ে তৎমুহূৰ্ততে জনোৱা ব্যৱস্থা আৰু ৰাসায়নিক দুৰ্ঘটনাৰ তথ্যভাণ্ডাৰ স্থাপনৰ বাবেও একেধৰণৰ পদক্ষেপৰ প্ৰয়োজন। প্ৰকল্পৰ কাম-কাজৰ সময়ত পূৰ্বে নঘটা বা নেদেখা ধৰণৰ অৱস্থাৰ উদ্ভৱ হ'লে ইয়াক প্ৰতিৰোধ কৰিবলৈ সহায়ক হোৱাকৈ এটা অনলাইন পৰ্টেল অত্যাৱশ্যকীয়। এই ব্যৱস্থাৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিশেষজ্ঞৰ মতামত গ্ৰহণ কৰি দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে আগবাঢ়িব পৰা যায়।

(খ) **সজাগতা অভিযান ঃ**

ৰাসায়নিক দুৰ্যোগৰ ফলত উদ্ভৱ হ'ব পৰা ভয়াৱহতা সন্দৰ্ভত চৰকাৰে শ্ৰমিকৰ লগতে ৰাইজৰ মাজতো সজাগতা অভিযান চলাব পাৰে। আকস্মিক দুৰ্ঘটনাৰ বিষয়ে যথোপযুক্ত জ্ঞান থকা শ্ৰমিক অসুৰক্ষিত কামৰ পৰা বিৰত থকাৰ লগতে দুৰ্ঘটনা ঘটিলে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব পাৰিব।

(গ) **গৱেষণা আৰু উন্নয়ন ঃ**

ৰাসায়নিক উদ্যোগৰ উপজাত দ্ৰব্যৰ বিষক্ৰিয়াৰ প্ৰভাৱ হ্ৰাস কৰিব পৰা নতুন প্ৰযুক্তিৰ গৱেষণা আৰু উন্নয়নৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব পাৰে। কম বিষাক্ত উপজাত দ্ৰব্য উৎপাদনৰ বাবে নতুন পদ্ধতি উদ্ভাৱন কৰিবলৈ চলোৱা গৱেষণাই সম্ভাব্য দুৰ্ঘটনাৰ ফলত হ'ব পৰা বিৰূপ প্ৰভাৱ যথেষ্ট পৰিমাণে হ্ৰাস কৰিব পাৰে।

(ঘ) **প্ৰকল্পক বাহিৰত জৰুৰীকালীন পৰিকল্পনা ঃ**

মানুহ আৰু পৰিৱেশৰ মাজত বৃহৎ দুৰ্ঘটনাৰ কু-প্ৰভাৱ হ্ৰাস কৰিবলৈ যাতে স্থানীয় কৰ্তৃপক্ষই উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে সেই কথা কৰাৰ বাবে প্ৰকল্পৰ বাহিৰত জৰুৰীকালীন পৰিকল্পনাৰ আৱশ্যক নিৰ্ধাৰিত নীতি-নিৰ্দেশনা মতেই এই পৰিকল্পনা ৰূপায়ণ কৰা উচিত। আকস্মিক দুৰ্ঘটনাৰ আৰু ইয়াৰ পৰিণতি সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাটো আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় যাতে তেওঁলোকে দুৰ্যোগ প্ৰশমন আৰু দুৰ্যোগৰ পৰৱৰ্তী কাৰ্যকলাপলৈ অৰিহণা যোগাব পাৰে।

(ঙ) **বিপজ্জনক ৰাসায়নিক দ্ৰব্যৰ পৰিবহণ ঃ**

বিপজ্জনক ৰাসায়নিক দ্ৰব্যৰ পৰিবহণৰ সময়ত সংঘটিত দুৰ্যোগৰ ঘটি সময়োপযোগী আৰু খৰতকীয়া জৰুৰীকালীন সঁহাৰিয়ে প্ৰশমনৰ লগতে দুৰ্যোগৰ সৈতে জড়িত লোকক উদ্ধাৰ কৰিব পাৰে। শেহতীয়াকৈ ভাৰতীয় ৰাসায়নিক পৰিষদে (আইচিচি) Nicerglobe (nicerglobe.in) নামৰ এটা ব্যৱস্থা প্ৰৱৰ্তন কৰিছে যি যাত্ৰা আৰম্ভ কৰাৰে পৰা গন্তব্যস্থানলৈ সামগ্ৰী পৰিবহণকাৰী ট্ৰাকত জি পি আৰ এছেৰে গমনপথ অনুসৰণ কৰিব পাৰে। এই ব্যৱস্থা জৰুৰীকালীন সঁহাৰি জনোৱা দলৰ সৈতে সংযুক্ত থাকে। ৰাসায়নিক কোম্পানীসমূহক বিপজ্জনক সামগ্ৰী

**(৩৩ পৃষ্ঠাত চাওক)**

# তৎকালীন সংকটাপন্ন স্থিতিত ল'ব লগা যতনৰ ভূমিকা আৰু গুৰুত্বপূৰ্ণ বিষয়

**অমিত গুপ্তা***
**মহেশ চি মিশ্ৰ***

"যিয়েই আঘাতপ্ৰাপ্ত ৰোগীক প্ৰথমে স্পৰ্শ কৰে সেইটোৱেই ফলাফল নিৰ্ণয় কৰে বুলি কোৱা হয়। ইয়াৰদ্বাৰাই এইটোকে গুৰুত্ব দিয়া যায় যে প্ৰাক্-চিকিৎসালয় অৰ্থাৎ চিকিৎসালয়লৈ নিয়াৰ পূৰ্বে উদ্ধাৰ আৰু যতন ব্যৱস্থা গ্ৰহণ কৰা আৰু সঠিক সময়ৰ ভিতৰতেই তেনে ব্যক্তিক খৰ-খেদাকৈ সংকটাপন্ন অৱস্থাত চোৱাচিতা কৰাৰ ভাল সুবিধা থকা স্থানলৈ হস্তান্তৰ কৰাটো। সেই সঠিক সময়খিনি হ'ল "সোণালী সময়"। আঘাত পোৱাৰ পিছৰ এঘণ্টা সময়খিনিকেই "সোণালী সময়" বুলি কোৱা হয়। ইয়াৰ পিছৰ সময়খিনি সুকীয়া ধৰণৰ। ভাৰতত মোৰ মতে সেই সময়খিনিৰো গুৰুত্ব আছে। বহু আঘাতপ্ৰাপ্ত ৰোগী জৰুৰীকালীন বিভাগ বহু সময়ৰ পিছতহে পায়গৈ। সেয়া ৪-৬ ঘণ্টা কিম্বা তাতোকৈ অধিক হ'ব পাৰে। এই সময়ছোৱাক মই "ৰূপালী সময়" আৰু "ব্ৰঞ্জৰ সময়" বুলি ক'ব খোজো। এই সময়খিনিৰো গুৰুত্ব আছে আৰু সেয়ে এই সময়খিনিক আমাৰ জৰুৰীকালীন বিভাগত 'প্ৰথম ঘণ্টা' ৰূপে ধৰা আৱশ্যক যদিও আঘাত প্ৰাপ্ত ৰোগী "ৰূপালী সময়" বা "ব্ৰঞ্জৰ সময়"ত আহি পায়হি।

সাংঘাতিক ধৰণে আঘাত পোৱা বহু লোক সুস্থ হৈ উভতি যাব পাৰে আৰু তেওঁলোকে সক্ষম হৈ সমাজলৈ সেৱা আগবঢ়াব পাৰে; আৰু এনেদৰে তেওঁলোক হ'ল ৰাষ্ট্ৰৰ কাৰণে এটা মূল্যৱান সম্পদ।

দুৰ্যোগ সম্বন্ধে এনেদৰে কোৱা হয়—"ই ভীষণভাৱে সমাজৰ কাম-কাজত বাধা জন্মায়; ব্যাপক আকাৰত মানৱ, সা-সামগ্ৰী অথবা পৰিৱেশৰ ক্ষতি সাধন কৰে। ফলস্বৰূপে আক্ৰান্ত হোৱা সমাজখনক নিজৰ সম্পদৰাজি ব্যৱহাৰ কৰি সেইবোৰ সমস্যা সমাধান কৰাৰ সামথ্য নেথাকে তাৰ সীমা চেৰাই যায়।" দুৰ্যোগৰ ঘটনা ঘটে যেতিয়া ই কালান্তক ৰূপ ধাৰণ কৰি (প্ৰাকৃতিক অথবা মানৱ সৃষ্টিই হওক) এখন স্পৰ্শকাতৰ সমাজৰ ওপৰত আঘাত হানে।

স্পৰ্শকাতৰতাক এনেদৰে অৰ্থ কৰা হয়—"এটা সম্প্ৰদায়, গাঁথনি, কাম-কাজ কিম্বা ভৌগোলিক ক্ষেত্ৰ কিমান পৰিধিলৈকে এটা বিশেষ দুৰ্যোগৰ প্ৰভাৱৰদ্বাৰা হানি-বিঘিনি অথবা ছিন্ন-ভিন্ন হোৱাৰ সম্ভাৱনা থাকে সেইটো নিৰ্ভৰ কৰে তেনে অঞ্চলৰ কাম-কাজৰ গতি প্ৰকৃতি, গাঁথনি অথবা দুৰ্যোগ স্পৰ্শকাতৰ ক্ষেত্ৰৰ পৰা দূৰত্ব কিমান তাৰ ওপৰত।"

ভাৰত ভিন ভিন মাত্ৰাত বহু সংখ্যক দুৰ্যোগৰ সম্ভাৱনা থকা স্পৰ্শকাতৰ দেশ। ৫৮.৬শতাংশতকৈ অধিক ভূমিখণ্ড মজলীয়াৰ পৰা অধিক প্ৰাবল্যৰ ভূমিকম্পৰ প্ৰতি স্পৰ্শকাতৰ; ৪০নিযুত হেক্টৰতকৈ অধিক (১২শতাংশ) ভূ-ভাগ বানপানী আৰু নদীৰ গৰাখহনীয়াৰ দ্বাৰা আক্ৰান্ত হোৱাৰ আশংকা, ৭,৫১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ উপকূল-ৰেখাৰ ভিতৰত ৫,৭০০ কিলোমিটাৰ ঘূৰ্ণীবতাহ আৰু ছুনামিৰ প্ৰতি স্পৰ্শকাতৰ; ৬৪ শতাংশ কৃষি ক্ষেত্ৰ খৰাং অৱস্থাৰ কৱলত পৰাৰ আশংকা আৰু পাহাৰীয়া এলেকাবোৰ ভূমিস্খলন তথা বৰফপাতৰ প্ৰভাৱত পৰাৰ ভয় থাকে। ইয়াৰ উপৰি ভাৰত ৰাসায়নিক, জৈৱিক, বিকিৰণাত্মক আৰু পাৰমাণৱিক জৰুৰীকালীন স্থিতি তথা অন্যান্য মানৱ-সৃষ্ট দুৰ্যোগৰ প্ৰতি স্পৰ্শকাতৰ দেশ।

এটা বিশেষ দুৰ্যোগ ব্যৱস্থাপনা কাৰ্যক্ৰম ছটা অনুভাগৰে গঠিত। প্ৰাক্ দুৰ্যোগ ভাগত প্ৰতিৰোধ, সমাধান আৰু সক্ষমতাৰ বিষয় আছে আৰু দুৰ্যোগ পশ্চাৎ কালৰ ভাগত সঁহাৰি, পুনৰ সংস্থাপন পুনৰনিৰ্মাণ তথা পুনৰুদ্ধাৰ কাৰ্যক সামৰি লোৱা হয়।

মূল কাৰ্যকৰী সংস্থা ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক লৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে এই বিষয়টোৰ সন্দৰ্ভত বৃহৎ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। গৃহ মন্ত্ৰণালয়ে আন কেবাটাও মন্ত্ৰণালয়ক এই ক্ষেত্ৰত নিহিত কৰিছে। সেইকেইটা মন্ত্ৰণালয় হ'ল যেনে— প্ৰতিৰক্ষা মন্ত্ৰণালয়, স্বাস্থ্য

***অমিত গুপ্তা অল্ ইণ্ডিয়া ইন্সটিটিউট অৱ মেডিকেল ছায়েন্স, নতুন দিল্লীৰ ট্ৰ'মা ছাৰ্জাৰী এণ্ড ক্ৰিটিকেল কেয়াৰ শাখাৰ শল্য চিকিৎসা বিভাগৰ অধ্যাপক আৰু জে পি এন এপেক্স ট্ৰ'মা ছেণ্টাৰৰ মুখপাত্ৰ। মহেশ মিশ্ৰ অল ইণ্ডিয়া ইন্সটিটিউট অৱ মেকিকেল ছায়েন্সেছ-ৰ জে পি এন এপেক্স ট্ৰ'মা ছেণ্টাৰৰ মুখ্য আৰু ডিপাৰ্টমেণ্ট অৱ ছাৰ্জিকেল ডিছিপ্লিনছৰ সঞ্চালক আৰু শল্য বিভাগৰ অধ্যাপক।**

আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়, ৰেলৱে, আণৱিক শক্তি, বিত্ত, কৃষি, পৰিৱেশ আৰু বন, বিদ্যুৎ, গ্ৰাম্য বিকাশ, বিজ্ঞান আৰু প্ৰযুক্তি, মহাকাশ আৰু টেলি-সংযোগ, জল সম্পদ, পথ পৰিবহণ তথা ঘাইপথ মন্ত্ৰণালয়।

ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে স্থিতি লাভ কৰে দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ জাৰি কৰাৰ পিছত। এই প্ৰধিকৰণৰ অধ্যক্ষ ৰূপে আছে প্ৰধান মন্ত্ৰী। উপাধ্যক্ষ, সচিব আৰু নজন সদস্যও ইয়াত আছে। প্ৰাধিকৰণৰ দায়িত্বৰ ভিতৰত আছে নিয়ম-নীতি, পৰিকল্পনা আৰু নীতি-নিৰ্দেশনা যুগুতোৱা; বিভিন্ন মন্ত্ৰণালয় আৰু ৰাজ্যসমূহৰ আঁচনিৰ অনুমোদন জনোৱা; নীতি বলবৎকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰত সহযোগ কৰা; প্ৰশমনৰ বাবে পুঁজিৰ ব্যৱস্থাৰ ক্ষেত্ৰত অনুমোদন, প্ৰতিৰোধ, সক্ষমতা আৰু ক্ষমতাৰ গঢ়-গঠনৰ অৰ্থে অন্যান্য ব্যৱস্থা গ্ৰহণ আৰু দেশখনৰ ভিতৰত উপযুক্তভাৱে দুৰ্যোগৰ প্ৰতি কাম-কাজ তথা নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ আৰু অন্যান্য দেশবোৰে যেতিয়া সংকট অৱস্থাত উদ্ধাৰৰ বাবে আহ্বান জনায় তেতিয়া তেনে দেশক সমৰ্থন কৰাৰ প্ৰতিও সঁহাৰি জনোৱাৰ ব্যৱস্থা গ্ৰহণ। দুৰ্যোগ ব্যৱস্থাপনা আইনখনে (২০০৫) ৰাজ্য আৰু জিলা পৰ্যায়ত দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ প্ৰতিষ্ঠা কৰিবৰ বাবে আহ্বান জনায়। ক্ষেত্ৰ স্তৰত এই প্ৰাধিকৰণৰ কাৰ্যকৰণৰ মূল আলোকপাত কৰোঁতা কেন্দ্ৰবিন্দু জিলা দণ্ডাধীশ/জিলা ন্যায়ধীশক কৰিবলৈও কোৱা হয়।


## দুৰ্যোগ কালত চিকিৎসাৰ সঁহাৰি

ভাৰতত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মতে সঁহাৰি জনাওঁতা ৰূপে বিপুল সংখ্যক আঘাতৰ ব্যৱস্থাপনা সন্দৰ্ভত চিকিৎসা সক্ষমতা বিষয়ক ৰাষ্ট্ৰীয় নীতি-নিৰ্দেশনা যুগুতাই উলিওৱা হয় আৰু সেই মৰ্মে চৰকাৰী স্বাস্থ্য সেৱা-সঞ্চালকালয়ৰ জৰুৰীকালীন চিকিৎসা সহাঁৰি জনোৱা বিভাগে জৰুৰীকালীন সমৰ্থন কৰ্ম আঁচনি ৰূপায়ণৰ দায়িত্বত থাকে আৰু তাৰ বাবে সমন্বয় সাধনৰ বাবে মূল বিষয়াসকলক চিহ্নিত কৰি সংকট ব্যৱস্থাপনা সমিতি আৰু প্ৰধান কাৰ্যালয়ত খৰতকীয়া সঁহাৰি জনোৱা আৰু ক্ষেত্ৰাভিত্তিক সম্পদৰ দিহা কৰা আদি কামবোৰো বিভাগৰ দায়িত্বও আহি পৰে। সিদ্ধান্ত নিৰ্ণয়ৰ সংস্থা হ'ল সংকট ব্যৱস্থাপনা গোট। স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ সচিবৰ অধীনত এই গোটটোৱে কাম কৰে আৰু গোটটোক ডি জি এইছ-এছৰ (চৰকাৰী স্বাস্থ্য সেৱা সঞ্চালকালয়) অধীনস্থ কাৰিকৰী পৰামৰ্শদাতা সমিতিয়ে দিহা-পৰামৰ্শ আগবঢ়ায়।

দুৰ্যোগ ব্যৱস্থাপনা কাৰ্যসূচী জিলা, ৰাজ্য আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত হাতত লোৱা আৱশ্যক। অৱশ্যে ইয়াৰ কাৰণে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে দেশখনত অধিক সংখ্যক লোকৰ সকাহ প্ৰদানৰ কাৰণে অৰ্থাৎ দুৰ্যোগৰ কবলত পৰা লোকক শাৰীৰিক কষ্ট লাঘৱৰ অৰ্থে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা দৰকাৰ সেই বিষয়ে প্ৰতিষ্ঠানগত প্ৰশিক্ষণ কাৰ্যসূচী দিহা কৰিবলৈ কাম আৰম্ভ কৰিছে। জৰুৰীকালীন অৱস্থাত চিকিৎসালয়সমূহৰ সক্ষমতাৰ বাবে প্ৰশিক্ষকসকলক প্ৰশিক্ষণ দিয়া কাম হাতত লোৱা হৈছে; আৰু এতিয়ালৈকে ১০০ জন প্ৰশিক্ষকক প্ৰশিক্ষণ দিয়া হৈছে। চিকিৎসালয়ৰ সাময়িক পৰিকল্পনা আৰু প্ৰক্ষিণৰ কাৰণে দায়িত্বত থকা ঘাই সংস্থা হ'ল ৰাষ্ট্ৰীয়

**১নং চিত্ৰ ঃ দুৰ্যোগ ব্যৱস্থাপনা চক্ৰ**






দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠান তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান। প্ৰশিক্ষকসকলক ৰাজ্য চৰকাৰৰ চিকিৎসালয়, চিকিৎসা মহাবিদ্যালয়-সমূহৰ পৰা অনা হয়। পৰৱৰ্তী পৰ্যায়ত ঘাইকৈ আঘাতপ্ৰাপ্ত লোকৰ জৰুৰী-কালীন স্থিতিত ব্যৱস্থা গ্ৰহণ কৰিবৰ অৰ্থে জিলা স্তৰলৈকে চিকিৎসালয়ৰ প্ৰবন্ধকসকলক প্ৰশিক্ষণ দিয়া হ'ব। অনুসন্ধান তথা পৰিচালনামূলক কাম-কাজসমূহ আই ডি এছ পি কাৰ্যসূচীৰ অধীনত এন আই চি ডিৰদ্বাৰা কৰিবলৈ লোৱা হৈছে। ক'ত কোন লোক কেনেধৰণৰ দুৰ্যোগত ভুগিছে সেইটো খবৰ কৰাৰ ঘাই সংস্থা হ'ল এন আই চি ডি। এই এন আই চি ডি তথা আই চি এম আৰু প্ৰতিষ্ঠানবোৰে প্ৰশিক্ষণ, গৱেষণা আৰু প্ৰয়োগশালাৰ সা-সুবিধা যোগান ধৰে আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ প্ৰায়ভাগ ৰাজ্যৰ আঞ্চলিক দুৰ্যোগৰ ফলত উদ্ৰেক হোৱা আক্ৰান্ত লোকৰ স্বাস্থ্যৰ অৱস্থাৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থাপনাৰ বাবে ৰাজ্য চৰকাৰৰ সৈতে যোগাযোগ কৰে।

পথ সুৰক্ষা আৰু দুৰ্যোগৰ বাবে জৰুৰীকালীন সা-সুবিধাবোৰ মজবুত কৰিবলৈ নিৰ্বাচিত চৰকাৰী চিকিৎসালয়-সমূহৰ মান উন্নতি সাধনৰ অৰ্থে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে প্ৰয়াস কৰিছে। ইয়াৰ উপৰি স্বৰ্ণ চতুৰ্ভূজ নেটৱৰ্কৰ (গ'ল্ডেন কুৱাদ্ৰি লেটাৰেল নেটৱৰ্ক) প্ৰত্যেক ৫০ কিলোমিটাৰ ঘাইপথত এখন এম্বুলেন্স আৰু প্ৰতি ১০০ কিলোমিটাৰ দূৰত্বত সংকট উপশম কেন্দ্ৰ স্থাপন কৰিবলৈ শেহতীয়াকৈ পথ পৰিবহণ মন্ত্ৰণালয়ৰ সৈতে পদক্ষেপ গ্ৰহণ কৰা হৈছে। সৰ্বমুঠ ২৬ টা 'লেভেল-১" আৰু প্ৰায় ২৫০ টা 'লেভেল-২' সংকট কালৰ যতন সুবিধা আগবঢ়োৱা কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ সমৰ্থনত প্ৰতিষ্ঠা কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ২০০৬-০৭ বৰ্ষত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান চিকিৎসা প্ৰতিষ্ঠানত স্থাপন কৰা এপেক্স ট্ৰ'মা ছেণ্টাৰ হ'ল গুণমান সংকটাপন্ন ৰোগীৰ যতন সুবিধাৰ বাবে এনে প্ৰতিষ্ঠান যোগান ধৰাৰ ক্ষেত্ৰত এটা আগতীয়া পদক্ষেপ আৰু ইয়াৰদ্বাৰাই দেশখনত এনে ধৰণৰ অন্যান্য কেন্দ্ৰ স্থাপন কৰিবৰ বাবে হ'ল এটা আৰ্হি স্বৰূপ। এই ক্ষেত্ৰত লক্ষ্যণীয় বিষয়টো হ'ল এই যে অতি ভাল ৰোগীৰ যতনৰ সা-সুবিধা যোগান ধৰাতকৈ শীৰ্ষ স্থানীয় এই সংকট মোচন কেন্দ্ৰটোৰ ভূমিকা এটা উচ্চ স্তৰৰ গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান ৰূপে জনমানসৰ আগত ধৰা দিয়াটো বেচ দৰ্শনীয় —যিটোৱে প্ৰশাসকসকলক সমগ্ৰ দেশতেই সংকটাপন্ন অৱস্থাত যতন লোৱাৰ সা-সুবিধা প্ৰদান কৰিবৰ বাবে নীতি প্ৰস্তুত কৰিবলৈ সহায় কৰিব।

জয় প্ৰকাশ নাৰায়ণ এপেক্স ট্ৰ'মা ছেণ্টাৰটোত সংকটাপন্ন অৱস্থাত যতন ল'বৰ বাবে প্ৰয়োজন হোৱা সকলো ধৰণৰ বিশেষত্ব আছে। তাত নিষ্ঠাপূৰ্ণ ফেকাল্টি





আছে আৰু আৱাসিক চিকিৎসকসকলে ২৪ ঘণ্টাই কাম কৰে। সম্প্ৰতি কেন্দ্ৰটোৱে বছৰি প্ৰায় ৬০,০০০ ৰোগী চোৱাচিতা কৰে আৰু ছহেজাৰতকৈ অধিক অস্ত্ৰোপচাৰ সম্বন্ধীয় চিকিৎসা সাধন কৰে। বৰ্তমানে ইয়াৰ প্ৰায় ১৯০ খন বিছনা, ৩৭ খন 'আই চি ইউ'ৰ বিছনা, ছটা অপাৰেশ্বন থিয়েটাৰ আৰু ৩৫ খন বিছনাৰ 'ই ডি'ৰ সুবিধা আছে। ইয়াক ২৬০ খন বিছনালৈ সম্প্ৰসাৰিত কৰিবলৈ লোৱা হৈছে—য'ত থাকিব অতিৰিক্ত ১৬ খন আই চি ইউৰ বিছনা, ৩ টা অ'টি, 'ইডি' তথা 'ট্ৰায়েজ'ৰ ৩০ খন থাকিব। তাত আৰু সংযুক্ত কৰা হ'ব প্ৰাইভেট ৱাৰ্ড, ৰোগী চোৱাচিতা কৰা লোকৰ আৱাস, তাৰ লগতে এটা হেলিপেদ নিৰ্মাণৰ কামো খৰতকীয়াভাৱে আগবাঢ়িছে। ইয়াৰ উপৰি এই কেন্দ্ৰটোৰ ক্ষমতা অহা ৫-৬ বছৰৰ ভিতৰত ৭৫০ খন বিছনালৈ বৃদ্ধি কৰাৰ কথা চিন্তা কৰা হৈছে। তাৰ কাৰণে ইতিমধ্যে আঁচনি যুগুতোৱাৰ কাম আৰম্ভ কৰা হৈছে।

দুৰ্যোগ কালৰ পৰিস্থিতিত চিকিৎসা যতন সেৱাক সমৰ্থন যোগাবৰ কাৰণে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে প্ৰিফেব্ৰিকেটেদ অৰ্থাৎ পূৰ্বে নিৰ্মিত সকলো সুবিধা থকা ভ্ৰাম্যমান চিকিৎসালয়ৰ ব্যৱস্থা কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে; আৰু এতিয়া ইয়াক যোগান ধৰাৰ অগ্ৰিম স্তৰত আছে। এই ১০০ বিছনাযুক্ত 'কন্টেইনাৰ-ভিত্তিক' চিকিৎসালয়ক ঘটনাথলীলৈ ৰে'ল, ৰাস্তা অথবা আকাশী যানেৰে পৰিবহণ কৰিব পাৰি। ইয়াৰ বহু সুবিধা আছে। তাৰ ভিতৰত উল্লেখ্য হ'ল অপাৰেশ্বন থিয়েটাৰ, আই চি ইউ, পোষ্ট অপাৰেটিভ কেয়াৰ অৰ্থাৎ অস্ত্ৰোপচাৰৰ পৰৱৰ্তী কালৰ যতন, জল বিশুদ্ধকৰণ ইউনিট, ৰন্ধনশালা, শৌচাগাৰ আৰু বিদ্যুৎ সংবহন ব্যৱস্থা।

সশস্ত্ৰ বাহিনীয়ে যি কোনো দুৰ্যোগ অথবা প্ৰাকৃতিক বিপদাপন্ন কালত চিৰাচৰিতভাৱে সংগঠিত ৰূপত প্ৰথম সঁহাৰি জনায়। সশস্ত্ৰ বাহিনীৰ চিকিৎসা সেৱাৰ ভাল প্ৰশিক্ষণপ্ৰাপ্ত আৰু সু-সজ্জিত ব্যক্তিসকল আছে যি কম সময়ৰ ভিতৰতেই যি কোনো দুৰ্ঘটনাৰ প্ৰতি সহাৰি জনাবলৈ সাজু থাকে। দেশখনত সিঁচৰতি হৈ থকা এনে সেৱাৰ চিকিৎসালয়সমূহত দুৰ্যোগ ব্যৱস্থাপনা আঁচনিসমূহৰ সন্দৰ্ভত ভালদৰে সক্ষম হোৱাৰ বিষয়ে অনুশীলন কৰা হয়— যাৰ ফলত তেওঁলোকে সকলো ধৰণৰ দুৰ্যোগৰ সময়ত যথাবিহিত কাৰ্য সম্পাদন কৰিব পাৰে। চিকিৎসালয় সমূহত বিশেষ সংকট কালত বহলাব পৰা বিছনা থাকে আৰু সেইবোৰক দুৰ্যোগত ক্ষত-বিক্ষত হোৱা যথেষ্ট সংখ্যক লোকক সঠিকভাৱে ৰাখিবৰ বাবে জৰুৰীকালীন স্থিতিত নিজৰ সম্পদৰাজিৰ ভিতৰতেই কামত লগাব পাৰে। এই বিছনাবোৰ সদায়েই ঠিক-ঠাক কৰি ৰখা হয়। দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে সা-সৰঞ্জাম আৰু চিকিৎসা সামগ্ৰী থকা ভাণ্ডাৰবোৰ চিহ্নিত কৰি সকলো চিকিৎসা গোট আৰু চিকিৎসালয়সমূহত জাননী প্ৰাপ্তিৰ অতি কম সময়ৰ ভিতৰতে ঘটনাস্থলীলৈ যাবলৈ সাজু কৰি ৰখা হয়।



পৰ্যাপ্ত জৰুৰীকালীন চিকিৎসা সৰঞ্জামো ঠাইতে চিকিৎসা কৰিবৰ বাবে ৰখা হয়। তেনেদৰে ৰাস্তাতো আহত ব্যক্তিক চোৰা-চিতা কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হয়। তেওঁলোকৰ ম'বাইল ফিল্ড হস্পিতেল অৰ্থাৎ ভ্ৰাম্যমান ক্ষেত্ৰ ভিত্তিক চিকিৎসালয় আৰু ম'বাইল ছাৰ্জিকেল টীমো থাকে—যি কম সময়ৰ ভিতৰতে আক্ৰান্ত এলেকালৈ যাব পাৰে। এই ভ্ৰাম্যমান চিকিৎসালসমূহ নিজস্বভাৱে সু-সুজ্জিত, অৰ্থাৎ চিকিৎসা ভাণ্ডাৰ, ঔষধপাতি, সৰঞ্জাম, বিছনা আদি থাকে। এনে কামৰ বাবে চিহ্নিত কৰা ব্যক্তিসকলক অৰ্থাৎ চিকিৎসা কৰ্মীসকলক দুৰ্যোগৰ সময়ত ওলাই যাবলৈ সকলো চিকিৎসা গোটবোৰত নিৰ্দিষ্ট কৰি ৰখা হয়। আনকি এম্বুলেন্স আৰু অন্য পৰিবহণ যান জৰুৰীকালীন অৱস্থাৰ বাবে নিৰ্দ্ধাৰিত কৰি ৰখা হয়। প্ৰয়োজন সাপেক্ষে অন্য সৈনিক গোটৰ পৰাও পৰিবহণ আনিব পাৰি।

**দুৰ্যোগ আৰু সংকটাপন্ন অৱস্থাৰ যতনৰ মাজৰ প্ৰভেদ**

স্বাস্থ্যৰ বিষয়টো হ'ল ৰাজ্যৰ বিষয়। চিকিৎসা দিশৰ সক্ষমতা আৰু বিপুল সংখ্যক লোক আক্ৰান্ত হোৱা ঘটনাৰ ব্যৱস্থাপনাৰ কাম-কাজ চোৰাচিতা কৰা ঘাইকৈ ৰাজ্যৰ স্বাস্থ্য বিভাগসমূহৰ দায়িত্ব। ৰাজ্যৰ স্বাস্থ্য পদ্ধতি তিনি-তৰপীয়া পদ্ধতি ৰূপে গঠিত হয়। ইয়াৰ ভিতৰত থকা বিষয়কেইটা হ'ল—

* খণ্ড পৰ্যায়ত জন-স্বাস্থ্য কেন্দ্ৰ আৰু কেন্দ্ৰীয় স্বাস্থ্য কেন্দ্ৰ।
* জিলা পৰ্যায়ত জিলা চিকিৎসালয়
* বৃহৎ চহৰবোৰৰ ৰাজ্যৰ প্ৰধান কাৰ্যালয়বোৰত উপযুক্ত যতন ব্যৱস্থাৰ প্ৰতিষ্ঠান।

পিছে ৰাজ্যসমূহত কিছুমান প্ৰতিষ্ঠান চোৰাচিতা কৰা সংস্থা আৰু বিভাগবোৰৰ ক্ষেত্ৰত কাম কৰাৰ বিৰাট তাৰতম্য পৰিলক্ষিত হয়। সেই প্ৰতিষ্ঠানবোৰ হ'ল— চিকিৎসা শিক্ষা, ৰাজহুৱা স্বাস্থ্য আৰু থলুৱা সংস্থাৰ অধীনত থকা চিকিৎসা সেৱা। খণ্ড পৰ্যায়ৰ আন্তঃগাঁথনি বহু সংখ্যক আক্ৰান্ত হোৱা ঘটনাৱলীত সহায় সমৰ্থন জনাবলৈ পৰ্যাপ্ত নহয়। উপ-জিলা চিকিৎসালয় আৰু জিলা চিকিৎসালয়-বোৰত ১০০ৰ পৰা ২৫০ খনলৈকে বিছনা থাকে আৰু সংকটজনক অৱস্থাৰ যতন লোৱাকে ধৰি মজলীয়া স্তৰৰ সেৱা প্ৰদান কৰিবলৈ ঠিক কৰা হয়। কিন্তু ৰাজ্যসমূহৰ মাজত জিলা পৰ্যায়ৰ চিকিৎসালয়ৰদ্বাৰা আগবঢ়োৱা সেৱাৰ গুণগত দিশ আৰু শ্ৰেণীৰ মাজত বহু প্ৰভেদ আছে। ৰাজ্যৰ ৰাজধানী আৰু অন্যান্য বৃহৎ চহৰবোৰত চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় আছে কিম্বা ৰাজ্যৰ স্বাস্থ্য বিভাগ অথবা পৌৰ বোৰ্ডৰদ্বাৰা পৰিচালিত আন যতন ব্যৱস্থাৰ প্ৰতিষ্ঠান আছে। এই সকলোবোৰ প্ৰতিষ্ঠান আনকি সচৰাচৰ-ভাৱে ৰোগীক চোৰাচিতা কৰাৰ ক্ষেত্ৰতো অধিক ৰোগীৰে ভৰি পৰে আৰু সেই ৰোগীসকলৰ প্ৰতি মনোযোগ দিয়াৰ ক্ষমতাও সীমাবদ্ধ।

ভাৰতৰ দৰে বিকাশমুখী দেশসমূহত বৰ্দ্ধিত সংখ্যক লোকৰ মৃত্যুৰ গুৰুত্বপূৰ্ণ কাৰণ হ'ল এটা নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত 'ট্ৰ'মা ছিষ্টেম' অৰ্থাৎ সংকট মোচন পদ্ধতিৰ অপ্ৰাপ্ততা আৰু তেনে পদ্ধতিত আঘাত প্ৰাপ্ত স্থানৰ পৰা যতন ব্যৱস্থাকে ধৰি পুনৰসংস্থাপন কৰালৈকে সা-সুবিধাৰ অভাৱ। চমুকৈ ক'বলৈ গ'লে সংকটাপন্ন অৱস্থাৰ যতন পদ্ধতি 'সঠিক যতনৰ বাবে সঠিক স্বাস্থ্য যতন ব্যৱস্থা থকা কেন্দ্ৰ লৈ সঠিক সময়ত সঠিক ৰোগীক লৈ যোৱাৰ দিশত কাম কৰে।' কিন্তু এই সুবিধা লাভ কৰিবলৈ বহুলাৰ্থত এতিয়াও বাকী আছে।

**(১) প্ৰাক্-চিকিৎসালয় যতন**

আধুনিকভাৱে সু-সজ্জিত এম্বুলেঞ্চৰ ব্যৱস্থা বহু ৰাজ্যতেই নাই আৰু কিছুমান ৰাজ্যত আওপুৰণি ব্যৱস্থাৰেই এম্বুলেঞ্চ চলোৱা হয়। এটা নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত যেনেদৰে ষ্টেট-অব দি-আৰ্ট সম্বলিত এম্বুলেঞ্চ থাকিব লাগে; প্ৰশিক্ষিত কৰ্মী আৰু উপযুক্ত সংগঠনৰো আৱশ্যক হয় তাৰ অভাৱ দেখা যায়। কিছুমান ৰাজ্যই এম্বুলেঞ্চ/আৰক্ষী/অগ্নি নিৰ্বাপকৰ বাবে 'ইউনিভাৰ্ছেল ইৰ্মাজেন্সি নাম্বাৰ ১০৮' ব্যৱস্থা অৱলম্বন কৰে। বৰ্তমানৰ পদ্ধতি জি পি এছ/জি পি আৰ এছ পদ্ধতি অৱলম্বন কৰি কাম চলোৱা হয়। কিন্তু এই ক্ষেত্ৰত উপযুক্ত ন্যায়িক ব্যৱস্থাৰে সমৰ্থন প্ৰদান কৰা হোৱা নাই। কৰ্মীসকলক প্ৰশিক্ষণ প্ৰদান আৰু সাংগঠনিক দিশৰ ওপৰতো নিয়ামক ব্যৱস্থাৰ নিয়ন্ত্ৰণৰে শক্তিশালী কৰা হোৱা নাই।

**(খ) চিকিৎসালয়ৰ ভিতৰৰ সংকট অৱস্থাৰ যতন**

আন্তঃগাঁথনি ঃ মাধ্যমিক (কেন্দ্ৰীয় স্বাস্থ্য কেন্দ্ৰ জিলা চিকিৎসালয়) আৰু আৱাসিক শ্ৰেণীৰ (বিশ্ববিদ্যালয় শিক্ষা প্ৰদানমূলক চিকিৎসালয় বিশেষ) স্বাস্থ্য যতনৰ আন্তঃগাঁথনিয়ে সম্প্ৰতি বিভিন্ন ধৰণৰ আঘাতপ্ৰাপ্ত ৰোগীৰ প্ৰয়োজনীয়তা পূৰণ কৰিব নোৱাৰে। সেইবোৰত সু-সজ্জিত জৰুৰীকালীন বিভাগৰ অভাৱ দেখা যায়। সমগ্ৰ দেশখনতেই এনে অভাৱ বিৰাজমান হৈ আছে আৰু যিবোৰ বেচৰকাৰী চিকিৎসালয়ত জৰুৰীকালীন বিভাগ আছে সেইবোৰে সকলো লোককে সমানভাৱে প্ৰয়োজনভিত্তিক যতন ব্যৱস্থাৰ যোগান নধৰে। তাৰ কাৰণ

**(৪৭ পৃষ্ঠাত চাওক)**

# বিকাশ আৰু দুৰ্যোগ আশংকা প্ৰশমন ঃ ছেন্দাই চুক্তি

**সন্তোষ কুমাৰ***

পৰিৱৰ্তনেই হ'ল একমাত্ৰ অবিৰত ঘটনা— যি নিত্য-নৈমিত্তিকভাৱে গতি সলাই থাকে। চৌপাশে পৰিৱৰ্তন হৈ থাকে আৰু নতুন আশা-আকাংক্ষা উদ্ৰেক কৰে; আৰু নতুন প্ৰত্যাহ্বানো আনি দিয়ে। এই পৰিৱৰ্তনৰ গতিধাৰাত সমগ্ৰ বিশ্বৰ পৰিৱেশ তথা অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক পৰিৱেশো আশী দশকৰ শেহৰ পিনে আৰু নব্বৈ দশকত যি আছিল সেয়া এতিয়া একে নহয়। প্ৰযুক্তি আৰু প্ৰাকৃতিক পৰিৱেশেও বিকাশ প্ৰক্ৰিয়াক পৰিচালনা কৰিছে। ২০১৫ বৰ্ষটো বৰ বৈশিষ্ট্যপূৰ্ণ বছৰ ৰূপে পৰিগণিত হয়; কাৰণ এই বছৰটোত তিনিখন বৃহৎ গোলকীয় চুক্তি স্বাক্ষৰিত কৰা হয়। সেইকেইখন হ'ল— নিৰন্তৰ বিকাশ লক্ষ্য, জলবায়ু পৰিৱৰ্তন বিষয়ক পেৰিছ চুক্তি আৰু দুৰ্যোগ আশংকা প্ৰশমন বিষয়ক ছেন্দাই পৰিকাঠামো ২০১৫-৩০। আন্তৰ্জাতিক সম্প্ৰদায়সমূহে এই লক্ষ্যত উপনীত হ'বলৈ প্ৰতিশ্ৰুতিবদ্ধ আৰু তিনিওখন চুক্তিৰ বাবে লক্ষ্যও স্থিৰ কৰে। এইবোৰ বিষয়ৰ সন্দৰ্ভত যিবোৰ নথি তৈয়াৰ কৰা হয়, তাত বহু উমৈহতীয়া বিষয়বস্তু আছে আৰু তাত তিনিওখন চুক্তিৰ সমাহাৰ ঘটিছে। দুৰ্যোগৰ ফলত ক্ষয়-ক্ষতি হোৱাৰ সন্দৰ্ভত কৰা অধ্যয়নৰ পৰা দেখা গৈছে যে যদি আমি নিৰন্তৰ বিকাশ লক্ষ্য লাভ কৰিব লাগে, তেনেহ'লে আমি প্ৰধান গুৰুত্বপূৰ্ণ বিষয়ৰূপে দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ গতি প্ৰৱাহক বন্ধ কৰিব লাগিব; আৰু দুৰ্যোগ আশংকা প্ৰশমনৰ বাবে আমি ভয়ঙ্কৰ ঘটনাৱলী তথা জলবায়ু পৰিৱৰ্তনৰ বিষয়সমূহ সমাধান কৰিব লাগিব। এই তিনিওটা বিষয় অৰ্থাৎ বিকাশ, দুৰ্যোগ আশংকা তথা জলবায়ু পৰিৱৰ্তন— ইটোৰ স'তে সিটোৰ সম্পৰ্ক আছে আৰু সেয়ে ইয়াৰ সমাধান সমন্বিতভাৱে কৰা আৱশ্যক।

**দুৰ্যোগ তথা বিকাশ লক্ষ্যৰ প্ৰত্যাহ্বান**

দুৰ্যোগ আশংকা প্ৰশমন ব্যৱস্থাই বিকাশৰ বিভিন্ন দিশ আৰু খণ্ডক সামৰি লয়। ১৭টা নিৰন্তৰ বিকাশ লক্ষ্যৰ ১০টাত দুৰ্যোগ আশংকা প্ৰশমন সম্পৰ্কিত বিষয় আছে— যিবোৰে ২৫টা দিশ-কোণক স্পৰ্শ কৰিছে। আৰু এই কথাটোৱে দুৰ্যোগ আশংকা প্ৰশমনৰ ভূমিকাক এক মূল বিকাশ কৌশলৰ বিষয় ৰূপে প্ৰতিপন্ন কৰে।

দুৰ্যোগকালীন অৱস্থাত বৰ্তি থকাৰ ক্ষমতা গঢ়ি তোলাটো হ'ল ভীষণ অৱস্থাৰ দৰিদ্ৰতা দূৰ কৰিবৰ কাৰণে লক্ষ্য লাভ কৰাৰ গুৰুত্বপূৰ্ণ বিষয়। আপদ-বিপদৰ আশংকা কালত দুৰ্বল অৱস্থাই অৰ্থনৈতিক আৰু সামাজিক স্থিতিত বেয়াকৈ প্ৰভাৱ পেলায় তাতে আকৌ দাৰিদ্ৰ, অৱস্থাই তেনে আশংকা বৃদ্ধিত বৰঙণিহে যোগায় আৰু ইয়াৰ ফলত নিৰন্তৰ বিকাশ প্ৰক্ৰিয়াৰ অগ্ৰগতিক সীমাবদ্ধ কৰি তোলে। যিবোৰ ঘটনা ঘটি গৈছে তাৰপৰা এইটো দেখা যায় যে দুৰ্যোগকালীন অৱস্থাৰ প্ৰভাৱে বিকাশমুখী আৰু উন্নত দেশসমূহৰ উভয়তে বহু কষ্টৰে অৰ্জন কৰা বিকাশৰ লাভসমূহত চেঁচা পানী ঢালে আৰু তাৰ ফলত দুখীয়া আৰু অধিক স্পৰ্শকাতৰ লোকসকলক দাৰিদ্ৰ্য অৱস্থাৰ অনেক তললৈ টানি লৈ যায়। ২০৩০ বৰ্ষৰ ভিতৰত ৩২৫ নিযুত লোক দাৰিদ্ৰ্য অৱস্থাৰ মাজত আবদ্ধ হ'ব পাৰে আৰু প্ৰাকৃতিক দুৰ্যোগ তথা ভীষণ ধৰণৰ জলবায়ুৰ পূৰ্ণ প্ৰভাৱৰ কবললৈ আহিব পাৰে— 'বিশেষকৈ উপ-ছাহাৰীয় আফ্ৰিকা তথা দক্ষিণ এছিয়াৰ দেশবোৰত। এনে সম্ভাৱনাৰ এৰাই চলিবলৈ দুখীয়া লোকসকলৰ বহনক্ষম অৱস্থা গঢ়ি তুলি তাক শক্তিশালী কৰাটো অতি প্ৰয়োজন যাতে ভৱিষ্যতৰ দুৰ্যোগকালীন ঘটনাৱলীৰ চিকাৰ অধিক লোক হ'ব লগা নহয় আৰু তেওঁলোকক পুনৰুদ্ধাৰৰ অৰ্থে সহায় কৰিবৰ কাৰণে তেওঁলোকৰ জীৱিকা নিৰ্বাহ তথা সা-সম্পত্তি ৰক্ষা কৰিব পাৰি।

নেপালৰ গোৰ্খা ভূমিকম্পৰ ফলত হোৱা দুৰ্যোগৰ হানি-বিঘিনি আৰু ক্ষয়-ক্ষতি সম্পৰ্কিত অধ্যয়নত এইটো স্পষ্টভাৱে উল্লেখ কৰা হয় যে এই দুৰ্যোগে অতিৰিক্তভাৱে ২.৫ ৰ পৰা ৩.৫ শতাংশলৈকে নেপালী লোকসকলক ২০১৫-১৬ বৰ্ষৰ কালছোৱাত দৰিদ্ৰতাৰ মুখলৈ ঠেলা মাৰিহে ক্ষান্ত থাকে। এই

*সন্তোষ কুমাৰ নেশ্বনেল ইন্সটিটিউট অৱ ডিযেষ্টাৰ মেনেজমেণ্ট ছেণ্টৰৰ কাৰ্যবাহী সঞ্চালক আৰু দিল্লীৰ ছাৰ্ক ডিযেষ্টাৰ মেনেজমেণ্ট ছেণ্টৰৰ ভূতপূৰ্ব সঞ্চালক।

হিচাপত কমেও সাত লাখ লোকে অতিৰিক্তভাৱে দৈন্যক আঁকোৱালি লয় আৰু হানি-বিঘিনিৰ পৰিমাণ হয় প্ৰায় সাত বিলিয়ন মাৰ্কিন ডলাৰ। অধ্যয়নত এইটোও প্ৰকাশ পায় যে ছখন নিম্ন স্থানত অৱস্থিত জিলাৰ লোকসকলে সেই ভূমিকম্পৰ প্ৰভাৱ কেনে আছিল তাক ভালদৰে বুজি পায়। আক্ৰান্ত হোৱা জিলাকেইখন হ'ল— ডোলাখা, সিন্ধুপাল চোক, গোৰ্খা, নুৱাকট, ৰছুৱা আৰু ধাদিং। ইয়াৰপৰা এইটোৱেই প্ৰতীয়মান হয় যে অতি দুখীয়া আৰু অতি স্পৰ্শকাতৰ লোকসকলেই সদ্যহতে দুৰ্যোগসমূহৰ বেয়া প্ৰভাৱত আক্ৰান্ত হ'ব লগা হয়। কাৰণ সেই অঞ্চলবোৰত বসবাস কৰা লোকসকল হ'ল দুখীয়া শ্ৰেণীৰ।

আমাৰ সমাজবোৰত পৰা দুৰ্যোগৰ প্ৰভাৱ অবৰ্ণনীয়, কাৰণ নিৰন্তৰভাৱে আৰ্থ-সামাজিক বিকাশ সাধন কৰাৰ আমাৰ যি স্বপ্ন আছে তাক বাস্তৱায়িত কৰি তোলাৰ ক্ষেত্ৰত এনে দুৰ্যোগ এটা ডাঙৰ বাধা হৈ পৰিছে। অৰ্থনৈতিক দিশৰ হানি-বিঘিনি আৰু ক্ষয়-ক্ষতি বহু বিলিয়ন ডলাৰৰ আৰু সেই গতিচ্ছিন্ন অৱস্থাই এটা সমৃদ্ধিশালী অঞ্চলৰ বাবে থকা আমাৰ লক্ষ্যত কুঠাৰ আঘাত কৰিছে। প্ৰতিটো দুৰ্যোগতে বিকাশৰ বিভিন্ন খণ্ডৰ ওপৰত যথেষ্ট প্ৰভাৱ পৰে আৰু তেনে খণ্ডবোৰ হ'ল— কৃষি, গৃহ, স্বাস্থ্য, শিক্ষা আৰু আন্তঃগাঁথনি।

পৰিতাপৰ কথা হ'ল এই যে দুৰ্যোগৰ বৰ্দ্ধিত প্ৰভাৱ আৰু জনগণৰ এনে দুৰ্যোগৰ তাগিদাত কিছুমান বিকাশৰ পৰিপন্থীমূলক কাম কৰিব লগাত পৰে। তেনে কামবোৰ হ'ল— ভূমিৰ অনুপযুক্ত ব্যৱহাৰ আৰু পৰিৱেশৰ অৱনতি সাধন ক্ৰিয়া-কলাপ। সেয়ে দুৰ্যোগৰ সঘন আগমন আৰু আমাৰ অঞ্চলত তাৰ ব্যাপকতালৈ চাই আমাৰ দেশবোৰে সঠিক স্থানত সমন্বিতভাৱে তেনেবোৰ সমস্যা সমাধান কৰা আৱশ্যক— যাতে জনগণে সুৰক্ষিতভাৱে জীৱন নিৰ্বাহ কৰিব পাৰে, গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিৰ কামবোৰেও গতি লাভ কৰিব পাৰে আৰু বিকাশৰ পৰিক্ৰমাতো কোনো যতি নপৰে।

বিকাশ পৰিকল্পনাৰ কৰ্ম প্ৰক্ৰিয়াত যিবোৰ বিষয়ত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব তাক চিহ্নিত কৰা আৱশ্যক আৰু সেই মতে চলিত তথা ভৱিষ্যতৰ সামাজিক আৰু অৰ্থনৈতিক দিশৰ আশংকাযুক্ত অন্তৰ্নিহিত কাৰণবোৰ বিশ্লেষণ কৰা প্ৰয়োজন যাতে— তেনে আশংকাসমূহ দূৰ কৰিব পৰা যায়। নিয়োগ আৰু বাণিজ্যকে ধৰি উন্নয়ন আৰু বৃদ্ধিৰ অৰ্থে যদি ৰাষ্ট্ৰীয় লক্ষ্য লাভ কৰিব লাগে, তেনেহ'লে ৰাজহুৱা নীতিৰ পৰিকাঠামোসমূহত সংকট ব্যৱস্থাপনাৰপৰা আশংকা দিশৰ ব্যৱস্থাপনা বিষয় নিশ্চয়কৈ প্ৰতিফলিত হ'ব লাগিব। পৰিকল্পনাৰ সিদ্ধান্ত প্ৰক্ৰিয়াসমূহতো ইয়াৰ প্ৰতিফলন ঘটিব লাগিব। তেনে পদক্ষেপ গ্ৰহণৰ দ্বাৰাইহে আশংকাযুক্ত তথ্যপাতিৰ ওপৰত ভিত্তি কৰি বিনিয়োগ আৰু কাৰ্যকৰণৰ গতি ত্বৰান্বিত কৰিবলৈ সমৰ্থৱান কৰি তুলিব।

**দুৰ্যোগ ব্যৱস্থাপনা**

ৰাষ্ট্ৰ সংঘৰদ্বাৰা গ্ৰহণ কৰা দুৰ্যোগৰ সংজ্ঞাত বিষয়টো স্পষ্ট হৈ উঠিছে আৰু তাক দুৰ্যোগ ব্যৱস্থাপনাৰ ৰাষ্ট্ৰীয় আইন, ২০০5 তো সহমত প্ৰকাশ কৰা হৈছে। উক্ত সংজ্ঞাত এইদৰে উল্লেখ কৰা হৈছে—'দুৰ্যোগ হ'ল কৰ্মৰত এটা সম্প্ৰদায় অথবা এখন সমাজক ভীষণ ধৰণে বাধা প্ৰদান কৰা কাৰক শক্তি। ই বিস্তাৰিত ৰূপত মানৱ, সা-সামগ্ৰী, অৰ্থনৈতিক কিম্বা পৰিৱেশৰ দিশত ক্ষতি সাধন কৰে আৰু তেনে ক্ষয়-ক্ষতিৰ পৰিক্ৰমা আক্ৰান্ত সম্প্ৰদায় অথবা সমাজখনৰ সামৰ্থ্যকো চেৰাই যায়। নিজৰ যি সম্পদৰাজি থাকে তাকো ব্যৱহাৰ কৰি তেনে সমস্যাক আয়ত্তাধীন কৰিব নোৱাৰে। প্ৰাকৃতিক দুৰ্যোগক সচেতনতাপূৰ্ণ পৰিকল্পনা, সক্ষমতা আৰু সমস্যা সমাধান ব্যৱস্থাৱলীৰ প্ৰয়োগেৰে প্ৰতিৰোধ কৰিব পৰা যাব পাৰে।'

দুৰ্যোগ প্ৰশমনৰ কামত জড়িত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে 'দুৰ্যোগ ব্যৱস্থাপনা' ক সুকীয়া ধৰণে অৰ্থ কৰে। যিসকলে সঁহাৰি জনায় তেওঁলোকৰ বাবে এয়া সম্পূৰ্ণকৈ ব্যৱস্থাপনাৰ এটা সঁহাৰি। যি সকলে সাহায্য আৰু তৎকালীন পুনৰুদ্ধাৰ কামত নিয়োজিত হয়, তেওঁলোকৰ বাবে এয়া এটা মানৱীয় সংকটমোচন আৰু সাহায্যমূলক ব্যৱস্থাপনাৰ কাম। দুয়োটাই দুৰ্যোগৰ পৰৱৰ্তী সময়ছোৱাৰ কাম-কাজ। আশংকা প্ৰশমন, আশংকা সমাধান আৰু সক্ষমতাৰ কাৰণে প্ৰাক্ দুৰ্যোগ পৰিকল্পনা হ'ল এই খণ্ডটোৰ কাম-কাজৰ নতুন নিয়ম আৰু যি সকলে ইয়াক বিশ্বাস কৰে তেওঁলোকৰ কাৰণে ই দুয়োটাই, অৰ্থাৎ প্ৰাক্ দুৰ্যোগ আশংকা প্ৰশমন আৰু দুৰ্যোগৰ পৰৱৰ্তী সময়ছোৱাৰ সঁহাৰি। বিশ্বৰ অধিক ভাগতেই, বিশেষকৈ দক্ষিণ এছিয়া আৰু ভাৰততো দুৰ্যোগৰ পৰৱৰ্তী সময়ছোৱাৰ সঁহাৰিক দুৰ্যোগ ব্যৱস্থাপনাৰ এক অন্যতম অধিক গুৰুত্বপূৰ্ণ কাৰ্য ৰূপে বিবেচনা কৰা হৈছিল। আৰু সেই অনুযায়ী মাত্ৰ এইবোৰ সমস্যাকে সমাধান কৰিবৰ কাৰণে প্ৰতিষ্ঠানমূলক পদ্ধতি, নীতি-নিয়ম, কাৰ্যসূচীবোৰ প্ৰস্তুত কৰা হৈছিল। দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে সমগ্ৰ প্ৰশাসনীয় ব্যৱস্থা দুৰ্যোগৰ পৰৱৰ্তী

সময়ছোৱাৰ কাম-কাজবোৰ সমাধান কৰিবলৈকে ঠিক কৰা হৈছিল। কিন্তু এতিয়া সৌভাগ্যৰ কথা হ'ল সেয়া এটা অতীত কাহিনী। সম্প্ৰতি যোৱা ডেৰ দশকৰপৰা ভাৰতত দুৰ্যোগ ব্যৱস্থাপনাৰ পৰিৱৰ্তন সাধন হয়। ইয়াক ন ন অভিজ্ঞতাৰে কিছু মাহ বা বৰ্ষৰ অন্তৰে অন্তৰে পুনৰ অৰ্থসূচক সংজ্ঞাৰে দাঙি ধৰা হয়।

২০১৫ চনত গ্ৰহণ কৰা ছেন্দাই পৰিকাঠামো চুক্তিৰ পিছত ভাৰতে ২০১৬ চনৰ নৱেম্বৰত প্ৰথম এছিয়াৰ মন্ত্ৰী পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত কৰে। ইয়াৰ উদ্দেশ্য আছিল এছীয় আৰু প্ৰশান্ত মহাসাগৰীয় দেশসমূহৰ বাবে দুৰ্যোগ আশংকা প্ৰশমনৰ অৰ্থে এছিয়াৰ এটা পৰিকল্পনা প্ৰস্তুত কৰা। সেই পৰিকল্পনাত ঘাইকৈ প্ৰাক্ দুৰ্যোগ কালৰ কাম-কাজকেই গুৰুত্ব দিয়াৰ উদ্দেশ্য। ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে এই সন্মিলন উদ্বোধন কৰিছিল আৰু দুৰ্যোগ আশংকা প্ৰশমন তথা বহনক্ষমতাৰ বিকাশ সাধন সম্বন্ধে দহটা সূত্ৰ দাঙি ধৰিছিল। এই আশংকা প্ৰশমনৰ সন্মিলনৰ পূৰ্বে গোলকীয় কাৰ্য আঁচনিৰ বাবে জাপানৰ ক্ষুদ্ৰ চহৰ ছেন্দাইত ২০১৫ বৰ্ষৰ মাৰ্চত বিশ্ব সন্মিলন অনুষ্ঠিত কৰা হৈছিল। সেই সন্মিলনতেই বিশ্বৰ ১৮৫ খন ৰাষ্ট্ৰই দুৰ্যোগ আশংকা প্ৰশমনৰ বাবে সেই উদ্দেশ্য সাধনৰ বাবে যুগুতাই উলিওৱা নথিত স্বাক্ষৰ কৰিছিল। এই স্বাক্ষৰিত নথিক কোৱা হয় ছেন্দাই ফ্ৰেমৱৰ্ক অৰ এক্‌চন ২০৩০। ভাৰতো এই নথিৰ এখন স্বাক্ষৰকাৰী দেশ।

দুৰ্যোগৰ প্ৰতি সঁহাৰি জনোৱাৰ ক্ষেত্ৰত অধিক উত্তৰদায়ীতাৰে কাম কৰা পৰিলক্ষিত হয়; আৰু সেয়ে প্ৰত্যেকেই ইয়াৰ প্ৰতি সঁহাৰি জনাবলৈ ইচ্ছা প্ৰকাশ কৰে। কিন্তু আনহাতে দুৰ্যোগ সক্ষমতা তথা আশংকা প্ৰশমনৰ কাম তেনেদৰে পৰিলক্ষিত নহয় আৰু চৰম অৱস্থাতো তাৰ প্ৰতি মনোযোগ দিয়া দেখা নাযায়। সমগ্ৰ বিশ্বত বহুত সন্মিলন আৰু ঘোষণাৱলী গ্ৰহণ কৰা সত্ত্বেও তেনেদৰে বিশেষ কাম কৰা হোৱা নাই। অৱশ্যে গোলকীয় সম্প্ৰদায়ে সফল কাহিনীৰ ওপৰত আধাৰিত বহু প্ৰত্যক্ষ ঘটনাৱলীৰ বিষয়ে উপলব্ধি কৰে আৰু সেই সফল কাহিনী হ'ল—'বাধা দান কাৰ্যই উচিত মূল্য প্ৰদান কৰে। ভাৰতেও এনে দৃষ্টান্তৰ ঘটনা দেখা পাইছে। ওড়িছাত ১৯৯৯ চনত হোৱা প্ৰবল প্ৰতাপী ঘূৰ্ণী বতাহৰ ঘটনাকে ক'ব পাৰি। সেই দুৰ্যোগত আমি ১৩,০০০ লোকতকৈ অধিক সংখ্যক লোকক হেৰুৱাও। লগতে বিপুল মাত্ৰাত সা-সম্পত্তিও নষ্ট হয়। কিন্তু ২০১৩ চনৰ ঘূৰ্ণী বতাহ ফাইলিনৰ কথা সুকীয়া—যাক কোৱা হয় 'ছাইক্লোন ফাইলিন' বুলি। ১৯৯৯ চনৰ ঘূৰ্ণী বতাহৰ দৰে একেই পৰিঘটনা আছিল। ইয়াৰ ব্যাপকতাও একেই ধৰণৰ আছিল। পিছে ইয়াৰ প্ৰভাৱ ১৯৯৯ চনত হোৱা ঘূৰ্ণীবতাহৰ সম্পূৰ্ণ বিপৰীত। লোকৰ মৃত্যু সংখ্যা বহুত হ্ৰাস পায়। মাত্ৰ ২২। অৱশ্যে সা-সম্পত্তিৰ হানি-বিঘিনি ঘটাৰ পৰিমাণ অধিক। মৃত্যুৰ সংখ্যা কম হোৱা বিষয়টোৱে সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰে; আৰু ই হৈ পৰে এটা শ্ৰেষ্ঠতম কাৰ্য ব্যৱস্থা—যাক কোৱা হয় 'গ্লোবেল বেষ্ট প্ৰেক্‌টিছ'। ভাৰতে কেনেকৈ মৃত্যুৰ সংখ্যা ইমান কম স্তৰলৈ হ্ৰাস কৰিব পাৰিলে সেয়া এটা অনুকৰণীয় বিষয়। শেহতীয়াকৈ তামিলনাডুত কোবাই যোৱা ঘূৰ্ণী বতাহ 'ৰাডা'ৰ প্ৰভাৱতো 'ফাইলিন'ৰ দৰেই মৃত্যুৰ সংখ্যা কম হোৱা দেখা যায়। সেই সংখ্যা আছিল মাত্ৰ ১৪। অৱশ্যে সা-সম্পত্তিৰ ধ্বংসৰ পৰিমাণ বিপুল ধৰণৰ। ঘূৰ্ণী বতাহ 'হুদহুদ'ৰ ক্ষেত্ৰতো তেনেদৰে একেই প্ৰভাৱ। ইয়াৰপৰা এইটো স্পষ্ট হৈ উঠে যে তেনে ধৰণৰ দুৰ্যোগৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণ কৰাৰ যিবোৰ সষ্টম হোৱা বিষয়ৰ প্ৰয়োজন তাক গঢ়ি তোলাৰ ক্ষেত্ৰত একনিষ্ঠ প্ৰয়াসৰ আৱশ্যক হয় আৰু তেনে প্ৰয়াসৰ দ্বাৰাই মৃত্যুৰ সংখ্যা হ্ৰাস কৰাত ইতিবাচক ফল লাভ কৰা সম্ভৱ হৈ উঠে। এতিয়া চিন্তাৰ বিষয় হ'ল কেনেকৈ সা-সম্পত্তিৰ ক্ষেত্ৰত হোৱা ক্ষয়-ক্ষতিৰ সমস্যাটো সমাধান কৰিব পাৰি? সেই ক্ষয়-ক্ষতি ৰাস্তা-পদূলি, দলং, ঘৰ, চিকিৎসালয়, বিদ্যুৎ, উৎপাদনমূলক মূলধনী সম্পদৰ ক্ষতি আদিয়েই জানো নহয়?

**দুৰ্যোগ আশংকা প্ৰশমনক অধিক গুৰুত্ব**

গোলকীয় তথা আঞ্চলিকভাৱে আৰু থলুৱা স্তৰতো দুৰ্যোগ আশংকা প্ৰশমনৰ বিষয়টো বিকাশ প্ৰক্ৰিয়াৰ ঘাই-সুঁতিলৈ অনা এটা গুৰুত্বপূৰ্ণ কাৰ্যসূচী হৈ পৰিছে। কিন্তু বহুত প্ৰত্যাহ্বানৰে বিষয়টো জটিল হৈ আছে। তথাপি যদি আমি এটা বহনক্ষম ভৱিষ্যৎ গঢ়ি তুলিব লাগে তেনেহ'লে আমাৰ অতীত অভিজ্ঞতাৰ পৰা শিকিব লাগিব।

দুৰ্যোগ ব্যৱস্থাপনাৰ অনুষ্ঠান-প্ৰতিষ্ঠান তথা ইয়াত জড়িত লোকসকলৰ মাজত উক্ত বিষয়ৰ সন্দৰ্ভত জ্ঞান বিনিময় কৰাৰ এতিয়াও প্ৰয়োজন আছে। তেনে মত বিনিময় আৰু ভাব আদৰ্শ প্ৰতিষ্ঠা কৰিবৰ বাবে এখন উমৈহতীয়া মঞ্চ গঢ়ি তোলা আমাৰ আৱশ্যক আৰু চৰকাৰৰ নিয়ম-নীতি প্ৰস্তুত কৰোঁতাসকল তথা সকলো প্ৰশাসনীয় স্তৰৰ দুৰ্যোগ বিষয় প্ৰবন্ধকসকলৰ মাজত সেইবোৰৰ এটা গঠনমূলক দৃষ্টি-ভঙ্গী আৰু ভাবাদৰ্শ গঢ়ি তোলা প্ৰয়োজন।

ইয়াৰ পৰা এইটোকে বুজায় যে ৰাষ্ট্ৰীয় আৰু থলুৱা পৰ্যায়ত আঁচনিবোৰ এনেদৰে প্ৰস্তুত কৰা উচিত য'ত কিছুমান অতি প্ৰয়োজনীয় বিষয়ে অধিক গুৰুত্ব পায়। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল দুৰ্যোগ সহনশীল ভৱন নিৰ্মাণ উপ-বিধি, ব্যৱহাৰ কৰিব লগা ভূ-খণ্ডৰ মণ্ডল পৰিসীমা, সম্পদৰ পৰিকল্পনা, আগতীয়া সংকেত পদ্ধতিৰ ব্যৱস্থা আৰু কাৰিকৰী যোগ্যতা। এইবোৰ বিষয়ত সজাগতা সৃষ্টিৰ বিষয়টোৰ প্ৰতিও মনোযোগ দিয়া কৰ্তব্য আৰু এনেবোৰ কাৰ্য সমাপন কৰিবলৈ ন ন বিজ্ঞান আৰু প্ৰযুক্তিৰ সৃষ্টিৰাজিৰ সহায় লোৱাটো আৱশ্যক আৰু সেইবোৰক সাৰ্থক ৰূপত উপস্থাপন কৰিবৰ বাবেও মত বিনিময় কৰা প্ৰয়োজন। তেনেদৰে আগতীয়া সংকেত প্ৰদান পদ্ধতি আৰু ক্ষমতাৰ গঢ়-গঠন তথা বিকাশৰ কামত জড়িত প্ৰতিষ্ঠানৰ সহায় লোৱাও আৱশ্যক আৰু সেইবোৰক ৰাষ্ট্ৰীয়, উপ-ৰাষ্ট্ৰীয় তথা খণ্ড পৰ্যায়ৰ নীতি-পৰিকল্পনা সমূহত সমন্বিত কৰি সমুচিতভাৱে কাৰ্য ৰূপ দিয়া সমীচীন।

প্ৰায়বোৰ সফল কাহিনী—যিবোৰত কিছু উমৈহতীয়া বিষয় আছে আৰু যিবোৰে সমগ্ৰ দুৰ্যোগ ব্যৱস্থাপনা ভাৱধাৰাৰ পৰিৱৰ্তন সূচাব পাৰে সেইবোৰ ভৱিষ্যৎ শিক্ষাৰ বাবে মনত ৰাখিব পাৰে। মুঠৰ ওপৰত, মাথোন সঁহাৰি আৰু সাহায্যৰ ওপৰত আলোকপাত কৰাতকৈ প্ৰাক্ দুৰ্যোগৰ সময়ছোৱাত তাৰ বাবে প্ৰতিহত স্বৰূপ বিনিয়োগ ব্যৱস্থা কৰাটো বুদ্ধিমানৰ কাম আৰু এই শিক্ষা ভাৰতত নতুন নহয়। উদাহৰণস্বৰূপে গুজৰাটৰ আঞ্জাৰত ১৯৫৬ চনত হোৱা ভূমিকম্পৰ কথাকেই ক'ব পাৰি। এই ভূমিকম্পৰ পিছত ৰাজ্যখনত দুৰ্যোগ আশংকা প্ৰশমনৰ ক্ষেত্ৰত এটা অতি ভাল কাৰ্য হাতত লৈছিল। চৰকাৰে চহৰ নিৰ্মাণৰ নতুন স্থান হাতত লৈছিল আৰু সেই স্থানতেই দুৰ্যোগৰ সময়ত বহনক্ষমতা থকা নিৰ্মাণ কাৰ্য ৰূপায়িত কৰিছিল। ৫০ বছৰৰ পিছত, অৰ্থাৎ ২০০১ বৰ্ষত যেতিয়া ভূজত ভূমিকম্পই সমগ্ৰ অঞ্চলটোৰ স্থিতি থৰক-বৰক কৰি পেলাইছিল, তেতিয়া সেই আঞ্জাৰ চহৰখনৰ সৰহভাগ ঘৰ ভাগি চূৰ্ণ-বিচূৰ্ণ হোৱা দেখা গৈছিল; কিন্তু ১৯৫৬ চনত নতুনকৈ আবণ্টিত স্থানত নিৰ্মিত গৃহ আৰু ভৱনবোৰৰ একো ক্ষতি হোৱা পৰিলিক্ষিত নহৈছিল। এইটো বিকাশ খণ্ডত দুৰ্যোগ আশংকাৰ বিষয়টো ঘাই সুঁতিলৈ অনাৰ শ্ৰেষ্ঠ নিদৰ্শন ৰূপে প্ৰতিপন্ন কৰে। পিছে দুৰ্ভাগ্যবশতঃ সময় অতিবাহিত হোৱাৰ লগে লগে তাক পাহৰি যোৱা হয়। সেই কাৰণে আমি অতীত অভিজ্ঞতাৰ পৰা শিকা আৱশ্যক আৰু তেনে শিক্ষাক নথিভুক্ত কৰাও প্ৰয়োজন আৰু সেইবোৰক আঞ্চলিক, ৰাষ্ট্ৰীয় তথা থলুৱা পৰ্যায়ত স্পৰ্শকাতৰ বিষয় সমূহৰ চাপ হ্ৰাস কৰিবৰ কাৰণে ব্যৱহাৰ কৰা আৱশ্যক। গুজৰাটৰ কচ্ছত ২০০১ চনত হোৱা ভূমিকম্পৰ পিছত যি দীৰ্ঘকালীন দুৰ্যোগ আশংকা প্ৰশমনৰ বিষয়টোক ঘাই সুঁতিলৈ আনি পুনৰনিৰ্মাণ কাৰ্যসূচী হাতত লোৱা হৈছিল সেয়া পুনৰুদ্ধাৰ কাৰ্যসূচীৰ মূল সূত্ৰবিশেষ। ইয়েই এটা দৃষ্টান্তমূলক পুনৰুদ্ধাৰ কাৰ্যসূচীৰ বাট মুকলি কৰে আৰু তাক 'বিল্ড বেক্ বেটাৰ'' ৰূপে জনা যায়। উত্তম কাৰ্য সমাপন কৰাৰ কাৰণে ৰাষ্ট্ৰসংঘৰ 'ছছকাৱা বঁটা' প্ৰদান কৰা হয় আৰু গোলকীয়ভাৱে ইয়াক স্বীকৃতি প্ৰদান কৰে।

অৰ্থনৈতিক আৰু বিত্তীয় দিশত সমাপন কৰা বহু অধ্যয়নে দুৰ্যোগ আশংকা প্ৰশমনৰ আৱশ্যকতা আৰু সুবিধাৱলীৰ বিষয়ে বৰ্ণনা কৰিছে। ইউনেস্কোৰ এক হিচাপ মতে মানৱীয় কাৰণত সহায়ৰ বাবে যি ধনৰাশি আবণ্টন কৰা হয় তাৰ প্ৰত্যেক ১০০ ডলাৰৰ ভিতৰত মাত্ৰ ৪ ডলাৰহে এতিয়া দুৰ্যোগ আশংকা প্ৰশমন ব্যৱস্থাৰ ক্ষেত্ৰত ব্যয় কৰা হয় যদিও গৱেষণাৰদ্বাৰা উপলব্ধ ব্যৱস্থা অন্য ধৰণৰ। তেনে ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত সাধিত কাৰ্যৰদ্বাৰা দুৰ্যোগ আশংকা প্ৰশমনৰ বাবে বিনিয়োগ কৰা ব্যৱস্থাই দুৰ্যোগৰ ক্ষতি সাধন গতিত বাধা দান কৰা পদক্ষেপৰ ফলত যথেষ্ট ধন ৰাহি হয়। গতিকে এনে বিপৰীতধৰ্মী কাৰ্যক ইতিবাচকমুখী কৰি তোলা কৰ্তব্য। আৰু তাৰ পৰিপ্ৰেক্ষিততেই পৰিৱেশৰ ওপৰত মানৱ কাৰ্যৰ নেতিবাচক প্ৰভাৱ হ্ৰাস কৰিবলৈ দুৰ্যোগ আশংকা প্ৰশমনৰ বিষয়টো এক গুৰুত্বপূৰ্ণ দিশ হোৱা উচিত। লগতে স্পৰ্শকাতৰ লোকসকলে প্ৰাকৃতিক দুৰ্যোগৰ বিৰুদ্ধে নিজকে ৰক্ষা কৰিবলৈ সক্ষম হৈ উঠিবৰ কাৰণে এই বিষয়টো তেওঁলোকৰ মাজত আলোকপাত কৰা দৰকাৰ—যাতে আগন্তুক বছৰবোৰত গোলকীয় দৰিদ্ৰ অৱস্থা হ্ৰাসকৰণৰ প্ৰচেষ্টা ফলৱতী হ'ব পাৰে।

**ছেন্দাই পৰিকাঠামো ২০১৫—৩০**

২০০৫ চনতে গ্ৰহণ কৰা কাৰ্য ব্যৱস্থাৰ হিউগো পৰিকাঠামোৰ ম্যাদ ২০১৫ চনত উকলি যায়। আৰু তাৰ ঠাই লয় ছেন্দাই পৰিকাঠামো চুক্তিয়ে। এই চুক্তিৰ ম্যাদ কাল হ'ল ২০১৫ বৰ্ষৰ পৰা ২০৩০ বৰ্ষলৈকে। হিউগো পৰিকাঠামোৰ আলোকপাতৰ বিষয় আছিল দুৰ্যোগৰ প্ৰতি ৰাষ্ট্ৰ তথা সম্প্ৰদায়সমূহৰ বহন ক্ষমতা গঢ়ি তোলা। সেই পৰিকাঠামোক গোলকীয়

কাম-কাজবোৰত অধিক উৎসাহ প্ৰদানৰ বাবে পোষণ কৰা হৈছিল আৰু 'কাৰ্যকৰণৰ আন্তৰ্জাতিক দশক'ৰ (ইণ্টাৰনেশ্বনেল ডিকেদ অব্ একশ্বন) বাবে আন্তৰ্জাতিক পৰিকাঠামোৰ অধীনত প্ৰাকৃতিক দুৰ্যোগ প্ৰশমনৰ বাবে দায়বদ্ধ আছিল। এয়া আছিল ১৯৮৯ চনৰ বিষয়। এই ক্ষেত্ৰত এখন নিৰাপদ বিশ্বৰ বাবে ইয়াকোহামা কৌশল পদ্ধতি, তথা প্ৰাকৃতিক দুৰ্যোগ প্ৰতিহতৰ বাবে নীতি-নিৰ্দেশনা, সক্ষমতা আৰু নিবাৰণ তথা ইয়াৰ কাৰ্য পৰিকল্পনা স্মৰণীয়। ১৯৯৪ চনত গ্ৰহণ কৰা এই বিষয়সমূহ আৰু ১৯৯৯ চনৰ দুৰ্যোগ প্ৰশমন বিষয়ক আন্তৰ্জাতিক কৌশল পদ্ধতিও সেই পৰিকাঠামোৰ টা উৎসাহ প্ৰদান-জনক বিষয় আছিল।

ছেন্দাই পৰিকাঠামো হিউগো কাৰ্য চুক্তিৰ অধীনত ৰাষ্ট্ৰ তথা অন্যান্য জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে কৰা কামৰ সৈতে গতিময়তা নিশ্চিত কৰা উপাদানসমূহৰ ওপৰত প্ৰতিষ্ঠিত হয়। এই পৰিকাঠামো আলাপ-আলোচনা আৰু পাৰস্পৰিক বুজা-বুজিৰ কালত পৰিস্ফুট হোৱা বহুত নতুন বিষয়েৰে সমৃদ্ধ হয়। পৰিকাঠামোৰ সন্দৰ্ভত বহু মত পোষণ কৰোঁতা সকলে দুৰ্যোগ ব্যৱস্থাপনাৰ বিপৰীতে দুৰ্যোগ আশংকা প্ৰশমনৰ সন্দৰ্ভত অধিক গুৰুত্ব প্ৰদান কৰাৰ ক্ষেত্ৰত যথেষ্টভাৱে আধিক্য আৰোপ কৰা বিষয়সমূহক চিহ্নিত কৰে। তেনে বিষয়ৰ ভিতৰত কিছুমান হ'ল— সাতটা গোলকীয় লক্ষ্যৰ সংজ্ঞা, এটা আশান্বিত ফল স্বৰূপে দুৰ্যোগ আশংকা প্ৰশমন, নতুন আশংকা প্ৰতিৰোধৰ সন্দৰ্ভত আলোকপাত কৰা এক লক্ষ্য, বৰ্তমানে থকা আশংকাৰ বিষয়বোৰ প্ৰশমিত কৰি বহন ক্ষমতাক শক্তিশালী কৰি তোলা তথা দুৰ্যোগ আশংকা প্ৰতিহত আৰু প্ৰশমনৰ অৰ্থে ৰাষ্ট্ৰসমূহৰ প্ৰাথমিক দায়িত্বকে ধৰি এলানি পৰিচালিত সূত্ৰৰ ব্যৱস্থা আৰু তাৰ লগতে সকলো সমাজ তথা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানবোৰক ন্যস্তকৰণ কৰা হ'ল উল্লেখযোগ্য। তদুপৰি প্ৰাকৃতিক আৰু মানৱ সৃষ্ট দুৰ্যোগ উভয়ৰ ওপৰত আলোকপাত কৰিবৰ বাবে দুৰ্যোগ আশংকা প্ৰশমনৰ পৰিসৰ যথেষ্টভাৱে প্ৰসাৰিত কৰা হয়। তেনে দুৰ্যোগ সম্পৰ্কিত পৰিৱেশমূলক, প্ৰযুক্তিগত আৰু জৈৱিক সম্বন্ধীয় দুৰ্যোগ তথা আশংকাৰ ওপৰত আলোপাত কৰিবলৈও ব্যৱস্থা বাহাল ৰখা হয় আৰু সমগ্ৰ বিষয়বোৰতে স্বাস্থ্য দিশৰ সহনশীলতা আৰু বহনক্ষমতাক সবলভাৱে উৎসাহিত কৰিবলৈ লোৱা হয়।

ছেন্দাই চুক্তিয়ে তলত উল্লিখিত বিষয়সমূহতো গুৰুত্ব আৰোপ কৰে। উক্ত বিষয়সমূহ হ'ল—কিমান পৰিব্যাপ্তিলৈকে দুৰ্যোগে স্পৰ্শ কৰাৰ আশংকা আছে আৰু কোনবোৰ ক্ষেত্ৰ স্পৰ্শকাতৰ তথা দুৰ্যোগ সম্ভাৱনাৰ বৈশিষ্ট্য নিহিত হৈ আছে তাক ভালদৰে বুজি উঠাৰ আৱশ্যকতা; দুৰ্যোগ আশংকাৰ প্ৰশাসনীয় ব্যৱস্থা শক্তিশালীকৰণ তথা ৰাষ্ট্ৰীয় স্তৰতো তাৰ প্ৰতি গুৰুত্ব আৰোপ; দুৰ্যোগ আশংকা ব্যৱস্থাপনাৰ বাবে উত্তৰদায়ীতা 'বিল্ড বেক্ বেটাৰ'ৰ প্ৰতি সক্ষমতা; দুৰ্যোগ বিষয়ৰ সৈতে জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহক আশংকাযুক্ত নতুন ক্ষেত্ৰৰ প্ৰতি দায়বদ্ধ হ'বলৈ স্বীকৃতি; স্বাস্থ্য আন্তঃগাঁথনি, সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰ তথা কৰ্মস্থান সমূহক সবল কৰি বহনক্ষম কৰি তোলা; আন্তৰ্জাতিক সহযোগ আৰু গোলকীয় অংশীদাৰীতাৰ সবলীকৰণ তথা আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠানসমূহৰপৰা পাব পৰা বিত্তীয় সহায়-সমৰ্থন আৰু ঋণকে ধৰি আশংকাযুক্ত ক্ষেত্ৰৰ প্ৰতি সতৰ্কতামূলক ব্যৱস্থাৰ বাবে অনুদান আগবঢ়োৱা সন্দৰ্ভত নীতি-নিয়ম আৰু কাৰ্যসূচী-সমূহক শক্তিশালী কৰাও প্ৰয়োজন।

নতুন ৰাষ্ট্ৰীয় দুৰ্যোগ পৰিকল্পনাই সকলো স্তৰতে উদ্ভৱ হ'ব পৰা দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ আমাৰ দেশখনৰ সামৰ্থ্য বৃদ্ধি কৰিব আৰু তাৰ বাবে দুৰ্যোগ আশংকা প্ৰশমনৰ কাম-কাজক সকলো খণ্ডৰ বিকাশ প্ৰক্ৰিয়াৰ সৈতে সমন্বিত কৰি আগবাঢ়ি যাব। এই ৰাষ্ট্ৰীয় পৰিকল্পনাই দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত গোলকীয় স্তৰত যি গতিধাৰা অব্যাহত আছে তাৰো লেখ ল'ব আৰু ছেন্দাই পৰিকাঠামোত যি দৃষ্টিভঙ্গী গ্ৰহণ কৰা হৈছে তাকো নিজ কাম-কাজত যথাস্থান দিব —যাতে তাৰ প্ৰতিফলন সমাহিত ৰূপত মানসপটত উদ্ভাসিত হৈ উঠে। কোৱা বাহুল্য যে দুৰ্যোগ আশংকা প্ৰশমন বিষয়ক ছেন্দাই পৰিকাঠামো চুক্তি ২০১৫-২০৩০ ৰ ভাৰতো এখন স্বাক্ষৰকাৰী দেশ।

**সামৰণি**

সম্পদৰ নাটনিত ভোগা ৰাষ্ট্ৰসমূহ আৰু ৰাজ্যবোৰত দুৰ্যোগকালীন অৱস্থাৰ প্ৰভাৱ হ্ৰাস কৰিবৰ কাৰণে বিকাশ পৰিকল্পনাত দুৰ্যোগৰ আশংকা প্ৰশমনৰ অৰ্থে সুচিন্তিতভাৱে বিনিয়োগ কৰাটো গুৰুত্বপূৰ্ণ। তেনে বিনিয়োগৰ অৰ্থে জধে-মধে আশংকা দূৰীকৰণৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাতকৈ নিৰ্দিষ্ট তথ্যৰ ওপৰত ভিত্তি কৰি কামত আগবাঢ়িবলৈ সিদ্ধান্ত লোৱাটোহে বুদ্ধিমানৰ কাম। অধিক দুৰ্যোগ প্ৰৱণ অঞ্চলবোৰত ভৱিষ্যতৰ বাবে যিবোৰ প্ৰকল্প পৰিকল্পনা কৰা হয়, সেইবোৰৰ হিচাপ-নিকাচ আৰু

**(৩০ পৃষ্ঠাত চাওক)**

# দুৰ্যোগ আশংকা প্ৰশমন ব্যৱস্থাপনা ঃ এক আন্তৰ্জাতিক প্ৰেক্ষাপট

**কমল কিশোৰ***

যোৱা দুই দশক জোৰা কালছোৱাত পৰিলক্ষিত হয় যে দুৰ্যোগকালীন অৱস্থাই নিৰন্তৰ বিকাশ সাধনৰ ক্ষেত্ৰত আমি কৰা প্ৰয়াসসমূহত বিধি পথালি হৈ থিয় দিয়ে। তলত উল্লেখ কৰা পৰিসংখ্যাবোৰৰদ্বাৰা ইয়াক সবিস্তাৰে ক'ব পৰা যায় ঃ


যোৱা ২০ বছৰ কালছোৱাত প্ৰাকৃতিক দুৰ্যোগৰ ফলত প্ৰায় ১.৩৫ নিযুত লোকে প্ৰাণ হেৰুৱায়। ইয়াৰ ভিতৰত আধা ভাগতকৈ অধিক লোক ভূঁইকঁপৰ ফলত মৃত্যু হয়। বতৰ আৰু জলবায়ু সমন্ধীয় আপদকালীন অৱস্থাতো মৃত্যু বৰণ কৰে। এনেদৰে মৃত্যুক সাবটি লোৱা লোকৰ সৰহভাগেই কম আৰু মজলীয়াভাৱে উপাৰ্জন কৰা দেশসমূহৰ লোক। অতিকৈ দুখীয়া দেশবোৰে ইয়াৰ মূল্য অধিকভাৱে ভৰিব লগা হয় আৰু সেই মূল্য হ'ল প্ৰতিটো দুৰ্যোগকালীন অৱস্থাত মৃত্যু হোৱাৰ লোকৰ সংখ্যা। প্ৰত্যেক এক নিযুত জনসংখ্যাৰ ভিতৰত এনে মৃত্যুৰ সংখ্যা অধিক।

আনকি অধিক উন্নত দেশবোৰো দুৰ্যোগকালীন অৱস্থাৰ প্ৰভাৱৰপৰা মুক্ত নহয়। ভূমিকম্প আৰু ছুনামিয়ে ২০১১ চনত জাপানত বেয়াকৈ আক্ৰান্ত কৰে। ২০০৫ চনত নিউ অৰ্লিয়েন্সত 'হাৰিকেন কেট্ৰিনা'ই নাজল-নাথল অৱস্থাৰ সৃষ্টি কৰে। ২০০৩ চনত উষ্ণ প্ৰৱাহে ইউৰোপত ৭০,০০০ লোকৰ প্ৰাণ লয়। দুৰ্যোগকালীন অৱস্থাই সেই দেশবোৰৰ ওপৰত প্ৰায়ে অধিক অৰ্থনৈতিক বোজাৰ সৃষ্টি কৰে যি দেশবোৰে তেনে বোজা কমেইহে বহন কৰিব পাৰে। যোৱা দুই দশক কালত পুনঃপুনঃ দেখা দিয়া দুৰ্যোগ অৱস্থাই বহু কম আৰু মজলীয়া উপাৰ্জনকাৰী দেশসমূহক নিৰন্তৰ বিকাশ প্ৰক্ৰিয়াক ক্ৰিয়াশীল কৰি তোলাত বাধা জনায়।

**দুৰ্যোগ আশংকাৰ পৰিৱৰ্তিত গতি-প্ৰকৃতি**


সম্প্ৰতি বিশ্বই জলবায়ু পৰিৱৰ্তনৰ বাস্তৱ স্থিতিৰ সৈতে মুখামুখি হৈছে ; আৰু এনে দুৰ্যোগৰ কাল সঘন তথা পৰিব্যাপ্তি অধিক হোৱাৰ সম্ভাৱনা আছে। দুৰ্যোগসমূহৰ সন্দৰ্ভত

**১ নং চিত্ৰ ঃ বিশ্বত সংহাৰৰূপী ধৰণে ১৯৬৬-২০১৫ বৰ্ষৰ কালছোৱাত দেখা দিয়া দুৰ্যোগৰ সংখ্যা।**




*কমল কিশোৰ এন ডি এম এ (NDMA)ৰ সদস্য আৰু তেওঁ ২২ বছৰৰো অধিক কাল দুৰ্যোগ বিপদ শংকা হ্ৰাসকৰণ আৰু উদ্ধাৰ সম্পৰ্কীয় বিষয়বোৰত কাম কৰি আছে।

২ নং চিত্ৰ ঃ ১৯৬৬-২০১৫ বৰ্ষত বিশ্বত সংঘটিত প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কিত কাৰণত হোৱা মৃত্যুৰ সংখ্যা





পৰিসংখ্যাৰ ৫০ বছৰীয়া বিশ্লেষণ ছবিখনত দাঙি ধৰা হ'ল।

১নং চিত্ৰত চিত্ৰিত গ্ৰাফত প্ৰাকৃতিক দুৰ্যোগৰ এটা গতিধাৰা অংকন কৰা হৈছে— য'ত ঘাইকৈ তিনিটা প্ৰধান দুৰ্যোগৰ ঘটনাৱলীয়ে ঠাই পাইছে। সেয়া হ'ল ভূঁইকঁপ, বানপানী আৰু ধুমুহা। কিন্তু এইক্ষেত্ৰত লক্ষণীয় বিষয়টো হ'ল যোৱা ৫০ বছৰ কালছোৱাত (১৯৬৬-২০১৫) ভূমিকম্পৰ সংখ্যা প্ৰায় একেদৰে থাকিলেও বানপানী আৰু ধুমুহাৰ সংখ্যা বৃদ্ধি পোৱাটো ওপৰৰ ৰৈখিক চিত্ৰত স্পষ্টভাৱে তাৰ সংকেত পোৱা যায় আৰু তেনেদৰে তাৰ ফলত হোৱা সংহাৰী ৰূপৰ প্ৰতিফলনো অনুমান কৰিব পৰা যায়। এই ভিন্ন ধৰণৰ দুৰ্যোগৰ আঁৰৰ বহু কাৰণ থাকিব পাৰে আৰু জলবায়ু সম্পৰ্কিত ভয়াবহ অৱস্থা সম্বন্ধে ভালদৰে বা-বাতৰি দিয়াৰ উপৰি পৰিৱেশমূলক অৱস্থা কিদৰে অৱনমিত হয়, তাৰ ওপৰতো নিৰ্ভৰ কৰে (যেনে— একে স্তৰৰ বৃষ্টিপাতে এতিয়া অধিক বানপানীৰ কাৰণ হ'ব পাৰে) আৰু তেনে পৰিৱেশৰ অৱনতি আদিয়ে বান আৰু ধুমুহাৰ আশংকা থকা অঞ্চলবোৰত বসবাস কৰা অধিক লোক আক্ৰান্ত হয়।

২ নং চিত্ৰত প্ৰাকৃতিক দুৰ্যোগৰ পৰা সৃষ্টি হোৱা সংহাৰী ৰূপে কিমান সংখ্যক লোকক মৃত্যুৰ মুখলৈ ঠেলি দিলে তাৰ এটা আভাস দাঙি ধৰা হৈছে, আৰু এয়া ৫০ বছৰৰ ভিতৰৰ কালছোৱাত অৰ্থাৎ ১৯৬৬-২০১৫ বৰ্ষত সীমাবদ্ধ। উক্ত গ্ৰাফিক চিত্ৰত এইটোও দেখুওৱা হৈছে যে প্ৰকৃত সংখ্যাৰ পিনৰ পৰা চাবলৈ গ'লে মৃত্যুৰ ধাৰা কম-বেছি পৰিমাণে প্ৰায় একেই আছে। প্ৰতি বছৰে ব্যাপক আকাৰৰ ঘটনাৱলীৰদ্বাৰা সেয়া কম-বেছি হয়। যোৱা বিশ বছৰ কালৰ (যেনে-২০০৪,২০০৮,২০১০) শীৰ্ষ সংখ্যাও ১৯৭০ দশকৰ শীৰ্ষ সময়ছোৱাতকৈ যেনে—১৯৭০, ১৯৭৬, ১৯৮১) বহুত কম। যদি আমি এই সংখ্যাক মুঠ জনসংখ্যাৰদ্বাৰা সামঞ্জস্য ৰাখি লেখত লওঁ তেনেহ'লে মৃত্যুৰ সংখ্যাৰ ধাৰা প্ৰকৃততে তললৈ নামি অহা পৰিলক্ষিত হয়। ইয়াৰ বাবে আগতীয়া সংকেত পদ্ধতি, ভাল যোগাযোগ ব্যৱস্থাৰ উন্নতি সাধন হোৱা ক্ৰমে এনে হয়। লগতে অধিক সচেতনশীল চৰকাৰৰ ফালৰ পৰাও তাত বৰঙণি যোগায়। পিছে ইয়াতেই সন্তুষ্ট থকাৰ কাৰণ থাকিব নোৱাৰে। ওপৰত অংকিত গ্ৰাফত যোৱা বিশ বছৰ কালত যি শীৰ্ষ অৱস্থাত মৃত্যুৰ চিহ্ন চিহ্নিত কৰা হৈছে সেইটোৱে বৃহৎ ধৰণে সংঘটিত হোৱা সংহাৰী ৰূপটোকে উদঙাই দেখুৱায়। সেই তিনিটা শীৰ্ষস্থানীয় পৰিঘটনা আছিল —২০০৪ চনৰ ভাৰত মহাসাগৰৰ ছুনামি, ২০০৮ চনৰ ম্যানমাৰত হোৱা ঘূৰ্ণীবতাহ ছাইক্লোন নাৰ্গিছ' আৰু ২০১০ চনত হেইটীত হোৱা ভূমিকম্প। ইয়াৰ প্ৰতিটো দুৰ্যোগতে এক লাখতকৈও অধিক লোক মৃত্যুৰ মুখত পৰে। এইবোৰ ঘটনাৱলীয়ে এইটোকেই সংকেত প্ৰদান কৰে যে কম প্ৰৱণতা অথচ অধিক প্ৰভাৱপূৰ্ণ পৰিঘটনাই আনকি ২১ শতিকাতো অধিক উচ্চ স্তৰৰ মৃত্যুৰ কিৰীলি পাৰিব পাৰে। সেই কাৰণে এনে বৃহৎ দুৰ্যোগকালীন অৱস্থাৰ আশংকা হ্ৰাস কৰিবৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন আছে আৰু তেনে অবৰ্ণনীয় দৃশ্যপট সৃষ্টি নহ'বৰ বাবে নিজকে সক্ষম কৰি তোলাৰো আৱশ্যক আছে।

৩ নং চিত্ৰ ঃ গোলকীয়ভাৱে দুৰ্যোগৰ ফলত হোৱা মুঠ অৰ্থনৈতিক ক্ষয়-ক্ষতি




ওপৰত দিয়া গ্ৰাফিক চিত্ৰত (৩ নং চিত্ৰ) প্ৰাকৃতিক দুৰ্যোগৰপৰা উদ্ভৱ হোৱা আপদকালীন অৱস্থাত গোলকীয়ভাৱে হোৱা মুঠ অৰ্থনৈতিক ক্ষয়-ক্ষতিৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। এই গ্ৰাফিক চিত্ৰ চি আৰ ই ডি-ই এম ডি এ টিৰপৰা পোৱা পৰিসংখ্যাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে।

৩ নং গ্ৰাফিক চিত্ৰত এইটো দেখা গৈছে যে অৰ্থনৈতিক ক্ষয়-ক্ষতিৰ পৰিব্যাপ্তিৰ এটা দীৰ্ঘকালৰ ধাৰা সুস্পষ্ট যদিও সকলোবোৰ ক্ষয়-ক্ষতিৰ পৰিমাণ ২০১৪ চনৰ মূল্যলৈকে মিলাই লোৱা হয়। এইটোৱে এই বিষয়টোক ইঙ্গিত দিয়া যেন লাগে যে প্ৰাকৃতিক দুৰ্যোগৰ আশংকাযুক্ত অঞ্চলবোৰ অৱস্থিত ঠাইবোৰত বৃহৎসংখ্যক মূলধনী সম্পদ আৰু অৰ্থনৈতিক কাম-কাজ সম্পাদন কৰা হৈছিল। ২ নং চিত্ৰকে ধৰি ই এইটোকে বুজায় যে বিশ্বই দুৰ্যোগৰ কৱলৰপৰা জীৱন নাশৰ ক্ষতিৰ মাত্ৰা হ্ৰাস কৰাত ক্ৰমান্বয়ে অগ্ৰগতি লাভ কৰিছে, কিন্তু অৰ্থনৈতিক ক্ষয়-ক্ষতি আৰু জীৱিকা নিৰ্বাহৰ উপায় হানি-বিঘিনি ঘটা কাৰ্যক বোধ কৰাত মুঠেই সফল হোৱা নাই।

**দুৰ্যোগ আশংকা প্ৰশমন ব্যৱস্থাপনাৰ ভৱিষ্যৎ**

দুৰ্যোগ আশংকা প্ৰশমনৰ সন্দৰ্ভত ২০০৫ চনৰপৰা ২০১৫ চনলৈকে গোলকীয় স্তৰত যি প্ৰয়াস কৰা হয় সেয়া হিউগোৰ পৰিকাঠামোৰ (হিউগো ফ্ৰেমৱৰ্ক ফৰ একশ্যন) দ্বাৰা পৰিচালিত। ইপিনে ২০১৫ বৰ্ষৰ মাৰ্চত জাপানৰ ছেন্দাইন আন্তৰ্জাতিক সম্প্ৰদায়ে দুৰ্যোগ আশংকা প্ৰশমন বিষয়ক বিশ্ব সন্মিলনত একেলগে মিলিত হৈ দুৰ্যোগ প্ৰশমনৰ অৰ্থে এটা প্ৰস্তাৱ গ্ৰহণ কৰে। সেই প্ৰস্তাৱকেই দুৰ্যোগ আশংকা প্ৰশমন বিষয়ক ছেন্দাই পৰিকাঠামো ৰূপে জনা যায় (ছেন্দাই ফ্ৰেমৱৰ্ক ফৰ-ডাইযেষ্টাৰ ৰিস্ক ৰিডাকশ্যন, চমুকৈ এছ এফ ডি আৰ আৰ)। ইয়াৰ আৱৰ্ত্ত কাল হ'ল ২০১৫ চনৰপৰা ২০৩০ চনলৈকে।

এই সন্মিলনত পূৰ্বতে প্ৰদান কৰা কিছুমান গোলকীয় গতিধাৰা সম্বন্ধে জানিবলৈ দিয়া হয়। গ্ৰহণ কৰা পৰিকাঠামোত মৃত্যুৰ সংখ্যা হ্ৰাস কৰা সম্বন্ধে, দুৰ্যোগৰদ্বাৰা আক্ৰান্ত হোৱা লোকৰ সংখ্যা, অৰ্থনৈতিক ক্ষয়-ক্ষতি আৰু আন্তঃগাঁথনিৰ হানি-বিঘিনি কম কৰা সন্দৰ্ভতো আলোচনা কৰে আৰু তাৰ প্ৰতি পদক্ষেপ গ্ৰহণ কৰাৰ কথাও চিন্তা কৰে। দুৰ্যোগ আশংকা প্ৰশমন সম্পৰ্কে ই এটা লক্ষ্যও থিৰ কৰে আৰু তাৰ বাবে পৰিকল্পনা আৰু কৌশল অৱলম্বন, আন্তৰ্জাতিক সহযোগ আৰু আগতীয়া সংকেত প্ৰদানৰ সূচলতা সম্পৰ্কেও ব্যৱস্থা গ্ৰহণ কৰিবলৈও প্ৰতিশ্ৰুতিবদ্ধ হয়।

এই ছেন্দাই পৰিকাঠামোৰ সন্দৰ্ভত সহমত প্ৰকাশ কৰি ২০১৫ চনত অন্য আন্তৰ্জাতিক নীতি পৰিকাঠামো গ্ৰহণ কৰি দুৰ্যোগ আশংকা প্ৰশমনৰ গুৰুত্বক স্বীকৃতি দিয়ে। ১৭ টা নিৰন্তৰ বিকশ লক্ষ্যৰ ভিতৰত ১০ টা লক্ষ্য দুৰ্যোগ আশংকা প্ৰশমন ব্যৱস্থাপনা সম্পৰ্কিত

বিষয়ৰ ঠিক কৰা হয়। দুৰ্যোগ আশংকা প্ৰশমনৰ এটা সাৰাংশ তলত উল্লেখ কৰা বন্ধন সূচীত চাওক। এইবোৰ হ'ল নিৰন্তৰ বিকাশ লক্ষ্যৰ উপাদানবিশেষ।

**বন্ধন ১ ঃ নিৰন্তৰ বিকাশ লক্ষ্যত দুৰ্যোগ আশংকা প্ৰশমন**

**লক্ষ্য ১ ঃ সৰ্ব আকাৰত দৰিদ্ৰতাৰ অৱসান**

লক্ষ্য ১.৫ হ'ল দুখীয়াৰ উপশম সম্বন্ধে গঢ়ি তোলাৰ প্ৰয়াস, চৰম পৰ্যায়ৰ দৰিদ্ৰতাৰ অৱসান ঘটাবৰ কাৰণে এক মূল বিকাশ কৌশল ৰূপে দুৰ্যোগ আশংকা প্ৰশমনৰ অৱস্থা আৰু অধিক শক্তিশালী কৰা।

**লক্ষ্য ২ ঃ ক্ষুধাৰ অৱসান, খাদ্য সুৰক্ষা সাধন আৰু উন্নত পৌষ্টিকতা তথা নিৰন্তৰ কৃষি কাৰ্য**

লক্ষ্য ২.৪-এ দুৰ্যোগ আশংকা প্ৰশমনক ঘাই সুঁতিলৈ অনাৰ ক্ষেত্ৰত আগতীয়া কাৰ্য ব্যৱস্থা গ্ৰহণৰ অৰ্থে তৎকালীন আৱশ্যকতাক সমৰ্থন জনায় আৰু কৃষি খণ্ডৰ পৰিকল্পনা কাৰ্যত জলবায়ু অনুসাৰে কাম-কাজ সম্পাদন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে—যাতে সহনশীলভাৱে জীৱিকা নিৰ্বাহ, খাদ্য উৎপাদন আৰু ইকোপদ্ধতিক উৎসাহিত কৰিব পৰা যায়।

**লক্ষ্য ৩ ঃ স্বাস্থ্যকৰ জীৱনৰ নিশ্চিতকৰণ আৰু সকলো বয়সৰ লোকৰ কাৰণে কল্যাণমূলক কামক উৎসাহিত কৰা**

লক্ষ্য ৩.গ আগতীয়া সাৱধানবাণী কাৰ্য শক্তিশালী কৰা আৰু ৰাষ্ট্ৰীয় তথা গোলকীয় স্বাস্থ্য বিষয়ৰ আশংকা প্ৰশমনৰ সৈতে ই জড়িত। এনেবোৰ কাৰ্যই উন্নত স্বাস্থ্যক উৎসাহিত কৰাৰ ক্ষেত্ৰত আৰু অধিক কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ সুবিধা আগবঢ়ায়।

**লক্ষ্য ৪ ঃ সৰ্বাত্মক আৰু সম গুণ বিশিষ্ট শিক্ষাৰ নিশ্চিতকৰণ তথা সকলোৰে বাবে জীৱন-জোৰা শিক্ষা গ্ৰহণৰ সা-সুবিধাক উৎসাহিত কৰা**

লক্ষ্য ৪,৭ৰদ্বাৰা শিক্ষাৰ সা-সুবিধা গঢ়ি তোলা তথা মান উন্নীত কৰাৰ ওপৰত আলোকপাত। লগতে নিৰন্তৰ বিকাশৰ বাবে শিক্ষাক উৎসাহিত কৰা তথা শিক্ষা খণ্ডত পৰিপক্কতা অৰ্জনৰ বাবে যথেষ্টভাৱে বৰঙণি যোগোৱা কাৰ্যকো উৎসাহিত কৰা।

**লক্ষ্য ৬ ঃ সকলোৰে বাবে জলপ্ৰাপ্তিৰ নিশ্চিতকৰণ আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ বাবে নিৰন্তৰ ব্যৱস্থাপনা কাৰ্য**

লক্ষ্য ৬.৬ সম্পৰ্ক হ'ল জল সমন্ধীয় ইক'পদ্ধতি ৰক্ষা তথা পুনৰস্থাপন কৰা। ইয়াৰদ্বাৰাই জল সম্পৰ্কিত ৰোগ আদিৰ প্ৰতি সম্প্ৰদায়সমূহক আক্ৰান্ত কৰিব নোৱাৰা সহনশীল গুণক শক্তিশালী কৰাৰ বাবে যথেষ্টভাৱে ই বৰঙণি যোগাব।

**লক্ষ্য ৯ ঃ সক্ষম আন্তঃগাঁথনি গঢ়ি তোলা সামগ্ৰিক তথা নিৰন্তৰ ঔদ্যোগীকৰণক উৎসাহিত কৰা আৰু নতুন সৃষ্টিক পোষণ কৰা**

লক্ষ্য ৯.১ ৰ সম্পৰ্ক বিষয় হ'ল নিৰন্তৰ আৰু বহনক্ষম আন্তঃগাঁথনিৰ বিকাশ সাধন কৰা। ই কেৱল বৰ্তমানৰ আন্তঃগাঁথনিকেই ৰক্ষা কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ নহয়, তদুপৰি ভৱিষ্যতৰ আন্তঃগাঁথনিৰ বাবে বিনিয়োগ কৰিবৰ বাবেও ই গুৰুত্বপূৰ্ণ।

**লক্ষ্য ১১ ঃ নগৰ-চহৰ আৰু মানৱ বসতি স্থলসমূহ সৰ্বদিশত বিকাশ কৰি তোলা তথা নিৰাপদ, বহনক্ষম আৰু নিৰন্তৰ উপযোগী কৰি ৰখা**

এই লক্ষ্যৰ অধীনৰ কাৰ্যৰ ১১.১ ১১.৩, ১১.৪, ১১.৫, ১১. খ আৰু ১১. গ লক্ষ্য) লক্ষ্যবোৰ হ'ল চহৰৰ বস্তি অঞ্চলৰ মান উন্নীতকৰণৰ ওপৰত আলোকপাত কৰা। তেনেদৰে সংহত চহৰ পৰিকল্পনা, দুৰ্যোগ আশংকাৰ সামাজিক তথা অৰ্থনৈতিক প্ৰভাৱ হ্ৰাস কৰা, চহৰৰ দুখীয়া লোকসকলৰ বহন ক্ষমতা গঢ়ি তোলা, ছেন্দাই পৰিকাঠামোৰ সৈতে ৰজিতা খুৱাকৈ চহৰৰ নীতি-নিয়মসমূহ গ্ৰহণ আৰু ৰূপায়ণ কৰা তথা নিৰন্তৰভাৱে বহনক্ষম চহৰৰ আন্তঃগাঁথনি গঢ়ি তোলাৰ ওপৰত আলোকপাত কৰাটো হ'ল ইয়াৰ লক্ষ্য। এইবোৰ কাম-কাজৰ উপযুক্ত সমাধানে চহৰসমূহক সহায়-সমৰ্থন আগবঢ়োৱাৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য কৰি তোলাৰ সুযোগ আগবঢ়াব আৰু তাৰ লগতে এতিয়াৰ তথা ভৱিষ্যৎ বিকাশ সম্ভাৱনাকো অক্ষুণ্ণ ৰাখিব আৰু সমগ্ৰ বিশ্বতেই এটা নিৰাপদজনক তথা বহনক্ষম নগৰ-চহৰ গঢ়ি তোলাৰ বাট মুকলি কৰিব।

**লক্ষ্য ১৩ ঃ জলবায়ু পৰিৱৰ্তন আৰু ইয়াৰ প্ৰভাৱ ৰোধ কৰিবলৈ জৰুৰীকালীন কাৰ্যব্যৱস্থা গ্ৰহণ**

এই লক্ষ্যৰ অধীনত কাৰ্য ব্যৱস্থা গ্ৰহণ, বহনক্ষম আৰু অৱলম্বন ক্ষমতা সুদৃঢ় কৰাৰ ওপৰত আলোকপাত, প্ৰভাৱ বিস্তাৰৰ অৰ্থে প্ৰয়োজনীয় পদক্ষেপ আৰু জলবায়ু পৰিৱৰ্তনৰ সৈতে খাপ খোৱা ব্যৱস্থাৱলীক সমন্বিত কৰি নীতি আৰু পৰিকল্পনাৰ জৰিয়তে ৰূপান্তৰ সাধনৰ প্ৰয়াস। তদুপৰি পৰিৱৰ্তিত জলবায়ুৰ পৰিৱেশত গ্ৰহণযোগ্য অৱস্থাৰ প্ৰতি সজাগতা সৃষ্টি আৰু আগতীয়া সতৰ্কবাণীৰ (লক্ষ্য ১৩.১ ৰ পৰা ১৩.৩ লৈকে তথা ১৩.কৰ পৰা ১৩.খলৈকে) ব্যৱস্থাৱলীয়ে সকলো স্তৰতে বহল পৰিসৰৰ বিকাশ পথৰ প্ৰতি দুৰ্যোগকালীন অৱস্থাত সচেষ্ট হোৱাৰ সুবিধা আগবঢ়োৱাত সহায় কৰে।

**লক্ষ্য ১৪ ঃ নিৰন্তৰ বিকাশ সাধনৰ অৰ্থে মহাসাগৰ, সাগৰ আৰু সামুদ্ৰিক সম্পদৰাজিৰ সংৰক্ষণ তথা সমুচিতভাৱে ব্যৱহাৰ**

কাৰ্যৰ লক্ষ্য ১৪.২ ৰ আলোকপাতৰ বিষয় হ'ল সমুদ্ৰ আৰু উপকূলীয় ইকোপদ্ধতিৰ অবিৰত স্থিতি তথা তাৰ নিৰন্তৰ ব্যৱস্থাপনা কাৰ্য আৰু সুৰক্ষা সাধন কৰা। ইয়াৰ ফলত দুৰ্যোগ আশংকা হ্ৰাস কৰাত বৰঙণি যোগাব পাৰে আৰু এটা সুস্থ তথা উপকূলীয় ইক'পদ্ধতি লাভ কৰাত সহায়ক হ'ব পাৰে।

**লক্ষ্য ১৫ ঃ দাঁতিকাষৰীয়া ইকোপদ্ধতি ৰক্ষা, পুনৰস্থাপন কৰা তথা নিৰন্তৰভাৱে তাৰ সুবিধা গ্ৰহণ কৰি কামত লগোৱা, বনাঞ্চলৰ সুৰক্ষা সাধন, মৰুভূমিলৈ পৰিণত হোৱা প্ৰক্ৰিয়া ৰোধকৰণ আৰু ভূমিৰ গুণগত মান অৱনমিত হোৱাত বাধা দান কৰি পুনৰস্থিত কৰা তথা জৈৱ-বৈচিত্ৰ্যৰ ক্ষতি সাধনক ৰোধ কৰা।**

কাৰ্যৰ লক্ষ্য ১৫.১ ৰ পৰা ১৫.৪ লৈকে তথা ১৫.৯ ৰ আলোকপাতৰ বিষয় হ'ল বনাঞ্চলৰ সুব্যৱস্থা আৰু পুনৰস্থিতকৰণ, মাটিৰ মান অৱনমিত তথা মৰুভূমিলৈ পৰিণত হোৱা কাৰ্যক ৰোধ কৰা, পাহাৰৰ ইক'পদ্ধতি তথা তাৰ জৈৱ-বৈচিত্ৰ্য অটুট ৰখা, ৰাষ্ট্ৰীয় আৰু স্থানীয় পৰিকল্পনাত ইকোপদ্ধতি তথা জৈৱ-বৈচিত্ৰ্যৰ মূল্যৰাজিক সমন্বিতভাৱে অন্তৰ্ভুক্ত কৰি সমুচিত কাৰ্য ব্যৱস্থা। তদুপৰি বিকাশ প্ৰক্ৰিয়া, দৰিদ্ৰতা হ্ৰাসকৰণৰ কৌশলাত্মক কাৰ্য ব্যৱস্থা — এই সকলোবোৰে এটা বহনক্ষম অৱস্থা গঢ়ি তোলাত বৰঙণি যোগাব। এই লক্ষ্যসমূহ ছেনদাই পৰিকাঠামোৰ সৈতে সঙ্গতি ৰাখি কৰাৰ সংকল্প গ্ৰহণ—যাৰ আলোকপাতৰ বিষয় হ'ল আশংকাৰ দিশসমূহ বিশ্লেষণ কৰি পৰিকল্পনা প্ৰক্ৰিয়াত ইক'পদ্ধতিক আগ ঠাই দি পৰিৱেশমূলক বহনক্ষমতাক সুদৃঢ় কৰা।

ওপৰত উল্লেখ কৰা বিষয়সমূহৰ পৰা এইটো স্পষ্ট যে আন্তৰ্জাতিক নীতি-নিয়মৰ ক্ষেত্ৰতো দুৰ্যোগ আশংকা প্ৰশমন কাৰ্যক এটা মূল বিকাশ কাৰ্য ৰূপে প্ৰতিষ্ঠা কৰিছে। এয়া সীমামুৰীয়া, এককালীন সংকট ব্যৱস্থাপনা বিষয়ৰ পৰা এটা সুকীয়া চিন্তা-ধাৰা—যাৰ স্থিতিত গভীৰতা আছে। এয়া হ'ল এটা স্পষ্ট স্বীকৃতি—যাৰদ্বাৰাই আমি দুৰ্যোগ ব্যৱস্থাপনাৰপৰা দুৰ্যোগ আশংকা ব্যৱস্থাপনাৰ পিনে গতি কৰা প্ৰয়োজন। ইয়াৰ বাবে আমি সকলোধৰণৰ বিকাশমূলক কাম-কাজ এনেদৰে হাতত ল'ব লাগিব যে যাৰদ্বাৰাই দুৰ্যোগ আশংকা প্ৰশমন কৰাৰ প্ৰতি বাট মুকলি হয়। ❐

(২৫ পৃষ্ঠাৰ পৰা)

পৰীক্ষা-নিৰীক্ষা বাধ্যতামূলকভাৱে কৰা উচিত। বিনিয়োগ চৰকাৰী হওক বা বেচৰকাৰীয়েই হওক, বিকাশ সাধনৰ লাভখিনি যাতে অথলে নেযায় আৰু বহনক্ষমতা ধাৰণ কৰাৰ শক্তিও লাভ কৰা যায়, তেনে মূল সূত্ৰক সাৰোগত কৰি কামত আগবঢ়া উচিত। দুৰ্যোগ আশংকাৰ প্ৰতি এটা বহল পৰিসৰৰ আৰু অধিক জনতাকেন্দ্ৰিক প্ৰতিৰোধ-মূলক দৃষ্টিভঙ্গী আৰোপ কৰা প্ৰয়োজন। দুৰ্যোগ আশংকা প্ৰশমনৰ কাম-কাজবোৰ সৰ্ব দিশক সামৰি লোৱা আৱশ্যক—যাতে সেইবোৰ উপযুক্ত আৰু ফলদায়ক হ'ব পাৰে। সেয়ে চৰকাৰে যিবোৰ প্ৰতিষ্ঠানক তেনে পৰিকল্পনাৰ কামত ন্যস্ত কৰে—বিশেষকৈ ব্যক্তিগত খণ্ডক ন্যস্ত কৰিলে—তাৰ আৰ্হি, নীতি আৰু আঁচনি সঠিকভাৱে ৰূপায়ণ কৰিবলৈ উৎসাহিত কৰিব লাগে আৰু সেইবোৰৰ মান অটুট ৰখাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিব লাগে। তদুপৰি ইয়াক সৰ্বাত্মক ৰূপত প্ৰকাশ কৰিবৰ কাৰণে নেতৃত্ব দানৰ ক্ষেত্ৰত মহিলাক সেৱা কাৰ্যত ন্যস্ত কৰাৰো প্ৰয়োজন আছে—যাতে নৱ-প্ৰজন্ম আৰু নাগৰিক সমাজতো ইয়াৰ বতৰা পায়গৈ। ইয়াৰ লগতে শিক্ষা প্ৰতিষ্ঠানসমূহৰো এই দিশত বহুত কৰণীয় কাম আছে। ৰাজ্যবোৰেও বৈজ্ঞানিক আৰু গৱেষণা প্ৰতিষ্ঠানসমূহৰ সৈতে লগ লাগি কাম কৰিব লাগে—যাতে দুৰ্যোগ আশংকাৰ বিষয়টো সম্যকৰূপত দাঙি ধৰি সমাধানৰ পথ উলিয়াব পৰা যায় আৰু নিৰন্তৰ বিকাশ লক্ষ্য পাবৰ কাৰণে ব্যৱস্থাপনা-মূলক কাম-কাজসমূহ সঠিক-ভাৱে গতি লাভ কৰি আগুৱাই যাব পাৰে। ❐

# দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত উপযুক্ত যোগাযোগৰ ভূমিকা আৰু গুৰুত্ব

**চি কে নায়ক***

জলবায়ুৰ সঘন পৰিৱৰ্তন আৰু সমগ্ৰ বিশ্বতেই তাৰ বাবদ যি প্ৰভাৱ পৰিছে— সেয়া প্ৰাকৃতিক দুৰ্যোগেই হওক অথবা মানৱসৃষ্টই হওক সাম্প্ৰতিক কালত ই বহু গুণে বৃদ্ধি পাইছে আৰু তেনেদৰে দুৰ্যোগ ব্যৱস্থাপনাৰ কাম-কাজো বৃদ্ধি পাইছে। দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে হাতত লোৱা পদক্ষেপবোৰ বৃদ্ধিৰ লগে লগে যোগাযোগৰ ভূমিকা আৰু গুৰুত্বও বৃদ্ধি পাইছে।

বাতৰি সম্প্ৰচাৰ কৰি থকাৰ মাজতে হঠাতে ধাৰাবাহিকতা ভংগ কৰি পৰিৱেশন কৰা বাতৰি আৰু বাতৰিকাকতত শিৰোনাম দখল কৰা তেনে বাতৰি উপস্থাপন কৰা দিনত সাংবাদিকসকলৰ ভূমিকাও মন কৰিবলগা বিষয়। তেনে জৰুৰীকালীন অৱস্থাত যোগাযোগৰ ভূমিকা প্ৰায়েই গ্ৰহণ কৰা সাংবাদিকসকল সততেই দুৰ্যোগকালীন পৰিস্থিতিত চোৰা-চিতা কৰা ব্যক্তিসকলৰ স'তে মতদ্বৈধতাৰ সন্মুখীন হ'ব লগা হয় যদিও আটাইৰে লক্ষ্য হ'ল আক্ৰান্ত লোকসকলক যিমান সোনকালে পৰা যায় সিমান সোনকালে সহায় কৰা। পিছে এই উদ্দেশ্যত বাধা আহি পৰে যদিও দুৰ্যোগ ব্যৱস্থাপনাৰ কামত লাগি থকা ব্যক্তিসকল, সাংবাদিক তথা আক্ৰান্ত লোকৰ মাজত উপযুক্তভাৱে সমন্বয় সাধন নহয়।

দুৰ্যোগৰ আগতে বিস্তাৰিতভাৱে লোকসকলক সাধাৰণতে সজাগ কৰি তোলাৰ বাহিৰে আক্ৰান্ত হোৱা লোকসকলক প্ৰশিক্ষণ দিবলৈ একো নাই আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ কামত জড়িত ব্যক্তিসকলৰ ক্ষেত্ৰতো একেই কথা; অৰ্থাৎ তেওঁলোকক প্ৰশিক্ষণ দিয়া হয়েই। নতুনকৈ পুনৰ দিয়াৰ প্ৰয়োজন নহয়। কিন্তু দুৰ্যোগকালীন ঘটনাৰ সন্দৰ্ভত জড়িত থকা সাংবাদিকসকলক কিছু কথা জনোৱাৰ আৱশ্যক আছে। কেনেদৰে দুৰ্ঘটনাৰ স্থান পাবগৈ তাৰ পৰা আৰম্ভ কৰি কি সতৰ্কতামূলক ব্যৱস্থাৰ কথা ভবা হৈছে তাৰ স্থান-কাল-পৰিস্থিতি ভেদে কেনে হোৱা দৰকাৰ সেইবোৰ জ্ঞাত হোৱা প্ৰয়োজন। সাংবাদিকসকলৰ এনে সাধাৰণ জ্ঞান আৰু দৃষ্টিভংগীৰে দুৰ্যোগকালীন ঘটনাক নিমজভাৱে পৰিৱেশন কৰিব পাৰে আৰু ইয়াৰদ্বাৰাই দুৰ্যোগ প্ৰশমন প্ৰক্ৰিয়াত আন দুই ফৈদক বাধা প্ৰদান কৰাতকৈ অধিকভাৱে সহায়হে কৰিব। ই ফৈদ মানে আক্ৰান্তসকল আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ কামত জড়িত ব্যক্তিসকলক বুজোৱা হৈছে।

দুৰ্যোগ পৰিস্থিতিৰ কালত আৰু তাৰ পিছৰ সময়ছোৱাত যোগাযোগ ৰক্ষাৰ বিষয়টো হ'ল সঁহাৰি আৰু পুনৰুদ্ধাৰ-কৰণৰ এটা গুৰুত্বপূৰ্ণ উপাদান। তেনে অৱস্থাত ই প্ৰথম সঁহাৰি জনাওঁতা, সমৰ্থন প্ৰদান পদ্ধতি আৰু পৰিয়ালৰ অন্যান্য সদস্যৰ সৈতে আক্ৰান্ত লোক, পৰিয়াল আৰু সমাজখনক সংযোগ সাধন কৰে। নিৰ্ভৰযোগ্য আৰু সুচলতামূলক যোগাযোগ তথা তথ্য পদ্ধতিবোৰো সমাজৰ লোকসকল সক্ষম হোৱাৰ এক অতি গুৰুত্বপূৰ্ণ পাথেয়স্বৰূপ।

'যোগাযোগ' শব্দটোৱে মানৱ জীৱনৰ সকলো ক্ষেত্ৰতে এটা বৰ বৈশিষ্ট্যপূৰ্ণ স্থান অধিকাৰ কৰে। এজন ব্যক্তি হ'ল সমাজ, ৰাষ্ট্ৰ আৰু বিশ্বৰ এটা অস্তিত্বস্বৰূপ আৰু তেওঁ বা তাই সেই আৱেষ্টনীৰপৰা আঁতৰি গৈ একাষৰীয়াকৈ জীৱন নিৰ্বাহ কৰি থাকিব নোৱাৰে। তেওঁ বা তাই সাধাৰণ অৱস্থাত অন্য লোকৰ সৈতে ভাব বিনিময় কৰিব লগা হয়; আৰু এইটো অধিক আৱশ্যক হয় দুৰ্যোগৰ কালছোৱাত।

যোগাযোগৰ দুটা স্পষ্ট দিশ আছে। প্ৰথমটো হ'ল কায়িক বা আৱয়ৱিক বিষয়ৰ— য'ত আমি দিনক দিনে অগ্ৰগতি সাধন কৰা প্ৰযুক্তিৰ ভিন ভিন উপায়সমূহক কামত লগাওঁ। আধুনিক প্ৰযুক্তিৰ হেতু আৰু উপগ্ৰহসমূহ ব্যৱহাৰ ক্ৰমে আমি সমগ্ৰ বিশ্বতে টেলিভিছন কাৰ্যসূচী সম্প্ৰচাৰ কৰো। ছেটেলাইট ফোন তথা ইণ্টাৰনেট ব্যৱস্থাই গোলোকীয় আৰু প্ৰায় তাৎক্ষণিক যোগাযোগ সাধনত নতুন আকাৰ প্ৰদান কৰিছে আৰু সেয়ে যোগাযোগ প্ৰদান কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ হাই-টেক্ উপায়ৰ অভাৱ হোৱা নাই। ছপা আৰু বৈদ্যুতিন মাধ্যমে যোগাযোগৰ এটা সাৰ্থক আৰু প্ৰভাৱশালী সংস্থা ৰূপে সেৱা আগবঢ়ায়।

***চি কে নায়ক    বছৰৰো অইধক কাল বাতৰি সংস্থা, ইংৰাজী দৈনিক, পত্ৰিকা আৰু আন মাধ্যমসমূহত জ্যেষ্ঠ সংবাদদাতা হিচাপে কৰ্মৰত।**

অন্য দিশটো হ'ল ভাব বহনকাৰী বিষয়ক; আৰু এইটোৱেই যোগাযোগৰ অধিক গুৰুত্বপূৰ্ণ অংগ। এইক্ষেত্ৰত এইটো নিশ্চিত কৰাৰ আৱশ্যক হয় যে তেনে যোগাযোগৰ যি বাতৰি প্ৰচাৰ কৰা হয় তাৰ বিষয়বস্তু লাভ কৰাজনে বুজি পাইছেনে আৰু আশা কৰা ধৰণে তাৰ প্ৰতি তেওঁ সঁহাৰি জনাইছেনে আদি। বাতৰি পৰিৱেশন বা প্ৰচাৰৰ এয়া হ'ল এটা প্ৰয়োজনীয় বিষয়। সাধাৰণ ধৰণৰ, কিন্তু ইয়াৰ অন্তৰালত আছে পূৰ্ণ উপলব্ধি, স্পষ্টতা আৰু সজাগ কৰি তোলাৰ বৃহৎ প্ৰয়াস। বাৰ্তা গ্ৰহণ আৰু তাৰ প্ৰতি শুদ্ধভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ সুবিধা পোৱা জনৰ ক্ষমতা আৰু সামৰ্থ্যৰ বিষয়ে মূল বাৰ্তা প্ৰেৰকে নিশ্চয়েই উপলব্ধি কৰিব লাগিব আৰু তেনেদৰেহে যোগাযোগ কৰিবলৈ লোৱা বাৰ্তাৰ বিষয়বস্তু তথা স্পষ্টতাত স্বকীয় বৈশিষ্ট্যৰ গুৰুত্ব থাকে আৰু কৰণীয় কাৰ্যৰ অৰ্থ বহন কৰে। প্ৰকাশ কৰিবলগীয়া বিষয়বস্তু নিৰ্দিষ্ট গণ্ডীৰ, পোনপটীয়া, চমু তথা সহজ-সৰল হ'ব লাগিব। তাক বুজি পোৱা আৰু কোনো জটিলতা নথকা স্পষ্ট ভাষাৰ হ'ব লাগিব। বৰ্তমানৰ আধুনিক ভাবধাৰাৰ 'যোগাযোগ' বাৰ্তা প্ৰেৰণৰ পৰম্পৰাগত অৰ্থৰ গভীৰতালৈ যায় আৰু লগতে বাতৰিৰ গুণগত দিশখিনিকো সামৰি লয়— বিশেষকৈ বিষয়বস্তুৰ চেতনালব্ধ অংশখিনি তথা সুনিয়াৰী প্ৰতিফলনাত্মক দিশটোক।

দুৰ্যোগ ব্যৱস্থাপনাৰ চাৰিওটা পৰ্যায়তে যোগাযোগ প্ৰযুক্তি প্ৰয়োগৰ ভূমিকা আছে। সেই চাৰিটা পৰ্যায় হ'ল— প্ৰশমন, সষ্টমতা, সঁহাৰি আৰু উদ্ধাৰ। কিন্তু ইয়াৰ প্ৰায়ভাগ প্ৰয়োগ সচৰাচৰভাৱে সঁহাৰি আৰু উদ্ধাৰ কাৰ্যতে আবদ্ধ থাকে। যোৱা দুই দশক কালত বিকাশ লাভ কৰা নতুন যোগাযোগ আৰু তথ্য প্ৰযুক্তিয়ে বিভিন্ন যোগাযোগ পদ্ধতিৰ সমন্বয় সাধনৰ অধিক সম্ভাৱনাৰ পথ মুকলি কৰে। ইণ্টাৰনেট, ম'বাইল ফোন, ফেক্স, ই-মেইল, ৰেডিঅ' আৰু টেলিভিছনকে ধৰি বিভিন্ন যোগাযোগ পদ্ধতিৰ মাধ্যমসমূহ বৰ্দ্ধিতভাৱে ক্ৰিয়াশীল হৈ পৰিছে। ফলস্বৰূপে দুৰ্যোগ প্ৰশমন আৰু প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত যোগাযোগ প্ৰযুক্তিসমূহৰ প্ৰয়োগৰ সম্ভাৱনাও বৃদ্ধি পাইছে।

সংকটজনক ঘটনাৱলী আৰু জৰুৰীকালীন অৱস্থাত সৃষ্টি হোৱা পৰিস্থিতি প্ৰায়েই খেলি-মেলি ধৰণৰ হয় আৰু তেনে পৰিৱেশত দুৰ্যোগ ব্যৱস্থাপনাৰ সকলো পৰ্যায়তে যোগাযোগৰ গুৰুত্ব বহুত আৰু স্থিতিবিশেষে জটিল পৰিস্থিতিৰো সন্মুখীন হ'ব লগা হয়। জৰুৰীকালীন অৱস্থাত যোগাযোগ মাধ্যমে আশংকা প্ৰশমন কাৰ্যৰ পৰা জনগণ আৰু পৰিৱেশ ৰক্ষাৰ বিষয়লৈকে বহল পৰিসৰৰ ব্যৱস্থাসমূহক সামৰি লয়— যাতে সেইবোৰৰ সময়োচিত কাৰ্য হাতত লোৱাত সংশ্লিষ্ট সংগঠন আৰু অন্যান্যই সঠিকভাৱে আগবাঢ়িব পাৰে। দুৰ্যোগে আঘাত কৰাৰ পূৰ্বে যোগাযোগ ব্যৱস্থাক আসন্ন বিপদৰ বিষয়ে তথ্যপাতি আৰু সম্ভেদ জ্ঞাপন কৰিবৰ বাবে এটা বাহক ৰূপে ব্যৱহাৰ কৰিব পাৰে— যাৰ ফলত তেনে দুৰ্যোগৰ প্ৰভাৱ হ্ৰাস কৰিবৰ কাৰণে প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰিবলৈ লোকসকলক সম্ভৱ কৰি তুলিব পাৰে। অন্যান্য যোগাযোগ প্ৰয়োগৰ উপায়সমূহ— য'ত দূৰ সঞ্চাৰ আৰু গোলোকীয় অৱস্থান পদ্ধতিও (গ্লোবেল পজিছনিং ছিষ্টেম) আছে— দুৰ্যোগ সম্ভাৱনাৰ সন্ধান, কৰ্তৃপক্ষক তৎপৰ হোৱা আৰু সতৰ্কতা প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। দুৰ্যোগৰ ঘটনাৱলী পৰিৱেশন কৰা সাংবাদিকসকলক এনেধৰণৰ শেহতীয়া যন্ত্ৰপাতিবোৰ ব্যৱহাৰ কৰিবৰ বাবে নিশ্চয়েই প্ৰশিক্ষণ দিয়াৰ আৱশ্যক আছে।

তাৰ বাহিৰেও যিসকল সাংবাদিক এনে কামত জড়িত হৈ পৰে তেওঁলোকৰ মাজত নিকট সম্পৰ্ক থকা দৰকাৰ। কাৰণ তেওঁলোকে এনে দুৰ্যোগৰ সময়ত যোগাযোগকাৰী ৰূপে কাম কৰে— একেবাৰে তেনে ঘটনাস্থলী গৈ পোৱাৰ পৰা আৰম্ভ কৰি কি ঘটিছে, পৰিস্থিতিয়ে কেনে ৰূপ লৈছে আৰু তাৰ পৰিণাম কেনে ধৰণৰ হ'ব ধৰিছে— এই সকলোবোৰ সম্ভেদৰ সন্দৰ্ভত মনোযোগ দিয়ে। ইয়াৰ লগতে তেওঁলোকে বিপদৰ অধিক আশংকা সম্বন্ধেও এক ধাৰণা কৰি লোৱা উচিত আৰু তেনে ধাৰণাৰ এক সীমালৈকে স্থিতি বাহাল ৰখা উচিত। সেই সীমা অতিক্ৰম কৰি যাব নেলাগে। এজন দুৰ্যোগ ব্যৱস্থাপনাৰ কামত জড়িত ব্যক্তিয়ে এটা ভাগি পৰা ঘৰত সোমাব পাৰে, কাৰণ তেওঁ সেই ঘৰটোত আবদ্ধ হৈ পৰা লোকক উদ্ধাৰ কৰিবলৈ যাওঁতে কেনেদৰে নিজকে ৰক্ষা কৰিব লাগে তেওঁ সেই বিষয়ে জানে। কিন্তু এজন প্ৰতিবেদক কিম্বা কেমেৰামেনে সেই দুৰ্যোগৰ কামত ন্যস্ত থকা ব্যক্তিজনক অনুসৰণ কৰিব নালাগে, কিয়নো তেওঁলোকে নিজকে ৰক্ষা কৰিব নোৱাৰে যদিহে তৎকালে আৰু অধিক বিপদে দেখা দিয়ে।

সাংবাদিক আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ কৰ্মীসকলে বিপদ সংকুল স্থানবোৰ চিহ্নিত কৰা উচিত আৰু সেই অনুযায়ী অঞ্চলটো চিত্ৰিত কৰাও দৰকাৰ।

সাংবাদিকসকলে তেওঁলোকৰ যোগাযোগ কামত ব্যৱহাৰ কৰা সৰঞ্জামবোৰৰ প্ৰতি সতৰ্কতা অৱলম্বন কৰা প্ৰয়োজন। ম'বাইল ফোন, কম্পিউটাৰ আদিয়েই হ'ল এনে সৰঞ্জাম— যিবোৰে অনেক তথ্য ধৰি ৰাখে। এই তথ্য আদিৰ অৱলুপ্তি অথবা হেৰাই গ'লে এটা কাহিনী সঠিকভাৱে উপস্থাপন কৰাত অসুবিধা হ'ব পাৰে কিম্বা তাৰ যুক্তিযুক্ত বিচাৰৰ বাবে প্ৰক্ষেপণ কৰিবলৈও অসুবিধা হ'ব পাৰে অথবা যি উৎসৰ ওপৰত নিৰ্ভৰ কৰি কাহিনীৰ পৰিক্ৰমা ঠিক কৰা হৈছিল সেয়া আশংকাযুক্ত হ'ব পাৰে।

কি তথ্য গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ সেই বিষয়ে বিবেচনা কৰা দৰকাৰী আৰু কাৰ্যালয় অথবা হোটেল কোঠা এৰোঁতে সেই তথ্যবোৰ আৰু কম্পিউটাৰ কেনেকৈ ৰক্ষা কৰিব পৰা যায় সেই বিষয়েও ভাবি চোৱা উচিত। এইক্ষেত্ৰত এটা স্পষ্ট স্থিতি গ্ৰহণ কৰি ৱায়াৰলেছ নেটৱৰ্কৰ বিষয়েও নিশ্চিত কৰা দৰকাৰ আৰু পাছৱৰ্ড সুৰক্ষিত হয় নে নহয় তাৰ প্ৰতিও মনোযোগ দিয়া কৰ্তব্য। বিৰূপাত্মক এলেকাত ম'বাইল ফোন, ৰেডিঅ' আদি কমেইহে ব্যৱহাৰ কৰিব লাগে আৰু ব্যৱহাৰ নকৰা সময়ত তাক বেটাৰীৰপৰা ছিন্নমুক্ত কৰিব লাগে। ফোনৰ বাৰ্তা বিৰোধী শক্তিয়ে আয়ত্ত কৰিব নোৱাৰাকৈ হেকিং কাৰ্যক প্ৰতিহত কৰিবলৈ সতৰ্কমূলক ব্যৱস্থা গ্ৰহণ কৰাও প্ৰয়োজন। এনেদৰে সাংবাদিকসকলৰ কৰণীয় কাম বহুত থাকে।

যোগাযোগৰ ভূমিকা কেনেধৰণৰ সেয়া ওড়িশাত হোৱা প্ৰবল ঘূৰ্ণী বতাহ আৰু বানপানীৰ পৰা ভাল অভিজ্ঞতা হয়। যেতিয়া আটাইবোৰ টেলিফোন লাইনে কাম নকৰা হয় আৰু ম'বাইল টাৱাৰসমূহ ছিন্ন-ভিন্ন হৈ মাটিত পৰি যায় তেতিয়া অন্ধ্ৰপ্ৰদেশ চৰকাৰে আধুনিক প্ৰযুক্তিৰ ফোন উলিয়ায় আৰু সেই ফোন বহু কামত আহে। আধুনিক যোগাযোগ ব্যৱস্থাও কামত আহে যেতিয়া ওড়িশাৰ উপকূলত ঘূৰ্ণী বতাহ ফাইলিনে আঘাত কৰাৰ আগতেই সহস্ৰ লোকক সেইবোৰ ঠাইৰ পৰা খালী কৰাই অন্য নিৰাপদ ঠাইলৈ স্থানান্তৰ কৰা হয়। এয়া সম্ভৱ হৈ উঠে তেনে দুৰ্যোগে দেখা দিয়াৰ পূৰ্বেই সতৰ্কতা প্ৰদান কৰা সৰঞ্জামবোৰ সঠিকভাৱে অৱস্থান কৰা হেতু আৰু তাৰ পৰা লাভ কৰা ইতিবাচক ইংগিত তথা সঁহাৰি হেতু। ❒

---

**(১৫ পৃষ্ঠাৰ পৰা)**

পৰিবহণৰ পৰা পৰিত্ৰাণ পাবলৈ আই চি চি ৰ এই পদক্ষেপ কাৰ্যকৰী কৰিবলৈ পৰামৰ্শ প্ৰদান কৰা হৈছে।

৩) **জনসাধাৰণৰ ভূমিকা ঃ**

* যিকোনো ৰাসায়নিক দুৰ্ঘটনাৰ ফলত সম্ভাব্য ক্ষতি হ্ৰাস কৰিবলৈ বিপদশংকা সন্দৰ্ভত জনসাধাৰণৰ সজাগতাৰ আৱশ্যক।

* দুৰ্যোগৰ সময়ত জনসাধাৰণক সংগঠিত কৰিবলৈ পাৰস্পৰিক সাহায্যকাৰী গোট স্থাপন কৰি প্ৰশিক্ষণ প্ৰদান আৰু সজাগতা সৃষ্টি কৰিব পাৰি। ইয়াৰ সহায়ত যিকোনো ৰাসায়নিক নিঃসৰণৰ ফলত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ মোকাবিলা কৰাটো সম্ভৱ।

**সামৰণি ঃ**

ৰাসায়নিক উদ্যোগত দুৰ্যোগ কেতিয়াবাহে ঘটে; কিন্তু দুৰ্ভাগ্য অথবা অৱহেলাই বিধ্বংসী পৰিণাম মাতি আনিব পাৰে। দুৰ্ঘটনা ঘটিলে জীৱন সম্পত্তি হানি, পৰিৱেশৰ প্ৰতি ভাবুকি, প্ৰকল্পৰ লগতে চৌপাশৰ ভৱন ধ্বংস হোৱাৰ দৰে তাৎক্ষণিক ক্ষতিৰ উপৰি কোম্পানীৰ খ্যাতি বা সুনাম নষ্ট হয়, যিটো পুনৰ উভতাই অনা প্ৰায় অসম্ভৱ। যিকোনো ৰাসায়নিক দুৰ্যোগৰ ফলত হোৱা ক্ষতিয়ে কেইবাটাও প্ৰজন্মলৈ অপূৰণীয় প্ৰভাৱ পেলাব পাৰে আৰু ক্ষতিগ্ৰস্ত লোকসকলৰ দুৰ্দশা অকল্পনীয় হয়। ❒

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# খৰতকীয়া দুৰ্যোগ সঁহাৰি আইন বিশেষমূলক কাৰ্য


'ইউক'হমা ষ্ট্ৰেটিজি' আৰু 'হিউগো ফ্ৰেমৱৰ্ক'ৰ দৰে আন্তৰ্জাতিক ক্ষেত্ৰত যি বিকাশৰ বিষয়সমূহে ঠাই পায় আৰু আনপিনে ৰাষ্ট্ৰীয় দৃশ্যপটত যি ভয়ঙ্কৰ দুৰ্যোগে কম সময়ৰ ভিতৰতে এটাৰ পাছত আন এটাই খলকনি তোলে সেইটোৱে দুৰ্যোগৰ প্ৰতি ৰাষ্ট্ৰীয় স্তৰত বিশেষ ধৰণৰ সঁহাৰি জনোৱা কাৰ্য ব্যৱস্থা অৱলম্বন কৰাৰ আৱশ্যকতাকে সোঁৱৰাই দিয়ে। সেই লেঠাৰিকে হোৱা দুৰ্যোগ কেইটা আছিল—ওড়িছাৰ মহা ঘূৰ্ণী বতাহ (১৯৯৯), গুজৰাটৰ ভূমিকম্প (২০০১) আৰু ভাৰত মহাসাগৰৰ ছুনামিৰ প্ৰবাহ (২০০৪)। ইয়েই ২০০৫ চনৰ ২৬ ডিছেম্বৰত দুৰ্যোগ ব্যৱস্থাপনা আইন প্ৰণয়ন কৰাৰ সূচনা কৰে। আইনখনে দুৰ্যোগকালীন পৰিস্থিতিত উপযুক্তভাৱে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আৰু সেই অনুযায়ী ভাৰতত দুৰ্যোগকালীন অৱস্থাৰ কাম-কাজ তদাৰক কৰিবলৈ ২০০৬ চনত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ গঠন কৰা হয়। তাৰ পিছত সকলো ধৰণৰ দুৰ্যোগ পৰিস্থিতি নিয়ন্ত্ৰণ তথা সৃষ্টি হোৱা সমস্যাৰাজি সমাধান কৰিবৰ কাৰণে এক বহু কৌশল সম্পন্ন আৰু অধিক পেছাদাৰী ৰাষ্ট্ৰীয় দুৰ্যোগ পৰিস্থিতিৰ প্ৰতি সহাঁৰি জনাবলৈ 'নেশ্বনেল ডিযাছ্‌ট্ৰ্‌ ৰিস্পন্‌ছ ফৰ্ছ' গঠন কৰা হয়। এই বাহিনী আঠটা বেটেলিয়নেৰে গঠিত। প্ৰতিটোতে দুটা বেটেলিয়ন ভিন্ন বাহিনীৰ পৰা লোৱা হৈছে। সেই বাহিনীকেইটা হ'ল বি এছ এফ, চি আৰ পি এফ, আই টি বি পি আৰু চি আই এছ এফ। ২০১৫ চনত দুটা অধিক বেটেলিয়ন এছ এছ বিৰ (সশস্ত্ৰ সীমা বল) পৰা এই ৰাষ্ট্ৰীয় ৰেছ্‌পনছ বাহিনীত সংযোগ কৰা হয়। আজিৰ তাৰিখলৈকে ৰাষ্ট্ৰীয় ৰেছ্‌পনছ বাহিনীত ২২টা বেটেলিয়ন আছে আৰু প্ৰতিটো বেটেলিয়নৰ অধিকৃত শক্তি হ'ল ১১৪৯ জোৱানৰ।

**অন্তৰ্দৃষ্টি (ভিঝ্‌ন্‌)**

এন ডি আৰ এফৰ অন্তৰ্দৃষ্টি হ'ল অতি দৰ্শনীয় আৰু স্পন্দিত বহু-শংখলিত, বহু কৌশল সম্পন্ন, হাই-টেক বাহিনী ৰূপে প্ৰস্ফুটিত হোৱা—যি সকলো ধৰণৰ প্ৰাকৃতিক তথা মানৱ-সৃষ্ট দুৰ্যোগ মোকাবিলা কৰিবলৈ সমৰ্থৱান আৰু দুৰ্যোগৰ প্ৰভাৱৰ ফলত সৃষ্ট সমস্যাৰাজি সমাধান কৰিবলৈও সক্ষম।

**এন ডি আৰ এফৰ ভূমিকা**

এই ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে সকলো শ্ৰেণীৰ লোকৰ প্ৰয়োজনীয়তা পূৰণ কৰিবৰ বাবে কাম কৰে। তাত কোনো ধৰণৰ জাত-পাত, বৰ্ণ অথবা অৰ্থনৈতিক অৱস্থাৰ বাচ-বিচাৰ নাই। বাহিনীয়ে সকলোকে সমান ভাৱে চায়। বাহিনীটোৱে বিভিন্ন ক্ষেত্ৰত অতি উৎসাহ-উদ্দীপনা আৰু সাহসেৰে কাম কৰে। তেনে ক্ষেত্ৰ হ'ব পাৰে 'চি বি আৰ এন', অৰ্থাৎ কেমিকেল, বায়'ল'জিকেল, ৰেডিঅ'লজিকেল আৰু নিউক্লিয়াৰ ডিফেন্স ক্ষেত্ৰ। বানপানী, ভূমিকম্প, ঘূৰ্ণীবতাহ, ছুনামি আক্ৰান্ত ক্ষেত্ৰ আৰু বৃহৎ দুৰ্ঘটনা ক্ষেত্ৰও হ'ব পাৰে। এন ডি আৰ এফৰ ভূমিকাবোৰ হ'ল—



১। দুৰ্যোগৰ ক্ষেত্ৰত (প্ৰাকৃতিক আৰু মানৱ সৃষ্ট) উদ্ধাৰ আৰু সাহায্যৰ বাবে বিশেষ সঁহাৰি জনায়।

২। আসন্ন দুৰ্যোগৰ ক্ষেত্ৰত বাহিনীৰ লোক নিয়োগ।

৩। দুৰ্যোগ কালত তথা তাৰ পিছৰ অৱস্থাত সাহায্য সামগ্ৰী বিতৰণৰ ক্ষেত্ৰত অসামৰিক কৰ্তৃপক্ষক সহায় কৰে।

৪। উদ্ধাৰ আৰু সাহায্য কামত নিয়োজিত অন্যান্য সংস্থাবোৰৰ সৈতে সমন্বয় সাধন।



**এন ডি আৰ এফৰ কাম**

* আসন্ন দুৰ্যোগৰ ক্ষেত্ৰত কৰ্মী নিয়োগ।
* দুৰ্যোগ কালত কাম কৰি থকা অৱস্থাত বিশেষজ্ঞৰ সঁহাৰি ব্যৱস্থাও যোগান ধৰা হয়।
* অঞ্চল আৰু লোকসকলৰ পৰিৱেশ ধুম্ৰছাঁয়া আৰু অন্য বিষাক্ত পদাৰ্থৰে কলুষিত নোহোৱাৰ প্ৰয়াস।
* আক্ৰান্ত লোক-জীৱিত অথবা মৃত অৱস্থাত স্থানবিশেষৰ পৰা উলিয়াই অনা।
* আক্ৰান্ত সকললৈ প্ৰথম চিকিৎসাৰ সঁহাৰি।
* আক্ৰান্ত সকললৈ নৈতিক সমৰ্থন জনোৱা।
* সামগ্ৰী সাহায্য বিতৰণৰ ক্ষেত্ৰত অসামৰিক কৰ্তৃপক্ষক সহায়।
* নিজৰ অন্য সংস্থাবোৰৰ সৈতে সমন্বয়।
* বিদেশী ৰাষ্ট্ৰই বিচাৰিলে সহায়-সমৰ্থন আগবঢ়োৱা।
* সামৰ্থ্য আৰু ক্ষমতা গঢ়ি তোলা।
* এছ ডি আৰ এফলৈ প্ৰশিক্ষণ প্ৰদান।
* সমূহীয়া সজাগতা—লক্ষ্য গোটসমূহ হ'ল—গাঁওবাসী, স্কুলীয়া ল'ৰা-ছোৱালী, স্বেচ্ছাসেৱী সংগঠনৰ স্বেচ্ছাসেৱী আৰু ৰাজ্যিক প্ৰশাসন।

**প্ৰশিক্ষণ**

দুৰ্যোগ সহাঁৰি প্ৰদান প্ৰশিক্ষণৰ লক্ষ্য হ'ল এন ডি আৰ এফৰ সঁহাৰি জনাওঁতাসকলৰ ক্ষমতা বৃদ্ধি কৰা—যাতে তেওঁলোকে দুৰ্যোগৰ পূৰ্বে, দুৰ্যোগৰ সময়ছোৱাত আৰু তাৰ পৰৱৰ্তী কালছোৱাতো সকলো পৰ্যায়তে সঁহাৰি জনাবৰ বাবে সক্ষম হৈ থাকিব পাৰে আৰু তেনে কাম-কাজৰ সকলো উপাদানকে ভালদৰে কামত খটাব পৰা তথা সমন্বিতভাৱে সেৱা আগবঢ়োৱাত ব্ৰতী হ'ব পাৰে। দুৰ্যোগ ব্যৱস্থাপনা প্ৰশিক্ষণৰ ক্ষেত্ৰত সাধাৰণতে সঁহাৰি জনাওঁতাসকলৰ কাৰিকৰী কৌশল উন্নত কৰাৰ ওপৰত আলোকপাত কৰা হ'লেও অন্য জড়িত ব্যক্তি তথা দল পৰিচালনা কৰোঁতাৰ ওপৰতো মনোযোগ দিয়া হয়। অভিজ্ঞতা আৰু জ্ঞান বিনিময় কৰাই হ'ল ইয়াৰ লক্ষ্য আৰু দুৰ্যোগ কামত জড়িত প্ৰবন্ধকসকলৰ মাজত এটা বুজা-পৰা ভাৰ গঢ়ি তোলাও উদ্দেশ্য। লগতে দুৰ্যোগ সঁহাৰিৰ সমন্বয় সাধনৰ উন্নতি সধা আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ আহিলাপাতিবোৰৰ গুণগত দিশ তথা প্ৰাপ্তি নিশ্চিত কৰাও ইয়াৰ লক্ষ্য।

এন ডি আৰ এফৰ লোকসকলে বিভিন্ন ধৰণৰ প্ৰশিক্ষণ গ্ৰহণ কৰে; আৰু এই প্ৰশিক্ষণত যি দক্ষতাৰ প্ৰয়োজন হয় তাক সতেজ আৰু সৱল কৰি তোলাৰ ওপৰত গুৰুত্ব দিয়া হয় তথা আন্তৰ্জাতিক মানৰ স্তৰলৈ সেই কলা-কৌশল উন্নীত কৰিবৰ বাবেও মনোযোগ দিয়া হয়।

অন্যান্য জড়িত সংগঠন-প্ৰতিষ্ঠানৰ লোককো জ্ঞান প্ৰদান কৰাৰ ক্ষেত্ৰত বিষয়টো প্ৰশিক্ষণত অন্তৰ্ভুক্ত কৰা হয় আৰু সাধাৰণ জনতাকো ইয়াত সামৰি লোৱা হয়। তাৰ বাবে সমূহীয়া সজাগতা কাৰ্যসূচীৰ আয়োজন, বক্তৃতা প্ৰদান, বাস্তৱ প্ৰদৰ্শন আৰু কৃত্ৰিম অনুশীলন আদি বিভিন্ন পদ্ধতি গ্ৰহণ কৰা হয়।



**পৰিচিত তথা সমূহীয়া সজাগতা কাৰ্যসূচী**

* দায়িত্ব আৰোপ কৰা সংশ্লিষ্ট ক্ষেত্ৰবোৰত সহাঁৰি জনাওঁতা ব্যক্তিসকলক সেই ঠাইবোৰৰ সম্বন্ধে নিজকে পৰিচিত কৰাবলৈ সুযোগ দিয়া হয় আৰু তাৰদ্বাৰাই অঞ্চল বিশেষৰ পৰিৱেশ, জনগাঁথনি, পথ, দুৰ্গম অৱস্থাৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ সুবিধা দিয়া হয়। লগতে কি ধৰণৰ সা-সামগ্ৰী আৰু সম্পদৰ প্ৰয়োজন সেই সম্পৰ্কেও বুজ লোৱাৰ সুবিধা হয়। তেনে সম্পদৰাজিৰ ভিতৰত হ'ব পাৰে পানীৰ সুবিধা, চিকিৎসা সমৰ্থন, সা-সৰঞ্জাম ইত্যাদি।
* কমাণ্ডাৰসকলকো থলুৱা বাসিন্দাসকলৰ সৈতে নিজকে পৰিচিত হ'বলৈ সুবিধা দিয়ে আৰু দুৰ্যোগৰ সময়ত প্ৰথম সঁহাৰি জনাওঁতা ৰূপে ন্যস্ত বিষয়াসকলৰ সৈতেও সমন্বয় সাধন কৰিবলৈ সুযোগ দিয়ে।
* সমূহীয়া সজাগতা কাৰ্যসূচী দিহা কৰাৰ ক্ষেত্ৰত উৎসাহ-উদগণি প্ৰদান।

ইয়াৰ বাহিৰেও দলৰ কমাণ্ডাৰসকলক নিৰ্দিষ্ট অঞ্চলৰ দায়িত্ব দিয়া—যাতে তেওঁলোকে পৰিচিত হোৱা কালত কিছুমান তথ্য সংগ্ৰহ কৰিব পাৰে। তেনেবোৰ তথ্যৰ ভিতৰত উল্লেখযোগ্য হ'ল—জিলাখনৰ গুৰুত্বপূৰ্ণ টেলিফোন নম্বৰসমূহ, তাত পাব পৰা সম্পদৰাজি আৰু সেই অঞ্চলত সাধাৰণতে ঘটা দুৰ্যোগৰ প্ৰকৃতি সম্পৰ্কে সবিশেষ সম্ভেদ ইত্যাদি। যি কোনো দুৰ্যোগে দেখা দিলে সেই একে দলটোকে ঘটনাস্থলীলৈ প্ৰেৰণ কৰা—য'ত সেই দলটোৱে পৰিচিতি কাৰ্যসূচী, সমূহীয়া সজাগতা কাৰ্যসূচী, স্কুলৰ নিৰাপত্তামূলক কাৰ্যসূচী আদি পৰিচালনা কৰিছিল। আজি পৰ্যন্ত এইবোৰ কাৰ্যসূচীৰ পৰা ৪৭ লাখতকৈ অধিক লোক উপকৃত হৈছে।

২০১৬ বৰ্ষৰ কালছোৱাত এন ডি আৰ এফৰদ্বাৰা ১,৬২৩ টা কাৰ্যসূচী (৪৩৩টা স্কুলৰ নিৰাপত্তামূলক কাৰ্যসূচী আৰু ১১৯০টা পৰিচিতকৰণ অনুশীলন তথা সমূহীয়া সজাগতা কাৰ্যসূচী) পৰিচালনা কৰা হৈছিল।

**কৃত্ৰিম অনুশীলন**

এন ডি আৰ এফ-এ দুৰ্যোগকালীন অৱস্থাত বিভিন্ন সংস্থাসমূহৰ মাজত উপযুক্ত সমন্বয় সাধনৰ নিশ্চিত কৰিবলৈ কৃত্ৰিম আখৰা অথবা অনুশীলন কাৰ্যৰ দিহা কৰে। এনে ধৰণৰ আখৰা ৰাজ্য চৰকাৰ, বিভিন্ন প্ৰতিষ্ঠান আৰু অনা-চৰকাৰী সংগঠনৰদ্বাৰা ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি প্ৰদান বাহিনীৰ সহায়ত আয়োজন কৰে। সাধাৰণ নাগৰিকো এনে আখৰাৰ অংশ স্বৰূপ হয় আৰু তেনে আখৰাবোৰ হ'ল— ভূমিকম্প বিষয়ক মেগা ম'ক ড্ৰিল, ঘূৰ্ণীবতাহ, ৰে'ল দুৰ্ঘটনা ইত্যাদি। এনে ধৰণৰ আখৰাবোৰে যেতিয়া কোনো দুৰ্যোগে দেখা দিয়ে সেই সময়ত ল'ব লগা ব্যৱস্থা তথা কি কৰিব লাগে আৰু কি কৰিব নেলাগে ইত্যাদি বিষয় জনাত সহায় কৰে। আজিলৈকে সংশ্লিষ্ট এন ডি আৰ এফ বেটেলিয়নৰ দায়িত্ব থকা এলেকাত মুঠ ৮৭৯ কৃত্ৰিম অনুশীলন কাৰ্য সমাপন কৰা হয়·আৰু তাত ৫ লাখতকৈও অধিকলোকে অংশ গ্ৰহণ কৰে।

**অভিযান**

ৰাষ্ট্ৰীয় দুৰ্যোগ সহাঁৰি প্ৰদান বাহিনী স্থাপন কৰাৰ দিনৰ পৰা বহু উদ্ধাৰ অভিযান সমাপন কৰা হয় আৰু বহু মূল্যৱান জীৱন ৰক্ষা কৰা হয় তথা দুৰ্ঘটনাত পতিত হোৱা মৃতককো উদ্ধাৰ কৰা হয়। এই ৰাষ্ট্ৰীয় বাহিনীৰ কিছুমান অভিযান কাৰ্যৰ ভিতৰত উল্লেখযোগ্য হ'ল—২০০৮ চনৰ পশ্চিম বঙ্গৰ আইলা ঘূৰ্ণীবতাহ, ২০১০ চনৰ পশ্চিম বঙ্গৰ ঝাৰগ্ৰামৰ ৰে'ল দুৰ্ঘটনা, ২০১০ চনৰ মুম্বাইৰ ছিৱাদিৰ ক্লোৰাইন লিকেজ, ২০১০ চনৰ লেহৰ ডাৱৰ বিস্ফোৰণ, ২০১০ চনৰ এপ্ৰিলৰ নতুন দিল্লীৰ মায়াপুৰী বিকীৰণ, ২০১১ চনৰ ছিকিমৰ ভূমিকম্প, ২০১২ চনৰ জলন্ধৰৰ কাৰখানা খহি পৰা দুৰ্ঘটনা আৰু ২০১২ চনৰ অসমৰ বানপানী। এই ৰাষ্ট্ৰীয় বাহিনীটোৱে ২০১১ চনৰ ছুনামি কালতো সহাঁৰি জনায় আৰু তাৰ পিছতেই সেই বছৰৰে মাৰ্চৰ শেষ সপ্তাহত সংঘটিত জাপানৰ ৰিফুচোৰ পাৰমাণৱিক ৰিএক্টৰৰ পৰা বিকীৰণ হোৱা ঘটনাৰ প্ৰতিও সঁহাৰি জনায়। উত্তৰাখণ্ড অপাৰেশ্বন-২০১৩, মুম্বাইৰ ভৱন খহি পৰা দুৰ্ঘটনা, ঘূৰ্ণীবতাহ ফিলাইন, ২০১৩ বৰ্ষৰ বানপানী আন উল্লেখ্যযোগ্য ঘটনা। তেনেদৰে মন্দি অভিযান-২০১৪, চেন্নাইৰ ভৱন খহি পৰা-২০১৪,২০১৪ চনৰ জম্মু আৰু কাশ্মীৰৰ বানপানী, অসম আৰু মেঘালয়ৰ বানপানী, ঘূৰ্ণীবতাহ হুদ হুদ, পুণে ভূমিস্খলন অভিযান, ২০১৫ বৰ্ষৰ জম্মু আৰু কাশ্মীৰ বানপানী, ২০১৬ বৰ্ষৰ কলকতা ফ্লাইঅভাৰ ভাঙোন, উত্তৰাখণ্ডৰ বন্যা, মহাদৰ সাবিত্ৰী দলং ভাঙোন, ৰে'ল পথচ্যুত দুৰ্ঘটনা আৰু ২০১৬ৰ ঘূৰ্ণীবতাহ বাৰদাহতো ৰাষ্ট্ৰীয় বাহিনীটোৱে সঁহাৰি জনায়। এইবোৰ অভিযান কালত ৰাষ্ট্ৰীয় বাহিনীটোৱে ৫,৫০,৬৪ বহুমূলীয়া জীৱন ৰক্ষা কৰে আৰু ২৫৫১ টা মৃত দেহ ঘটনাথলীৰ পৰা উদ্ধাৰ কৰে।

**সাম্প্ৰতিক স্থিতি আৰু ভৱিষ্যত পৰিকল্পনা**

দুৰ্যোগ সঁহাৰি প্ৰদান কাৰ্যৰ কাৰণে মানৱীয়তা, ধৈৰ্য্যশীল আৰু পেছাদাৰী ভাৱধাৰাৰ আৱশ্যক; আৰু এয়াই হ'ল ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ মূলমন্ত্ৰ। এই ৰাষ্ট্ৰীয় বাহিনীটো সম্ভৱতঃ বিশ্বৰ ভিতৰত প্ৰথম একক বৃহত্তম উছৰ্গিত মনোভাৱৰ দুৰ্যোগ সঁহাৰি বাহিনী। দেশখনত তথা সমগ্ৰ অঞ্চলতেই দুৰ্যোগ পৰিস্থিতি মোকাবিলা আৰু পৰিচালনা কৰিবৰ কাৰণে ই আন্তৰ্জাতিক মানৰ এটা প্ৰশিক্ষিত আৰু সু-সজ্জিত সংগঠন।

দেশখনৰ ভিতৰত এই সংগঠনটোৱে দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ইয়াৰ দ্বাৰাই পৰিচালনা কৰা জৰুৰীকালীন সঁহাৰি কাৰ্য তথা সমূহীয়া সামৰ্থ্য প্ৰদানৰ ক্ষমতা গঢ়ি তোলা কাৰ্যসূচীয়ে দেশবাসীৰ মনত চৰকাৰী শাসকযন্ত্ৰৰ দায়িত্বৰ সন্দৰ্ভত এটা বিশ্বাসৰ ভাৱ জগাই তুলিছে আৰু সেই দায়িত্ব হ'ল দুৰ্যোগ কালত অথবা দুৰ্যোগৰ দৰে পৰিস্থিতিৰ সময়ত খৰতকীয়া সঁহাৰি জনোৱা বিষয়টো।

ইয়াত এইটো উল্লেখ কৰা সমীচিন হ'ব যে এন ডি আৰ এফৰ সঘন দুৰ্যোগ আৰু অভিযানমূলক দায়ৱদ্ধতা দিনক দিনে বৃদ্ধি পাইছে। কিন্তু সমগ্ৰ দেশখনতে বিশাল অঞ্চল আৰু বিপুল সংখ্যক জনসংখ্যালৈ চাই ৰাষ্ট্ৰীয় বাহিনীটোৰ বৰ্তমানে যি শক্তি আছে সেয়া তৎকালীনভাৱে সঁহাৰি জনাবৰ কাৰণে পৰ্যাপ্ত নহয়। খৰতকীয়া সঁহাৰি জনাবৰ বাবে কেইটামান বেটেলিয়নৰ দায়িত্বৰ ক্ষেত্ৰখন বহু ডাঙৰ আৰু সেয়ে দেশখনৰ স্পৰ্শকাৰতা দিশটো সাৱধানেৰে বিশ্লেষণ কৰি চোৱাৰ পিছত এইটো উপলব্ধি হয় যে আৰু অধিক এন ডি আৰ এফ বেটেলিয়ন বৃদ্ধি কৰা প্ৰয়োজন। ❐

# মনস্তাত্ত্বিক প্ৰাথমিক চিকিৎসা ঃ দুৰ্যোগ কালত চাপমুক্তকৰণৰ উপায়

ড° হৰিহৰণ*
আমব্ৰিন খান*

বান, খৰাং, ঘূৰ্ণী, ভূমিকম্প, ছুনামি, ভূমিস্খলন আদি বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত পীড়িত হোৱা ভাৰতৰ অধিবাসীসকল বয়স, লিংগ, জাতি, জনগোষ্ঠী নিৰ্বিশেষে ক্ষতিগ্ৰস্ত বা প্ৰভাৱিত হৈ আহিছে। দেশৰ চুকে-কোণে এই দুৰ্যোগসমূহ বাৰম্বাৰ সংঘটিত হয়। বহু অঞ্চলত সন্ত্ৰাসবাদী সংগঠনৰ হিংসাত্মক কাৰ্যকলাপৰ ফলত বহু প্ৰাণহানি ঘটে আৰু এই ভয়াৱহ দৃশ্য দেখি আতংকগ্ৰস্ত হৈ পৰা শিশুসকল এখন বিকল সমাজৰ অভিজ্ঞতাৰে ডাঙৰ-দীঘল হয়। ইয়াৰ ফলত মানসিক স্বাস্থ্যত বিৰূপ প্ৰভাৱ পৰে আৰু সমাজখন অক্ষম হোৱাৰ দিশে গতি কৰে। দেশৰ নীতি নিৰ্দ্ধাৰণত এনে দুৰ্দশাৰ সন্মুখীন হোৱা আৰু দুৰ্যোগ সম্ভমতাই গুৰুত্বপূৰ্ণ বিষয়ৰূপে পৰিগণিত হয়। কাৰণ এনে দুৰ্যোগ বা বিপত্তি আৰু দুদৰ্শাৰ ফলত পাছপৰা বা কম সুবিধাভোগী শ্ৰেণীৰ লোকসকলহে অধিক প্ৰভাৱান্বিত হয়। দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰতি আৰ্হিমূলক পৰিৱৰ্তন আনিবলৈ ভাৰত চৰকাৰে প্ৰয়াস কৰিছে যদিও দুৰ্যোগৰ ফলত প্ৰভাৱিত আৰু ক্ষতিগ্ৰস্ত লোকসকলৰ মানসিক সংঘাতৰ বিষয়টো উপেক্ষিত হৈ আহিছে। গতিকে দুৰ্দশাগ্ৰস্ত লোকসকলৰ মানসিক স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ ক্ষেত্ৰত যথোপযুক্ত আৰু সময়োপযোগী হস্তক্ষেপ জৰুৰী হৈ পৰে।

বিভিন্ন ধৰণৰ দুৰ্দশা, ধন-জন-সম্পত্তিৰ হানি, বহু লোক আহত-নিহত হোৱা বিধ্বংসী দুৰ্ঘটনা আদিৰ অভিজ্ঞতা বা ভয়াৱহ স্মৃতিৰ দৰে প্ৰবল মানসিক যন্ত্ৰণাদায়ক ঘটনাত পীড়িত লোকসকলৰ ক্ষতি যথোপযুক্ত আৰু সময়োচিত সহযোগ আৰু সেৱাৰ অভাৱত কোনো সময়ত অপূৰণীয় হৈ পৰে। প্ৰিয়জনৰ মৃত্যু বা পৰিয়ালৰ লোকক হেৰুওৱা, গৃহহীন হোৱা, নিজৰ জীৱন-সম্পত্তি আৰু ভৱিষ্যতৰ নিৰাপত্তাক লৈ নিৰাশাৰ উদ্ভৱ হোৱা, জীৱিকা বা সংস্থান হেৰুওৱা, সৰ্বোপৰি আত্মবিশ্বাস হেৰুওৱা আদি লোকৰ বাবে তাৎক্ষণিক হস্তক্ষেপ বৰ জৰুৰী। দুৰ্যোগৰ ফলত আটাইতকৈ বেছিকৈ ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ মানসিক অৱস্থা স্বাভাৱিক কৰি তুলিবলৈ আশু হস্তক্ষেপ অত্যাৱশ্যকীয়।

জৰুৰীকালীন অৱস্থাৰ পিছত জনসাধাৰণে সামাজিক নীতি-নিয়ম, সংগঠন আৰু সমাজৰ ওপৰত আস্থা হেৰুৱাই পেলাব পাৰে। সেইবাবে দুৰ্যোগৰ পৰৱৰ্তী কালছোৱাত প্ৰথম লক্ষ্য হ'ল ৰক্ষা পৰা লোকসকলৰ তাৎক্ষণিক ব্যৱহাৰিক প্ৰয়োজনসমূহ পূৰণ হোৱাটো নিশ্চিত কৰা। ইয়াৰ ভিতৰত নিৰাশ্ৰয় লোকসকলক অস্থায়ী শিবিৰ বা গৃহৰ সুবিধা প্ৰদান কৰাটো সৰ্বপ্ৰথম কৰ্তব্য যাতে তেওঁলোক যে সাময়িকভাৱে নিৰাপদ সেইকথা অনুভৱ কৰিব পাৰে। প্ৰিয়জন বা পৰিয়ালৰ সদস্যৰ সন্ধান চলোৱাৰ বাবে সহায় কৰিবলৈ অভ্যৰ্থনা বা ব্যৱস্থাপনা কেন্দ্ৰ স্থাপন কৰা আৰু ইয়াৰ জৰিয়তে তেওঁলোকৰ মাজত সহৃদয়তাৰ ভাব জগাই তোলা দৰকাৰ। তেওঁলোকৰ দৰেই যে আন বহু লোকেও দুৰ্ভোগ ভুগিছে, সেই কথা বুজোৱাৰ লগতে সুস্থিৰতা আৰু আশা জগাই তোলা, শাৰীৰিক, আৰোগিক আৰু সামাজিক সমৰ্থন যোগোৱা আৰু সতীৰ্থসকলক সহায় কৰিবলৈ তেওঁলোকো যে সমৰ্থ সেই কথা অনুভৱ কৰোৱা আদি বৰ প্ৰয়োজনীয়।

এই কথা স্পষ্ট যে যন্ত্ৰণাদায়ক অঘটন বা দুৰ্যোগৰ মুহূৰ্তত ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰাথমিক চিকিৎসা আৰু শাৰীৰিক প্ৰয়োজন পূৰণ কৰাটো অত্যাৱশ্যকীয়। তদুপৰি দুৰ্যোগপীড়িত লোকৰ প্ৰাথমিক শাৰীৰিক সক্ষমতাৰ মূল্যায়ন কৰা উচিত আৰু নিত্যনৈমিত্তিক কৰ্মৰ বাবে তেওঁ উপযুক্ত হৈ আছে নে নাই সেইকথা নিশ্চিত কৰিব লাগে। দুৰ্যোগপীড়িত লোকৰ শাৰীৰিক প্ৰয়োজন পূৰাব পৰাকৈ প্ৰাৰম্ভিক চাহিদা যোগান ধৰাৰ লগে লগে পৰিয়ালৰ সদস্যসকলৰ লগতে সমাজ আৰু সেৱা প্ৰদানকাৰীৰ মৰম-চেনেহ যোগোৱাটো প্ৰয়োজনীয় হৈ পৰে। তেতিয়া স্বাভাৱিক জীৱনযাত্ৰা আৰম্ভ হোৱা বুলি ক'ব পাৰি।

দুৰ্যোগপীড়িত লোকৰ দুখ-গাথাৰ পৰা লাগতিয়াল সেৱা বা সাহায্য কেনেধৰণৰ হ'ব পাৰে সেয়া জানিব পৰা যায়। দুৰ্যোগৰ

*ড° হৰিহৰণ বিগত ৩৫ বছৰ ধৰি চিকিৎসক হিচাপে কৰ্মৰত হৈ আছে আৰু জনস্বাস্থ্যৰ ক্ষেত্ৰত পৰামৰ্শদাতা হিচাপে বৰঙণি আগবঢ়াই আহিছে। আমব্ৰিন খান 'ছ'ছাইটি ফৰ্ প্ৰমশ্বন অৱ যুথ এণ্ড মাছেছ-ৰ কাৰ্যসূচী সমন্বয়ক হিচাপে কাম কৰি আছে।

পৰা ৰক্ষা পৰা লোকৰ বৰ্ণনা বা কথোপকথনৰ পৰা শাৰীৰিক বা মানসিক অৱস্থাৰ উমান ল'ব পাৰি। দুৰ্দশাৰ মাত্ৰাৰ ওপৰত ভিত্তি কৰি কম দুৰ্দশাগ্ৰস্ত, দুৰ্দশাগ্ৰস্ত আৰু বিকল— এই তিনিটা ভাগত বিভক্ত কৰা হয়। এই তিনি শ্ৰেণীৰ লোকৰ বৈকল্য বা আঘাত বিভিন্ন ধৰণৰ হয় বাবে যাৰ আটাইতকৈ বেছি সেৱা-শুশ্ৰূষাৰ প্ৰয়োজন সেই কথা নিশ্চিত কৰি সেইমতে হস্তক্ষেপৰ অগ্ৰাধিকাৰ প্ৰদান কৰা সহজসাধ্য হৈ পৰে।

প্ৰথমটো গোট বা দলত থকা ব্যক্তিসকল বিপত্তিৰ সন্মুখীন হোৱা বাবে অসুখী হৈ পৰে, কিন্তু দৈনন্দিন কাম-কাজৰ বাবে সক্ষম হৈ থাকে। তেওঁলোকৰ ক্ষেত্ৰত কোনো সেৱা বা হস্তক্ষেপ আৱশ্যকীয় নহয় যদিও অৱস্থাৰ উন্নতি ঘটালৈকে ধাৰাবাহিক নিৰীক্ষণ প্ৰয়োজনীয়। তদুপৰি সময়োচিত সহযোগিতাৰ বাবে সাজু হৈ থাকিব লাগে আৰু যেতিয়া এই গোটৰ লোকসকলে চিকিৎসা সেৱা, আশ্ৰয় বা অন্য আৱশ্যকীয় বস্তু বিচাৰে সেইবোৰ প্ৰদান কৰা উচিত।

অধিকাংশ লোকেই দ্বিতীয়টো শ্ৰেণীৰ দুৰ্দশাগ্ৰস্ত। তেওঁলোকে প্ৰত্যক্ষ সহায় অবিহনে চলা-ফুৰা কৰিব পাৰে যদিও খাদ্য, আশ্ৰয় আৰু চিকিৎসা সেৱা প্ৰয়োজনীয়। এনে শ্ৰেণীৰ লোকসকল বৰ স্বাভাৱিক হৈ নাথাকে যদিও দুৰ্দশা প্ৰশমনৰ বাবে তেওঁলোকে কম-বেছি পৰিমাণে পদক্ষেপ গ্ৰহণ কৰিব পাৰে। তৎসত্বেও ধাৰাবাহিক নিৰীক্ষণ আৱশ্যকীয়। ইয়াৰ বিপৰীতে কোনো কোনো দুৰ্দশাগ্ৰস্ত লোকে দৈনন্দিন কাম-কাজ সম্পাদন কৰাৰ ক্ষেত্ৰত অনীহা প্ৰকাশ কৰাৰ ফলত কেতিয়াবা তৃতীয়টো শ্ৰেণী বিকল অৱস্থালৈ উভতি যায়। দুৰ্দশাগ্ৰস্ত লোকে প্ৰায়েই বিভ্ৰান্তিত ভোগাৰ লগতে সমস্যা সমাধান কৰিবলৈ অক্ষমতা প্ৰদৰ্শন কৰে, মনোযোগ হেৰুৱাই পেলায়, বিকাৰগ্ৰস্ত হয়, দুঃস্বপ্ন দেখে আৰু প্ৰায়েই যন্ত্ৰণাদায়ক স্মৃতি স্মৰণ কৰি দুখ, শোক, উদ্বিগ্নতা, খং আৰু হতাশাত ভোগে। অন্যান্য আচৰণগত বিসংগতি হ'ল নিদ্ৰাত ব্যাঘাত, খোৱাত অসুবিধা, মানুহক এৰাই চলা, অনাহকতে ভয় খোৱা, চঁক খাই উঠা, গোপনে খাদ্য, পানী, বস্তু জমা কৰা আদি এইবোৰৰ ফলত তেওঁলোকৰ চলন-ফুৰণৰ শক্তি ব্যাহত হয়।

বিকল হৈ পৰা শ্ৰেণীৰ লোকসকলৰ জীৱনযাত্ৰাৰ সকলো স্তৰতে স্বাভাৱিক কাম-কাজত প্ৰতিবন্ধকতা আহি পৰে। তেওঁলোকে বিভ্ৰান্তিত ভোগাৰ লগতে বোধশক্তি হেৰুৱাই পেলায়, নিৰাশ হৈ পৰে, আত্মহত্যাৰ প্ৰৱণতা জাগে, ভ্ৰমৰ চিকাৰ হয়, হতাশাত ভোগে আৰু ভয়াৰহতাৰ চিকাৰ হয়। আচৰণগত বৈসাদৃশ্যসমূহ হ'ল অবিৰতভাৱে সংগ এৰাই চলা, হিংস্ৰ আচৰণ, জোৰ-জবৰদস্তি কৰা, নিজে নিজে ঔষধ ব্যৱহাৰ কৰা, চিকিৎসকৰ পৰামৰ্শ মতে ঔষধ নোখোৱা, মদ খোৱা আদিৰ লগতে অন্যান্য শংকাজনক আচৰণ। বিকল হৈ পৰা লোকসকলে দীৰ্ঘ দিনলৈ ভুগিব লগা হ'ব পাৰে আৰু সেইবাবে এই শ্ৰেণীৰ লোকসকলক তাৎক্ষণিকভাৱে চিনাক্ত, মূল্যায়ন আৰু হস্তক্ষেপ আৱশ্যকীয় হৈ পৰে। ইয়াৰ লগতে এই শ্ৰেণীৰ লোকসকললৈ প্ৰাথমিক প্ৰয়োজন আৰু সহযোগিতা আগবঢ়াব লাগে। আটাইতকৈ বেছি সহায়-সহযোগিতাৰ আৱশ্যক হোৱা বাবে তেওঁলোকৰ দৈনন্দিন প্ৰয়োজন আৰু সমৰ্থনৰ প্ৰতি সহযোগিতা আগবঢ়োৱাটো অতি গুৰুত্বপূৰ্ণ। তথাপি কোনো ক্ষেত্ৰত কোনো লোকে নিজে নিজে স্বাভাৱিক অৱস্থালৈ উভতি অহাৰ প্ৰৱণতা দেখুৱায়। সেই সময়ত স্বাভাৱিক পুনৰুদ্ধাৰ প্ৰক্ৰিয়াৰ বিপৰীতে হস্তক্ষেপ কৰিলে ব্যক্তিগৰাকীৰ সক্ষমতা স্তব্ধ হৈ যাব পাৰে। সেই বাবে দুৰ্দশাপীড়িত লোকে নিজেই কোনো বাহ্যিক সহায় নিবিচৰালৈ নিৰীক্ষণ চলাই থাকিব লাগে।

দুৰ্যোগৰ সময়ত দুৰ্ভোগ ভোগা লোকলৈ তাৎক্ষণিক সহযোগিতামূলক সঁহাৰি প্ৰদান কৰাটোৱেই মনস্তাত্ত্বিক প্ৰাথমিক চিকিৎসাৰ ধাৰণা। অৱশ্যে দুৰ্যোগৰ ফলত প্ৰাৰম্ভিক স্তৰতে মনস্তাত্ত্বিক আৰু সামাজিক প্ৰভাৱ নপৰিবও পাৰে। মানসিক স্বাস্থ্য আৰু সামাজিক-মনস্তাত্ত্বিক সক্ষমতাত দুৰ্যোগে দীৰ্ঘম্যাদী প্ৰভাৱ পেলাব পাৰে। মানসিক স্বাস্থ্য আৰু সামাজিক-মনস্তাত্ত্বিক সক্ষমতা অটুট ৰাখিবলৈ পূৰ্ণ সহযোগিতাৰ আৱশ্যক। এইক্ষেত্ৰত চৰকাৰ আৰু বেচৰকাৰী সংস্থাৰ সুসমন্বয় থাকিব লাগে। শিশু আৰু পৰিয়াললৈ প্ৰথম কেইসপ্তাহমানৰ বাবে সংক্ষিপ্ত সহযোগিতামূলক হস্তক্ষেপ প্ৰয়োজনীয়। তেওঁলোকক আৱেগিক, সামাজিক আৰু ব্যৱহাৰিক সহযোগিতা প্ৰদান কৰাৰ লগতে তথ্য সংগ্ৰহ আৰু সন্মিলিত সেৱাৰ সৈতে সংলগ্ন কৰি দিব লাগে। বিশ্ব স্বাস্থ্য সংস্থাই এইক্ষেত্ৰত দেখা, শুনা আৰু সংযোগ কৰা নীতি যুগুতাই উলিয়াইছে।

দুৰ্যোগ সঁহাৰি কৰ্মী আৰু প্ৰাথমিক সেৱা প্ৰদানকাৰীসকলে প্ৰাথমিক দক্ষতা আহৰণ কৰি তাৎক্ষণিক মনস্তাত্ত্বিক প্ৰাথমিক চিকিৎসা প্ৰদান কৰিব লাগে। ইয়াৰ ফলত দুৰ্যোগপীড়িত লোকসকলে (শিশু, কিশোৰ-কিশোৰী আৰু প্ৰাপ্তবয়স্ক-সকলো অন্তৰ্ভুক্ত) আৱেগিক আৰু সামাজিকভাৱে সুস্থিৰতা লাভ কৰিব পাৰে। এই সেৱাৰ ফলত দুৰ্যোগপীড়িত লোকসকলে নিজে নিজৰ কাম-কাজ সম্পাদন কৰাৰ লগতে সহায়ৰ আৱশ্যক হোৱাজনকো সহায়-সহযোগিতা আগবঢ়াব পাৰে। ❒

# জৈৱিক দুৰ্যোগ ঃ কাৰণ আৰু পৰিণতি

**অৰ্চনা সূদ***

জৈৱিক দুৰ্যোগৰ অৰ্থ হ'ল এটা বিশেষ ধৰণৰ জীৱিত অণুজীৱ ব্যাপকভাৱে বিয়পি যোৱা বা বিয়পাই দিয়াৰ পাছত হোৱা বিধ্বংসী প্ৰভাৱ। এই অণুজীৱই মহামাৰীৰ সৃষ্টি কৰিব পাৰে অথবা উদ্ভিদ, প্ৰাণী বা পতংগকুলক ধ্বংসৰ গৰাহলৈ লৈ যাব পাৰে। কলেৰা আৰু ইনফ্লুৱেঞ্জা (ছোৱাইন ফ্লু)ৰ প্ৰাদুৰ্ভাৱ এনে জৈৱিক দুৰ্যোগৰ উদাহৰণ। মাৰি-মৰক বা এপিডেমিক স্তৰৰ জৈৱিক দুৰ্যোগৰ ফলত নিৰ্দিষ্ট সম্প্ৰদায় বা অঞ্চলৰ মাজত প্ৰভাৱ পৰে। ইয়াৰ বিপৰীতে মহামাৰী বা পেনজেমিক স্তৰৰ জৈৱিক দুৰ্যোগে বহু ডাঙৰ অঞ্চল, কেতিয়াবা একোখন মহাদেশ বা বিশ্বজুৰি প্ৰভাৱ পেলায়। হাইজা বা কলেৰা মাউৰ বা মাৰি-মৰক স্তৰৰ জৈৱিক দুৰ্যোগ; আনহাতে ছোৱাইন ফ্লু হ'ল মহামাৰী। অন্যান্য মাউৰৰ উদাহৰণ হ'ল ইব'লা, ডেংগি জ্বৰ, মেলেৰিয়া আৰু সৰু আই।

জৈৱিক দুৰ্যোগৰ ফলত পৰজীৱী, ভাইৰাছ বা বিষাণু, বেক্টেৰিয়া বা জীৱাণু, ভেঁকুৰ আৰু প্ৰ'টিনৰ ফলত উদ্ভৱ হোৱা জৈৱিক বা অণুজৈৱিক পদাৰ্থই জীৱিত প্ৰাণী মূলতঃ জনস্বাস্থ্যৰ প্ৰতি ভাবুকি সৃষ্টি কৰে। বৰ্জ্য চিকিৎসা পদাৰ্থ বা অণুজীৱৰ নমুনা, ভাইৰাছ বা বিষাক্ত দ্ৰব্য (জৈৱিক উৎসৰ পৰা সৃষ্ট) আদি এই শ্ৰেণীৰ অন্তৰ্ভুক্ত আৰু এইবোৰে মানুহৰ স্বাস্থ্যৰ প্ৰতি মাৰাত্মক ভাবুকিৰ সৃষ্টি কৰিব পাৰে। এইবোৰৰ ভিতৰত অন্য প্ৰাণীৰ বাবে ক্ষতিকাৰক পদাৰ্থও থাকিব পাৰে। সংক্ৰমিত দ্ৰব্যৰ সংস্পৰ্শ, সংক্ৰমিত প্ৰাণীৰ দেহৰসৰ সৈতে সংস্পৰ্শ বা শ্বসন বা উশাহযোগে এই অণুজীৱবোৰে আমাৰ শৰীৰত বাহ ল'ব পাৰে। জৈৱিক দুৰ্যোগৰ ফলত আমাৰ স্বাস্থ্য তিনি প্ৰকাৰে ক্ষতিগ্ৰস্ত হ'ব পাৰে— সংক্ৰমণ, এলাৰ্জি আৰু বিষক্ৰিয়া।

জৈৱিক দুৰ্যোগ আৰু ইয়াৰ সৈতে জড়িত প্ৰতীকক সাধাৰণতে সতৰ্কবাণীৰূপে ব্যৱহাৰ কৰা হয়, যাতে যিসকল ইয়াৰদ্বাৰা আক্ৰান্ত হোৱাৰ আশংকা থাকে তেওঁলোকে আগতীয়া সাৱধানতা অৱলম্বন কৰিব পাৰে। জৈৱিক দুৰ্যোগৰ প্ৰতীক ১৯৬৬ চনত প্ৰস্তুত কৰি উলিয়ায় চাৰ্লছ বল্ডৱিন নামৰ পাৰিপাৰ্শ্বিক স্বাস্থ্য অভিযন্তাজনে; তেওঁ সংক্ৰমণ প্ৰতিৰোধী পণ্যৰ উদ্যোগ 'জৰ্জ কেমিকেল কোম্পানী'ত কাম কৰিছিল। স্বাস্থ্যৰ বাবে অতি ক্ষতিকাৰক জৈৱিক দ্ৰব্যসমূহ চিহ্নিত কৰা লেবেলসমূহত এই প্ৰতীক ব্যৱহাৰ কৰা হৈছিল। এই জৈৱিক দ্ৰব্যসমূহৰ ভিতৰত আছিল বিষাণুজনিত নমুনা আৰু ব্যৱহৃত বেজি। ইউনিক'ডত জৈৱিক দুৰ্যোগৰ প্ৰতীকক U+2623 ৰে বুজোৱা হয়।




জৈৱিক দুৰ্যোগ প্ৰাকৃতিক বিপৰ্যয় বা জৈৱিক অস্ত্ৰ হ'ব পাৰে।

প্ৰাকৃতিক বিপৰ্যয় হ'ল কঠোৰ আৰু চৰম বতৰ আৰু জলবায়ুজনিত সংঘটন যি বিশ্বৰ সকলো প্ৰান্ততে প্ৰাকৃতিকভাৱে ঘটিব পাৰে। প্ৰাকৃতিক বিপৰ্যয় প্ৰাকৃতিক দুৰ্যোগৰূপে দেখা দিয়ে যেতিয়া মানুহৰ জীৱন আৰু জীৱিকা ধ্বংস হয়। সাধাৰণতে জৈৱিক দুৰ্যোগ নামি অহাৰ কাৰণ হ'ল কেতবোৰ মাৰাত্মক অণুজীৱ (সাধাৰণতে বিষাণু বা জীৱাণু) মানুহৰ মাজত বা বসতিস্থলত প্ৰৱেশ কৰে যি ইয়াৰদ্বাৰা সহজে আক্ৰান্ত হয় আৰু বসতিস্থলৰ পৰিৱেশ এই অণুজীৱৰ বংশবৃদ্ধিৰ বাবে অনুকূল হয়। এই ৰোগ বা সংক্ৰমণৰ প্ৰাদুৰ্ভাৱ কেতিয়া মাৰি-মৰকত পৰিণত হয় আৰু ই কেতিয়া দুৰ্যোগলৈ পৰ্যবসিত হয় সেই সন্দৰ্ভত ঐকমত্যত উপনীত হ'ব পৰা নাই।


মাৰি-মৰক প্ৰতিৰোধ বা নিয়ন্ত্ৰণ, সিদ্ধান্ত গ্ৰহণ, উপদেষ্টা পৰিষদ আৰু জৰুৰীকালীন চিকিৎসা সাহায্য প্ৰদান আদিৰ কেন্দ্ৰীয় মন্ত্ৰণালয় হ'ল স্বাস্থ্য আৰু পৰিয়াল কল্যাণ। সংবিধান অনুসৰি স্বাস্থ্য হ'ল ৰাজ্যিক বিষয়। জৈৱিক দুৰ্যোগ মোকাবিলা কৰাৰ প্ৰাথমিক দায়িত্ব ৰাজ্য চৰকাৰৰ। ৰোগৰ প্ৰাদুৰ্ভাৱ অনুসন্ধানৰ

**ড° অৰ্চনা সূদ দিল্লীৰ ৰোহিণীৰ ই এছ আই চি জেণ্টল কলেজ এণ্ড হস্পিতেলৰ বায়'কেমিষ্ট্ৰি বিভাগৰ মুৰব্বী। তেওঁ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰণালয়ৰ এন এ বি এল-ৰদ্বাৰা নিয়োজিত টেক্‌নিকেল এছছৰ।**

বাবে কেন্দ্ৰীয় সংস্থা হ'ল সংক্ৰামক ৰোগৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান (NICD)। এন আই চি ডি/আই চি এম আৰু (ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ)ৰ তৰফৰ পৰা শিক্ষণ-প্ৰশিক্ষণ, গৱেষণা আৰু গৱেষণাগাৰৰ সহযোগিতা আগবঢ়োৱা হয়।

জৈৱিক অস্ত্ৰ (বি ডব্লিউ)ক বীজাণু অস্ত্ৰ বুলিও জনা যায়। বিষাণু, জীৱাণু বা ভেঁকুৰ আদি বিষ বা সংক্ৰামক অণুজীৱৰো পশু, উদ্ভিদ বা মানুহক মাৰিবলৈ বা অকামিলা কৰাৰ অভিপ্ৰায়েৰে যুদ্ধৰ দৰে ব্যৱহাৰ কৰা অস্ত্ৰই জৈৱিক অস্ত্ৰ। জৈৱিক অস্ত্ৰ হ'ল জীৱিত অণুজীৱ বা বিষাণু (ই জীৱিত বুলি সৰ্বজনগ্ৰাহ্য হোৱা নাই) যি আশ্ৰয়দাতাৰ ভিতৰত বংশবৃদ্ধি কৰিব পাৰে। পতংগ অস্ত্ৰও এবিধ জৈৱিক অস্ত্ৰ। সামৰিক ভাষাত এন বি চি হ'ল নিউক্লিয়েৰ, বায়'ল'জিকেল, কেমিকেল (পাৰমাণৱিক, জৈৱিক আৰু ৰাসায়নিক) অস্ত্ৰ যি গণ সংহাৰৰ বাবে ব্যৱহাৰ কৰা হয়। জৈৱিক অস্ত্ৰ আৰু ৰাসায়নিক অস্ত্ৰৰ ওপৰা-উপৰি হ'ব পাৰে; কাৰণ জীৱিত অণুজীৱই উৎপন্ন কৰা বিষ বা টক্সিন ব্যৱহাৰ হ'লে ইয়াক জৈৱিক-সন্ত্ৰাস বুলি গণ্য কৰা হয়।

গৃহ মন্ত্ৰণালয় জৈৱিক অস্ত্ৰৰ কেন্দ্ৰীয় মন্ত্ৰণালয় আৰু ইয়াৰ ব্যৱস্থাপনাৰ অংশীদাৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়। জৈৱিক অস্ত্ৰৰ আক্ৰমণৰ




ভাবুকিৰ পূৰ্বানুমান, প্ৰতিৰোধী ব্যৱস্থা স্থাপন আৰু চোৰাংচোৱাৰ তথ্য যোগান ধৰাৰ বাবে দায়বদ্ধ গৃহ মন্ত্ৰণালয়।

বিশ্ব স্বাস্থ্য সংস্থাই বিশ্ব স্বাস্থ্য নিৰাপত্তাৰ বাবে প্ৰাদুৰ্ভাৱ সকীয়নি আৰু সঁহাৰিৰ ক্ষেত্ৰত অৱিহণা যোগায়। এনে কেইটামান পদক্ষেপ হ'ল— (১) ৰাষ্ট্ৰীয় নিৰীক্ষণ কাৰ্যসূচী সবল কৰি তোলা, বিশেষকৈ মাৰি-মৰক অধ্যয়ন আৰু গৱেষণাগাৰ কৌশলৰ ক্ষেত্ৰত, (২) ৰোগৰ প্ৰাদুৰ্ভাৱৰ সন্দৰ্ভত প্ৰত্যায়িত তথ্য বিতৰণ কৰা আৰু ইয়াৰ সঁহাৰিৰ বাবে কাৰিকৰী সমৰ্থন আগবঢ়োৱা, (৩) বিশ্বজুৰি গুৰুত্ব থকা মাৰি-মৰকৰ উদ্ভৱ ঘটাব পৰা ৰোগৰ বিষয়ে তথ্য সংগ্ৰহ, বিশ্লেষণ আৰু বিতৰণ কৰা।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰোগ নিয়ন্ত্ৰণ কেন্দ্ৰ (চিডিচি)ই জৈৱিক বিপৰ্যয় কঢ়িয়াই আনিব পৰা জৈৱিক দুৰ্যোগক চাৰিটা জৈৱিক সুৰক্ষা স্তৰত শ্ৰেণীবদ্ধ কৰিছে। সেইকেইটা হ'ল বি এছ এল ১-৪।

- **বি এছ এল-১ ঃ** জীৱাণু আৰু বিষাণু (বেক্টেৰিয়া আৰু ভাইৰাছ) যেনে বেচিলাছ ছাবটিলিছ, কেনাইন হেপাটাইটিছ, এশ্বেৰিচিয়া কলাই, ভেৰিচেলা (মাজু আই), কেইটামান কোষ কৰ্ষণ আৰু অসংক্ৰামক জীৱাণু। এইক্ষেত্ৰত আগতীয়া সাৱধানতা ন্যূনতম, গ্লাভ্‌ছ বা হাতমোজা আৰু মুখা পৰিমাণ।
- **বি এছ এল-২ ঃ** জীৱাণু আৰু বিষাণু যি মানৱদেহত মজলীয়া ধৰণৰ ৰোগ সৃষ্টি কৰে, বা যিবোৰক গৱেষণা-গাৰত বায়ুবিলয়ী (এয়াৰ'ছ'ল) দ্ৰব্যৰে সংকুচিত কৰা কঠিন, যেনে— হেপাটাইটিছ এ বি আৰু চি, কেইটামান ইনফ্লুৱেঞ্জাৰ প্ৰকাৰ, লাইম ৰোগ, ছালম'নেলা, মাম্‌ছ বা পিঠাখোৱা, সৰু আই বা লুটি আই, স্ক্ৰেপি, ডেংগি জ্বৰ, এইছ আই ভি। বি এছ এল-২ৰ পৰা হাত সাৰিবলৈ অত্যধিক সাৱধানতা অৱলম্বন কৰিব লগা হয়। প্ৰয়োজনসাপেক্ষে জৈৱিকভাৱে সুৰক্ষিত কক্ষ আৰু বীজাণুমুক্ত কৰিবলৈ অট'ক্লেভ বা স্বয়ং চাপ যন্ত্ৰ ব্যৱহাৰ কৰা হয়।
- **বি এছ এল-৩ ঃ** মানৱদেহত মাৰাত্মক ৰোগ সৃষ্টিকাৰী জীৱাণু বা বিষাণু যেনে— এনথ্ৰাক্স, ৱেষ্ট নাইল ভাইৰাছ, ভেনেজুৱেলান ইকুইন এনচেফেলাইটিছ, ছাৰ্ছ ভাইৰাছ, মাৰ্ছ ক'ৰ'নাভাইৰাছ, হাণ্টাভাইৰাছ, টিউবাৰকিউল'ছিছ, টাইফাছ, ৰিফ্ট ভেলী ফিভাৰ, ৰকী মাউণ্টেইন স্পটেড ফিভাৰ, য়েল' ফিভাৰ আৰু মেলেৰিয়া। পৰজীৱীৰ ভিতৰতে প্লাজম'ডিয়াম ফেলচিপেৰাম যি মেলেৰিয়া বিয়পায়, ট্ৰাইপেন'ছ'মা ক্ৰুজি যি ট্ৰাইপেন'ছ'মিয়াছিছ বিয়পায়— এই দুবিধো এই স্তৰৰ অন্তৰ্ভুক্ত। ইয়াক প্ৰতিৰোধ কৰিবলৈ বহু বেছি কঠোৰ সুৰক্ষাৰ বিধি-নিয়ম মানি চলিব লাগে। বায়ুৰ সহায়ত সোঁচৰা এই ৰেগৰ পৰা হাত সাৰিবলৈ শ্বাসযন্ত্ৰ ব্যৱহাৰ কৰা প্ৰয়োজন। এই শ্ৰেণীৰ জৈৱিক দুৰ্যোগ নিৰাময়ৰ বাবে যাৱতীয় প্ৰতিষেধক বা চিকিৎসাৰ ব্যৱস্থা আছে।
- **বি এছ এল-৪ ঃ** মানৱদেহৰ বাবে অতি মাৰাত্মক এই বিষাণুৰ কোনো জ্ঞাত প্ৰতিষেধক বা চিকিৎসা নাই। এই বিষাণুবোৰ হ'ল মাৰবাৰ্গ বিষাণু, ইব'লা বিষাণু, লাছা ফিভাৰ ভাইৰাছ, ক্ৰিমিয়ান— কংগো হিম'ৰেজিক ফিভাৰ আৰু অন্য হিম'ৰেজিক ফিভাৰ। ভেৰিঅ'লা ভাইৰাছ (বৰ আই) বি এছ এল-৪ত প্ৰতিষেধক

থকা সত্ত্বেও ব্যৱহাৰ কৰা হয় কাৰণ ইয়াক নিৰ্মূল কৰা হৈছে। সুকীয়া বায়ু যোগানেৰে 'পজিটিভ প্ৰেছাৰ পাৰ্ছনেল ছ্যুট'ৰ ব্যৱহাৰেৰে সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা হয়। গৱেষণাগাৰত প্ৰৱেশ আৰু প্ৰস্থান দ্বাৰত 'মাল্টিপল শ্বাৱাৰ', বায়ুৰুদ্ধ কক্ষ, অতিবেঙুনী কক্ষ, স্বয়ংসম্পূৰ্ণ ৰোগ নিৰ্ধাৰণ ব্যৱস্থা আৰু সুৰক্ষা-মূলক অন্যান্য সাৱধানতা ব্যৱস্থাৰে জৈৱিক দুৰ্যোগ সৃষ্টিকাৰী সকলো ৰেশ বা চিহ্ন মষিমূৰ কৰা হয়। বহুকেইটা এয়াৰলক আৰু ইলেকট্ৰনিক ব্যৱস্থাৰে গৱেষণাগাৰ সুৰক্ষিত কৰি তোলা হয়। অন্তৰ্মুখী আৰু বহিৰ্গামী বায়ু আৰু পানী বীজাণুমুক্ত প্ৰক্ৰিয়াৰে পৰিশোধন কৰাৰ লগতে দুৰ্ঘটনাবশতঃ নিৰ্গমনৰ আশংকা নিৰ্মূল কৰা হয়। এই স্তৰত কোনো জীৱাণু শ্ৰেণীবদ্ধ হোৱা নাই।

**আইন প্ৰণয়ন**

ৰাষ্ট্ৰৰ স্বাস্থ্য নীতি নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ বাবে কেইবাখনো আইন আছে। চৰকাৰে ৰোগ বিয়পাটো ৰোধ কৰিবলৈ এই আইনসমূহ প্ৰয়োগ কৰিব পাৰে।

১। পানী (প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ) আইন, ১৯৭৪।

২। বায়ু (প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮১।

৩। পৰিৱেশ (সুৰক্ষা) আইন, ১৯৮৬ আৰু নিয়মাৱলী (১৯৮৬)। এই আইনৰ আওতাত থকা জৈৱ-চিকিৎসা বৰ্জ্য পদাৰ্থ (বায়'-মেডিকেল ৱেষ্ট) (ব্যৱস্থাপনা আৰু মোকাবিলা) নিয়মাৱলী, ১৯৯৮ৰ-দ্বাৰা চিকিৎসালয় আৰু জৈৱ-চিকিৎসা বৰ্জ্য পদাৰ্থৰ অবিবেচকী পৰিত্যাগ নিয়ন্ত্ৰণ কৰা হয়।

৪। বিপৰ্যয় ব্যৱস্থাপনা আইন (ডি এম এক্ট) ২০০৫ৰে বিপৰ্যয়ৰ কাৰ্যকৰী ব্যৱস্থাপনা কৰা হয়। জৈৱিক দুৰ্যোগৰ প্ৰতিৰোধ, উপশম বা নিৰাময়, সাজু হৈ থকা, সঁহাৰি, পুনৰুদ্ধাৰ আৰু পুনৰ-সংস্থাপনৰ বাবে এই আইনে বিপৰ্যয় প্ৰতিৰোধৰ সকলো স্তৰতে আনুষ্ঠানিক আৰু কাৰ্যকৰীকৰণ ব্যৱস্থা নিশ্চিত কৰাত সহায় কৰে। ৰোগীৰ সামগ্ৰিক পৰিচৰ্যাৰ বাবে ব্যক্তিগত খণ্ডৰ স্বাস্থ্য সেৱাৰ সহায় লোৱা হয়।

**জৈৱিক দুৰ্যোগৰ সময়ত ৰাইজে সংস্পৰ্শলৈ অহা বৃত্তি বা কৰ্মস্থলী**

- চিকিৎসা বৃত্তিত চিকিৎসাকৰ্মীৰ দল, চাফাই কৰ্মী আৰু গৱেষণা-গাৰত সহায়ক;
- ৰোগ পৰিচৰ্যা সেৱা
- চাফাই সেৱা আৰু সম্পত্তি ব্যৱস্থাপনা।
- পনীয়া বৰ্জ্য পদাৰ্থ আৰু আৱৰ্জনা সংগ্ৰহ আৰু যথাস্থানত পলোৱাৰ নিচিনা পৰিৱেশ নিকাকৰণ কৰা কৰ্মত নিয়োজিত কৰ্মচাৰী।
- কৃষি, মীনপাম, পশুপালন আৰু পশু চিকিৎসা সেৱা, উদ্ভিদ বা প্ৰাণীভিত্তিক কেঁচা সামগ্ৰী ব্যৱহাৰ কৰা প্ৰস্তুতকাৰী উদ্যোগ যেনে— কাগজ আৰু কাগজী, পণ্য, বস্ত্ৰ, চামৰা আৰু নোম তথা সংশ্লিষ্ট পণ্য।
- কেন্দ্ৰীয় শীততাপ নিয়ন্ত্ৰিত ব্যৱস্থা থকা আবদ্ধ চৌহদৰ অন্তৰ্দ্বাৰ কৰ্মস্থলী যেনে— হোটেল আৰু ৰেস্তোঁৰা, দলিচা আৰু দেৱালৰ শোভা বৰ্ধনকাৰী সচিত্ৰ আৱৰণ, সৰু মাটি বা প্লাষ্টিকৰ পাত্ৰত ৰোৱা গছপুলি, সেমেকা আৰু তিতি থকা ঠাই বা পানী জমা হৈ থাকিব পৰা বাচন-বৰ্তন অণুজীৱৰ বিস্তাৰৰ বাবে অনুকূল ঠাই।

**কৰ্মস্থলীত প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণমূলক পদক্ষেপ**

জৈৱিক দুৰ্যোগ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে প্ৰাথমিক কৰ্তব্য হ'ল দূষিতকৰণৰ উৎস সম্পূৰ্ণ নিৰ্মূল কৰা।

১। **অভিযান্ত্ৰিক নিয়ন্ত্ৰণ ঃ** বায়ু চলাচলৰ ব্যৱস্থা কৰা, দূষিত উৎসৰ সাময়িক পৃথককৰণ, নেতিবাচক চাপৰ সংস্থাপন কৰা, সুকীয়া বায়ু চলাচল আৰু শীততাপ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা (উদাহৰণস্বৰূপে সংক্ৰামক ৰোগৰ বাবে থকা চিকিৎসা কক্ষ) আৰু অতিবেঙুনী পোহৰ চাকিৰ ব্যৱহাৰ।

২। **ব্যক্তিগত পৰিচ্ছন্নতা ঃ** কাম কৰাৰ আগত আৰু পিছত বা সুৰক্ষা বস্ত্ৰ পৰিধান কৰাৰ আগত আৰু পিছত জুলীয়া চাবোনেৰে হাত ধোৱাটো আটাইতকৈ সহজ আৰু প্ৰাথমিক পদ্ধতি।

৩। **ব্যক্তিগত সুৰক্ষা ঃ** কৰ্মচাৰীসকলে ব্যক্তিগত সুৰক্ষা সামগ্ৰী ব্যৱহাৰ কৰা আৰু ব্যক্তিগত পৰিচ্ছন্নতা অটুট ৰখাটো আৱশ্যকীয়। ব্যক্তিগত সুৰক্ষা সামগ্ৰীৰ ভিতৰত আছে মুখা বা মাস্ক, হাতমোজা বা গ্ল'ভছ, সুৰক্ষা বস্ত্ৰ, চকুৰ আচ্ছাদন, মুখ ঢকা আচ্ছাদন আৰু জোতাৰ আচ্ছাদন বা ঢাকনি।

(ক) **সুৰক্ষা বস্ত্ৰ ঃ** সুৰক্ষা বস্ত্ৰৰ অন্তৰ্গত বস্ত্ৰ সামগ্ৰী হ'ল একেলগে লাগি থকা বা চিলোৱা হুড বা মূৰৰ ঢাকনি, গাৰ্ডন বা ঢিলা চোলা, মূৰ আৰু জোতাৰ আচ্ছাদন। এইসমূহ পানী নসৰকা বা জুলীয়া দ্ৰব্য সোমাব নোৱাৰা ধৰণৰ হ'ব লাগে যাতে তেজ, তেজৰ টোপাল বা কণা অথবা অ্য দেহৰসৰ পৰা শৰীৰলৈ কটা ঘা বা ক্ষতৰ মাজেৰে কোনো প্ৰকাৰৰ সংক্ৰমণ বা দূষণ ঘটাব নোৱাৰে। তদুপৰি কৰ্মীগৰাকীৰ নিজৰ কাপোৰ যাতে দূষিত

কৰিব নোৱাৰে সেইবাবে এনে বস্ত্ৰ ব্যৱহাৰ কৰিব লাগে। এনেকৈ সংক্ৰমণ অথবা বীজাণু বা ৰোগ উৎপাক পদাৰ্থৰ বিস্তাৰৰ আশংকা হ্ৰাস কৰা হয়। সুৰক্ষা বস্ত্ৰ বেছিভাগ ক্ষেত্ৰতে পৰিত্যাজ্য যদিও কোনো ক্ষেত্ৰত কোনো বস্ত্ৰ বীজাণুমুক্ত কৰাৰ পাছত পুনৰ ব্যৱহাৰ কৰিব পৰা যায়। ব্যৱহাৰ কৰাৰ পূৰ্বে পৰীক্ষা কৰি চোৱাৰ লগতে নষ্ট হ'লে অনাব লাগে।

(খ) **গগলছ/মুখ ঢাকনি ঃ** সুৰক্ষা চশ্মা/গগলছ আৰু মুখ ঢাকনিয়ে ৰোগ উৎপন্নকাৰী তেজ, তেজৰ কণা বা অন্যান্য দেহৰসক শ্লেষ্মা বা শ্লেষ্মা আৱৰণৰ মাজেৰে দেহত প্ৰৱেশ কৰাত বাধা দিয়ে।

(গ) **হাতমোজা ঃ** হাতমোজা পিন্ধাৰ ফলত তেজ, তেজৰ কণা, দেহৰস আৰু সংক্ৰমিত লোকৰ দৈহিক কলা বা ৰোগ উৎপন্নকাৰী পদাৰ্থৰ সংস্পৰ্শৰ পৰা আঁতৰি থাকিব পাৰি আৰু চকু, মুখ আৰু নাক স্পৰ্শ কৰাৰ পাছত সংক্ৰমণৰ পৰা হাত সাৰিব পৰা যায়। পেথ'জেন বা ৰোগ উৎপন্নকাৰী দ্ৰব্যৰ জৰিয়তে মুকলি ঘা বা ক্ষতস্থান সংক্ৰমিত হোৱাৰ পৰা হাতমোজাই বাধা দিয়ে। অধিকাংশ হাতমোজাই পৰিত্যাজ্য। অতি বিপজ্জনক পদাৰ্থ স্পৰ্শ কৰিবলৈ হাতমোজা ব্যৱহাৰ কৰা উচিত।

(ঘ) **জোতাৰ আচ্ছাদন ঃ** কৰ্মথলীৰ বাহিৰৰ পৰা বীজাণু বা ৰোগ উৎপন্নকাৰী দ্ৰব্য কঢ়িয়াই অনাৰ পৰা জোতাৰ আচ্ছাদনে বাধা দিয়ে। জোতাৰ ঢাকনি সাধাৰণতে পৰিত্যাজ্য আৰু পানী নসৰকা আৰু নিপিছলা ধৰণৰ হ'ব লাগে। জোতাৰ ঢাকনিৰ আকাৰ জোতাৰ সৈতে খাপখোৱা হ'ব লাগে যাতে খোজকঢ়াত অসুবিধা নহয় আৰু বাহিৰৰ দূষিত দ্ৰব্যই ভৰি স্পৰ্শ কৰিব নোৱাৰে।

(ঙ) **বীজাণুমুক্তকৰণ ঃ** বেক্টেৰিয়া নাশ কৰিবলৈ অত্যধিক তাপ বা উচ্চ চাপ ব্যৱহাৰ কৰা হয় বা বেক্টেৰিয়া বা জীৱাণুত থকা অণুজীৱ বা ৰেণু নাশ কৰিবলৈ জীৱনাশী দ্ৰব্য প্ৰয়োগ কৰা হয়। সম্পূৰ্ণ বীজাণু-মুক্তকৰণ প্ৰক্ৰিয়াত দূষিত চৌহদটো সংক্ৰমণমুক্ত কৰাৰ লগতে বিষাক্ত দ্ৰব্যৰ অৱশেষ ভালকৈ পৰিষ্কাৰ কৰিব লাগে যাতে কৰ্মীসকল সেই বিপদশংকা থকা ঠাইৰ পৰা সংক্ৰমিত হ'ব লগা নহয়।

(৪) **শ্বসন সুৰক্ষা ঃ** জৈৱিক দুৰ্যোগৰ পৰা পৰ্যাপ্ত সুৰক্ষা লাভ কৰিবলৈ উপযুক্ত শ্বসন সুৰক্ষা সামগ্ৰী ব্যৱহাৰ কৰাটো গুৰুত্বপূৰ্ণ।

- **অস্ত্ৰোপচাৰৰ মুখা ঃ** ই সাধাৰণতে চিলাই নকৰা তিনিটা তৰপৰ মুখাত পিন্ধা ঢাকনি। ই শ্বাসনৰ ফলত উৎপন্ন হ'ব পৰা ডাঙৰ কণাৰ বাবে প্ৰতিৰোধৰ কাম কৰে।
- **এন-৯৫ বা উচ্চ খাপৰ শ্বসন মুখা ঃ** এই ধৰণৰ শ্বসন পৰিস্ৰাৱক বা ফিল্টাৰে পদাৰ্থকণা আৰু জুলীয়া দ্ৰব্যত ক্ষুদ্ৰ কণা প্ৰতিৰোধত সহায় কৰে আৰু বায়ৱীয় প্ৰদূষক আৰু বতাহত ওপঙি থকা অণুজীৱ উশাহত ভিতৰলৈ যোৱাৰ পৰা বিৰত ৰাখে।
- **শক্তিচালিত বায়ু শোধক শ্বসন মুখা** (PARP) ঃ এইধৰণৰ শ্বসন মুখাত ব্যৱহাৰকাৰীৰ উশাহৰ বাবে ফিল্টাৰৰ মাজেৰে বায়ু শোধন কৰিবলৈ বৈদ্যুতিক পাংখা ব্যৱহাৰ কৰা হয় আৰু পিন্ধনত বৰ আৰামদায়ক কৰি তোলে।
- **বায়ু যোগানকাৰী শ্বসন-মুখা ঃ** নিৰ্মল বায়ু যোগান ধৰিবলৈ চাপযন্ত্ৰ বা উচ্চ চাপৰ ছিলিণ্ডাৰেৰে ডাঙৰ নলী বা হোজ ব্যৱহাৰ কৰা হয়।

জৈৱিক দুৰ্যোগ প্ৰকাৰ, কামৰ প্ৰকৃতি আৰু কৰ্মৰ পৰিৱেশে শ্বসন যন্ত্ৰী মুখা বা সুৰক্ষা সামগ্ৰী/সঁজুলিৰ পছন্দ নিৰ্ণয় কৰে।

(৫) জৈৱিক দুৰ্যোগ কঢ়িয়াব পৰা আৱৰ্জনা ৰখা বেগত 'জৈৱিক দুৰ্যোগ' সতৰ্কবাণী আৰু লেবেল থাকে। মুখা, হাতমোজা, জৈৱিকভাৱে দূষিত হোৱা সুৰক্ষা বস্ত্ৰ ব্যৱহাৰ কৰাৰ পাছত বেগত সুমুৱাই থ'ব লাগে অথবা কাগজেৰে মেৰিয়াই পেলাই বা নষ্ট কৰিব লাগে। বেগটো ভালদৰে বন্ধ কৰি বিশেষভাৱে নষ্ট কৰিবলৈ নিৰ্দিষ্ট স্থানত থোৱা বাঞ্ছনীয়।

**(৬) চিকিৎসা প্ৰদান ঃ** জৰুৰীকালীন অৱস্থাৰ বাবে জৰুৰী চিকিৎসা আৰু বিশেষ চিকিৎসা প্ৰদানৰ ব্যৱস্থা থকা উচিত।

**(৭) সাধাৰণতে ল'বলগা ব্যৱস্থা ঃ** (ক) পুষ্টিকৰ আৰু সুষম আহাৰ খাব লাগে।

(খ) অসংক্ৰাম্যকৰণ যথাযথ হ'ব লাগে।


(গ) ঠেলা-হেঁচা বা ভিৰ কৰিব নালাগে।

(ঘ) সুন্দৰভাৱে বায়ু চলাচলৰ ব্যৱস্থা থকা বাঞ্ছনীয়।

(ঙ) উষ্ম আৰু শীতল বতৰৰ পৰা আঁতৰত থাকিব লাগে।

**জৈৱিক বিপৰ্যয়ৰ প্ৰতিৰোধ**

চিকিৎসাৰ ফল আৰু জনস্বাস্থ্যৰ পৰিণতি, প্ৰতিৰোধী চিকিৎসা ব্যৱস্থা, জৈৱিক ভাবুকিৰ মূল্যায়ন আৰু দীৰ্ঘম্যাদী পদক্ষেপৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। প্ৰতিৰোধৰ বাবে এই ব্যৱস্থাসমূহ গ্ৰহণ কৰিলে আক্ৰান্ত হোৱাৰ আশংকা আৰু জৈৱিক বিপৰ্যয়ৰ পৰৱৰ্তী পৰিণতিৰ উপশম বা মোকাবিলা কৰাত সুবিধা হয়। প্ৰতিৰোধ আৰু প্ৰস্তুতি বা তৎপৰতাৰ বাবে গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহ হ'ল সংস্পৰ্শলৈ অহাৰ পূৰ্বে প্ৰতিষেধক প্ৰদান (প্ৰতিৰোধী), মাৰি-মৰক সম্পৰ্কীয় চোৰাংচোৱা তথ্য যোগান পদ্ধতি, বিশাল নিৰীক্ষণ ব্যৱস্থা যাতে আগজাননী পাব পাৰি এই দুৰ্যোগ ইচ্ছাকৃত হয় নে নহয়,




চোৰাংচোৰা ব্যৱস্থা, গৱেষণাগাৰ আৰু চিকিৎসালয় ব্যৱস্থা অধিক দক্ষ কৰি তোলা যাতে দুৰ্যোগৰ আকস্মিক তথ্য উদ্ধাৰৰ পিছত তৎপৰতা গ্ৰহণ কৰিব পাৰি, অনুসন্ধান আৰু ব্যৱস্থাপনা।

জৈৱিক দুৰ্যোগ প্ৰতিৰোধৰ বাবে গুৰুত্বপূৰ্ণ উপায়সমূহ হ'ল

(১) পীড়নসাধ্যতা বিশ্লেষণ আৰু বিপদশংকাৰ মূল্যায়ন।

(২) পাৰিপাৰ্শ্বিক ব্যৱস্থাপনা।

(ক) গ্ৰহণী, হেপাটাইটিছ, অতিসাৰ বা পেটচলা, হাইজাৰ দৰে পানীৰে সোঁচৰা জৈৱিক বিপৰ্যয় প্ৰতিৰোধ কৰিবলৈ নিৰাপদ পানী যোগান আৰু নলা-নৰ্দমা, পয়ঃপ্ৰণালীৰ উপযুক্ত তত্বাৱধান বা মেৰামতি আদি।

(খ) ব্যক্তিগত পৰিচ্ছন্নতাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিব লাগে। বিশেষ সম্প্ৰদায়ৰ মাজত দৈহিক পৰিচ্ছন্নতা সন্দৰ্ভত আৱশ্যকীয় সজাগতা সৃষ্টি কৰাটো বাঞ্ছনীয়। ইয়াৰ বাবে কাপোৰ বা বাচন ধোৱা, পৰিষ্কৰণ আৰু গা ধোৱাৰ সুবিধা প্ৰদান কৰাৰ লগতে বহু লোকে একেলগে শোৱাটো পৰিহাৰ কৰিব লাগে।

(গ) **ৰোগ পৰিবাহক নিয়ন্ত্ৰণ ঃ** ৰোগ পৰিবাহক নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অন্যতম কাৰ্যাৱলী হ'ল—

(i) পাৰিপাৰ্শ্বিক অভিযান্ত্ৰিক কাম আৰু সাৰ্বজনীন সংহত ৰোগ পৰিবাহক নিয়ন্ত্ৰণ পদক্ষেপ

(ii) জল ব্যৱস্থাপনাৰ জৰিয়তে ৰোগ সঞ্চাৰকাৰী অণুজীৱৰ বংশবিস্তাৰৰ ঠাই নিৰ্মূল কৰা, বন্ধ পুখুৰী বা আবদ্ধ পানী ওলাই যোৱাৰ ব্যৱস্থা কৰা আৰু পানী জমা হ'বলৈ নিদিয়াটো কাৰ্যকৰীকৰণ।

(iii) ঘৰৰ বাহিৰত ধোঁৱা মৰাৰ লগতে পোক-পৰুৱা মাৰিবলৈ নিয়মিত-ভাৱে স্প্ৰে কৰা।

(iv) নিগনি-এন্দুৰ-চিকা আদিৰ বংশ বৃদ্ধিৰ ওপৰত চকু ৰখা।

(ঘ) মৃতদেহ পুৰি বা পুতি পেলোৱা।

(৩) **বিপৰ্যয়ৰ পাছৰ মাৰি-মৰক প্ৰতিৰোধ ঃ** প্ৰাকৃতিক বা মানৱসৃষ্ট যিকোনো বিপৰ্যয়ৰ পাছত মাৰি-মৰকৰ বিপদশংকা বৃদ্ধি পায়। এনে ক্ষেত্ৰত প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(৪) **সংহত ৰোগৰ চোৰাংচোৰা নিৰীক্ষণ ব্যৱস্থা ঃ** চোৰাংচোৰা নিৰীক্ষকৰ দলে সম্ভাব্য উৎস, ৰোগ বা বিষক্ৰিয়াৰ সঞ্চৰণৰ মাধ্যম আৰু মাৰি-মৰকৰ পুং লোৱা বা শুংসূত্ৰ উদ্ধাৰ কৰা কাৰ্যত নিযুক্ত হ'ব লাগে।

(৫) নিৰ্ধাৰণ আৰু নিয়ন্ত্ৰণৰ বাবে চাৰিটা প্ৰধান পদক্ষেপ ঃ

(ক) প্ৰাথমিক স্বাস্থ্যকৰ্মী বা চিকিৎসকে চিনাক্ত আৰু চিকিৎসা প্ৰদান কৰা।

(খ)জনস্বাস্থ্য প্ৰাধিকাৰীক চোৰাং-চোৰা বা নিৰীক্ষণৰ তথ্যৰ যোগান ধৰা।

(গ)চোৰাংচোৰা তথ্যৰ মৰি-মৰক সম্পৰ্কীয় বিশ্লেষণ।

(ঘ) উপযুক্ত চিকিৎসা প্ৰদান কৰা আৰু জনস্বাস্থ্যৰ বাবে পদক্ষেপ গ্ৰহণ।

(ঙ) **জৈৱ-সুৰক্ষা আৰু জৈৱ-নিৰাপত্তা ঃ** জৈৱিক বিপৰ্যয়ৰ বাবে সম্ভাব্য কাৰণ ৰূপে চিহ্নিত হ'ব পৰা জীৱাণু, বিষাণু আৰু জৈৱবিষয়ক লৈ কাম কৰা গৱেষণাসমূহত প্ৰতিহতকাৰী ব্যৱস্থা নিশ্চিত কৰাটো জৰুৰী।

(৭) ঔষধ প্ৰয়োগ বা চিকিৎসা পদ্ধতি ঃ কেম'প্ৰ'ফাইলেক্সিছ, অসংক্ৰাম্য-কৰণ আৰু অন্যান্য প্ৰতিৰোধী পদক্ষেপ।

(৮) **ভৱন আৰু কাৰ্যালয় সুৰক্ষা ঃ** গুৰুত্বপূৰ্ণ কাৰ্যালয় বা ভৱনত জৈৱিক প্ৰদূষকৰ পৰা হাত সাৰিবলৈ পৰীক্ষা কৰি কেৱল কৰ্তৃত্বশীল লোককহে প্ৰৱেশ কৰাৰ অনুমতি প্ৰদান কৰিব লাগে। গুৰুত্বপূৰ্ণ ভৱনসমূহৰ বায়ুত সংক্ৰামক অণুজীৱ প্ৰৱেশত বাধা দিবলৈ শীততাপ নিয়ন্ত্ৰকসমূহত হেপা-ফিল্টাৰ স্থাপনৰ ব্যৱস্থা কৰিব লাগে। আক্ৰান্ত হোৱাৰ পাছত কাৰ্যকৰী বীজাণুমুক্তকৰণ আৰু সুৰক্ষামূলক পদক্ষেপ জৰুৰী।

(৯) **ব্যক্তিগত প্ৰশিক্ষণ আৰু জনস্বাস্থ্য শিক্ষা ঃ**

**সামৰণি ঃ** জৈৱিক দুৰ্যোগে মৃত্যু মাতি আনে। অথবা অতি কমেও কৰ্মীসকলৰ স্বাস্থ্য আৰু কাম-কাজত প্ৰভাৱ পেলোৱাৰ লগতে অস্বস্তি প্ৰদান কৰিব পাৰে। কৰ্মথলীৰ পৰিৱেশ অধিক সুৰক্ষিত আৰু স্বাস্থ্যসন্মত কৰি তুলিবলৈ জৈৱিক দুৰ্যোগ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধৰ বাবে আমি অহৰ্নিশে সতৰ্ক হৈ থাকিব লাগে। ❒

# দুৰ্যোগ, ব্যৱস্থাপনা আৰু কিছু কথা

**অমৃত কুমাৰ ঠাকুৰ***

এই পৃথিৱীখনত জন্মগ্ৰহণ কৰিবলৈ পোৱাটোক বহুতেই ভাগ্যৱান বুলি অভিহিত কৰে। কাৰণ পৃথিৱীৰ সুন্দৰ ৰূপ এই পৃথিৱীলৈ নহাকৈ বা নেদেখিলে অনুভৱ কৰা অসম্ভৱ। পৃথিৱীৰ সকলোবোৰ দৃশ্যই সুন্দৰ নহয়। কেতিয়াবা কেতিয়াবা এই সুন্দৰ পৃথিৱীখনেই যি কাৰণতেই নহওক কিয় অতি অশান্ত হৈ উঠে আৰু এনেকৈ অশান্ত হৈ উঠিলে আমি পৃথিৱীখনৰ অন্য এটা কদৰ্য ৰূপ দেখিবলৈ পাওঁ। যিটো ৰূপ সাধাৰণতে কল্পনা কৰাই কঠিন। পৃথিৱীখন এনেকৈ অশান্ত হৈ উঠা অৱস্থাটোকে আমি দুৰ্যোগ বুলি অভিহিত কৰিব পাৰো। যাৰ ফলত অলপ সময়ৰ ভিতৰতে ধন-জনৰ বিস্তৰ ক্ষতি হয়। পৃথিৱীত সংঘটিত কিছুমান দুৰ্যোগৰ এনে ক্ষতি বা ধ্বংসৰ দৃশ্য কোনো হৃদয়বানলোকেই চাবলৈ আগ্ৰহী নহ'ব। এই পৃথিৱীখনত সংঘটিত দুৰ্যোগবোৰক আমি ঘাইকৈ দুটা ভাগত ভগাব পাৰো। (১) প্ৰাকৃতিক দুৰ্যোগ আৰু (২) মানৱসৃষ্ট দুৰ্যোগ। ভূমিকম্প, বানপানী, আগ্নেয়গিৰি উদগীৰণ, ছুনামি ভূমিস্খলন, গৰাখহনীয়া, অতিবৃষ্টি, অনাবৃষ্টি ইত্যাদি প্ৰাকৃতিক দুৰ্যোগৰ অন্তৰ্ভুক্ত কৰিব পাৰি। ঠিক সেইদৰে মহামাৰী, ৰাসায়নিক প্ৰদূষণ, কৃত্ৰিম বানপানী, বনজুই আদি মানৱ সৃষ্ট দুৰ্যোগৰ অন্তৰ্ভুক্ত কৰিব পাৰি। প্ৰাকৃতিকেই হওক বা মানৱসৃষ্ট দুৰ্যোগেই হওক এইবোৰৰ পৰা সম্পূৰ্ণ পৰিত্ৰাণ পোৱা অসম্ভৱ হ'লেও কিছু সতৰ্ক হ'লে লোকচানৰ পৰিমাণ বহু পৰিমাণে লাঘৱ কৰিব পাৰি। এনেকৈ দুৰ্যোগৰ পৰা হাত সাৰিবলৈ বা পৰিমাণ লাঘৱ কৰিবলৈ লোৱা ব্যৱস্থাকে দুৰ্যোগ প্ৰশমন ব্যৱস্থা হিচাপে অভিহিত কৰা হয়।

সমগ্ৰ পৃথিৱীতে সময়ে সময়ে বিভিন্ন দুৰ্যোগে দেখা দি আহিছে আৰু হয়তো ভৱিষ্যতলৈকো দেখা দি থাকিব। অসমত ১৯৫০ চনত এটা বৰ ডাঙৰ ভূমিকম্প হৈছিল কেইবাদিনধৰি হৈ থকা ভূমিকম্পৰ ফলত সমগ্ৰ পৰিৱেশটোৱেই ভয়ংকৰ হৈ পৰিছিল। ৰিখটাৰ স্কেলত ইয়াৰ প্ৰাবল্য আছিল ৮.৫ আৰু ইয়াৰ অভিকেন্দ্ৰ আছিল তিব্বতৰ সৈতে লাগি থকা সীমাৰ উত্তৰ-পূবৰ ফালৰ ওচৰতে। এই ভূমিকম্পটো বিশ্বৰ ভিতৰতে বৃহত্তম বুলি অনুমান কৰা হয়। এই ভূমিকম্পৰ ফলত বিস্তৰ ক্ষতি হৈছিল। ধন-জনৰ লগতে ক্ষয়-ক্ষতিৰ প্ৰকৃত হিচাপ উলিওৱাটো কঠিন আছিল। তেতিয়াৰ চাম মানুহে তেনেধৰণৰ বৃহৎ ভূমিকম্প জীৱনত কেতিয়াও দেখা মনত নপৰে বুলি কয়। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে উত্তৰ-পূব ভাৰতক বিশ্বৰ ছখন সৰ্বাধিক ভূকম্প প্ৰৱণ অঞ্চলৰ ভিতৰত অন্যতম ৰূপে চিহ্নিত কৰা হয়। বাকী পাঁচটা অঞ্চল হ'ল মেক্সিকো, টাইৱান, কেলিফোৰ্নিয়া, জাপান আৰু তুৰ্কী। এই ভূকম্প প্ৰৱণ অঞ্চলৰ ভিতৰত ধৰাৰ কাৰণ হ'ল যোৱা সহস্ৰাধিক বছৰ ধৰি আমাৰ দেশৰ এই অংশটো ভৌগোলিক বিৱৰ্তনৰ শাৰীত পৰিছে। সম্ভৱতঃ সেই কাৰণেই আজি কিছুবছৰ আগলৈকে অসমত কেইবামহলযুক্ত গৃহ নিৰ্মাণ চৰকাৰীভাৱে বাৰণ কৰা হৈছিল। সন্দেহ নাই যে ভূমিকম্পই মানুহ নামাৰে। কিন্তু অবিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰা ঘৰবোৰ ভাগি বহুলোক মৃত্যুৰ মুখত পৰে। আজি কেইবছৰমান আগেয়ে আমাৰে কাষৰীয়া দেশ নেপালত হোৱা প্ৰৱল ভূমিকম্পৰ ফলত বহুজনৰ মৃত্যু হৈছিল। সেই সময়ত বৈদ্যুতিন মাধ্যমত দেখিবলৈ পোৱা দৃশ্যাংশৰ পৰা এটা কথা অনুমান কৰিব পাৰি যে নেপালত নিৰ্মিত ঘৰবোৰ বিজ্ঞানসন্মত নাছিল। গৃহবোৰ বিজ্ঞানসন্মতভাৱে নিৰ্মিত হোৱা হ'লে নিশ্চয় বহুজনৰ প্ৰাণ বচাবপৰা গ'লহেঁতেন। এই ভূমিকম্পৰ ফলত ৰাষ্ট্ৰখনৰ অৰ্থনীতি বহু পৰিমাণে বিধ্বস্ত হৈ পৰিছিল। সৌভাগ্যৰ কথা যে এনেবোৰ দুৰ্যোগৰ সময়ত বিশ্বৰ বিভিন্ন দেশে আক্ৰান্ত দেশখনক পাৰ্যমানে সহায়ৰ হাত আগবঢ়ায়।

ভূমিকম্পৰ দৰে আগ্নেয়গিৰিৰ উদগীৰণেও মানুহৰ অশেষ ক্ষতি কৰে। অৱশ্যে এই ক্ষেত্ৰত আমাৰ দেশখন প্ৰায় মুক্ত বুলি ক'ব পাৰি। কিন্তু ১৮৪৩ চনত ইন্দোনেছিয়াত হোৱা উদগীৰণৰ ফলত ৩৬,০০০ লোকৰ প্ৰাণ হান হৈছিল। আগ্নেগিৰিৰ উদগীৰণৰ ফলত বিমান চলাচলো বাধাপ্ৰাপ্ত হয়।

*অমৃত কুমাৰ ঠাকুৰ গুৱাহাটীত থকা আঞ্চলিক উন্নয়ন চোৱা-চিতা আৰু মূল্যায়ন কাৰ্যালয়ৰ (নিটি আয়োগ) সহকাৰী সঞ্চালক।

সেইদৰে সাগৰৰ কাষৰীয়া ৰাষ্ট্ৰসমূহত দেখা দিয়া এটা প্ৰলয় হৈছে ছুনামি। ছুনামি জাপানী শব্দ। ইয়াক অৰ্থ হ'ল সাগৰৰ ঢৌ। ছুনামিক সামুদ্ৰিক ভূমিকম্প বুলিও কোৱা হয়। অৱশ্যে সকলো ছুনামি বিধ্বংসী নহয়। কেইবছৰমান আগেয়ে জাপানত হোৱা ছুনামিয়ে দেশখনৰ বহুতো ক্ষতি কৰিছিল। কিন্তু জাপানীসকলে তৎপৰতাৰে সেই ক্ষতি বহুখিনি প্ৰতিহত কৰিবলৈ সমৰ্থ হৈছিল।

প্ৰাকৃতিক দুৰ্যোগৰ অন্য এটা ৰূপ হ'ল বা-মাৰলী বা ঘূৰ্ণী বতাহ। ২০০৮ চনৰ মে' মাহত ম্যানমাৰত হোৱা ঘূৰ্ণীবতাহৰ ফলত এক লাখৰো অধিকলোকৰ প্ৰাণ হানি হয়। আৰ্থিক ক্ষতিৰ কথা বাদেই। ১৯৯১ চনত হোৱা এটা ঘূৰ্ণীবতাহে ভাৰত আৰু বাংলাদেশৰ উপকূলীয় অঞ্চলত লাখ লাখ মানুহৰ জীৱন নাশ কৰাৰ লগতে সা-সম্পত্তিৰো বিস্তৰ ক্ষতি কৰে। এই ঘূৰ্ণী বতাহৰ ফলত সমুদ্ৰৰ পানী ১০ মিটাৰ পৰ্যন্ত ওপৰলৈ উঠিছিল। ভাৰতৰ প্ৰধানকৈ বঙ্গোপসাগৰত এই বতাহৰ সৃষ্টি হয়। পশ্চিমীয়া দেশ সমূহত ঘূৰ্ণীবতাহৰ আগজাননী ডপলাৰ ৰাডাৰৰ সহায়ত দিবলৈ সক্ষম হৈছে। ফলত ক্ষয়-ক্ষতি বহু পৰিমাণে ৰোধ কৰিব পৰা গৈছে।

অন্য এটা দুৰ্যোগ হৈছে বনজুই। বিশেষকৈ খৰালি শুকান বতৰত এনে জুইৰ প্ৰাৰ্দুভাৱ লক্ষ্য কৰা যায়। অৱশ্যে এই দুৰ্যোগৰ পৰা মানুহৰ জীৱন নাশৰ আশংকা কম। কাৰণ বনজুই হাবি-জংঘলত হয়, য'ত মানুহৰ বসতি কম বা নাথাকে বুলিয়েই ক'ব পাৰি। কিন্তু এনে দুৰ্যোগে বিশেষকৈ বনৰীয়া জীৱ-জন্তুৰ প্ৰাণ নাশ কৰাৰ লগতে জীৱকুলৰ অশেষ ক্ষতিৰ আশংকা থাকে।

প্ৰাকৃতিক দুৰ্যোগৰ ভিতৰত আমাৰ ৰাজ্যখন অধিক আক্ৰান্ত হয় বানপানীৰ পৰা। এই বানপানী ঘাইকৈ প্ৰাকৃতিক হ'লেও আজিকালি মানৱসৃষ্ট বানপানীও দেখিবলৈ পোৱা যায়। জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বেলিকা গঢ়িতোলা নদীবান্ধ-সমূহত বিশেষকৈ বাৰিষা কালত ধাৰাষাৰ বৰষুণ হ'লে, তাৰ পৰা জমা হোৱা পানী কিছু পৰিমাণে ধৰি ৰাখিব পৰা যায়। কিন্তু পানী ধৰি ৰাখিব পৰা ক্ষমতাৰ বাহিৰ হ'লেই সেই অতিৰিক্ত পানীখিনি সময়ত নামনি অঞ্চললৈ এৰি দিব লগা হয়। যাৰ ফলত নামনি অংশত বানপানীৰ সৃষ্টি হয়। আচম্বিতে এনেকৈ পানী এৰি দিওঁতে নামনি অঞ্চলত বাসকৰা জনসাধাৰণ পোনপটীয়াকৈ আক্ৰান্ত হৈ মৃত্যুমুখত পৰিব লগা হ'ব পাৰে। তদুপৰি অঞ্চল বিশেষত বিশৃংখলকৈ গৃহ নিৰ্মাণ হোৱাত বাৰিষা এজাক ডাঙৰ বৰষুণ হ'লেই পানী আৱদ্ধহৈ অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হয়। সম্প্ৰতি গুৱাহাটী মহানগৰীত বাৰিষা হোৱা এজাক বৰষুণৰ ফলত বিশেষকৈ নবীন নগৰ, তৰুণ নগৰকে ধৰি দ' অঞ্চলসমূহ প্লাৱিত হৈ আনকি মানুহৰ জীৱনো কাঢ়ি লোৱা ঘটনা ঘটিছে। এইবিলাক কৃত্ৰিম বানপানীৰ ফলত সৃষ্টি হোৱা দুৰ্যোগ। ই এই কথাই প্ৰতীয়মান কৰে যে মানুহে দূৰদৰ্শী চিন্তাৰে কাম নকৰিলে অচিৰেই বিভিন্ন দুৰ্যোগৰ সন্মুখীন হ'বলৈ বাধ্য হ'ব। ২০১০ চনত উত্তৰাখণ্ডত হোৱা বানপানীৰ দৃশ্য যিসকলে নিজ চকুৰে বা বৈদ্যুতিন মাধ্যমৰ জৰিয়তে প্ৰত্যক্ষ কৰাৰ সুযোগ পাইছে সেইসকলে নিশ্চয় বানপানীৰ ভয়াবহতা কিমান তাক ভালদৰে অনুভৱ কৰিব পাৰিব।

সেইদৰে গৰাখহনীয়া, ভূমিস্খলন, অনাবৃষ্টি আদিৰ দৰে দুৰ্যোগৰ বিষয়ে সকলোৱেই কিছু জানে। পাহাৰীয়া অঞ্চলত হোৱা ভূমিস্খলনে মুহূৰ্ততে ভয়ানক বিপৰ্যয় কঢ়িয়াই আনিব পাৰে। এই বিপৰ্যয়বোৰক সমূলি নিৰ্মূল কৰা অসম্ভৱ হ'লেও প্ৰয়োজনীয় সৰ্তকতামূলক ব্যৱস্থা হাতত ল'লে ক্ষতিৰ পৰিমাণ বহুখিনি লাঘৱ কৰিব পৰা যায়। বিশেষকৈ যিসকলে পাহাৰত বাস কৰে,তেওঁলোকে জধে-মধে পাহাৰৰ মাটি কটা বন্ধ কৰা বা ঝুম খেতিৰ পৰা আঁতৰি থকা উচিত।

প্ৰাকৃতিক দুৰ্যোগৰ হিচাপ দি অন্ত কৰিব নোৱাৰি। কিন্তু তাৰে কিছুমানে বহুতৰ মনত দ' সাঁচ বহুৱাই যায়। উদাহৰণস্বৰূপে, ১৯৯৯ চনত ওড়িছাৰ উপকূলত হোৱা ছুপাৰ ছাইক্লনে ১২ খন জিলাৰ দহ হেজাৰৰো অধিক লোকৰ প্ৰাণ নাশ কৰাৰ লগতে প্ৰায় ডেৰ কোটি লোক ক্ষতিগ্ৰস্ত কৰিছিল। সেইদৰে ২০০২ চনত গুজৰাটৰ ভূজ অঞ্চলত হোৱা ভূমিকম্পই বিশ হেজাৰৰো অধিক লোকৰ মৃত্যু ঘটাইছিল। তদুপৰি ১,৫৫,০০০ ৰো অধিক লোক আহত হৈছিল। ছয় লাখৰো অধিক লোক গৃহহীন হৈছিল। ২০০৪ চনত ২৬ ডিছেম্বৰত ভাৰত মহাসাগৰত হোৱা ছুনামিয়ে দেশৰ সাতখনৰো অধিক ৰাজ্যক জোকাৰি যায়। আমাৰ দেশখনে এনেকৈ সঘনে সন্মুখীন হোৱা বিপৰ্যয়ৰ পৰা ৰক্ষা পাবলৈ ৰাষ্ট্ৰীয় পৰ্যায়তো চিন্তা-চৰ্চা অব্যাহত আছিল। সেই অনুসৰি ২০০৫ চনৰ ১১ মে'ত ৰাজ্যসভাত এই সম্পৰ্কীয় এখন বিধেয়ক উত্থাপন কৰা হয়।

আমাৰ দেশত দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ গ্ৰহণ কৰাৰ লগতে প্ৰধান মন্ত্ৰীৰ অধ্যক্ষতাত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, মুখ্য মন্ত্ৰীসকলৰ অধ্যক্ষতাত ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলাৰ উপায়ুক্ত সকলৰ

অধ্যক্ষতাত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ স্থাপন কৰা হয়। কাৰ্যতঃ যদিও ৰাষ্ট্ৰীয় পৰ্যায়ত ইমানবোৰ ব্যৱস্থা হাতত লোৱা হৈছে তথাপি যিবোৰ ৰাষ্ট্ৰৰ জনসাধাৰণৰ নৈতিক চৰিত্ৰ সবল সেইবোৰ ৰাষ্ট্ৰই সাফল্যৰ ক্ষেত্ৰত অধিক কৃতকাৰ্য হ'ব পাৰে। জাপান এই ক্ষেত্ৰত বিশ্বৰ ভিতৰতে এখন অগ্ৰণী ৰাষ্ট্ৰ বুলি একেআষাৰে ক'ব পাৰি। আনহাতে ভৌগোলিক অৱস্থিতিয়ে কিছুমান ৰাষ্ট্ৰ বা ঠাইৰ বেলিকা বিপৰ্যয়ৰ পৰা হাতসৰাত প্ৰতিবন্ধক হিচাপেও ঠিয় দিব পাৰে। উদাহৰণস্বৰূপে বাংলাদেশৰ কথাকেই ক'ব পাৰি। কাৰণ সমগ্ৰ বাংলাদেশৰ ভূখণ্ডই বিপদমুক্ত অঞ্চল বুলি ক'বনোৱাৰি। এনে ক্ষেত্ৰত কোনো প্ৰকাৰৰ আগজাননী পালেও সতৰ্কতাৰ চিনস্বৰূপে কোনো ঠাইলৈ ঢাপলি মেলিবলৈকো যেন বিকল্প ঠাইৰ অভাৱ পৰিলক্ষিত হয়। শেষত এটা কথাই ক'ব লাগিব মানুহেও অনাহকত প্ৰকৃতিৰ ক্ষতি কৰা কাম কৰিবলৈ উদ্যত হোৱা অনুচিত। কাৰণ প্ৰকৃতিৰ অনাহক ক্ষতি কৰি একো উন্নতি সাধিব পৰা নাযায়। ❐

---

(২০ পৃষ্ঠাৰ পৰা)

হ'ল আঘাতপ্ৰাপ্ত ৰোগীৰ ক্ষেত্ৰত থকা অৰ্থনৈতিক বাধা।

**(২) প্ৰশিক্ষিত জনশক্তি ঃ**

সকলো স্তৰৰ স্বাস্থ্য যতন ব্যৱস্থাত (প্ৰাথমিক মাধ্যমিক আৰু আৱাসিক) বেছি আঘাতপ্ৰাপ্ত ৰোগীক উপযুক্তভাৱে চোৱা-চিতা কৰিবলৈ প্ৰশিক্ষিত জন-শক্তিৰ অভাৱ দেখা যায়। 'সংকট উপশম দল'ৰ ভাৱধাৰা গঢ়ি উঠা নাই আৰু যি ব্যক্তিসকলে ৰোগীৰ যতন ব্যৱস্থা লয় তেওঁলোক সততেই জীৱন দায়িনী কৰ্ম পদ্ধতি আৰু নিয়মাৱলী পালন কৰাত উপযুক্তভাৱে প্ৰশিক্ষিত আৰু দক্ষতা থকা নহয়। আৰু কেইটামান বিষয় তলত উল্লেখ কৰা হ'ল—

১। জৰুৰীকালীন বিভাগসমূহত প্ৰশিক্ষিত চিকিৎসক আৰু নাৰ্ছৰ অভাৱ

২। সংকটাপন্ন অৱস্থাত ট্ৰ'মা চাৰ্জন/ প্ৰশিক্ষিত ছাৰ্জিকেল বিশেষজ্ঞৰ অনুপস্থিতি।

৩। আঘাতপ্ৰাপ্ত ব্যক্তিৰ যতন ল'বলৈ বিভিন্ন ক্ষেত্ৰত অতি বিশেষজ্ঞৰ সংখ্যা যথেষ্ট নহয়।

৪। চিকিৎসালয়সমূহত পুনৰসংস্থাপন বিষয়ক পেছাদাৰীৰ সংখ্যাও যথেষ্ট নহয়।

প্ৰতিষ্ঠানৰ সামৰ্থ্য আৰু ক্ষমতাৰ বিকাশ সাধনৰ বাবে প্ৰয়োজন মানৱ সম্পদ আৰু আন্তঃগাঁথনিৰ সৰ্ব দিশৰ উন্নয়ন। দুৰ্যোগ ব্যৱস্থাপনা চিকিৎসা পদ্ধতিক ভালদৰে আলোকপাত তথা সুচাৰুৰূপে চলাবৰ কাৰণে তেনেবোৰ বিষয়ৰেই আৱশ্যক হয়। ইয়াক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়, শ্ৰম আৰু নিয়োগ মন্ত্ৰণালয় আদিৰ দৰে বিভাগবোৰত যি সম্পদৰাজি আছে তাক কামত খটুৱাই বিকাশ সাধন কৰিব লাগিব। তাৰ লগতে চিকিৎসক, নাৰ্ছ, অৰ্দ্ধ-চিকিৎসা বাহিনী আদিকে ধৰি জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লোকসকলক দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰদান কৰা বিষয়টো অন্তৰ্ভুক্ত কৰিব লাগিব।

**জে পি এন এপেক্স ট্ৰ'মা ছেণ্টাৰৰ ক্ষমতা বৃদ্ধিৰ প্ৰয়াস**

সহস্ৰ বাহিনী তথা ৰাজ্য চৰকাৰসমূহৰ কৰ্তব্যৰত চিকিৎসক-সকলৰ ক্ষেত্ৰত হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পাঠ্যক্ৰমৰ প্ৰশিক্ষণ দীৰ্ঘকালৰ পৰা চলি আছে। কমদিনীয়া প্ৰশিক্ষণ এ টি এল এছ, এ ইউ টি এল এছ, এ চি চি চি আকাৰত প্ৰদান কৰা হয়। শেহতীয়াকৈ ট্ৰ'মা ছাৰ্জাৰী আৰু সংকটাপন্ন অৱস্থাৰ যতনৰ ক্ষেত্ৰত এম চি এইছ আকাৰত ছুপাৰ স্পেচিয়েলিটি পাঠ্যক্ৰমো আৰম্ভ কৰা হয়। ইয়াৰদ্বাৰাই সৰ্ব ভাৰতীয় আৰ্য়ুবিজ্ঞান চিকিৎসা প্ৰতিষ্ঠানক ছাৰ্জিকেল স্পেচিয়েলিষ্টৰ বাবে এটা আনুষ্ঠানিক ডিগ্ৰী পাঠ্যক্ৰম গ্ৰহণৰ অৰ্থে দিহা কৰা ভাৰতত প্ৰথম প্ৰতিষ্ঠান ৰূপে পৰিগণিত হৈছে।

এপেক্স ট্ৰ'মা ছেণ্টাৰটোৱে ইতিমধ্যে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সমষ্টিত পৰীক্ষামূলক প্ৰকল্প সম্পূৰ্ণ কৰিছে। 'এডভান্সদ্- ট্ৰ'মা লাইফ চাপোৰ্ট'ৰ সংক্ৰান্তীয় কাম-কাজৰ ক্ষেত্ৰত জড়িত ব্যক্তিসকলক সক্ষম কৰি তোলাই হ'ল প্ৰকল্পৰ লক্ষ্য আৰু সেই অনুযায়ী তিনিখন ৰাজ্যৰ চিকিৎসক, নাৰ্ছ আৰু অৰ্দ্ধ-চিকিৎসা বাহিনীক মূল আৰু আগতীয়া ব্যৱস্থাৰ ট্ৰ'মা লাইফ ছাপোৰ্টৰ ক্ষেত্ৰত প্ৰশিক্ষণ দিবলৈ ঠিক কৰা হৈছে। অহা ৪ বছৰ কালত এই বিষয়ত ১৮০০ চিকিৎসকক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

সদৌ শেষত এইটো কোৱা সমীচিন হ'ব যে জাপানৰ দৰে দুৰ্যোগ আশংকাযুক্ত দেশবোৰৰ পৰা শিক্ষা লোৱা আৱশ্যক য'ত তেনে দেশে প্ৰাক্ চিকিৎসালয় সংকট উপশম যতন তথা দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে এক পদ্ধতিৰ ব্যৱস্থা কৰিছে। আমিও এক কৰ্তৃত্ব কেন্দ্ৰ স্থাপন কৰাৰ প্ৰয়োজন আছে আৰু লগতে এটা জৰুৰীকালীন তথ্য পদ্ধতিৰো দিহা কৰা আৱশ্যক আৰু এই কেন্দ্ৰক আটাইবোৰ চিকিৎসালয়ে কিমান সংখ্যক লোক আঘাত প্ৰাপ্ত হৈছে আৰু কিমান সাহায্যৰ আৱশ্যক সেই বিষয়ে জনোৱা উচিত। ❐

# ভূমিকম্প ঃ উত্তৰ-পূৰ্বাঞ্চলত উৎপত্তিৰ সম্ভাৱনীয়তা

**অৰ্পণ দত্ত***

কোনো কাৰণত ভূমিখণ্ড একোটা বা পৃথিৱীৰ একোটা অঞ্চল কঁপি উঠা-কাৰ্যকে ভূমিকম্প আখ্যা দিয়া হয়। সেয়ে হ'লেও অৱশ্যে অতি নিম্ন মাত্ৰাৰ বা অতি স্থানীয় পৰিসৰত অনুভূত কম্পন, যেনে—পথেদি আহ-যাহ কৰা গধুৰ যান-বাহনৰ বাবে হোৱা কম্পন নাইবা লাইনেৰে ৰেল চলাৰ সময়ত সমীপৱৰ্তী অঞ্চলত হোৱা কম্পনক ভূমিকম্পৰ শাৰীত ধৰা নহয়। কম্পনৰ সৃষ্টি যেনেভাৱেই নহওক লাগিলে কিয়, ভূমিকম্প বুলিবলৈ হ'লে সেই কম্পন ভূকম্পনমাপক যন্ত্ৰ (Seismograph) ৰ দ্বাৰা মাপ ল'ব পৰা হ'ব লাগিব। ভূমিকম্পৰ সৃষ্টি পৃথিৱীৰ একেবাৰে বাহিৰ অংশ, সুগভীৰ অন্তৰভাগ অথবা মহাসাগৰৰ সুগভীৰ তলিতো উৎপত্তি হ'ব পাৰে। ভূমিকম্প ভূ-বিৱৰ্তনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত এটা প্ৰাকৃতিক পৰিঘটনা।

ভূমিকম্পৰ উৎপত্তিৰ কাৰণ বিচাৰ কৰিলে দুই ধৰণৰ কাৰণ পোৱা যায়—বাহ্যিক বা অবিৱৰ্তনিক (exterior or non-teclomic) আৰু বিৱৰ্তনিক (tectonic)।

### অবিৱৰ্তনিক কাৰণ

ভূমিকম্পৰ অবিৱৰ্তনিক কাৰণৰ অন্তৰালত দুই প্ৰকাৰ ক্ৰিয়া জড়িত হৈ থাকিব পাৰে—প্ৰাকৃতিক আৰু কৃত্ৰিম। অৱশ্যে যি প্ৰকাৰৰে নহওক লাগিলে কিয় এনে ভূমিকম্পৰ প্ৰভাৱিত অঞ্চল কিছু কম হোৱাৰ লগতে ইবিলাকৰ প্ৰাবল্যও কম হয়। ভূপৃষ্ঠত ঘটা এনে কাৰ্যবোৰ মুখ্যতঃ অনাবৃত শিলামণ্ডলত ঘটা ক্ষয়ীভৱন শিলৰ বিচলন, গ্লেছিয়াৰৰ স্থানচ্যুতি, উপকূলৰ ছুনামি আদিৰ দৰে কাৰ্যৰ লগত জড়িত হৈ থকাৰ হেতুকে এনেদৰে সৃষ্ট ভূমিকম্পক নিৰ্মোচনীয় ভূমিকম্প (denudational quake) বুলিও কোৱা হয়। ইয়াৰ বাহিৰেও চূণশিলৰ স্তৰত ঘটা দ্ৰৱণ ক্ৰিয়াৰ পৰিপ্ৰেক্ষিতত ঘটা স্তৰপতন আদিৰ সময়তো ভূমিকম্পৰ উৎপত্তি ঘটিব পাৰে। আনহাতে, মানৱসৃষ্ট কাৰণ, যেনে-পাহাৰীয়া মাটি জধে-মধে কটাৰ ফলত হোৱা ভূমিস্খলন নাইবা বৃহৎ জলাশয় একোটাৰ তলিভাগত ঘটা বিচলনৰ ফলত উৎপত্তিত জলাশয় সৃষ্ট বা জলাশয় আৱিষ্ট ভূমিকম্প (Resroir induced earthquake) কোৱা হয়। উল্লেখযোগ্য, বহু ঠাইৰ বৃহৎ জলাশয় একোটাৰ আশে-পাশে উদ্ভৱ হোৱা ভূমিকম্পৰ উপকেন্দ্ৰ নিৰ্ণয়ৰ পাছত এটা দিশ উন্মোচিত হৈছিল যে ইবিলাক জলাশয়ৰ সমীপতে অৱস্থিত। তাতোকৈ ডাঙৰ কথা যে ইবিলাক উপলব্ধ হৈছিল জলাশয়ত পানী ভৰোৱাৰ পিছতহে। বিশ্বৰ ভালেকেইটা জলাশয—ফ্ৰান্সৰ গ্ৰেণ্ডলেইক, যুক্তৰাষ্ট্ৰৰ লেণ্ডমেইড, ছুইজাৰলেণ্ডৰ ভগৰাওলেইক, গ্ৰীছৰ মাৰাথন ক্ৰেমেষ্টা লেইক, জিম্বাওৱে-ৰোডেছিয়াৰ কাভিবা লেইক আদিত এনে ঘটনা পৰিলক্ষিত হোৱাৰ তথ্য পোৱা যায়। একেধৰণেই, আমাৰ দেশৰ মহাৰাষ্ট্ৰৰ শিৱাজী সাগৰ জলাশয়ৰ কাষৰীয়া ঠাইতো ১৯৬৭ চনৰ পৰা ১৯৬৮ চনলৈ কেইবাটাও ভূমিকম্পৰ উৎপত্তি ঘটা বুলি জনা যায়। কোৱা বাহুল্য যে ১৯৬৭ চনত কয়না অঞ্চলত হোৱা ৬.৫ প্ৰাবল্যৰ ভূমিকম্পকো জলাশয় সৃষ্ট ভূমিকম্প হিচাপে অভিহিত কৰা হৈছিল। পিছে সকলো জলাশয়তে তেনে ঘটনা সংঘটিত নোহোৱাৰ চাই ডেৰ্কাট নামৰ বিজ্ঞানীজনে অভিমত ব্যক্ত কৰিছিল যে বিশেষ পৰিস্থিতি সাপেক্ষেহে, যেনে জলাশয়সমূহৰ তলত চ্যুতি থাকিলে পানীৰ ভৰত সেই চ্যুতিবোৰত (fault plane) স্থানান্তৰ ঘটাৰ ফলতে ভূমিকম্পৰ সৃষ্টি সম্ভৱ হৈ উঠে।

### বিৱৰ্তনিক কাৰণ

ভূমিকম্প উৎপত্তিৰ সন্দৰ্ভত বিজ্ঞানসন্মত চিন্তা-চৰ্চা ঊনৈশ শতিকাৰ শেষলৈকে বিশেষভাৱে হৈছিল বুলি ক'ব নোৱাৰি। অন্য নালাগে তেতিয়ালৈ ভূমিকম্পৰ ফলত কেনে তৰংগৰ সৃষ্টি হয় আৰু সিবিলাকৰ সঞ্চাৰণ ৰূপ কেনে হয়, তেনে বিষয়ক অধ্যয়নো ১৮৯৭ চনলৈ সম্ভৱ হোৱা নাছিল। কেৱল সেই বছৰতে শ্বিলঙত অনুভূত হোৱা প্ৰলয়ংকৰী ৮.৭ ৰিখ্‌টাৰ স্কেল (পৰৱৰ্তী সময়তহে সেয়া নিৰ্ণীত) ৰ ভূমিকম্প প্ৰত্যক্ষ কৰি আৰ ডি অল্ডহাম নামৰ

*ড° অৰ্পণ দত্ত অসম চৰকাৰৰ খনি বিভাগৰ অৱসৰপ্ৰাপ্ত ভূ-বিজ্ঞানী।


### তালিকা- ১
### উত্তৰ-পূৰ্বাঞ্চলত অনুভূত কেইটামান উল্লেখনীয় ভূমিকম্প

| তাৰিখ | স্থান | অক্ষাংশ | দ্ৰাঘিমাংশ | ক্ষয়-ক্ষতি | প্ৰাৱল্য |
|---|---|---|---|---|---|
| ১৩-০৪-২০১৬ | মণিপুৰ<br>ম্যানমাৰ সীমান্ত | — | — | ২ জন লোকৰ মৃত্যু<br>ঘৰ-দুৱাৰৰ ক্ষতি | ৬.৯ |
| ০৩-০১-২০১৬ | উঃ পূৰ্বাঞ্চল | ২৪.৮°উঃ | ৯৩.৬° পূ. | ১১ জনৰ মৃত্যু, ২০০ আহত | ৬.৭ |
| ২৮-০৬-২০১৫ | ডিব্ৰুগড় | ২৬.৫° উঃ | ৯০.১° পূ. | ৩ জন আহত | ৫.৬ |
| ১২-০৫-২০১৫ | উঃপূৰ্বাঞ্চল | ২৭.৭৯° উঃ | ৮৫.৯৭° পূ. | ২১৮ জনৰ মৃত্যু | ৭.৩ |
| ২৬-০৪-২০১৫ | উঃপূৰ্বাঞ্চল | ২৭.৭৯° উঃ | ৮৫.৯৭° পূ. | — | ৬.৭ |
| ২৫-০৪-২০১৫ | উঃপূৰ্বাঞ্চল | ২৮.১৯° উঃ | ৮৪.৮৬° পূ. | — | ৬.৬ |
| ২৫-০৪-২০১৫ | উঃপূৰ্বাঞ্চল | ২৮.১৪° উঃ | ৮৪.৭০° পূ. | — | ৭.৮ |
| ১৮-০৯-২০১১ | ছিকিম (গেংটক) | ২৭.৭২° উঃ | ৮৮.০৬° পূ | — | ৬.৯ |
| ১৫-০৮-১৯৫০ | অৰুণাচল প্ৰদেশ | ২৮.৫° উঃ | ৯৬.৭° পূ. | ১৫২৬ জনৰ মৃত্যু আৰু বিস্তৰ ক্ষতি | ৮.৭ |
| ২৯-০৭-১৯৪৭ | ডিব্ৰুগড় | — | — | — | ৭.৭ |
| ১৫-১০-১৯৪৩ | কাৰ্বি আংলং | ২৬° উঃ | ৯৩° পূ. | — | ৭.২ |
| ১৫-০১-১৯৩৪ | নেপাল | ২৭· ৫৫° উঃ | ৮৭.০৯° পূ. | ১০,০০০ৰ অধিকৰ মৃত্যু | ৮.০ |
| ১২-০৮-১৮৯৭ | শ্বিলং | ২৬° উঃ | ৯১° পূ. | ১,৫০০ জনৰ মৃত্যু | ৮.৭ |
| ১৪-০৯-১৩৪৪ | নেপাল | ২৭.৫° উঃ | ৮৭.৫° পূ. | — | ৭.৯ |

বৃটিছ ভূকম্পনবিদ এজনেহে ভূমিকম্পৰ তৰংগসমূহৰ ৰূপ-স্বৰূপ নিৰ্ণয় সম্ভৱ কৰি তোলে। তেওঁৰ পিছত ১৯০৬ চনত যুক্তৰাষ্ট্ৰৰ ছানফ্ৰেন্সিকত হোৱা প্ৰবল ভূমিকম্পটো পৰ্যবেক্ষণৰদ্বাৰা এইচ এফ ৰিড নামৰ বিজ্ঞানীজনে যি স্থিতিস্থাপকতা বাদ (Elastic rebound theory) উদ্ধাৰ কৰি ভূমিকম্প একোটা সৃষ্টিৰ আঁৰত থকা তত্ত্বৰ আঁত উলিয়ায়। তাৰ পিছত অন্য এটা বিৰল কাৰবাৰ প্ৰত্যক্ষ কৰাৰ পিছত বিজ্ঞানীসকলে ভূমিকম্পৰ অৱস্থান সম্পৰ্কে নতুন চিন্তাৰ সমল বিচাৰি পালে। তেওঁলোকে দেখা পালে যে বিশ্বৰ সকলো স্থানত সমভাৱে ভূমিকম্প প্ৰৱণ হোৱাৰ সলনি ভূপৃষ্ঠৰ কিছুমান বিশেষ বলয়তহে উদ্ভৱ হোৱা দেখা পোৱা যায়। সেয়া লাগিলে পাহাৰ শৃঙ্খলৰ নামনি অংশই হওক অথবা সমুদ্ৰৰ অটল গৰ্ভতেই হওক। এনে হোৱাৰ কাৰণ নিৰ্ণয় কৰিবলৈ গৈ কুৰি শতিকাৰ ষাঠিৰ দশকত এটি তত্ত্বৰ আলমত বিশ্লেষণ কৰাটো সম্ভৱ হৈ উঠিল। সেয়া পৃথিৱীত সংঘটিত বিৱৰ্তনি কাৰ্য (tectonic activity) ৰ দ্বাৰাই ঘটে বুলি। পিছত সেয়া সম্ভৱ বুলি সকলোৱে মানি লোৱাৰ উপৰি বিভিন্ন পৰীক্ষা-নিৰীক্ষা আৰু অধ্যয়নৰ জৰিয়তে সম্প্ৰতি ভূ-পদাৰ্থবিজ্ঞানী তথা ভূ-বিজ্ঞানীসকলে ব্যক্ত কৰিবলৈ সমৰ্থ হৈ উঠিল যে পৃথিৱীৰ অন্তৰভাগত থকা প্ৰাবাৰ (mantle) অঞ্চলৰ উৰ্দ্ধাংশত যিটো মণ্ডল পোৱা যায় সি লুপথুপীয়া হৈ থকাত তাক কোৱা হয় দুৰ্বল মণ্ডল বা এস্থেন'স্ফিয়েৰ (asthenosphere) বুলি। এই দুৰ্বল মণ্ডলৰ ওপৰতে সমস্ত শিলামণ্ডলৰ খন্দিত অংশবোৰ একোখন প্লেট বা ফলকৰ দৰে ভাঁহি গতিশীল অৱস্থাত থাকে আৰু ফলকৰ সেই গতিত প্ৰত্যক্ষভাৱে হেঁচা প্ৰয়োগ কৰি থাকে মেণ্টেল অঞ্চলত চলন্ত থকা হট্‌স্পট (hot spot) নামৰ উষ্ম মেগমীয় সোঁতৰ কিছুমান সক্ৰিয় স্থানে। সেই উষ্মীয় স্থানসমূহতে নিৰ্গত হৈ থকা মেগমীয় সোঁতে প্লেটত হেঁচা দিয়াৰ ফলত প্লেটবোৰ গতিপ্ৰাপ্ত হৈ ইফালে-সিফালে চলি থাকে। ফলকৰ এনে গতিৰ ফলত সাধিত হোৱা বিৱৰ্তনিক কাৰ্যক আজি-কালি প্লেট টেক্‌ট'নিক ক্ৰিয়া (Plate tectonic activity) নামে জনা যায়। উল্লেখযোগ্য যে, ফলকৰ এনে গতিৰ কথা আজি-কালি জি পি এছ যন্ত্ৰৰ সহায়ত ধৰিব পৰাও গৈছে।

এতেকে গতিশীল অৱস্থাত থকা সৰু-বৰ প্লেটবোৰৰ মাজত কেতিয়াবা মুখামুখি, কেতিয়াবা এখনৰ গাৰে অন্যখন পিছলি যোৱাৰ সময়ত ঘৰ্ষণ কাৰ্য সাধিত হোৱাৰ হেতুকে বহু সময়ত

প্ৰচণ্ড ঘৰ্ষণ বল পুঞ্জীভূত হৈ থাকে আৰু সময়ত সেই বল কিবা প্ৰকাৰে নিৰ্বাণপ্ৰাপ্তি হোৱাৰ সময়তে ভূমিকম্প একোটাৰ উদ্ভৱ হয়। তেনে হোৱাৰ সময়ত পৰিস্থিতিসাপেক্ষে আগ্নেয়গিৰিৰ উদ্‌গীৰণ বা ভূ-পৃষ্ঠৰ উত্থান-পতনো হ'ব পাৰে। তেনেকৈ মহাসাগৰৰ তলিৰ মধ্যভাগত সিৰাসদৃশ আগ্নেয়শিলৰ দীঘলীয়া ঢাপৰ (ridge) সৃষ্টি হ'ব পাৰে নতুবা মহাসাগৰ তলিত সুগভীৰ খাদ (trench) ৰ সৃষ্টি হ'বও পাৰে। কেতিয়াবা আকৌ দুখন প্লেটৰ সংঘৰ্ষস্থলত বিপৰীতমুখী বলৰ প্ৰভাৱত এখন আনখনৰ তলেৰে সোমাই যোৱাৰ বিপৰীতে আনখন ওপৰলৈ উঠি হিমালয়সদৃশ সুউচ্চ পৰ্বতৰ সৃষ্টিত সম্ভৱ হৈ উঠিব পাৰে। উল্লেখনীয়, প্লেটবোৰৰ গতি, গতিৰ দিশ, সংঘৰ্ষস্থলীৰ সীমা আৰু ইবিলাকৰ অন্তৰালত নিহিত হৈ থকা ক্ৰিয়া-প্ৰতিক্ৰিয়া আদিক সামৰি আজিকালি যি অধ্যয়নৰ সূচনা হ'ব লাগিছে, তাক ফলক বিৱৰ্তন বা প্লেটটেক্টনিক তত্ত্ব (Platetectonic theory) নামেৰে অভিহিত কৰা হৈছে আৰু ইয়াৰ আধাৰতে ভূমিকম্পৰ ভৱিষ্যদ্বাণী কৰাৰ বাবে চেষ্টাও অব্যাহত ৰাখিছে। সি যি কি নহওক, এটা দিশ সহজবোধ্য হৈ উঠিব ধৰিছে যে প্ৰবল ভূমিকম্প একোটাৰ সৃষ্টি ফলকৰ সংঘৰ্ষস্থলীত হোৱাটো বাঞ্ছনীয় হোৱাৰ দৰেই সঁচাকৈ সিবিলাক পৃথিৱীৰ তেনে সংঘৰ্ষস্থলীপ্ৰধান তিনিটা বলয়তে পোৱাও গৈছে। সেই বলয়কেইটা হৈছে প্ৰশান্ত পৰিধীয় বলয়, আল্পছ-হিমালয় বলয় আৰু মধ্য মহাসাগৰীয় সিৰা অঞ্চল। প্ৰণিধানযোগ্য, অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল সামগ্ৰিকভাৱে দুখন ফলক ভাৰতীয় ফলক আৰু ইউৰেছিয় ফলকৰ সংঘৰ্ষস্থলত অৱস্থিত হোৱাত এই অঞ্চলত সময়বিশেষে প্ৰবল ভূমিকম্পৰ উৎপত্তি ঘটাটো সম্ভৱ। তেনে হোৱাৰ হেতুকেই ইতিহাসে ঢুকি পোৱা কালত দুবাৰলৈ দুটা পৃথিৱীখ্যাত ভূমিকম্প, ১৮৯৭ চন (১২জুন) আৰু ১৯৫০ চন (১৫ আগষ্ট) অসমত সংঘটিত হৈছিল।



**চিত্ৰ-১ ঃ ভাৰতৰ ভূকম্পন মণ্ডলসমূহ**

প্ৰসংগক্ৰমে উল্লেখনীয় যে ফলকৰ সীমান্তৱৰ্তী অঞ্চলত প্ৰবল ভূমিকম্পৰ উৎপত্তি অৱশ্যম্ভাৱী হোৱাৰ দৰেই একেখন ফলকৰ ভিতৰতো কেতিয়াবা শিলাস্তৰৰ আভ্যন্তৰীণ চাপৰ তাৰতম্য বা শিলাস্তৰে হেৰুওৱা স্থিতিস্থাপকীয় সমতাৰ হেতুকেও ডাঙৰ ভূমিকম্পৰ উৎপত্তি ঘটিব পাৰে, যাক আন্তঃফলকীয় ভূমিকম্প বুলি কোৱা হয়। ২০০১ চনৰ ২৬ জানুৱাৰীৰ দিনা উদ্ভৱ হোৱা গুজৰাট ভূমিকম্প (৭.৩ প্ৰাবল্য), অসমত উদ্ভৱ হোৱা ২০১২ চনৰ ৪ মে' (৪.৯ প্ৰাবল্য) আৰু ১১ মে'ৰ (৫.৪ প্ৰাবল্য) ভূমিকম্পক এনে পৰ্যায়ৰ ভূমিকম্পৰ শাৰীত ধৰিব পৰা যায়। এইটোও উল্লেখনীয় যে ভূমিকম্প একোটা যি পৰ্যায়ৰ নহওক লাগিলে কিয়, বেছিভাগৰে ক্ষেত্ৰত জড়িত হৈ থাকে চ্যুতি একোটা আৰু সেই চ্যুতি সক্ৰিয় অৱস্থাত থাকিলে তেনে তলত ভূমিকম্পৰ পুনৰাবৃত্তি ঘটাৰ অৱকাশো থাকে। কিয়নো চ্যুতি তলৰ জৰিয়তেই ফলক অথবা শিলাস্তৰৰ স্থানচ্যুতি ঘটে আৰু তাৰ পৰিপ্ৰেক্ষিততে ঘৰ্ষণ বল মুক্ত হোৱাৰ ফলত ভূমিকম্পৰ উৎপত্তি অৱধাৰিত হয়। মন কৰিবলগা যে ভূমিকম্পৰ উৎপত্তিস্থলৰ গভীৰতা তৰাং হ'লে তাৰপৰা অভিকেন্দ্ৰৰ দূৰত্ব কম হোৱাৰ বাবে তেনে ভূমিকম্পৰ পৰা উৎপত্তি ঘটা অনুদৈৰ্ঘ তৰংগৰ প্ৰকোপ বৃদ্ধি পাব ধৰে আৰু সেয়ে অভিকেন্দ্ৰৰ সমীপৱৰ্তী অঞ্চলত সৰ্বদা ক্ষতিৰ পৰিমাণো বৃদ্ধি পায়।

### উঃপূৰ্বাঞ্চলত সম্ভাৱনীয়তা

এইটো ইতিমধ্যে উনুকিয়াই অহা হৈছেই যে ভৌগোলিক অৱস্থান আৰু ভূতাত্ত্বিক কাৰণৰ বাবেই অসম বা উত্তৰ পূৰ্বাঞ্চল ভূমিকম্পসম্ভৱা অঞ্চল ৰূপে পৰিগণিত হৈ আহিছে। সেয়েহে সুদূৰ অতীতলৈ নগৈ ১৮৯৭চনৰপৰা ২০১৬ চনলৈ এই অঞ্চলত অনুভূত হোৱা উচ্চ প্ৰাবল্যৰ ভূমিকম্পসমূহ নিৰীক্ষণ কৰিলেই (তালিকা - ১) ভূমিকম্প সম্পৰ্কীয় এখন স্পষ্ট ছবি পোৱা যাব। আনহাতে ভাৰতীয় ভূকম্পন মেপখনলৈ যদি আমি চকু ফুৰাও তেতিয়াও দেখা পোৱা যাব যে উত্তৰ-পূৰ্বাঞ্চলটো মণ্ডল ৫ ৰ অন্তৰ্ভুক্ত হৈ আছে (চিত্ৰ ১)। ইয়াৰদ্বাৰা এইটো চিহ্নিত কৰা হৈছে যে এই অঞ্চল ৮ বা ততোধিক প্ৰাবল্যৰ ভূমিকম্প অনুভূত হোৱাৰ সম্ভাৱনাপূৰ্ণ অঞ্চল। তাৰ প্ৰমাণ অৱশ্যে যোৱা দুটা শতিকাৰ ভিতৰত উদ্ভৱ হোৱা বৃহৎ সংখ্যক ভূমিকম্পৰপৰাই পাব পাৰি। এইখিনিতে এইটো উল্লেখ কৰা যুগুত হ'ব যে ভূমিকম্পই কোনো ৰাজনৈতিক বা ভৌগোলিক ক্ষেত্ৰত পৰিধি মানি নচলে, ই ভূতাত্ত্বিকভাৱেহে নিয়ন্ত্ৰিত হয়। উদাহৰণ স্বৰূপে ম্যানমাৰ আৰু নেপাল দুখন বিদেশী ৰাষ্ট্ৰ হ'লেও সেই ৰাষ্ট্ৰদুখনত উদ্ভৱ হোৱা ভূমিকম্পই উত্তৰ পূৰ্বাঞ্চলকো জোকাৰি যোৱাটো অৱশ্যম্ভাৱী। সেয়েহে ২০১৫ চনৰ ১৮ মে' তাৰিখে নেপালত হোৱা ভূমিকম্পই আৰু তেনেকৈ ২০১৬ চনৰ ১৩ এপ্ৰিলত ম্যানমাৰ সীমান্তত হোৱা ভূমিকম্পই সমগ্ৰ উঃপূৰ্বাঞ্চল জোকাৰি যোৱাৰ লগতে ঠাই বিশেষত যথেষ্ট ক্ষতিও সাধিলে। গুৰুত্বপূৰ্ণ যে কোনো স্থানত এবাৰলৈ হৈ যোৱা ভূমিকম্প এটাৰ পিছত সেই ঠাইত পুনৰ ভূমিকম্প হ'বলৈ বহু সময়ৰ প্ৰয়োজন হয় বুলি সচৰাচৰ ভাবি অহা হয় যদিও বহুমসয়ত কিন্তু সেয়া সত্য নহয় বুলি প্ৰতিপন্ন হোৱা দেখা গৈছে। উদাহৰণ স্বৰূপে ইণ্ডোনেছিয়াৰ এছ প্ৰদেশৰ কথাকে ক'ব পাৰি। সেই সৰু ৰাজ্যখনতে ২০১২ চনৰ ১২ এপ্ৰিল ২০০৭ চনৰ ৭ ডিচেম্বৰ তাৰিখে ক্ৰমে এৰাধৰাকৈ ৮.৫ আৰু ৮.২ প্ৰাবল্যৰ ভূমিকম্পৰ উপৰি ৬.৫ প্ৰাবল্যৰ ভূমিকম্প হৈ যায়। গতিকে উঃপূৰ্বাঞ্চলৰ দৰে ভূমিকম্পই সঘনাই জোকাৰি থকা অঞ্চল এটাত অপ্ৰত্যাশিতভাৱে হ'লেও যে ভূমিকম্পই আমাক আঘাত হানি থাকিব তাত সন্দেহ নাই।

### প্ৰতিৰোধমূলক ব্যৱস্থা

এইটো দোহৰাৰ প্ৰয়োজন নাই যে ভূমিকম্পই উঃপূৰ্বাঞ্চলৰ বাবে চিৰলগৰীৰ ৰূপত সংগ দি আহিছে আৰু এই সংগ চিৰযুগমীয়া হৈ থকাৰ সম্ভাৱনাই বেছি। সেয়া মুখ্যতঃ ভূতাত্ত্বিক কাৰণৰ বাবেই সম্ভৱ হৈ আছে। কিন্তু ইয়াৰ বিপৰীতে ইয়াৰ উৎপত্তিৰ ভৱিষ্যদ্বাণী আৰু ইয়াক প্ৰতিৰোধ কৰাৰ উপায়ো এতিয়ালৈ সম্ভৱ কৰি তুলিব পৰা হোৱা নাই। সেয়ে ইয়াত ভূমিকম্প নহয় বুলি হাত সাবটি বহি থাকিলে চাপৰি মেঘ আঁতৰাবলৈ যোৱাৰ দৰে ব্যৰ্থ প্ৰয়াসহে হ'ব। গতিকে এনে প্ৰেক্ষাপটত আমাৰ কৰণীয় কাম হ'ব পৰিস্থিতিসাপেক্ষ ব্যৱস্থা গ্ৰহণেৰে ভূমিকম্পৰ ক্ষয়-ক্ষতি হ্ৰাসৰ প্ৰতি যত্নপৰ হোৱাহে। এইক্ষেত্ৰত প্ৰথমেই গুৰুত্ব দিব লাগিব আমাৰ আৱাসসমূহ যাতে বিপদ মুক্তভাৱে নিৰ্মিত হয়— তালৈ কিয়নো এযাৰ প্ৰৱচন আছে— ভূমিকম্পই মানুহ নামাৰে, মাৰে আমাৰ অসুৰক্ষিত ঘৰবোৰেহে। বাস্তৱতো আমি দেখি আহিছোঁ, দুৰ্বল গাঁথনিৰ ঘৰবোৰ ভূমিকম্পৰ ফলত ভাগি পৰিহে অসংখ্য মানুহৰ মৃত্যু ঘটে। সেয়ে ঘৰবোৰ যাতে মজবুত আৰু ভূমিকম্প প্ৰতিৰোধী আৰ্হিৰে নিৰ্মিত হয় তালৈ গুৰুত্ব দিয়াটো অপৰিহাৰ্য। তাৰ বাবে ঘৰবোৰ যথাসম্ভৱ পাতল সামগ্ৰীৰে নিৰ্মিত হোৱাৰ লগতে কম মহলীয়া হয় তালৈ দৃষ্টি ৰখাটো জৰুৰী। দ্বিতীয়তে, এনে ভূমিকম্প প্ৰধান অঞ্চলত যাতে বিদ্যুৎ উৎপাদনৰ নামত বৃহৎ নদীবান্ধৰ নিৰ্মাণ কৰা নহয় তালৈ মনোনিৱেশ কৰাটো প্ৰয়োজনীয়। তৃতীয়তে এই অঞ্চলৰ বাসিন্দাসকলে ভূমিকম্পৰ আগে-পাছে ল'ব লগা সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ দ্বাৰা যাতে ধন-জনৰ হানি-বিঘিনি কমাব পৰা যায় তাৰ বাবে ৰাজ্যসমূহৰ দুৰ্যোগ প্ৰশমন বিভাগে প্ৰয়োজনীয় প্ৰশিক্ষণ আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ বিশ্বাস, বিশ্বৰ ভিতৰতে ভূমিকম্পৰ দিশত সৰ্বাধিক সম্ভাৱনাপূৰ্ণ হৈয়ো জাপান দেশে ভূমিকম্পৰ লগত পৰিস্থিতিসাপেক্ষ ব্যৱস্থা গ্ৰহণ তথা সহাৱস্থানেৰে দুৰ্যোগৰ মাত্ৰা ভালেখিনি হ্ৰাস কৰিবলৈ সমৰ্থ হৈছে। এতেকে আমি হতাশাগ্ৰস্ত নহৈ সতৰ্কতাৰে ভূমিকম্পৰ লগত মোকাবিলা কৰাৰ প্ৰতি যত্নপৰ হোৱাটো যুগুত হ'ব। ❐

# ঘূৰ্ণী বতাহ

**প্ৰদীপ কুমাৰ দাস***

ঘূৰ্ণী বতাহ বা বা-মাৰলী বায়ুমণ্ডলৰ লগত জড়িত। ই এবিধ বতৰ সম্পৰ্কীয় প্ৰাকৃতিক দুৰ্যোগ। প্ৰকৃততে এটা বিশেষ শ্ৰেণীৰ ধুমুহাক ঘূৰ্ণী বতাহ বুলি কোৱা হয়। কোনো এটা কেন্দ্ৰবিন্দুৰ চাৰিওফালে সৰ্পিল আকাৰে অতিপাত বেগে বোৱা বতাহ যেতিয়া এঠাইৰ পৰা আন ঠাইলৈ গতি কৰে তাকেই ঘূৰ্ণী বতাহ আখ্যা দিয়া হৈছে। ইয়াৰ ইংৰাজী নাম ছাইক্ল'ন (Cyclone)। ই এবিধ ধ্বংসকাৰী ধুমুহা। ক্ৰান্তীয় (Tropical) অঞ্চলত এই বতাহৰ প্ৰভাৱ অতি বেছি। এই অঞ্চলত বেয়া বতৰত এই ধুমুহাৰ সৃষ্টি হয়। এই বতাহ তীব্ৰবেগী হ'লে, তাক 'ছুপাৰ ছাইক্ল'ন' আখ্যা দিয়া হয়। ঘূৰ্ণী বতাহৰ প্ৰধান তিনিটা লক্ষণ হ'ল এই যে ই প্ৰবল বেগে গতি কৰে, সমুদ্ৰ উপকূলীয় অঞ্চলত প্ৰবল কলোচ্ছাসৰ সৃষ্টি কৰে আৰু লগতে প্ৰবল বৃষ্টিপাতৰো সৃষ্টি কৰে।

টৰনেড' হ'ল ঘূৰ্ণীবতাহৰ আন এটি ৰূপ। যেতিয়া ঠাণ্ডা আৰু গৰম বতাহৰ সংমিশ্ৰণ ঘটে, তেতিয়াই ইয়াৰ উৎপত্তি হয়। ই এবিধ বিধ্বংসী বতাহ। ঘূৰ্ণী বতাহ সাধাৰণতে গৰম দিনত সৃষ্টি হয়। কিন্তু ঠাইবিশেষে জাৰকালিও ঘূৰ্ণী বতাহৰ সৃষ্টি হ'ব পাৰে। তেতিয়া ইয়াক ব্লিজাৰ্ড নামে জনা যায়। ইও এবিধ বিধ্বংসী ধুমুহা। এই বতাহ ১৮৮৮ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰ, ১৯৭২ চনত ইৰাণত আৰু ২০০৮ চনত আফগানিস্তানত প্ৰলয়ংকৰী ৰূপত বলিছিল আৰু যথেষ্ট পৰিমাণে ধন-জনৰ ক্ষতিসাধন কৰিছিল। তদুপৰি ঘূৰ্ণী বতাহৰ নাম বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ হোৱা দেখা যায়। আটলাণ্টিক আৰু পূব প্ৰশান্ত মহাসাগৰত এই ধুমুহাৰ নাম হ'ল হাৰিকেন। ইয়াৰ কিছুমান উপনামো আছে। উদাহৰণ স্বৰূপে হাৰিকেন হেজেল (১৯৯১), হাৰিকেন গৰ্ডন (১৯৯৪), হাৰিকেন ছাৰলি (২০০৪) আদি নাম উল্লেখ কৰিব পাৰি। ইয়াৰ উপৰিও বাংলাদেশত ইয়াৰ নাম ঘূৰ্ণীজাত, পশ্চিম প্ৰশান্ত মহাসাগৰত 'টাইফুন', অষ্ট্ৰেলিয়াত 'উইলি উইলিজ', ফিলিপাইনছত 'বাগুই', জাপানত 'টাইফু' আৰু আৰব দেশসমূহত 'আছিফাট' আদি নামে জনা যায়। অকল এনে নহয়, কোনো কোনো দেশৰ একোটা একোটা বিশেষ বতাহ বুজাবলৈ একো একোটা বিশেষ নাম দিয়া হয়। কেৰিবিয়ান সাগৰৰ স্পেনীয় দ্বীপ কিছুমানত ঘূৰ্ণী বতাহৰ নাম কিছুমান সিদ্ধপুৰুষৰ নামেৰে থোৱা হৈছিল। অষ্ট্ৰেলিয়াৰ মানুহে তেওঁলোকৰ বিৰাগভাজন হোৱা ৰাজনীতিবিদৰ নামেৰে এই বতাহৰ নামকৰণ কৰিছিল। আজিকালি প্ৰশান্ত আৰু আটলাণ্টিকৰ দেশসমূহত এই বতাহৰ নাম ছোৱালীৰ নামেৰে থোৱা হয়। উদাহৰণ স্বৰূপে এলিছ, কেৰল, ডৰথি, নাৰ্গিছ আদিৰ নাম উল্লেখ কৰিব পাৰি।

সি যিয়েই নহওক, ঘূৰ্ণী বতাহ পৃথিৱীৰ সকলো ঠাইতে একেই। মাথো ঠাই ভেদে ইয়াৰ নাম বেলেগ বেলেগ হোৱা দেখা যায়। মুঠতে ঘূৰ্ণী বতাহ মানেই হ'ল প্ৰবল বেগে বৈ যোৱা ধুমুহাৰ আঘাত, সাগৰত প্ৰচণ্ড ঢৌ আৰু উপকূল অঞ্চললৈ ক্ষিপ্ৰ গতিৰে হো-হোৱাই সোমাই অহা পানী আৰু ধাৰাসাৰ বৰষুণ।

সাগৰীয় অঞ্চলত বেলেগ বতাহ আছে যদিও আটাইতকৈ ভয়ানক আৰু ধ্বংসকাৰী বতাহ বিধেই হ'ল ঘূৰ্ণী বতাহ। পৃথিৱীৰ বিভিন্ন অঞ্চলৰ বিষুৱ ৰেখাৰ ওচৰে-পাজৰে উষ্ণ মণ্ডলীয় সমুদ্ৰত এই বতাহৰ উৎপত্তি হয়। বিষুৱ অঞ্চলৰ বায়ু, সূৰ্য্যৰ তাপত গৰম হৈ পাতল হয় আৰু ফলস্বৰূপে সেই অঞ্চলত নিম্নচাপৰ সৃষ্টি হয়। বিশেষকৈ ১০° উত্তৰ আৰু দক্ষিণ সমুদ্ৰৰ পানী আপেক্ষিকভাৱে উষ্ণ থাকে আৰু এই অঞ্চলতে বিশেষকৈ নিম্নচাপৰ সৃষ্টি হয়। ইয়াৰ লগত থাকে প্ৰচুৰ পৰিমাণৰ জলীয় বাষ্প। এই জলীয় বাষ্পপূৰ্ণ পাতল বতাহ পাক খাই খাই ওপৰলৈ উঠে আৰু সেই খালি ঠাই পূৰ্ণ কৰিবলৈ কাষৰ পৰা প্ৰবল বেগেৰে অপেক্ষাকৃত চেঁচা বতাহৰ সোঁত বয়। এই ঘূৰ্ণন প্ৰক্ৰিয়াক ইংৰাজীত কোৰিওলিচ ফোৰ্চ (Corioles force) বুলি কোৱা হয়। নিম্নচাপ অঞ্চললৈ বেগেৰে বৈ অহা বায়ুৰ সোঁতৰ গতি পৃথিৱীৰ আৱৰ্তনৰ বাবে সলনি হয়। ফলত বায়ুৱে ভয়ানকভাৱে কুণ্ডলী পকাই গতি কৰে। ইয়াৰ বাবেই ইয়াৰ নাম ঘূৰ্ণী বতাহ অৰ্থাৎ চাইক্ল'ন দিয়া হৈছে। এই শব্দটো

*ড° প্ৰদীপ কুমাৰ দাস গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূ-তত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।

গ্ৰীক ভাষাৰ 'চাইক্ল'ছ' (Cyclos) শব্দৰ পৰা আহিছে। ইয়াৰ অৰ্থ হ'ল 'সাগৰ কুণ্ডলী'। সাধাৰণতে বতাহৰ লগত ক্ৰমান্বয়ে বায়ুৰ পৰিমাণ আৰু গতিবেগ বাঢ়ি যায়। এই ঘূৰ্ণীয়মান বিস্তৃত, আৰ্দ্ৰ আৰু পাতল বায়ুৰ ওপৰ অংশ চেঁচা হোৱাৰ বাবে জলকণাবোৰ ঘনীভূত হয় আৰু মেঘৰ সৃষ্টি কৰে। এই ঘূৰ্ণীভৱন প্ৰক্ৰিয়াত জলীয় বাষ্পই এৰি দিয়া তাপ গ্ৰহণ কৰি বতাহখিনিৰ শক্তি বহু পৰিমাণে বৃদ্ধি কৰে।

ঘূৰ্ণী বতাহ পাক খাই খাই বলে আৰু এই পাকবোৰ এঠাইৰ পৰা আন ঠাইলৈ গতি কৰে। উত্তৰ গোলাৰ্দ্ধত পাক ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত আৰু দক্ষিণ গোলাৰ্দ্ধত পাকৰ গতি ঘড়ীৰ কাঁটাৰ দিশত হয়। উত্তৰ গোলাৰ্দ্ধত এই বতাহে ক্ৰমান্বয়ে পশ্চিম আৰু উত্তৰ-পশ্চিম দিশত গতি কৰে আৰু দক্ষিণ গোলাৰ্দ্ধত ক্ৰমে পশ্চিম আৰু দক্ষিণ-পশ্চিম দিশত আগবাঢ়ে।

ঘূৰ্ণী বতাহৰ বিস্তৃতি ১৬০ৰ পৰা ১৬০০ কিলোমিটাৰ পৰ্যন্ত আৰু উচ্চতা ১০ৰ পৰা ১৭ কিলোমিটাৰলৈকে হ'ব পাৰে। সমুদ্ৰৰ উপৰিভাগত এই বৃহৎ পৰিধিৰ বায়ুৰাশি প্ৰবল বেগেৰে ঘূৰি থাকে আৰু ক্ৰমে ই বিয়পি পৰে। উৎপত্তিৰ সময়ত ইয়াৰ গতিবে ৬০-৭০ কিলোমিটাৰৰ বেছি হ'লে তাক ঘূৰ্ণী বতাহ আৰু ৮০ কিলোমিটাৰৰ বেছি হ'লে তাক প্ৰচণ্ড ঘূৰ্ণী বতাহ বুলি কয়। এটা পূৰঠ ঘূৰ্ণী বতাহৰ চাৰিটা অংশ থাকে। প্ৰথমতে এটা শান্ত কেন্দ্ৰ অঞ্চল থাকে আৰু ইয়াক ঘূৰ্ণী বতাহৰ চকু বুলি কোৱা হয়। একো একোটা চকুৰ ব্যাস প্ৰায় ১০-৩০ কিলোমিটাৰ হয়। এই অঞ্চলত মৃদু বতাহ বয় আৰু আকাশো প্ৰায় পৰিষ্কাৰ হৈ থাকে। দ্বিতীয়তো হ'ল প্ৰচণ্ড বেগী বতাহৰ এটা বলয়। ইয়াৰ গতিবেগ ঘণ্টাত ৯০ কিলোমিটাৰতকৈও বেছি। এই বলয়টো ৫০-১৫০ কিলোমিটাৰ বহল হ'ব পাৰে। এই অঞ্চলত প্ৰবল বৰষুণ হয়। তৃতীয়তে ইয়াৰ এটা বহিঃ ধুমুহাৰ বলয় থাকে। ইয়াত ধুমুহাৰ গতি ঘণ্টাত ৫০-৮০ কিলোমিটাৰ হ'ব পাৰে। চতুৰ্থ বলয়টো হ'ল একেবাৰে বাহিৰৰ বলয়। ই এটা দুৰ্বল বলয়। উল্লেখনীয় যে ঘূৰ্ণী বতাহ স্থলভাগত প্ৰৱেশ কৰাৰ পাছত যথেষ্ট বাধাৰ সন্মুখীন হয় আৰু সেই বাবে ই লাহে লাহে নাইকিয়া হয়।

ঘূৰ্ণী বতাহৰ উৎপত্তি সাধাৰণতে উষ্ণ সাগৰৰ ওপৰত হয়। ওপৰলৈ উঠি যোৱা জলীয় বাষ্প ডাঠ মেঘত পৰিণত হয় আৰু পাছত বৰষুণ ৰূপে তললৈ নামি আহে। এই ক্ৰিয়াত জলীয় বাষ্পত নিহিত হৈ থকা শক্তিৰ এটা অংশ তাপ শক্তি হিচাপে বাহিৰ ওলায়। এই তাপৰ ফলত পুনৰ বেছি জলীয় বাষ্প সম্প্ৰসাৰিত হয় আৰু ওপৰলৈ উঠে। এনেদৰে জলীয় বাষ্প ঘনীভূত হৈ বৰষুণ হোৱাৰ ফলত যিমান শক্তি নিৰ্গত হয় তাৰ পৰিমাণ ৪০০টা ২০ মেগাটন হাইড্ৰ'জেন বোমাৰ বিস্ফোৰণৰ পৰা ওলোৱা তাপৰ সমান। এই শক্তিৰ মাথো ২ ভাগহে ঘূৰ্ণী বতাহৰ গতি শক্তিত পৰিণত হয়। এটা ক্ৰান্তিয় ঘূৰ্ণী বতাহৰ গঠনৰ আৰু ভাঙোনৰ গড় আয়ুস মাথো ৬ দিন। কিছুমান অৱশ্যে কেইঘণ্টামানৰ ভিতৰতে নিঃশেষ হৈ যায়। আন কিছুমান আকৌ সপ্তাহলৈকে থাকে।

ঘূৰ্ণী বতাহৰ উৎপত্তি হোৱাৰ পূৰ্বেই আভাস পোৱা যায়। কিন্তু কেতিয়াবা কোনো পূৰ্বাভাস নোহোৱাকৈ ইয়াৰ উৎপত্তি হোৱা দেখা যায়। তেতিয়া এই ঘূৰ্ণীবতাহে যথেষ্ট ক্ষতি সাধন কৰিব পাৰে। কাৰণ কোনেও গম নোপোৱাকৈয়ে এই ঘূৰ্ণী বতাহৰ সৃষ্টি হয়। এনেকুৱা ঘূৰ্ণী বতাহৰ বহিঃৰূপ শান্ত হোৱা হেতুকে মানুহে একো গম নাপায়।

সি যিয়েই নহওক, ঘূৰ্ণী বতাহৰ জীৱনক চাৰিটা ভাগত ভগাব পাৰি। যেনে— (ক) আৰম্ভণী (খ) গঠন (গ) পূৰঠ অৱস্থা (ঘ) ভাঙোনমুখী অৱস্থা। আৰম্ভণী আৰস্থাত সাগৰৰ ওপৰত বায়ুচাপ অনিয়মীয়া হয়, বৰষুণ হয় আৰু বায়ুৰ চাপ যথেষ্ট কমি থাকে। গঠনৰ সময়ত বতাহৰ গতি বাঢ়ে আৰু ই উত্তৰ গোলাৰ্দ্ধত সোঁপিনৰ পৰা বাওঁপিনলৈ আৰু দক্ষিণ গোলাৰ্দ্ধত বাওঁপিনৰ পৰা সোঁপিনলৈ ঘূৰিবলৈ ঘূৰে। লগতে আকাশ ডাৱৰে ঢাকি ধৰে। বতাহৰ গতি ঘণ্টাত ২৫-৩৫ কিলোমিটাৰ হয়। ইয়াৰ পাছত এই বতাহ প্ৰতিদিনে ৩৫০-৫০০ কিলোমিটাৰ পৰ্যন্ত দূৰলৈ ধাবিত হয়। ভাৰতীয় বতৰ বিজ্ঞানীসকলৰ মতে এই বতাহৰ গতি বেগ প্ৰতিঘণ্টাত ৬০ৰ পৰা ১০০ কিলোমিটাৰ হ'ব পাৰে। অৱশ্যে কোনো কোনো ঘূৰ্ণী বতাহৰ বেগ ৩০০ৰ পৰা ৫০০ কিলোমিটাৰ পৰ্যন্ত হ'ব পাৰে। কোনো কেনো ঘূৰ্ণী বতাহ একে অঞ্চলতে দুই-তিনিদিন ধৰি স্থিৰ হৈ থাকে আৰু কিছুমান ঘূৰ্ণী বতাহ কেইঘণ্টামানৰ ভিতৰতে বহুদূৰ বিয়পি পৰিব পাৰে। ইহঁতে একোটা প্ৰকাণ্ড দৈত্যৰ দৰে সাগৰৰ পৰা স্থলভাগলৈ বৈ আহে আৰু বাটত পোৱা জাহাজ, ঘৰ-দুৱাৰ, গছ-গছনি, শস্যৰ পথাৰ আদি মষিমূৰ কৰে। লগতে অসংখ্য জীৱনৰ প্ৰাণনাশ কৰিব পাৰে। ঘূৰ্ণী বতাহৰ লগত ডবা-পিটা বৰষুণ হয় আৰু লগতে সমুদ্ৰৰ জলৰাশি ওপৰলৈ উঠি উপকূলীয় অঞ্চলৰ বিস্তৰ ক্ষতি সাধন কৰে। এনেকুৱা ঘূৰ্ণী বতাহৰ পাছত আহে দুৰ্ভিক্ষ আৰু মহামাৰী।

পৃথিৱীৰ ভিতৰত ভাৰতৰ বঙ্গোপসাগৰতে ঘূৰ্ণী বতাহৰ প্ৰকোপ বেছি। কিয় এনেকুৱা হয়, ইয়াৰ সঠিক উত্তৰ বতৰ বিজ্ঞানীসকলৰ হাতত নাই। এই অঞ্চলত দুটা ঋতুতে ঘূৰ্ণী বতাহ বলিব পাৰে। এবাৰ এপ্ৰিল-মে' মাহত আৰু এবাৰ হয় ছেপ্তেম্বৰ-অক্টোবৰ মাহত। তদুপৰি বঙ্গোপসাগৰত সৃষ্টি হোৱা ঘূৰ্ণী বতাহৰ গতিপথ অতি জটিল। এই বতাহ প্ৰধানতঃ পাঁচোটা গতিপথৰ। যেনে— এই বতাহ সৃষ্টি হোৱাৰ পাছত অগ্ৰসৰ হৈ কেতিয়াবা কেতিয়াবা বিষুব ৰেখাৰ পিনে ভাঁজ লয়। কেতিয়াবা সৰল ৰেখাৰ গতিত অগ্ৰসৰ হয়। কেতিয়াবা একা-বেঁকা গতিত অগ্ৰসৰ হয়। কেতিয়াবা পাক খোৱা গতিত অগ্ৰসৰ হয় আৰু কেতিয়াবা উপ-বৃত্তাকাৰ গতিত অগ্ৰসৰ হয়।

অকল যে বঙ্গোপসাগৰতে ঘূৰ্ণী বতাহৰ সৃষ্টি হয়, এনে নহয়। আৰব সাগৰতো ঘূৰ্ণী বতাহৰ সৃষ্টি হ'ব পাৰে। ভাৰতৰ দৰে পৃথিৱীৰ আন আন ঠাইতো ঘূৰ্ণী বতাহৰ সৃষ্টি হয়। দক্ষিণ আমেৰিকাৰ পূব আৰু পশ্চিম উপকূলতো প্ৰতিবছৰে গড়ে দুই-চাৰিটা ঘূৰ্ণী বতাহৰ আবিৰ্ভাৱ ঘটে। মাৰ্কিন যুক্তৰাষ্ট্ৰতো বছৰি ঘূৰ্ণী বতাহৰ সৃষ্টি হয়। জাপানত বছৰি তিনিৰ পৰা পাঁচোটালৈকে ঘূৰ্ণী বতাহৰ সৃষ্টি হয়। তদুপৰি ইউৰোপ আৰু এছিয়া মহাদেশৰ আন আন দেশতো বছৰি বছৰি ঘূৰ্ণী বতাহৰ সৃষ্টি হয়। ঘূৰ্ণীবতাহৰ প্ৰধান বলয়কেইটা হ'ল ক্ৰমে বঙ্গোপসাগৰ আৰু আৰব সাগৰ, মেক্সিকো উপসাগৰ আৰু কেৰিবিয়ান সাগৰ, প্ৰশান্ত মহাসাগৰ, ফিলিপাইনছ দ্বীপ, জাপান আৰু চীন সাগৰ, অষ্ট্ৰেলিয়াৰ সাগৰীয় অঞ্চল আদি।

ঘূৰ্ণী বতাহৰ আগলি বতৰা যোগাবৰ বাবে চাৰিবিধ ব্যৱস্থা গ্ৰহণ কৰা হয়। এই ব্যৱস্থাকেইটা হ'ল— জাহাজ, বিমান, ৰেডাৰ আৰু বতৰ উপগ্ৰহ। এইবোৰত থকা অত্যাধুনিক যন্ত্ৰৰ সহায়ত ঘূৰ্ণী বতাহৰ আগলি বতৰা প্ৰেৰণ কৰা হয়। এইবোৰৰ সহায়ত নিয়মীয়াকৈ বতৰ সম্পৰ্কীয় বিভিন্ন তথ্য-পাতি উপকূলত থকা কেন্দ্ৰসমূহলৈ পঠায় আৰু তাত থকা বিজ্ঞানীসকলে এই তথ্য-পাতিৰ সহায়ত ঘূৰ্ণী বতাহৰ সময়, প্ৰকৃতি আদি নিৰ্দ্ধাৰণ কৰি সময় মতে যথাস্থানত সাৱধান বাণী পঠায়। ভাৰতত এনেকুৱা কেন্দ্ৰ কেইবাটাও স্থাপন কৰা হৈছে। এই কেন্দ্ৰকেইটা বিশাখাপট্টনম, কলকাতা, পাৰাদ্বীপ, মুম্বাই, চেন্নাই, গোৱা, মছলিপট্টনম আৰু কাৰাইকোলত আছে। ভাৰতৰ উপকূলীয় অঞ্চলত প্ৰতিবছৰে ঘূৰ্ণী বতাহৰ সৃষ্টি হৈ ধন-জনৰ বিস্তৰ ক্ষতি সাধন হয়। গতিকে এইবোৰ অঞ্চলত আগজাননী দিলে ক্ষয় ক্ষতিৰ পৰিমাণ বহুখিনি কমাব পাৰি। বৰ্তমান ভাৰতকে ধৰি কেইবাখনো দেশে আগজাননীৰ বাবে কৃত্ৰিম উপ-গ্ৰহৰ সহায় লৈ আছে। ইয়াত থকা যন্ত্ৰসমূহে বতৰ সম্পৰ্কীয় তথ্যপাতি প্ৰেৰণ কৰি আহিছে। তদুপৰি ভাৰতৰ কেইবা ঠাইতো ৰাডাৰ যন্ত্ৰ বহুওৱা হৈছে। ঘূৰ্ণী বতাহৰ আগজাননী দিবৰ বাবে ভাৰতত ৬টা কেন্দ্ৰ আছে। এই কেন্দ্ৰকেইটা কলকাতা, ভুবনেশ্বৰ, বিশাখাপট্টনম, চেন্নাই, মুম্বাই আৰু আহমেদাবাদত আছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ঘূৰ্ণী বতাহৰ আগজাননী দিয়াৰ লগতে ইয়াক কোনো কোনো বতৰ বিজ্ঞানীয়ে ইয়াক ভ্ৰূণ-অৱস্থাতে নষ্ট কৰাৰ কথাও চিন্তা কৰি আছে। কিছুমান বিজ্ঞানীয়ে নিম্নচাপ সৃষ্টি হোৱা অঞ্চলত কৃত্ৰিমভাৱে শীতল বতাহ প্ৰয়োগ কৰি তাৰ গতিশক্তি ৰোধ কৰাৰ চেষ্টাও কৰি আহিছে। মুঠতে ইয়াক নিয়ন্ত্ৰণ কৰাৰ কথা বিজ্ঞানীসকলে অহৰহ চেষ্টা চলাই আহিছে। কিন্তু বৰ্তমানলৈকে ই সম্ভৱ হৈ উঠা নাই।

ঘূৰ্ণী বতাহ প্ৰধানকৈ সাগৰীয় অঞ্চলত সৃষ্টি হয় যদিও সমুদ্ৰৰ পৰা দূৰত থকা স্থলভাগতো সৃষ্টি হ'ব পাৰে। ইয়াক আমি ধুমুহা (Thunder storm) বুলি কওঁ। এই বতাহ সাধাৰণতে বহাগ মাহত সৃষ্টি হোৱা দেখা যায়।

উত্তৰ-পূব অঞ্চলৰ বাকী ৰাজ্য আৰু বিশেষকৈ অসমতো প্ৰতিবছৰে এপ্ৰিল, মে' মাহত ঘূৰ্ণী বতাহ বা বা-মাৰলীৰ সৃষ্টি হয়। ইয়াক আমি বৰদৈচিলা বুলি কোৱা হয়। তদুপৰি বঙ্গোপসাগৰত নিম্নচাপৰ সৃষ্টি হোৱাৰ ফলতো বাংলাদেশকে আদি কৰি উত্তৰ-পূবৰ ৰাজ্যকেইখনতো ধুমুহা আৰু বৃষ্টিপাতৰ সৃষ্টি হোৱা দেখা যায়।

ঘূৰ্ণী বতাহত ল'ব লগা ব্যৱস্থাসমূহ হ'ল—

১। ঘূৰ্ণী বতাহ অহাৰ আগে আগে ঘৰৰ ভিতৰত সোমাই থাকিব লাগে। বিশেষকৈ ঘৰটোৰ মজবুত ঠাইত আশ্ৰয় ল'ব লাগে।

২। শুকান খাদ্য আৰু দৰৱ-পাতি লগত ৰাখিব লাগে।

৩। ঘৰৰ বিদ্যুৎ লাইনৰ মুখ্য ছুইচটো বন্ধ কৰি ৰাখিব লাগে।

৪। ঘূৰ্ণী বতাহৰ আগজাননী পালে নাওঁ আদিত নদী পাৰ হ'ব নালাগে। লগতে সমুদ্ৰত মাছ মাৰিব যাব নালাগে।

৫। জৰুৰীকালীন টেলিফোন নম্বৰসমূহ সদায় লগত ৰাখিব লাগে। ❐

# কলৰ খেতিৰে স্বাৱলম্বন— ১২০ বিঘা মাটিত কলপুলি ৰোপণ

**খগেন্দ্ৰ ৰাভা***

অসম কৃষিভূমিৰে চহকী। ৰাজ্যৰ ৮০ শতাংশতকৈ অধিক লোক গ্ৰামাঞ্চলত বসবাস কৰে আৰু কৃষিৰ লগত জড়িত। এক কথাত ক'বলৈ গ'লে আমাৰ জাতীয় অৰ্থনীতি আৰু কৃষি খণ্ডৰ মূল চালিকা শক্তিয়েই হৈছে কৃষক। গ্ৰাম্য অৰ্থনীতি আৰু জাতীয় অৰ্থনৈতিক ক্ষেত্ৰখনত কৃষি আৰু পশুপালনে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। কিন্তু অসমত কৃষকে উৎপাদন কৰা সামগ্ৰীৰ প্ৰকৃত মূল্য নাপাই লোকচান ভৰিব লগা হৈছে বুলি সদায়ে কৃষক ৰাইজে অভিযোগ উত্থাপন কৰি আহিছে। তৎসত্ত্বেও কিন্তু ৰাজ্যখনৰ কৃষকসকলে যুদ্ধকালীনভাৱে এটাৰ পিছত এটাকৈ শস্য উৎপাদন কৰি কৃষিৰ অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাই গৈছে।

সম্প্ৰতি, অতি কম সময়ত আৰ্থিকভাৱে সচ্ছল তথা স্বাৱলম্বী হোৱাৰ একমাত্ৰ থল হৈছে কৃষিৰ বৰ্ণিল ক্ষেত্ৰখন। এগৰাকী শিক্ষিত নিবনুৱা যুৱক গোৱালপাৰা জিলাৰ ধনু ভাঙাৰ দেৱব্ৰত ৰাভাৰ কথাকে ক'ব পাৰি। যি সময়ত ৰাজ্যৰ লাখ লাখ শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি বিচাৰি হাবাথুৰি খাই বহিঃৰাজ্যলৈ ঢাপলি মেলিছে আৰু হতাশগ্ৰস্ততাৰ চিকাৰ হৈছে; তেনে সময়তে গোৱালপাৰা জিলাৰ ৰং জুলি ৰাজহ চক্ৰৰ অন্তৰ্গত ধনুভাঙাৰ কৃষি উদ্যমী যুৱক দেবব্ৰত ৰাভাই উপাৰ্জন কৰি স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। সৰুৰে পৰা কৃষিৰ প্ৰতি ধাউতি থকা দেৱব্ৰত ৰাভাই ২০08 চনৰপৰাই কৃষিকৰ্মত জড়িত হৈ পৰিছিল। প্ৰথম অৱস্থাত কোনোধৰণৰ মূলধন বিনিয়োগ নকৰাকৈয়ে তেওঁ ঘৰৰে দুবিঘা পতিত মাটিত কুঁহিয়াৰ খেতি কৰিবলৈ লৈছিল। ইয়াৰ পিছতে ৰাভাই আকৌ পাঁচ বিঘা মাটিত কুঁহিয়াৰ খেতি কৰি প্ৰায় অৰ্দ্ধলক্ষ টকা উপাৰ্জন কৰিবলৈ সক্ষম হয়। প্ৰায় দুবছৰৰ পিছত কুঁহিয়াৰ খেতিৰপৰা লাভ কৰা টকাৰে তেওঁ ২০১১ চনত চাৰি বিঘা ভূমিত মালভোগ কলৰ খেতি কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পিছত ৰাভাই আৰু পিছলৈ উভতি চাবলগীয়া নহ'ল। এটাৰ পিছত আন এটা খেতিৰে সফলতা অৰ্জন কৰি তেওঁ জিলাখনৰ এজন আদৰ্শ খেতিয়ক হিচাপে চিহ্নিত হ'বলৈ সক্ষম হয়। উক্ত কল-খেতিত দেৱব্ৰত ৰাভাই ১০০০ জোপা মালভোগ কলৰ পুলি প্ৰায় ৪৫ হেজাৰ টকা ব্যয় কৰি ৰোপণ কৰাৰ বিপৰীতে ১ লাখ ৩০ হেজাৰ টকা উপাৰ্জন কৰে। ২০১২ বৰ্ষত ৩৫০০ জোপা মালভোগ কলৰ পুলি ৰোপণ কৰা ৰাভাই ২০১৩ চনত ৪৫০০ জোপা কলৰ পুলি ৰোপণ কৰে ১২ বিঘা মাটিত। অকল এয়াই নহয়, দেৱব্ৰত ৰাভাই নিজস্ব পৰিকল্পনা তথা তৃষ্ণ বুদ্ধিমত্তাৰে ইতিমধ্যে তীক্ষ্ণপালন, গো-পালন, ছুপাৰী, অমিতা আৰু মাটি কঁঠালৰ খেতি কৰিছে। ইফালে ২০১৪ চনত দেৱব্ৰত ৰাভাই গাঁৱৰে হীৰেন ৰাভা, দীপাংকৰ ৰাভা, দীপজ্যোতি দুৰ্গেশ্বৰ ৰাভা আৰু প্ৰাণ ৰাভাক লগত লৈ 'নৱ জাগৰণ যুটীয়া দায়বদ্ধ গোট নামেৰে এখন সমিতি গঠন কৰি কলখেতিত উঠি-পৰি লাগিছে। গোটটোৱে প্ৰথম অৱস্থাত ৪০বিঘা মাটি লীজত লৈ এইবেলি ১২০ বিঘা মাটিত প্ৰায় ৩০ হাজাৰটা বিভিন্ন জাতৰ কলপুলি ৰোপণ কৰিছে। কৃষি উদ্যমী যুৱক দেৱব্ৰত ৰাভাই জানিবলৈ দিয়া মতে চৰকাৰী চাকৰি বিচাৰি হাবাথুৰি নাখাই কৃষিৰ জৰিয়তে নিজৰ ভৰিত নিজে থিয় দিব পাৰি। ২০১৩ চনত দেৱব্ৰত ৰাভাই নিজাববীয়াকৈ ১৫ বিঘা মাটিত কল, ৬ বিঘা মাটিকালিৰ দুটা পুখুৰীত মীন পালন, ২ বিঘা মাটিত অমিতা আদি খেতি কৰিবলৈ লয়। উল্লেখ্য যে তেওঁ নিজে স্বাৱলম্বী হোৱাৰ বিপৰীতে গাঁৱৰে আন ২০ জন লোককো সংস্থাপন দি আন এটা আদৰ্শ দেখুৱাবলৈ সক্ষম হৈছে। ইফালে দেৱব্ৰত ৰাভাৰ নেতৃত্বত গঠিত "নৱজাগৰণ যুটীয়া দায়বদ্ধ গোটে শেহতীয়াভাৱে ১২০ বিঘা মাটিত ৰোপণ কৰা কলখেতি সম্প্ৰতি লহপহকৈ বাঢ়ি অহাত সেউজ বননিত পৰিণত হৈছে। ৰাজ্যৰ বিভিন্ন ঠাইৰপৰা ইতিমধ্যে ৰাভাৰ কলৰ বাগান চাবলৈ ঢাপলি মেলা পৰিলক্ষিত হৈছে। এক কথাত ক'বলৈ গ'লে কলৰ বাগানখন

*খগেন্দ্ৰ ৰাভা গোৱালপাৰাৰ কৃষ্ণাইৰ হাৰিমূৰাৰ বাসিন্দা।




পৰ্যটনস্থলীত পৰিণত হৈছে। গোটৰ সদস্যসকলে জানিবলৈ দিয়া মতে, কলৰ বাগিচাখনত কল উৎপাদন হ'লে বছৰি গড় হিচাপত অতি কমেও ৯০ হাজাৰ টকা উপাৰ্জন হ'ব। আনহাতে কলপুলি বিক্ৰী কৰিও ভালেখিনি ধন উপাৰ্জন কৰিবলৈ সক্ষম হ'ব। সম্প্ৰতি দেৱব্ৰত ৰাভা সমগ্ৰ জিলাখনৰ লগতে নামনি অসমৰ এজন আদৰ্শ খেতিয়ক হিচাপে পৰিগণিত হ'বলৈ সক্ষম হৈছে। তেওঁৰদ্বাৰা অনুপ্ৰাণিত হৈ নিজৰ অঞ্চলটোৰ লগতে জিলাখনৰ বহু যুৱকে ইতিমধ্যে কৃষি ক্ষেত্ৰত জড়িত হৈ পৰিছে। ভাৰতবৰ্ষৰ কৃষি সম্প্ৰসাৰণ পদ্ধতি সংস্কাৰৰ বাবে ১৯৯৮-২০০৫ চনত বিশ্ব বেংকৰ অৰ্থ সাহায্যৰে দেশৰ কৃষকসকলৰ আৰ্থিক দিশত সাহায্য দিব পৰাকৈ কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় কৃষি প্ৰযুক্তি প্ৰকল্প এন এ টি পি নামৰ প্ৰকল্প প্ৰস্তুত কৰিছিল। এই প্ৰকল্পৰ কাম ৰূপায়ণ কৰিবলৈ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা চমুকৈ 'আত্মা' নামেৰে এটা প্ৰতিষ্ঠান গঠন কৰি কৃষকৰ সৰ্বাংগীন উন্নতিৰ উদ্দেশ্যেৰে বিভিন্ন আঁচনি প্ৰস্তুত কৰে। এনে আঁচনিসমূহ সঠিক ৰূপত ৰূপায়ণ কৰি গ্ৰামাঞ্চলৰ খেতিয়কসকলক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে যদি চৰকাৰে বিজ্ঞানসন্মত পদ্ধতিৰ পৰামৰ্শ আগবঢ়ায়; তেন্তে কৃষি উদ্যমী যুৱক দেৱব্ৰত ৰাভাৰ দৰে ৰাজ্যৰ লাখ লাখ শিক্ষিত নিবনুৱা যুৱক-যুৱতী স্বাৱলম্বী হোৱাৰ বিপৰীতে কৃষিৰ অৰ্থনৈতিক অৱস্থা অধিক টনকিয়াল হ'ব যে ই ধুৰুপ। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*